U.G.C. SPONSORED MINOR RESEARCH PROJECT

# ASOMIYA ARU BANGALA BHASAR SABDAGATHANATMAK PRATYAYA : EK TULANAMULAK BISLESHAN

## (অসমীয়া আৰু বঙ্গলা ভাষাৰ শব্দ গঠনাত্মক প্ৰত্যয় ঃ এক তুলনামূলক বিশ্লেষণ)

***A Project report of M.R.P. submitted to University Grants Commission.***

(Vide Letter No. F.5-06/2008-09 (MRP/NERO) 7624 dt. 2 March,2009)

Received on 19/2/10

NIRMAL HALOI COLLEGE PRINCIPAL PATACHARKUCHI

**Nabanita Kalita**
**Department of Assamese**
**Nirmal Haloi College, Patacharkuchi**
**Patacharkuchi, Barpeta (Assam)781326**

U.G.C. SPONSORED MINOR RESEARCH PROJECT

# ASOMIYA ARU BANGALA BHASAR SABDAGATHANATMAK PRATYAYA : EK TULANAMULAK BISLESHAN

# (অসমীয়া আৰু বঙলা ভাষাৰ শব্দ গঠনাত্মক প্ৰত্যয় ঃ এক তুলনামূলক বিশ্লেষণ)

***A Project report of M.R.P. submitted to University Grants Commission.***

(Vide Letter No. F.5-06/2008-09 (MRP/NERO) 7624 dt. 2 March,2009)

Received the copy for college library on 29/12/[illegible]

**Nabanita Kalita**
Department of Assamese
Nirmal Haloi College, Patacharkuchi
Patacharkuchi, Barpeta (Assam)781326

# সূচীপত্ৰ


কৃতজ্ঞতা জ্ঞাপন

সংক্ষিপ্ত ৰূপ

সাংকেতিক চিহ্ন

পাতনি

**১. প্ৰথম অধ্যায় ঃ অসমীয়া আৰু বঙলা ভাষাৰ উদ্ভৱ-বিকাশ** ১-৩৮

১.০১ অসমীয়া আৰু বঙলা ভাষাৰ সাধাৰণ পৰিচয় ১

১.০২ ইণ্ডো ইউৰোপীয় ভাষা পৰিয়ালৰ পৰা উদ্ভূত ভাৰতীয় আৰ্যভাষা ১-৪

১.০৩ অসমীয়া ভাষাৰ উদ্ভৱ-বিকাশ ৪-২৮

১.০৪ বঙলা ভাষাৰ উদ্ভৱ-বিকাশ ২৮-৩৮

**২. দ্বিতীয় অধ্যায় ঃ ৰূপতত্ত্ব আৰু অসমীয়া-বঙলা ভাষাৰ ৰূপতত্ত্ব** ৩৯-৪৯

২.০১ ৰূপতত্ত্বৰ সংজ্ঞা আৰু ইয়াৰ সাধাৰণ ধাৰণা ৩৯-৪০

২.০২ ৰূপৰ ধাৰণা, ইয়াৰ সংজ্ঞা, বৈশিষ্ট্য আৰু চৰ্ত ৪০-৪৪

২.০৩ ৰূপৰ শ্ৰেণী বিভাগ ৪৪

২.০৩.১ মুক্ত ৰূপ আৰু বদ্ধ ৰূপ ৪৪-৪৫

২.০৩.২ উপাকৃতি বা সংৰূপ ৪৫-৪৭

২.০৪ ৰূপতত্ত্বৰ আলোচ্য বিষয়ৰ বিভাজন ৪৭-৪৯

**৩. তৃতীয় অধ্যায় ঃ শব্দ-গঠন আৰু অসমীয়া-বঙলা ভাষাৰ শব্দ-গঠন প্ৰক্ৰিয়া** ৫০-৭০

৩.০১ শব্দ গঠনৰ সাধাৰণ ধাৰণা ৫০

৩.০১.১ শব্দ-গঠন অধ্যয়নৰ ইতিহাস ৫০-৫২

৩.০২ মূল ৰূপ বা শব্দ মূল ৫২-৫৪

৩.০৩ শব্দ মূলৰ শ্ৰেণী বিভাগ ৫৪

৩.০৩.১ সৰল বা মৌলিক শব্দমূল ৫৫

৩.০৩.২ গৌণ সাধিত শব্দমূল ৫৬

৩.০৩.৩ যৌগিক শব্দমূল ৫৬

৩.০৩.৪ মুখ্য সাধিত শব্দমূল ৫৬-৫৭

৩.০৩.৫ যৌগিক ধাতুমূল ৫৭

৩.০৪ অসমীয়া আৰু বঙলা ভাষাৰ শব্দ-গঠন প্ৰক্ৰিয়া ৫৭-৭০

৩.০৪.১ প্ৰত্যয় বা সৰ্গৰ যোগত নতুন শব্দ-গঠন ৫৮

৩.০৪.১.১ উপসৰ্গ বা পূৰ্ব সৰ্গৰ যোগত শব্দ-গঠন ৫৮-৫৯

৩.০৪.১.২ পৰসৰ্গৰ যোগত শব্দ-গঠন ৬০-৬৭

৩.০৪.২ দুটা বা ততোধিক ভিন্ন অৰ্থবাচক শব্দৰ যোগত নতুন শব্দ-গঠন ৬৭-৬৮
৩.০৪.৩ অভ্যাস বা পুনৰুক্তিৰ দ্বাৰা নতুন শব্দ-গঠন ৬৮-৭০
**৪. চতুৰ্থ অধ্যায় ঃ অসমীয়া আৰু বঙলা ভাষাৰ শব্দগঠনাত্মক প্ৰত্যয়** ৭১-১৫০
৪.০১ শব্দগঠনাত্মক প্ৰত্যয় সম্পৰ্কীয় ধাৰণা আৰু ইয়াৰ শ্ৰেণী বিভাগ ৭১
৪.০১.১ পূৰ্ব প্ৰত্যয় বা উপসৰ্গৰ দ্বাৰা শব্দ গঠন ৭২
৪.০১.১.১ অসমীয়া আৰু বঙলা ভাষাত সংস্কৃত উপসৰ্গৰ ব্যৱহাৰ ৭২-৮৩
৪.০১.১.২ অসমীয়া আৰু বঙলা ভাষাৰ নিজস্ব বা ঘৰুৱা উপসৰ্গ ৮৩-৯২
৪.০১.২ পৰপ্ৰত্যয় বা পৰসৰ্গৰ দ্বাৰা শব্দ-গঠন ৯২
৪.০১.২.১ কৃৎপ্ৰত্যয়ৰ যোগত শব্দ-গঠন ৯২
৪.০১.২.১.১ অসমীয়া ভাষাৰ কৃৎ প্ৰত্যয় ৯২-১০৩
৪.০১.২.১.২ বঙলা ভাষাৰ কৃৎ প্ৰত্যয় ১০৩-১১২
৪.০১.২.২ তদ্ধিৎ প্ৰত্যয়ৰ যোগত শব্দ গঠন ১১২
৪.০১.২.২.১ অসমীয়া ভাষাৰ তদ্ধিৎ প্ৰত্যয় ১১২-১৩৩
৪.০১.২.২.২ বঙলা ভাষাৰ তদ্ধিৎ প্ৰত্যয় ১৩৩-১৫০
**৫. পঞ্চম অধ্যায় ঃ উপসংহাৰ** ১৫১-১৫৬
**গ্ৰন্থপঞ্জী** ১৫৭-১৬৬

# কৃতজ্ঞতা জ্ঞাপন

আমাৰ গৱেষণা গ্ৰন্থখনি প্ৰস্তুত কৰোঁতে বিভিন্ন দিহা-পৰামৰ্শ দি সহায়-সহযোগ কৰিছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা শ্ৰদ্ধেয় ড° লীলাৱতী শইকীয়া বৰা বাইদেৱে। তেখেতলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুদান অবিহনে এই গৱেষণা কেতিয়াও সম্পূৰ্ণ নহ'লহেঁতেন। এই চেগতে বিশ্ববিদ্যালয় অনুদান আয়োগৰ সংশ্লিষ্ট সকলোকে আমাৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ। গৱেষণাৰ বিভিন্ন দিশত নানান উপদেশ দি সহায় কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাৰ-বাইদেউসকললৈও আমাৰ আন্তৰিক কৃতজ্ঞতা থাকিল। বঙলা ভাষাটোৰ শব্দ সংগ্ৰহৰ ক্ষেত্ৰত যাৱতীয় পৰামৰ্শৰে বিশেষভাৱে সহায় কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাংলা বিভাগৰ মুৰব্বী অধ্যাপক ড° অমলেন্দু চক্ৰৱৰ্তী ছাৰ আৰু হাউলিৰ বি.এইচ. কলেজৰ বাংলা বিভাগৰ প্ৰবক্তা দেৱব্ৰত দত্ত ছাৰৰ ওচৰতো কৃতজ্ঞ হৈ ৰ'লোঁ। আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা নিৰ্মল হালৈ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° বীৰেন্দ্ৰ ডেকা চাৰলৈয়ো আন্তৰিক কৃতজ্ঞতা থাকিল। প্ৰতিটো পদক্ষেপতে তেখেতে আমাক বিভিন্ন উপদেশ দি কামত অগ্ৰসৰ হোৱাত সহায় কৰিছে। আমাৰ অধ্যয়নৰ কালচোৱাত বিভিন্ন গ্ৰন্থৰে সহায় কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰ, বৰ্দ্ধমান বিশ্ববিদ্যালয় গ্ৰন্থাগাৰ, উত্তৰ বংগ বিশ্ববিদ্যালয় গ্ৰন্থাগাৰ, কল্যাণী বিশ্ববিদ্যালয় গ্ৰন্থাগাৰ, নিৰ্মল হালৈ মহাবিদ্যালয় গ্ৰন্থাগাৰ, মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয় গ্ৰন্থাগাৰ, বৰভাগ মহাবিদ্যালয় গ্ৰন্থাগাৰ আৰু নলবাৰী জিলা পুথিভঁৰালৰ গ্ৰন্থাগাৰিক প্ৰমুখ্যে সমূহ কৰ্মকৰ্তালৈও আমাৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

সৰ্বতোপৰি মোৰ এই গৱেষণাকাৰ্যৰ অন্যতম প্ৰেৰণাৰ উৎস মোৰ স্বামী, মা-দেউতা, আৰু মোৰ ঘৰখন, যাৰ অনুপ্ৰেৰণা আৰু সহায় অবিহনে হয়তো মই কেতিয়াও গৱেষণাকাৰ্য সুকলমে চলাব নোৱাৰিলোহেঁতেন, এই আটাইলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাচিলোঁ। লগতে গৱেষণা গ্ৰন্থখনৰ হৰফ সাজি পূৰ্ণাংগ ৰূপ দিয়াত সহায় কৰা নলবাৰী কলেজ-পথস্থ নিউ ডিজিটেল কম্পিউটাৰৰ জগদীশ দাস আৰু ধীৰাজ বৰ্মনলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

নৱনীতা কলিতা

(নৱনীতা কলিতা)

# সংক্ষিপ্ত ৰূপ

| | |
|---|---|
| অস. | অসমীয়া |
| ব. | বঙলা |
| বি. | বিশেষ্য |
| বিণ. | বিশেষণ |

# সাংকেতিক চিহ্ন

| | | |
|---|---|---|
| > | ঃ | দিয়ে, হয়, পৰিবৰ্তিত হয় ইত্যাদি |
| / | ঃ | আৰু, বা, অথবা, নাইবা অৰ্থসূচক |
| ✓ | ঃ | ধাতু |
| [ ] | ঃ | উপাকৃতি |
| { } | ঃ | প্ৰাকৃতি |

# পাতনি

সৰুৰেপৰাই অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি প্ৰবল আন্তৰিক আকৰ্ষণ অনুভৱ কৰিছিলোঁ। সেয়েহে অসমীয়া বিষয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ ভাষা শাখাৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত ভাষা বিষয়কে লৈ গৱেষণা কাৰ্যত অগ্ৰসৰ হওঁ।

পৰৱৰ্ত্তী সময়ত বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা অনুদান লাভ কৰাৰ পিছত 'অসমীয়া আৰু বঙলা ভাষাৰ শব্দ গঠনাত্মক প্ৰত্যয় — এক তুলনামূলক বিশ্লেষণ' শীৰ্ষক বিষয়টিলৈ এই গৱেষণা কাৰ্যত আগবাঢ়ো।

অসমীয়া আৰু বঙলা - এই দুয়োটা ভাষাই ওচৰ-চুবুৰীয়া নব্য-ভাৰতীয়-আৰ্য ভাষা। ভাৰতীয় আৰ্যভাষাৰ দ্বিতীয়টো স্তৰ মধ্য-ভাৰতীয়-আৰ্য (Middle-Indo-Aryan) ভাষাৰ অন্তৰ্গত মাগধী প্ৰাকৃতৰ অপভ্ৰংশ স্তৰৰ প্ৰাচ্য বা পূৰ্বী মাগধী অপভ্ৰংশৰ পৰাই এই দুয়োটা ভাষাৰ উৎপত্তি হৈছে। একেটা উৎসৰ পৰা উদ্ভৱ হোৱা হেতুকেই এই ভাষা দুটাৰ মাজত ভালেখিনি সাদৃশ্য আছে। কিন্তু সুকীয়া সামাজিক, ৰাজনৈতিক আৰু ভৌগলিক পৰিবেশৰ মাজত বিকশিত হোৱাৰ কাৰণে ভাষা দুটাৰ মাজত কেতবোৰ সুকীয়া বৈশিষ্ট্যও গঢ় লৈ উঠিছে।

জগতৰ প্ৰত্যেক ভাষাৰেই ৰূপতত্ব (Morphology)ৰ দিশটো হৈছে অত্যন্ত গুৰুত্বপূৰ্ণ দিশ। কিয়নো ৰূপতত্ত্বত ভাষাটোৰ সামগ্ৰিক গঠন পদ্ধতি আলোচনা কৰা হয়। শব্দ-গঠন প্ৰক্ৰিয়া হৈছে ৰূপতত্বৰ এটি উল্লেখযোগ্য দিশ। একেমূলীয় অসমীয়া আৰু বঙলা ভাষাৰ বিভিন্ন দিশৰ তুলনামূলক বিশ্লেষণ সময়ে সময়ে হৈ আহিছে যদিও শব্দ-গঠনৰ দিশটোৰ ক্ষেত্ৰত এতিয়ালৈকে বিজ্ঞানসন্মত অধ্যয়ন হোৱা নাই। দুয়োটা ভাষাৰে শব্দ গঠনৰ ক্ষেত্ৰত আকৌ গুৰুত্বপূৰ্ণ স্থান পাইছে প্ৰত্যয় সমূহে সেয়েহে ভাষা দুটাৰ শব্দ গঠনাত্মক প্ৰত্যয়ৰ এই দিশটো পোহৰলৈ আনি এইক্ষেত্ৰত চুবুৰীয়া আৰু একেমূলীয় ভাষাদুটাৰ মাজত থকা সাদৃশ্য-বৈসাদৃশ্য বিচাৰ-বিশ্লেষণ কৰাৰ প্ৰয়াসেৰে এই গৱেষণা গ্ৰন্থখনি প্ৰণয়নৰ কাম হাতত লোৱা হৈছে। আমাৰ গৱেষণা কাৰ্যৰ পদ্ধতি হৈছে তুলনামূলক। এই সংক্ৰান্তত দুয়োটা ভাষাৰেই বিভিন্ন ব্যাকৰণ, অভিধান, ভাষা আৰু সাহিত্য বিষয়ক বিবিধ গৱেষণামূলক গ্ৰন্থৰ সহায় লোৱাৰ লগতে বিভিন্ন সৃষ্টিশীল সাহিত্যৰ পৰাও আমাৰ গৱেষণাৰ বাবে প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰা হৈছে। গৱেষণা পদ্ধতিৰ সকলো নিয়মৰ ওপৰত দৃষ্টি ৰাখি যুগুত কৰা এই গ্ৰন্থখনিত

উপসংহাৰকে ধৰি সৰ্বমুঠ পাঁচটা অধ্যায় আছে আৰু তাৰ মাজতে ভাষা দুটাৰ শব্দ-গঠন পদ্ধতি আৰু মূলতঃ শব্দ গঠনাত্মক প্ৰত্যয় সম্পৰ্কে সম্ভৱপৰ সকলো দিশকেই আলোচনা কৰিবলৈ চেষ্টা কৰা হৈছে। প্ৰথম অধ্যায়ত অসমীয়া আৰু বঙলা ভাষাৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে সংক্ষেপে আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ত ৰূপতত্ত্বৰ সাধাৰণ আলোচনা দাঙি ধৰি অসমীয়া আৰু বঙলা ভাষাৰ ৰূপতত্বৰ থূলমূল আভাস দিয়া হৈছে। তৃতীয় অধ্যায়ত শব্দ-গঠনৰ ইতিহাস আৰু শব্দগঠনৰ বিভিন্ন পদ্ধতিবোৰ উল্লেখ কৰি অসমীয়া আৰু বঙলা ভাষাৰ শব্দগঠনৰ বিষয়ে পৰ্যাপ্ত উদাহৰণসহ বহলাই আলোচনা কৰা হৈছে। চতুৰ্থ অধ্যায়ত অসমীয়া আৰু বঙলা ভাষাত প্ৰত্যয় বা সৰ্গৰ যোগত হোৱা শব্দ-গঠনৰ বিষয়ে বিতংভাবে আলোচনা কৰি পঞ্চম অধ্যায়ত গৱেষণা গ্ৰন্থখনি সমাপ্ত কৰা হৈছে।

আমি ভাবো, এই গৱেষণা গ্ৰন্থখনিয়ে অসমীয়া আৰু বঙলা ভাষাৰ ভাষা-ভাষীসকলক ভাষা দুটাৰ শব্দ গঠনৰ আন্তঃপ্ৰক্ৰিয়াবোৰ জনাত বিশেষভাবে সহায় কৰিব আৰু লগতে দুয়োটা ভাষা-ভাষী লোকৰ মাজত আৱেগিক ঐক্য স্থাপন কৰাত বিশেষ অৰিহণা যোগাব। আমাৰ বিশ্বাস - ভৱিষ্যত ভাষা-অনুসন্ধানকাৰী সকলো এই গৱেষণা গ্ৰন্থৰ দ্বাৰা যৎকিঞ্চিতভাবে হ'লেও উপকৃত হ'ব।

# প্ৰথম অধ্যায়

# ১. অসমীয়া আৰু বঙলা ভাষাৰ উদ্ভৱ-বিকাশ

১.০১ নব্যভাৰতীয় আৰ্যভাষাবোৰৰ ভিতৰত অসমীয়া আৰু বঙলা হৈছে দুটি অন্যতম উল্লেখযোগ্য ভাষা। ভাৰতবৰ্ষৰ একেবাৰে পূৱ প্ৰান্তত অৱস্থিত অসমত কথিত নব্যভাৰতীয় আৰ্যভাষাটো হৈছে অসমীয়া ভাষা। ভাৰতীয় সংবিধানৰ অষ্টম অনুচ্ছেদ অনুসৰি স্বীকৃতিপ্ৰাপ্ত এই ভাষাটো অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে মান্যভাষা বা উপভাষাৰ ৰূপত ব্যাপ্ত হৈ থকাৰ লগতে অৰুণাচল, মেঘালয়, নাগালেণ্ড আদি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ জনগোষ্ঠীৰ মাজত সংযোগী ভাষা (linguafranca) ৰূপেও ব্যৱহৃত হৈ আহিছে। আনহাতে ভাৰতবৰ্ষৰ আৰ্য ভাষাবোৰৰ ভিতৰতে এক উল্লেখযোগ্য স্থান দখল কৰি বিকাশৰ পথত দ্ৰুতগতিত অগ্ৰসৰ হোৱা বঙলা ভাষাটো অসমৰ দুই দাঁতিকাষৰীয়া ৰাজ্য পশ্চিমবঙ্গ আৰু ত্ৰিপুৰাত চৰকাৰী ভাষাৰূপে স্বীকৃত হোৱাৰ লগতে বাংলা দেশতো ই প্ৰচলিত। অসমীয়া আৰু বঙলা - এই দুয়োটা ভাষাই ভাৰতীয় আৰ্যভাষাৰ দ্বিতীয়টো স্তৰ মধ্য ভাৰতীয় আৰ্য (middle-indo-aryan) ভাষাৰ অন্তৰ্গত মাগধী প্ৰাকৃতৰ অপভ্ৰংশ স্তৰৰপৰাই উদ্ভৱ হৈছে। অসমীয়া আৰু বঙলাৰ উপৰিও উড়িয়া, মগহী, মৈথিলী আৰু ভোজপুৰী ভাষাও মাগধী প্ৰাকৃতৰ অপভ্ৰংশ স্তৰৰপৰা উদ্ভূত। এনেদৰে অসমীয়া আৰু বঙলা ভাষাৰ উৎপত্তি বিচাৰ কৰি চালে পৃথিৱীৰ ভাষাপৰিয়ালবোৰৰ ভিতৰত আটাইতকৈ শীৰ্ষ স্থান দখল কৰা ভাৰত ইউৰোপীয় বা ইণ্ডো ইউৰোপীয় ভাষা পৰিয়ালৰ ওচৰ চাপিব লাগিব।

১.০২ **ইণ্ডো ইউৰোপীয় ভাষা পৰিয়ালৰ পৰা উদ্ভূত ভাৰতীয় আৰ্য ভাষা ঃ**

পৃথিৱীত প্ৰচলিত বিভিন্ন ভাষা পৰিয়ালৰ ভিতৰত সৰ্বপ্ৰথম উল্লেখযোগ্য প্ৰধান ভাষাপৰিয়ালটোৱেই হৈছে ইণ্ডো ইউৰোপীয় ভাষাপৰিয়াল। জনসংখ্যাৰ দিশৰ ফালৰ পৰা এই ভাষাপৰিয়ালৰ ভাষা কোৱা লোকৰ সংখ্যা সৰ্বাধিক। পৃথিৱীৰ মুঠ জনসংখ্যাৰ প্ৰায় দুশ কৌটি লোকে এই ভাষা পৰিয়ালৰ ভাষা কোৱাৰ উপৰিও ইয়াৰ অন্তৰ্গত প্ৰধান ভাষাৰ সংখ্যাও প্ৰায় ডেৰশমান।[১] ভাষাগত বৈশিষ্ট্যৰ ফালৰ পৰাও এই ভাষাপৰিয়ালে বিশেষ গুৰুত্ব লাভ

---

১। ড° নগেন ঠাকুৰ ঃ পৃথিৱীৰ বিভিন্ন ভাষা, পৃ- ৩১

কৰিছে। এই ভাষাপৰিয়ালৰ ভাষা কোৱা লোকসকলৰ জৰিয়তে প্ৰাচীন কালৰপৰা বৰ্তমান পৰ্যন্ত মানৱ সভ্যতাৰ গৌৰৱ ঘোষিত হোৱাৰ লগতে এই ভাষাপৰিয়াল সাহিত্য সম্পদতো অত্যন্ত চহকী হৈ নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছে। ইণ্ডো ইউৰোপীয় পৰিয়ালৰ ভাষা-ভাষী সকলৰ আদিম বাসস্থান সম্পৰ্কত বিভিন্ন মত পোৱা যায় যদিও অধিকাংশ পণ্ডিতৰ মতে আনুমানিক খৃষ্ঠপূৰ্ব তিনিহেজাৰমান বছৰৰ পূৰ্বে এই পৰিয়ালৰ আদিম লোকসকলে মধ্য বা পূৰ ইউৰোপৰ সমভূমি অঞ্চলৰ কোনো ঠাই অথবা দক্ষিণ ৰাচিয়াৰ ইউৰেছীয় অঞ্চলত একেধৰণৰ সমাজ পাতি সৰু সৰু দলত বিভক্ত হৈ বসবাস কৰি আছিল। কিন্তু পাছলৈ জনসংখ্যা বৃদ্ধিৰ লগে লগে নানান সমস্যাই দেখা দিয়াত আদিম বাসস্থানৰ পৰা লোকসকল দলে দলে ইউৰোপ আৰু এছিয়াৰ বিভিন্ন ঠাইত সিঁচৰিত হৈ পৰিল। এইদৰে ইউৰোপৰ পৰা ভাৰতবৰ্ষ পৰ্যন্ত এই ভাষাপৰিয়ালৰ লোক বিয়পি থকাৰ বাবেই এই ভাষাপৰিয়ালক ইণ্ডো ইউৰোপীয় ভাষাপৰিয়াল নামেৰে অভিহিত কৰা হয়। মূল ইণ্ডো ইউৰোপীয় ভাষাপৰিয়ালৰ পৰাই পাছলৈ নটা শাখাৰ সৃষ্টি হয়; সেইকেইটা হ'ল ঃ কেল্টীয়, ইটালীয়, জাৰ্মানীয়, গ্ৰীক, টোখাৰীয়, বাল্টোস্লাৱীয়, আলবানীয়, আৰ্মেনীয় আৰু ইণ্ডো-ইৰাণীয় বা আৰ্য[২]। ইণ্ডো ইৰাণীয় বা আৰ্য শাখাৰ ভাষাসমূহক পাৰস্পৰিক সম্পৰ্কৰ ভিত্তিত আকৌ তিনিটা উপশাখাত ভগোৱা হয় - ইৰাণীয় আৰ্য, দৰদীয় আৰ্য আৰু ভাৰতীয় আৰ্য।[৩] সম্ভৱতঃ খৃঃ পূঃ পঞ্চদশ শতিকা মানত ইণ্ডো ইৰাণীয় শাখাৰ এটা দল ইৰাণ- ইৰাকৰ মাজেদি আহি ভাৰতবৰ্ষত প্ৰৱেশ কৰেহি আৰু এওঁলোকেই হৈছে ভাৰতীয় আৰ্য লোক আৰু এওঁলোকৰ ভাষাটোক 'ভাৰতীয় আৰ্যভাষা' (indo-aryan-language) বোলা হয়। ভাৰতীয় আৰ্যভাষাক ক্ৰমবিকাশৰ গতি-প্ৰকৃতি আৰু সময়সীমাৰ আধাৰত ঘাইকৈ তিনিটা ভাগত বিভক্ত কৰা হৈছে[৪] -

ক) প্ৰাচীন ভাৰতীয় আৰ্য ভাষা (old-indo-aryan)

খ) মধ্য ভাৰতীয় আৰ্য ভাষা (middle-indo-aryan)

গ) নব্য ভাৰতীয় আৰ্য ভাষা (new-indo-aryan)

১.০২.১ প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সময়সীমা হৈছে খৃষ্টপূৰ্ব ১২০০ শতিকাৰপৰা খৃষ্টপূৰ্ব ৬ষ্ঠ শতিকালৈ। এই সময়ৰ ভিতৰত বৈদিক আৰু সংস্কৃত ভাষাক অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰাচীন ভাৰতীয়

---

২। প্ৰাগুক্ত গ্ৰন্থ, পৃ- ৩৯

৩। প্ৰাগুক্ত গ্ৰন্থ, পৃ- ৮৭

৪। ড° উপেন্দ্ৰ নাথ গোস্বামী ঃ ভাষাবিজ্ঞান, পৃ- ৬৫

আৰ্যভাষাত ঋ, ৯,ঋৃ, এ, ঐ আদি স্বৰধ্বনি আৰু তিনিটা উষ্মধ্বনিৰে সৈতে আন ব্যঞ্জন ধ্বনিবোৰৰ সম্পূৰ্ণ ব্যৱহাৰ আছিল। সন্ধি, বৈদিকত সুৰ, বিবিধ যুক্ত ব্যঞ্জন, শব্দৰূপৰ বৈচিত্ৰ্য, বচন তিনিটা, সম্বোধনৰ বাহিৰেও সাতটা কাৰক, তিনিটা লিঙ্গ, ধাতু ৰূপৰ বৈচিত্ৰ্য, দুটা পদ, দুটা বাচ্য, পাঁচটা ভাৱ, সমাসৰ বিচিত্ৰ প্ৰয়োগ আদি প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ বিশিষ্ট লক্ষণ।


১.০২.২ মধ্য ভাৰতীয় আৰ্যভাষাৰ সময়সীমা হৈছে খৃষ্টপূৰ্ব ৬ষ্ঠ শতিকাৰপৰা খৃষ্টাব্দ ১০ম শতিকা পৰ্যন্ত। মধ্যভাৰতীয় আৰ্য ভাষা বা প্ৰাকৃত স্তৰটোক আকৌ তিনিটা ভাগত ভগোৱা হয় - আদি প্ৰাকৃত, মধ্য প্ৰাকৃত আৰু অন্ত্য প্ৰাকৃত। আদি প্ৰাকৃতৰ সময়সীমা খৃষ্টপূৰ্ব ৬ষ্ঠ শতিকাৰপৰা খৃষ্টাব্দ ১ম শতিকালৈ আৰু ইয়াৰ নিদৰ্শন পোৱা যায় অশোকৰ শিলালিপি, হীনযানমতাবলম্বী - বৌদ্ধসকলৰ পালি ভাষাৰ প্ৰাচীন গ্ৰন্থবোৰত। মধ্য প্ৰাকৃতৰ সময়সীমা হৈছে খৃষ্টীয় প্ৰথম শতিকাৰ পৰা ষষ্ঠ শতিকালৈ আৰু ইয়াৰ নিদৰ্শন পোৱা যায় বিভিন্ন সাহিত্যিক প্ৰাকৃত আৰু বৌদ্ধ সংস্কৃতৰ মাজত। অন্ত্য প্ৰাকৃতৰ সময়সীমা হৈছে খৃষ্টীয় ষষ্ঠ শতিকাৰ পৰা খৃষ্টীয় দশম শতিকা পৰ্যন্ত আৰু ইয়াৰ নিদৰ্শন পোৱা যায় অপভ্ৰংশ - অবহট্ট ভাষাৰ মাজত। মধ্য ভাৰতীয় আৰ্যভাষাত স্বৰধ্বনিৰ সংখ্যা হ্ৰাস পায়। ৯, ঋৃ ধ্বনি নাইকিয়া হোৱাৰ লগতে ঋ, ঐ, ঔ, অয়, অৱ ধ্বনি অন্য স্বৰলৈ পৰিবৰ্তন হয়। ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰতো অনুস্বাৰৰ বাহিৰে সকলো পদান্ত ব্যঞ্জন লোপ হয়। শব্দৰূপ আৰু ধাতুৰূপতো সৰলতাই দেখা দিয়ে। ব্যঞ্জনান্ত শব্দবোৰ স্বৰান্ত হয়, দ্বিবচন লোপ পায়, শ্বাসাঘাতৰ পূৰ্ণ প্ৰতিষ্ঠা হয় আৰু মাত্ৰা প্ৰধান ছন্দৰীতিৰ প্ৰাধান্য দেখা যায়।

১.০২.৩ নব্যভাৰতীয় আৰ্যভাষাৰ সময়সীমা ধৰা হৈছে খৃষ্টাব্দ দশম শতিকাৰপৰা বৰ্তমান পৰ্যন্ত। খৃষ্টাব্দ দশম-দ্বাদশ শতিকামানত মধ্যভাৰতীয় আৰ্যভাষাৰ শেষ স্তৰ অপভ্ৰংশ বা অৱহট্টৰ পৰাই স্থানগত বিবিধ বৈশিষ্ট্যৰে অসমীয়া, বাংলা, উড়িয়া, মাৰাঠী আদি নব্য ভাৰতীয় ভাষাবোৰৰ উদ্ভৱ হয়। নব্যভাৰতীয় আৰ্যভাষাত সংযুক্ত ব্যঞ্জনবোৰ প্ৰায়ে একক ব্যঞ্জন হ'ল আৰু পূৰ্ববৰ্তী হ্ৰস্বস্বৰ দীৰ্ঘ হ'ল। প্ৰাচীন বিভক্তিৰ ঠাইত নতুন বিভক্তি বা বিভক্তিসূচক পৰসৰ্গৰ ব্যৱহাৰ হোৱাৰ লগতে নতুন ভাবে স্ত্ৰী লিংগৰ সৃষ্টি হয়। লগতে আৰবী, পাৰছী, ইংৰাজী আদি অনেক ভাষাৰ শব্দও ইয়াত সোমাই পৰে।

এনেদৰে পৃথিৱীৰ অন্যতম সৰ্ববৃহৎ ভাষাপৰিয়াল ইণ্ডো ইউৰোপীয়ৰ ইণ্ডো-ইৰাণীয় শাখাৰ উপশাখা ভাৰতীয় আৰ্য ভাষাৰ দ্বিতীয় স্তৰ মধ্যভাৰতীয় আৰ্য ভাষাৰ মাগধী প্ৰাকৃতৰ

প্ৰাচ্য মাগধী অপভ্ৰংশৰ পৰাই অসমীয়া আৰু বঙলা ভাষাৰ জন্ম হয়। **ভাষা দুটাৰ এই জন্ম** প্ৰক্ৰিয়া ৰেখা চিত্ৰৰ সহায়ত এনেদৰে দেখুৱাব পাৰি[৫] -

**ইণ্ডো ইউৰোপীয় বা মূল আৰ্য ভাষা বংশ**




এইদৰে দেখা যায়, অসমীয়া আৰু বঙলা ভাষা উদ্ভৱ হৈছে প্ৰাচ্য মাগধী অপভ্ৰংশৰ পূৰ্বী অৱহট্‌ঠৰ পৰা। এইক্ষেত্ৰত প্ৰথমেই মন্তব্য আগবঢ়াইছিল জৰ্জ আব্ৰাহাম গ্ৰীয়াৰ্ছনে। গ্ৰীয়াৰ্ছনে আগবঢ়োৱা যুক্তি তাৰাপৰোৱালা. ড° সুনীতি কুমাৰ চট্টোপাধ্যায় আৰু ড° বাণীকান্ত কাকতি প্ৰমুখ্যে পণ্ডিতসকলে সমৰ্থন কৰিছে।[৬]

## ১.০৩ অসমীয়া ভাষাৰ উদ্ভৱ-বিকাশ ঃ

অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কত গ্ৰীয়াৰ্ছন, তাৰাপৰোৱালা, ড° সুনীতি কুমাৰ চট্টোপাধ্যায় আৰু ড° বাণীকান্ত কাকতি প্ৰমুখ্যে ভাষাবিদসকলে আগবঢ়োৱা যুক্তি অৰ্থাৎ অসমীয়া ভাষাটো

---

৫। ড° ৰামেশ্বৰ শ্ব' ঃ সাধাৰণ ভাষাবিজ্ঞান ও বাংলা ভাষা, পৃ -৬২২

৬। G.A., Grierson : Linguistic surevey of India, Vol - 1, Part-1, page-126
I.J.S., Taraporewala : Elements of the science of language, page-259, 4th edition.
S.K., Chatterjee : Origin and Development of the Bengali Language, Vol. -I, page-91
Dr. Bani Kanta Kakati : Assamese Its formation and development, 3rd Edition, Page No. - 11

মাগধী অপভ্রংশৰ পূৰ্বী অবহট্টৰ পৰা উদ্ভূত হোৱা কথাটো দুই এগৰাকী অসমীয়া পণ্ডিতে স্বীকাৰ কৰিব নোখোজে। পণ্ডিত বেণীমাধৱ বৰুৱাই পোন প্ৰথমে আঙুলিয়াই দিয়ে যে প্ৰাক আহোম যুগৰ কামৰূপৰ তামৰ ফলি আৰু শিলালেখবোৰত যিটো প্ৰাকৃতৰ নিদৰ্শন আছে, সেইটোৱে কামৰূপী প্ৰাকৃত আৰু তাৰপৰাই অসমীয়া ভাষাৰ উদ্ভৱ হয়।[৭] বৰুৱাদেৱক সমৰ্থন কৰি পণ্ডিত দেৱানন্দ ভৰালী[৮], ডিম্বেশ্বৰ নেওগ[৯] প্ৰমুখ্যে দুই এক পণ্ডিতেও অসমীয়া ভাষাৰ উদ্ভৱ কামৰূপী প্ৰাকৃতৰ পৰা হোৱা বুলি কব খোজে। দৰাচলতে, সপ্তম শতিকাত ভাস্কৰ বৰ্মাৰ দিনত কামৰূপলৈ অহা হিউৱেনচাঙৰ উক্তিতে কামৰূপৰ কথ্য ভাষাটোৰ প্ৰথম উল্লেখ পোৱা যায়। হিউৱেনচাঙে তেওঁৰ ভ্ৰমণটোকাত সেইসময়ৰ কামৰূপৰ ভাষা মধ্য ভাৰতৰ ভাষাতকৈ অলপহে পৃথক বুলি মত প্ৰকাশ কৰিছিল। এই মন্তব্যইও প্ৰাচীন কামৰূপৰ ভাষাৰ লগত মগধীয় বা অন্য প্ৰাকৃতৰ সম্পৰ্কৰ ইংগিত দিয়ে। এই প্ৰসংগতে কালিৰাম মেধিয়ে অসমীয়া ভাষাটো প্ৰাচ্য আৰু পশ্চিমা অপভ্ৰংশ অৰ্থাৎ মাগধী আৰু শৌৰসেনী অপভ্ৰংশৰ মিশ্ৰণত গঢ় লৈ উঠা বুলি কোৱা কথালৈ আঙুলিয়াব পাৰি।[১০] আন এগৰাকী পণ্ডিত কনকলাল বৰুৱাই শব্দগত দিশলৈ লক্ষ্য কৰি অসমীয়া ভাষাটো পৈশাচীৰপৰা উদ্ভূত বুলি ক'ব খোজে।[১১] অসমীয়া ভাষাৰ দ্বিতীয়গৰাকী ব্যাকৰণবিদ ড° নাথান ব্ৰাউনে অসমীয়া ভাষাত থকা আৰ্যভিন্ন উপাদানলৈ লক্ষ্য কৰি অধুনালুপ্ত কোনো এক থলুৱা ভাষাৰ ওপৰত সংস্কৃত ভাষাটোৰ গাঁথনি জাপি দিয়াৰ ফলতেই অসমীয়া ভাষাৰ জন্ম হয় বুলি ক'ব খোজে।[১২] কিন্তু অসমীয়া ভাষাটোৰ গাঁথনিক দিশৰ পৰা এই মত কোনোপধ্যে গ্ৰহণযোগ্য নহয়।

অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কত এই আটাইবোৰ মত চালিজাৰি চাই ক'ব পাৰি যে এই ভাষাটো কামৰূপী প্ৰাকৃতৰ পৰা উদ্ভৱ হোৱা নাই। কিয়নো শিলালিপি- তামৰ ফলিৰ সংস্কৃত ভাষাত যি প্ৰাকৃতৰ নিদৰ্শন আছে সেয়া ঘাইকৈ ধ্বনিতাত্ত্বিকহে আৰু সেইবোৰৰ দুই এটা বঙলা-উড়িয়া ভাষাতো দেখা যায়। তদুপৰি কামৰূপী প্ৰাকৃতৰ উল্লেখ কোনোখন প্ৰাকৃত ব্যাকৰণতে নাই। আনহাতে কালিৰাম মেধিয়ে মাগধী-শৌৰসেনীৰ মিশ্ৰণত আৰু কনকলাল

---

৭। Benimadhab Baruah : Indian Historical Quarterly, Sept. 1947

৮। দেবানন্দ ভৰালী ঃ অসমীয়া ভাষাৰ মৌলিক বিচাৰ আৰু সাহিত্যৰ চানেকি, পৃ. - ৫২

৯। Dimbeswar Neog : The Origin and Growth of Asamiya Language, P. - 50

১০। কালিৰাম মেধি ঃ অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব, পাতনি, পৃ. - ১৫

১১। Kanaklal Baruah : Studies in the early history of Kamrupa, P- 125

১২। Dr. Nathan Brown : Grammatical Notes on the Assamese Language, পাতনি

বৰুৱাই পৈশাচীৰ পৰা অসমীয়া ভাষাৰ উদ্ভৱ হোৱা বুলি কোৱা কথাটো মানি ল'ব নোৱাৰি। যদিও শৌৰসেনী আৰু পৈশাচীৰ দুই এটি ভাষিক উপাদান বিশেষকৈ দুই-এটা শব্দ অসমীয়াত নোহোৱা নহয়। কিন্তু মাগধীৰ পৰা উদ্ভূত ভাষা হিচাপে বঙলা, উড়িয়া, মৈথিলীৰ লগত অসমীয়াৰ সাদৃশ্য যিমান বেছি, শৌৰসেনী বা পৈশাচী শাখাৰ ভাষাৰ লগত সিমান বেছি মিল নাই। এই প্ৰসংগতে উল্লেখ কৰিব পাৰি যে কোনোটো সাহিত্যিক প্ৰাকৃতেই একক বৈশিষ্ট্যসম্পন্ন নহয়। মহাৰাষ্ট্ৰী, শৌৰসেনী, মাগধী, অৰ্দ্ধমাগধী আৰু পৈশাচী - এইকেইটা সাহিত্যিক প্ৰাকৃতৰ মাজত ভালেমান সামূহিক বৈশিষ্ট্য আছে। সেয়েহে মাগধী প্ৰাকৃতৰ পূৰ্বী মাগধী অপভ্ৰংশ-অবহট্টৰ পৰা উদ্ভূত ভাষা হিচাপে অসমীয়াত পশ্চিমী আন প্ৰাকৃতৰো দুই এটা উপাদান থাকিব পাৰে। অসমীয়া ভাষাত মাগধীৰ লগতে আন প্ৰাকৃত আৰু থলুৱা ভাষাৰো দুই এটা উপাদান থকা কথাটোলৈ লক্ষ্য কৰি ভাষাবিদ ড° উপেন্দ্ৰ নাথ গোস্বামীয়ে এই ভাষাটো দুটা প্ৰৱাহৰ সমষ্টি বুলি ক'ব খোজে। এটা হিমালয়ৰ নামনিয়েদি উত্তৰ পূবফালে খোপনি পোতা প্ৰাক্ আৰ্য অৰ্থাৎ অবৈদিক আৰ্য আৰু আনটো নামনি অসমেদি উত্তৰ বংগৰ মাজেদি সোমাই কামৰূপ পৰ্যন্ত বিয়পি পৰা বৈদিক আৰ্য। কালক্ৰমত এই দুয়োটা ফৈদ মিলি এক হয় আৰু তাৰ লগত যোগ হয় আৰ্যেতৰ ভাষাসমূহৰ অনেক উপাদান। গতিকে অসমীয়া ভাষাটোক এটা মূলৰ পৰা উদ্ভৱ হোৱা বুলি কোৱাতকৈ ইয়াক দুটা প্ৰৱাহৰ সমষ্টি[১৩] বুলি কোৱাত একো অসুবিধা আহি নপৰে।

অসমীয়া ভাষাটোৰ বিকাশলৈ চালে দেখা যায় যে উদ্ভৱৰ সময়ৰ পৰাই নানান বিৱৰ্তনৰ মাজেৰে আহি এই ভাষাটোৱে আধুনিক যুগ পাইছেহি। ভাষাটোৰ সময়ৰ লগে লগে হোৱা বিকাশ বা পৰিবৰ্তনক ইয়াৰ যুগ বিভাজনৰ মাজেৰে বিশ্লেষণ কৰি চাব পাৰি। অন্যান্য আধুনিক ভাৰতীয় আৰ্যভাষাৰ দৰে অসমীয়া ভাষাটোৰো উদ্ভৱকাল ধৰা হৈছে খৃষ্টীয় দশম শতিকা। দশম শতিকাৰপৰা ত্ৰয়োদশ শতিকাৰ মাজভাগমানলৈ ভাষাটোৰ সম্পূৰ্ণ বিশুদ্ধ ৰূপৰ পৰিচয় পোৱা নাযায়। এই সময়চোৱাৰ নিদৰ্শনৰূপে আছে মাথোন বিভিন্ন তাম্ৰফলি, চৰ্যাপদ আৰু শ্ৰীকৃষ্ণকীৰ্তন আদি। এইবোৰত অসমীয়া ভাষাৰ উদ্ভৱ কালৰ নিদৰ্শনহে সংৰক্ষিত হৈ আছে। ইয়াৰ পাছত ত্ৰয়োদশ শতিকাৰ শেষ বা চতুৰ্দশ শতিকাৰ আৰম্ভণিৰ পৰাহে অসমীয়া সাহিত্যৰ অবিচ্ছিন্ন পৰম্পৰা প্ৰবাহিত হ'বলৈ ধৰে। সেইসময়ৰপৰা বৰ্তমানলৈকে অসমীয়া

---

১৩। ড° উপেন্দ্ৰ নাথ গোস্বামী, অসমীয়া ভাষাৰ সমৃদ্ধি আৰু বিকাশ, পৃ - ২৯

সাহিত্যৰ বিকাশৰ যি গতি-প্ৰকৃতি বা ইতিহাস তাক ভাষাৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি ড° বাণীকান্ত কাকতিয়ে তিনিটা যুগত বিভক্ত কৰিছে; সেইকেইটা হ'ল - প্ৰাচীন অসমীয়া, মধ্য অসমীয়া আৰু আধুনিক অসমীয়া।[১৪] ড° কাকতিয়ে কৰা এই শ্ৰেণীবিভাজনৰ পিছত চৰ্য্যাপদ আৰু মন্ত্ৰসাহিত্যক উদ্ভৱ কালৰ সাহিত্যৰ ভিতৰত ধৰি পৰৱৰ্তী কালৰ সাহিত্যিক ড° সত্যেন্দ্ৰ নাথ শৰ্মাই ভাষাৰ ভিত্তিত অসমীয়া ভাষা সাহিত্যৰ বুৰঞ্জীক এইদৰে পৰ্য্যায়ভুক্ত কৰিছে।[১৫]

| | | | |
|---|---|---|---|
| ১। আদি যুগ | ঃ | উদ্ভৱ কালৰ সাহিত্য, খৃঃ ৯৫০-১৩০০ | |
| | | চৰ্য্যাপদ, মন্ত্ৰ সাহিত্য | |
| ২। মধ্য যুগ | ঃ | প্ৰথম পৰ্যায় ঃ | প্ৰাক শংকৰী যুগৰ সাহিত্য খৃঃ ১৩০০-১৪৯০ খৃঃ |
| | | দ্বিতীয় পৰ্যায় ঃ | শংকৰী যুগৰ সাহিত্য খৃঃ ১৪৯০-১৭০০ খৃঃ |
| | | তৃতীয় পৰ্যায় ঃ | উত্তৰ শংকৰী যুগৰ সাহিত্য খৃঃ ১৭০০-১৮৩০ খৃঃ |
| ৩। বৰ্তমান যুগ | ঃ | প্ৰথম পৰ্যায় ঃ | মিছনেৰী সাহিত্য খৃঃ ১৮২৬-১৮৭০ খৃঃ |
| | | দ্বিতীয় পৰ্যায় ঃ | হেমচন্দ্ৰ - গুণাভিৰামৰ কাল খৃঃ ১৮৭০-১৮৯০ খৃঃ |
| | | তৃতীয় পৰ্যায় ঃ | ৰোমান্টিক যুগ খৃঃ ১৮৯০-১৯৪০ খৃঃ |
| | | চতুৰ্থ পৰ্যায় ঃ | সাম্প্ৰতিক কাল খৃঃ ১৯৪০- বৰ্ত্তমানলৈ |

আনহাতে চৰ্যাপদৰ পাছতেই অসমীয়া ভাষাৰ উদ্ভৱকালৰ দ্বিতীয় সাহিত্যিক নিদৰ্শন হৈছে বড়ু চণ্ডীদাসৰ 'শ্ৰীকৃষ্ণ কীৰ্তন' গ্ৰন্থ। যদিও শ্ৰীকৃষ্ণকীৰ্তন গ্ৰন্থক অসমীয়া আৰু বঙলাৰ মিশ্ৰিত সাহিত্য বুলি সাহিত্যৰ বুৰঞ্জীবিদসকলে গ্ৰন্থখনিৰ স্থান নিৰূপন কৰিছে, কিন্তু কৃষ্ণকীৰ্তন

১৪। Dr. Bani Kanta Kakati : Assamese Its formation and development, 3rd Edition, Page No. - 13
১৫। ড° সত্যেন্দ্ৰ নাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ-১০

গ্ৰন্থ চৰ্যাপদৰ পাছতেই অসমীয়া ভাষাৰ উদ্ভৱকালৰ দ্বিতীয় সাহিত্যক নিদৰ্শন। চৰ্যাপদতকৈ শ্ৰীকৃষ্ণকীৰ্তনৰ ভাষা অধিক বিকশিত আৰু ইয়াৰ ভাষাই নিঃ সন্দেহে মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষাৰ অব্যৱহৃত পূৰ্বৰূপ বুলিব পাৰি। অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দতাত্ত্বিক বৈশিষ্ট্য শ্ৰীকৃষ্ণকীৰ্তনত পৰ্যাপ্ত ৰূপত গঢ় লৈ উঠিছিল। বিশেষকৈ, মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষাত পোৱা 'হানিএৰ', 'মাৰি এৰো' আদি এনে যৌগিক ক্ৰিয়াৰূপৰ প্ৰাথমিক প্ৰয়োগো শ্ৰীকৃষ্ণকীৰ্তনত দেখা যায়। এইবাবেই আদি যুগত উদ্ভৱ কালৰ সাহিত্যৰ ভিতৰত চৰ্যাপদৰ পাছতে শ্ৰীকৃষ্ণকীৰ্তনক স্থান দিব পাৰি।

১.০৩.১ অসমীয়া ভাষাটোৰ উদ্ভৱ কালৰ সাহিত্যিক নিদৰ্শনৰূপে প্ৰথমে চৰ্যাপদবোৰকেই ধৰিব পাৰি। একেসময়তে, চৰ্যাপদক লৈ বঙলা আৰু উড়িয়াসকলেও একেই দাবী কৰি আহিছে। চৰ্যাপদ হৈছে বৌদ্ধধৰ্মৰ সহজযান মতাৱলম্বী তেইছজন সিদ্ধাচাৰ্যই ৰচনা কৰা পঞ্চাশটা গীতৰ সমষ্টি। চৰ্যাপদৰ ৰচকসকলৰ ভিতৰত সৰহপাদ, লুইপাদ, ভুসুকুপাদ, গোৰক্ষপাদ, শবৰপাদ, মীননাথ আদি কেইবাজনকো প্ৰাচীন কামৰূপৰ লোক বুলি ভবা হৈছে। লগতে চৰ্যাপদৰ নানান ভাষাতাত্ত্বিক বৈশিষ্ট্যও অসমীয়া ভাষাৰ লগত মিলে। সেইবাবে এই ফালৰ পৰা চালেও চৰ্যাপদৰ ভাষাই অসমীয়া ভাষাৰ আদি স্তৰৰ নিদৰ্শন দাঙি ধৰে বুলি ভাবিব পাৰি। এই প্ৰসঙ্গতে, চৰ্যাপদৰ কেইটামান ভাষাতাত্ত্বিক বৈশিষ্ট্য[১৬] দাঙি ধৰা হওক ঃ

**ধ্বনিগত বৈশিষ্ট্য ঃ**

i) চৰ্যাপদৰ ভাষাত ঋ, ঋৃ, ঌ সংস্কৃত স্বৰবৰ্ণ কেইটাৰ বাহিৰে মূলৰ আটাইকেইটা স্বৰবৰ্ণৰ প্ৰয়োগ আছে।

ii) চৰ্যাপদৰ ভাষাত অস্পষ্ট 'ক্ষ' কে ধৰি আটাইবোৰ সংস্কৃত ব্যঞ্জনবৰ্ণৰ ব্যৱহাৰ আছে। শ, ষ, স -ৰ ব্যৱহাৰো অব্যাহত আছে, কিন্তু এইবোৰৰ প্ৰকৃত ধ্বনি ৰক্ষিত হোৱা নাই।

iii) চৰ্যাপদৰ ভাষাত কোনো শব্দত ওচৰাউচৰিকৈ দুটা অক্ষৰত থকা 'আ' ধ্বনিৰ পূৰ্ববৰ্তী অক্ষৰৰ 'আ' ধ্বনি 'অ' ধ্বনিত পৰিণত হয়; যেনে ঃ চকা, বপা; আদি।

iv) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ অযুগ্ম উষ্ম ধ্বনি তিনিটা অসমীয়াত কণ্ঠ্য উষ্ম ধ্বনিলৈ পৰিণত হৈছে। চৰ্যাপদতো এই ধ্বনি তিনিটাৰ সুকীয়া ৰূপবোৰ নাইকীয়া হৈছে;

১৬। ড° পৰীক্ষিত হাজৰিকা ঃ চৰ্যাপদ, পৃ-১৭

যেনে ঃ শবৰ, সবৰ, ষবৰালী (চৰ্যা. ৫০)

v) প্ৰাচীন ভাৰতীয় আৰ্যভাষাত থকা দন্ত্য-মূৰ্ধণ্য ধ্বনিৰ মাজত পাৰ্থক্য লোপৰ আভাস চৰ্যাপদত আছে; যেনে ঃ মণ, মন (চৰ্যা - ২০ আৰু ৩০)

vi) তৎসম শব্দবোৰ স্বৰভক্তিৰ সহায়ত অৰ্দ্ধতৎসমৰ ৰূপ লোৱাৰ নিদৰ্শন চৰ্যাপদত পোৱা যায়; যেনে ঃ জুগতি (যুক্তি), পৰাণ, গৰাহক (গ্ৰাহক) আদি।

vii) অন্তঃস্থ 'ৱ' আৰু 'য়' অৰ্দ্ধস্বৰ দুটাৰ ব্যৱহাৰ চৰ্যাপদত স্পষ্ট ৰূপত দেখা যায়; যেনে ঃ গৱড়া (চৰ্যা - ২,৩,১৮,৪০), বিৰুৱা (চৰ্যা - ৩); আদি।

viii) চৰ্যাপদৰ ভাষাত হ্ৰস্ব, দীৰ্ঘ বৰ্ণ অবিচাৰিতভাবে ব্যৱহাৰ হৈছে; যেনে ঃ উজু > ঊজু, চুম্বি > চূম্বি, লুই > লূই, পঞ্চ-পাঞ্চ; আদি।

## ৰূপগত বৈশিষ্ট্য ঃ

i) চৰ্যাপদত ব্যৱহৃত কাৰক বিভক্তিবোৰ হ'ল ঃ

| | | | |
|---|---|---|---|
| কৰ্তাকাৰক | - এ | ঃ | কুম্ভীৰে খাঅ (চৰ্যা -২) |
| | - এঁ | ঃ | কুক্কুৰীপাএঁ গাইউ (চৰ্যা -২) |
| কৰ্মকাৰক | - ক | ঃ | ঠাকুৰক পৰিণিবিত্তা (চৰ্যা -১২) |
| কৰণকাৰক | - এঁ | ঃ | কুঠাৰেঁ চিজঅ (চৰ্যা -৪৫) |
| | - ৰেঁ | ঃ | কৰিণা কৰিণিৰেঁ ৰিসঅ (চৰ্যা -৯) |
| নিমিত্ত কাৰক | - লই | ঃ | কুললই খৰে সোন্তে উজাঅ (চৰ্যা -৩৮) |
| | - কে | ঃ | কেডুআল নাহি কেঁ কি বাহবকে পাৰঅ (চৰ্যা -৮) |
| | - হি | ঃ | খনহি ন জীৱমি (চৰ্যা -৪) |
| সম্বন্ধ পদ | - ক | ঃ | এড়িএড় ছান্দক বান্ধ কৰণক পাটেৰ আস (চৰ্যা - ১) |
| | - ৰ | ঃ | হৰিণাৰ খুৰ, হৰিণীৰ নিলঅ (চৰ্যা -৬) |
| | - এৰ | ঃ | ডোম্বী এৰ (চৰ্যা - ১৯) |
| | - ৰি | ঃ | চান্দেৰি |
| | - সু | ঃ | জাসু (চৰ্যা - ৩০) |
| অধিকৰণ কাৰক | - ত | ঃ | বাটত (চৰ্যা - ৮) |
| | - এ | ঃ | তোহোৰ অন্তৰে (চৰ্যা - ১০) |

- হি ঃ তহি (চৰ্যা - ৩১)

- ই ঃ দিৱসই বহুড়ী কাড়ই ডৰে ভাঅ (চৰ্যা - ২)

অসমীয়াত ক্ষেত্রবিশেষে কর্তা, কর্ম, কৰণ, নিমিত্ত, অধিকৰণ কাৰক আৰু সম্বন্ধ পদ বিভক্তিযুক্ত নোহোৱাকৈ ব্যৱহাৰ হোৱাৰ নিয়ম চৰ্যাপদতো কেতিয়াবা দেখা যায়;

যেনে ঃ লুই ভণই গুৰু পুচ্ছিঅ জাণ (চৰ্যা - ১)
ৰুখেৰ তেন্তলি কুম্ভীৰে খাঅ (চৰ্যা - ২)
বাঢ়ই সো তৰু সুভাসুভ পাণী (চৰ্যা - ৪৫)
ৰাতি ভইলে কামৰু জাঅ (চৰ্যা - ২)
বেঢ়িল হাক পৰঅ চৌদীস (চৰ্যা - ৬)
গিৰিবৰ সিহৰ (চৰ্যা - ২৮)

ii) ধাতুৰ পাছত 'ই', - 'অন্তে' আৰু তৃতীয় পুৰুষৰ স্বৰূপভূত কালৰ লগত - ইলে, - ইলা প্রত্যয় যোগ দি অসমাপিকা ক্রিয়া কৰাৰ নিয়ম চৰ্যাপদত আছে; যেনে ঃ মেলি (চৰ্যা - ৭), চাহন্তে (চৰ্যা - ৩১), মইলে (চৰ্যা - ৩৯), আইলা (চৰ্যা - ৭) আদি।

iii) - ইল, - ইলা, - ইলি প্রত্যয়ৰ যোগত অতীত কাল আৰু - ইব প্রত্যয়ৰ যোগত ভৱিষ্যত কাল হোৱাৰ নিয়ম চৰ্যাপদত আছে; যেনে ঃ
নিল অধৰাতী (চৰ্যা - ২)
বিমন ভইলা (চৰ্যা - ৭)
বাটত মিলিল মহাসুহ সুঙ্গা (চৰ্যা - ৮)
জাইৰ পুনু জিণউৰা (চৰ্যা - ১৪)

iv) ধাতুৰ আগত 'ন' যোগ দি চৰ্যাপদত ন্যস্তৰ্থক ক্রিয়া সাধন কৰা হয়; যেনে ঃ নছাড়অ (চৰ্যা - ৬), ণজাই (চৰ্যা - ১৪), ন দীসঅ (চৰ্যা - ৬), ণপইসই (চৰ্যা - ৭), ন জীৱমি (চৰ্যা - ৪), নজায় (চৰ্যা - ৪), ণপেখই (চৰ্যা - ৪২)।

v) স্ত্রী প্রত্যয় 'ঈ' আৰু 'নী' ৰ ব্যৱহাৰ চৰ্যাপদত দেখা যায়; যেনে ঃ দেবী, (চৰ্যা - ১৭), যোইণী (চৰ্যা - ২৭)।

vi) বহুবচনাত্মক প্রত্যয় - সকল আৰু - লোকৰ ব্যৱহাৰ চৰ্যাপদত দেখা যায়; যেনে ঃ সঅল সমাহিঅ (চৰ্যা - ১), তুমহে লোঅ (চৰ্যা - ৫)

কেতিয়াবা, সংখ্যাবাচক শব্দৰদ্বাৰা বহুবচন কৰা হৈছে; যেনে পঞ্চ বি ডাল (চৰ্যা - ১)। প্ৰসঙ্গ অনুযায়ী বিশেষণ শব্দৰ পুনৰুক্তিৰ দ্বাৰাও বহুবচন কৰা হৈছে - উঞ্চা উঞ্চা পাবত (চৰ্যা - ২৮)। ক্ৰিয়া বিশেষণৰ যোগেও বহুবচন কৰা হৈছে; যেনে ঃ জে জে আইলা তে তে গেলা (চৰ্যা - ৭)। দ্বিৰুক্ত বা পুনৰুক্ত বিশেষ্যৰ দ্বাৰা বহুবচন কৰা হৈছে; যেনেঃ ৰাআ ৰাআ ৰাআ ৰে অৱৰ ৰাঅ মোহেৰা বাধা (চৰ্যা - ৩৪)।

শব্দগত ক্ষেত্ৰতো ভালেমান অসমীয়া ভাষাৰ শব্দৰ প্ৰয়োগ চৰ্যাপদত পৰিলক্ষিত হয়। যেনে - অমিয়া, কাম, কুঠাৰ, খৰ, খাট, খুৰা, ঘৰ, তিনি, দাণ্ডী, দুৱাৰ, ননদ, পাগল, ঘাট, ঘিণ, চাৰি, চোৰ, যেন, ভাত, হৰিণা, লাউ, হাড়ী আদি।

১.০৩.২ চৰ্যাপদৰ্ পিছতেই অসমীয়া ভাষাৰ স্পষ্ট সাহিত্যিক নিদৰ্শন হ'ল 'শ্ৰীকৃষ্ণকীৰ্তন' গ্ৰন্থ। সাহিত্যিক মান্য ভাষাটোৰ পুৰণি,মধ্য আৰু আধুনিক এই কেইটা স্তৰৰ অপূৰ্ব নিদৰ্শন কাব্যখনিত পোৱাৰ লগতে অসমীয়া ভাষাৰ প্ৰধান উপভাষা কামৰূপী আৰু পশ্চিম প্ৰান্তৰ দেশী ভাষাৰো পৰ্যাপ্ত ৰূপ কাব্যখনিত ৰক্ষিত হৈ আছে।[১৭] 'শ্ৰীকৃষ্ণকীৰ্তন' গ্ৰন্থখনিৰ ভাষাগত বৈশিষ্ট্য[১৮]বোৰ হ'ল -

**ধ্বনিগত বৈশিষ্ট্য**

i) 'শ্ৰীকৃষ্ণকীৰ্তন' ত চৰ্যাপদত ব্যৱহৃত আটাইবোৰ স্বৰ ব্যঞ্জনৰ ব্যৱহাৰ দেখা যায়।

ii) স্বৰৰ ক্ষেত্ৰত 'ঐ' আৰু 'ঔ' ৰ স্বতন্ত্ৰ ব্যৱহাৰ কাব্যখনিত বিৰল, কিন্তু ব্যঞ্জন ধ্বনিৰ লগত ইয়াৰ গৌণ চিহ্ন (ৈ, ৌ) ব্যৱহৃত হৈছে।

iii) 'ঋ' ধ্বনিৰ ব্যৱহাৰ কেৱল ঋণ, ঋতু, ঋষি আৰু ঋষিকেশ - এই চাৰিটা তৎসম শব্দৰ ক্ষেত্ৰতহে দেখা যায়। আন শব্দৰ ক্ষেত্ৰত ইয়াৰ গৌণ চিহ্ন < কাৰ ব্যৱহৃত হৈছে।

iv) 'শ্ৰীকৃষ্ণকীৰ্তন' কাব্যত আদ্য 'অ' ধ্বনি 'আ' লৈ ৰূপান্তৰ হৈছে।

v) আদ্যস্থিত উ-কাৰ আৰু ও- কাৰ কেতিয়াবা ক্ৰমে ও- কাৰ আৰু উ - কাৰ হোৱা দেখা যায়; যেনে গুপতে, গোপতে, গোআলি, গুৱালি; আদি।

---

১৭। ড° লীলাৱতী শইকীয়া বৰা (সম্পাদিত) ঃ বড়ুচণ্ডীদাসৰ শ্ৰীকৃষ্ণকীৰ্তন ভূমিকা, পৃ-২২
১৮। প্ৰাগুক্ত গ্ৰন্থ, ভূমিকা, পৃ-২৩

vi) স্বৰৰ অনুনাসিকতা কাব্যখনিৰ আন এক বৈশিষ্ট্য; যেনে ঃ লআঁ, কহিআঁ, সত্যেঁ সত্যেঁ; আদি।

vii) ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰত কাব্যখনিৰ এটি প্ৰধান বৈশিষ্ট্য হৈছে 'ঙ' ধ্বনিৰ একক ব্যৱহাৰ নোহোৱাটো। ই সদায় অন্য ধ্বনিৰ লগত যুক্ত হৈহে ব্যৱহাৰ হয়; যেনে ঃ শঙ্ক। অৱশ্যে, মাধৱ কন্দলিৰ ৰামায়ণত সাঁচিপতীয়া পুথিত দেখাৰ দৰে শ্ৰীকৃষ্ণকীৰ্তনৰো দুই এটা শব্দৰ আদ্য স্থানত 'য়'ৰ ব্যৱহাৰ আছে; যেনে ঃ য়েবাৰ।

viii) সংযুক্ত শব্দৰ উচ্চাৰণ সৰলীকৰণ কৰাৰ বাবে স্বৰভক্তিৰ ব্যৱহাৰ কাব্যখনিত দেখা যায়; যেনে ঃ তপত, দগধ, পৰবত, পৰমান, মৰম, শিৰি; আদি।

ix) মধ্য ব্যঞ্জন লোপ 'শ্ৰীকৃষ্ণকীৰ্তন' গ্ৰন্থৰ অন্য এক বৈশিষ্ট্য। ইয়াত, সাধাৰণতে শব্দৰ মাজত থকা দ, ম, ত, ৰ, ল, স আৰু হ্ ধ্বনি লোপ পাই তাৰ ঠাইত অ, ই বা য় হয়। যেনে ঃ পাঅ, বুইল, কয়িলে; আদি। কেতিয়াবা মধ্যস্থানৰ 'ক' লোপ পাই মাত্ৰ সেই ধ্বনিত থকা স্বৰটো থাকে; যেনে বউল।

## ৰূপগত বৈশিষ্ট্য ঃ

i) 'শ্ৰীকৃষ্ণকীৰ্তন'ৰ ভাষাত পোৱা শব্দবিভক্তিবোৰ এনে ধৰণৰ ঃ

১মা বিভক্তি - এ

২য়া বিভক্তি - ক

৩য়া বিভক্তি - ৰে

৬ষ্ঠী বিভক্তি - ৰ/ - এৰ

৭মী বিভক্তি - ত

লগতে, পুৰণি অসমীয়া আৰু কামৰূপী উপভাষাত ২য়া - ক বিভক্তিৰে বা 'ক'ৰ পিছত 'লাগি' বা 'লেগি' পৰপদ যোগ কৰি নিমিত্ত কাৰকৰ অৰ্থ প্ৰকাশ কৰা ৰীতি শ্ৰীকৃষ্ণকীৰ্তনতো ৰক্ষিত। একেদৰে, 'হঁতে' বা 'হৈতেঁ' পৰপদ যোগ কৰি অপাদানৰ অৰ্থ প্ৰকাশ কৰা হয়; যেনে ঃ এবে হতেঁ, আজি হৈতেঁ। আনহাতে কেতিয়াবা কৰ্তাকাৰকৰ - 'এ' বিভক্তিৰদ্বাৰা প্ৰায়কেইটা কাৰকৰ অৰ্থ প্ৰকাশ কৰা ৰীতিও কাব্যখনিত দেখা যায়; যেনে ঃ বিধাতা এ (কৰ্তা), মোৰে (কৰ্ম), উপাএ (কৰণ), হাটে (নিমিত্ত), সখি মুখে (অপাদান) আৰু পুন্যে (অধিকৰণ)। সেইদৰে শূন্য বিভক্তিৰ ব্যৱহাৰো শ্ৰীকৃষ্ণকীৰ্তনত

মনকৰিবলগীয়া।

ii) বিভিন্ন কাল আৰু পুৰুষ অনুযায়ী 'শ্ৰীকৃষ্ণকীৰ্তন'ৰ ক্ৰিয়াপদবোৰ এনেধৰণৰ ঃ

<u>নিত্যবৰ্তমান কাল ঃ</u>

১ম পুৰুষ ঃ কৰোঁ, যাওঁ, জানো, পাওঁ, দেওঁ, ধৰোঁ; আদি।

২য় পুৰুষ ঃ কৰ, কৰহ, জা, জাহা, দে, দেহ; আদি।

৩য় পুৰুষ ঃ কৰে, কৰএ, পীএ, পোড়ে, মৰে; আদি।

<u>বৰ্তমান অনুজ্ঞা ঃ</u>

২য় পুৰুষ ঃ কৰিউ,কহ, খাউ, নিবেদিহ; আদি।

৩য় পুৰুষ ঃ জাউ, জাউক, জীআউক, পড়ু; আদি।

<u>সাধাৰণ অতীত কাল ঃ</u>

১ম পুৰুষ ঃ কৰিলোঁ, কৈলোঁ, কহিলোঁ, দিলোঁ; দেখিলোঁ; আদি।

২য় পুৰুষ ঃ উপজিলা, কৰিলি, কৈলি, চলিলি, হৈলা, ভৈলা; আদি।

৩য় পুৰুষ ঃ কৈলে, কহিলে, কহিলান্ত, কাটিলেক, গেলি, গাইল; আদি।

<u>সম্পন্ন অতীত কাল ঃ</u>

আলিহিল

<u>ভৱিষ্যত কাল ঃ</u>

১ম পুৰুষ ঃ কৰিব, কৰিবোঁ, জাইব, জাইবোঁ, খাইবোঁ, চিন্তিবোঁ; আদি।

২য় পুৰুষ ঃ কৰিবি, হাৰায়িবি, জাইবি, দিবি, নাৰিবি, পাইবে; আদি।

৩য় পুৰুষ ঃ মাৰিব, আসিব, ভাঁগিব, পাড়িব, দেখিবেক, ভাঁগিবেক; আদি।

iii) শ্ৰীকৃষ্ণকীৰ্তনৰ ভাষাত পোৱা যৌগিক ক্ৰিয়াৰূপবোৰ এনেধৰণৰ - কাঢ়ি নিলে, মাৰি জাহা, উঠি গেল, তুলি লৈলোঁ, দি আৰ, আনি আৰ, কহি আৰ, দিবাক পাৰোঁ; আদি।

iv) কাব্যখনিত ব্যৱহৃত নঞৰ্থক ক্ৰিয়াপদবোৰ হ'ল - নহে, নহোঁ, নাহি, নাহিবেক, নাজাএ, নাজানো, নাদেখিআঁ, নাপাইআঁ, নাকৈলে; আদি।

v) থাকি, কৰি, কৰিআঁ, কৰিলে, বহিলে, ধৰিবাক, দিবাক, জীৱাৰ, জাইবাৰ আদি

বিচিত্ৰ ৰূপৰ অসমাপিকাৰ ব্যৱহাৰ কাব্যখনিত দেখা যায়।

vi) শ্ৰীকৃষ্ণকীৰ্তনত ব্যৱহৃত কৃদন্ত ৰূপবোৰ হ'ল - লিখিত, থাকিতে, মাৰন্তাক, জীয়ন্তে, কাটিল, ভাঁগিল; আদি।

vii) কাব্যখনত ব্যৱহৃত নামধাতুবোৰ হ'ল - কিলা, খঙ্গায়িবেঁ, চোৰায়িবঁ, আদেশিল, বিৰোধসি, উপেখিলোঁ; আদি।

viii) নিৰ্দিষ্টতাবাচক প্ৰত্যয় - জন, - গুটি, - খানি আদিৰ ব্যৱহাৰ শ্ৰীকৃষ্ণকীৰ্তনত দেখা যায়।

ix) ইয়াত ব্যৱহৃত বহুবচনাত্মক সমূহবাচক শব্দ হৈছে ঃ - কুল, - গণ, - দল, - লোক, - সব আদি।

x) স্ত্ৰীলিঙ্গবাচক প্ৰত্যয় - ই, - নী, - ইনী আৰু - উনীৰ ব্যৱহাৰ শ্ৰীকৃষ্ণকীৰ্তনত দেখা যায়। যেনে ঃ বুঢ়ী, নাতিনী, গোৱালিনী, দাৰুণী; আদি।

শব্দগত দিশৰ ফালৰ পৰা চালে দেখা যায় যে শ্ৰীকৃষ্ণকীৰ্তনৰ ভাষাত তৎসম, অৰ্দ্ধতৎসম, তদ্ভৱ, প্ৰাকৃতমূলীয়, অনাৰ্যমূলীয়, দেশজ আৰু বিদেশী আদি ভালেকেইটা উৎসৰ শব্দ ইয়াত পোৱা যায়।

১.০৩.৩ মধ্যযুগৰ সময়সীমা হৈছে খৃঃ ১৩০০ ৰ পৰা ১৮২৬ খৃষ্টাব্দ। এই যুগৰ প্ৰথম পৰ্যায়ত ধৰা হৈছে প্ৰাক্‌শংকৰী যুগৰ সাহিত্যক। প্ৰাক্‌শংকৰী যুগত পাঁচজন বিখ্যাত কবিয়ে অসমীয়া ভাষাসাহিত্যক নিজস্ব সম্ভাৰেৰে চহকী কৰি থৈ গৈছে। প্ৰাক্‌শংকৰী যুগৰ সেই কবি কেইগৰাকী হ'ল - হেম সৰস্বতী, ৰুদ্ৰ কন্দলি, হৰিবৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী, আৰু মাধৱ কন্দলি। অসমীয়া ভাষাৰ আদি লেখক হেম সৰস্বতী বিৰচিত ‘প্ৰহ্লাদ চৰিত’ পুথিয়েই বৰ্তমানলৈ পোৱা নিভাঁজ অসমীয়া ভাষাত লিখিত প্ৰথম পুথি। এইজনা কবিয়ে কমতাপুৰৰ দুৰ্লভ নাৰায়ণৰ পৃষ্ঠপোষকতাত কাব্যচৰ্চা কৰিছিল। দুৰ্লভ নাৰায়ণৰ পৃষ্ঠপোষকতাতেই কাব্যচৰ্চা কৰা আনগৰাকী কবি হৈছে হৰিবৰ বিপ্ৰ। হৰিবৰ বিপ্ৰই ‘বভ্ৰুবাহনৰ যুদ্ধ’, ‘লৱকুশৰ যুদ্ধ’ আৰু তাম্ৰধ্বজৰ যুদ্ধ’ কাব্য ৰচনা কৰিছিল। আনহাতে কমতাৰ পশ্চিম অঞ্চলত চতুৰ্দশ শতিকাৰ মাজভাগত ৰাজত্ব কৰা তাম্ৰধ্বজ ৰজাৰ অনুপ্ৰেৰণা লাভ কৰি কবি ৰুদ্ৰ কন্দলিয়ে ‘সাত্যকি প্ৰৱেশ’ ৰচনা কৰে। আকৌ কবিৰত্ন সৰস্বতীয়ে দুৰ্লভ নাৰায়ণৰ পুতেক ইন্দ্ৰনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰি ‘জয়দ্ৰথ বধ’ কাব্য ৰচনা কৰিছিল। প্ৰাকশংকৰী যুগৰ কবিসকলৰ ভিতৰত আটাইতকৈ সৰ্বশ্ৰেষ্ঠ কবিগৰাকী হৈছে

মাধৱ কন্দলি। এওঁ বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত বাল্মিকীৰ ৰামায়ণখন অসমীয়া পদত অনুবাদ কৰিছিল।

প্ৰাক্‌শংকৰী যুগৰ এই কবিসকলৰ ভাষালৈ লক্ষ্য কৰিলে দেখা যায় যে খৃষ্টীয় চতুৰ্দশ শতিকাৰ আৰম্ভনিৰ পৰাই অন্য নব্যভাৰতীয় আৰ্যভাষাৰ ভিতৰতে অসমীয়া ভাষাই নিজস্ব বৈশিষ্ট্য প্ৰকাশ কৰি উচ্চমানৰ সাহিত্য ৰচনাৰ ক্ষমতা লাভ কৰিলে। সাহিত্যকৰ্মৰ সংযোগত অসমীয়া ভাষাই এই কবিসকলৰ হাততেই পৰিপূৰ্ণতা লাভ কৰে। এই কবি সকলে যি সাহিত্যিক ৰূপৰ গঢ় দিছিল তাৰ ওপৰত ভিত্তি কৰিয়েই পিছত শংকৰী যুগৰ কবিসকলে অসমীয়া ভাষা আৰু সাহিত্যক ঐশ্চৰ্যময় কৰি তোলে। অসমীয়া জতুৱা ঠাঁচ, পয়াৰ - দুলড়ী আদি ছন্দ, সৰ্বনামৰ বিভিন্ন কাল, পুৰুষৰ বিভিন্ন ৰূপ আদিয়েই এই প্ৰাক্‌শংকৰী যুগৰ কবিসকলৰ যোগেদি অসমীয়া সাহিত্যত স্থায়ী ৰূপ ললে। প্ৰাক্‌শংকৰী যুগৰ কবিসকলৰ ৰচনাৰ ভিতৰত মাধব কন্দলিৰ ৰামায়ণখনে অসমীয়া সাহিত্যৰ এটা অতি উন্নত স্তৰৰ সাক্ষ্য বহন কৰে। অকল সাহিত্যৰ পিনৰ পৰাই নহয়, অসমীয়া ভাষাৰ ইতিহাসৰ পিনৰপৰাও ই অতি মূল্যবান গ্ৰন্থ। কন্দলিয়ে মূল বাল্মিকী ৰামায়ণখনক মহ্যকাব্যৰূপে অসমীয়া ভাষাত ৰচনা কৰা কাৰ্যই চৈধ্য শতিকাতে যে অসমীয়া ভাষাটোৱে যথেষ্ট বিকাশ লাভ কৰিছিল তাৰ প্ৰমাণ দাঙি ধৰে। দৰাচলতে, মাধৱ কন্দলিৰ ৰামায়ণতে অসমীয়া ভাষাটোৰ এটা পূৰ্ণৰূপ সংৰক্ষিত হৈছে। সেয়ে, এই প্ৰসংগতে মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষাগত বৈশিষ্ট্য[১৯] কেতবোৰ উল্লেখ কৰা হওক -

## ধ্বনিগত বৈশিষ্ট্য

i) কন্দলি ৰামায়ণত চৰ্যা আৰু কৃষ্ণকীৰ্তনত থকা আটাইবোৰ স্বৰৰ ব্যৱহাৰ আছিল।

ii) হ্ৰস্ব-দীৰ্ঘ দুয়োবিধ স্বৰৰে ব্যৱহাৰ আছিল যদিও চৰ্যা আৰু কৃষ্ণকীৰ্তনৰ দৰে এই স্বৰবোৰৰ হ্ৰস্ব-দীৰ্ঘৰ কোনো পাৰ্থক্য নাছিল।

iii) কন্দলি ৰামায়ণত অসমীয়া ব্যঞ্জন ধ্বনিৰ তালিকাত থকা আটাইবোৰ আখৰৰ ব্যৱহাৰ আছে।

iv) ড়, ঢ়, য় আৰু ৱ ব্যঞ্জনধ্বনি কন্দলিৰ ৰামায়ণৰ কোনোখন সাঁচিপতীয়া পুথিত আদ্য স্থানত ব্যৱহাৰ হৈছে।

---

১৯। ড° লীলাৱতী শইকীয়া বৰা ঃ মাধৱকন্দলিৰ ৰামায়ণৰ ভাষা, পৃ- ১২

v) সংস্কৃতত ব্যৱহৃত প্ৰায়বোৰ সংযুক্ত ব্যঞ্জনেই কন্দলিৰ ৰামায়ণত ৰক্ষিত হৈছে।

**ৰূপগত বৈশিষ্ট্য ঃ**

i) কন্দলিৰ ৰামায়ণত ব্যৱহাৰ হোৱা বহুবচনাত্মক প্ৰত্যয়বোৰ হৈছে - আহা, -গণ, -চয়, - জাক, - থে, - বৰ্গ, - মানে, - ৰা, - সকল, - সব, - সম্বা, - সা; আদি।

ii) কন্দলিৰ ৰামায়ণত প্ৰয়োগ হোৱা নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰ হৈছে ঃ - কুণ্ডা, -খন/-খান, -খানি, - গোট, - গোটা, - গুটি, -গুটী, - জন, -টী, - টো, - পাট, -পান্তি, - যুৰি; আদি।

iii) শব্দ বিভক্তিবোৰৰ প্ৰয়োগ এনেধৰণৰ ঃ

প্ৰথমা ঃ - এ ঃ <u>সীতায়ে</u> বোলন্ত (অৰণ্য কাণ্ড ৮/৭৪)।

দ্বিতীয়া ঃ - ক ঃ <u>ৰাজাক</u> সম্মুখি (লঙ্কাকাণ্ড ৩/২৪)।

তৃতীয়া ঃ - এঁৰে/-এহি/-আয়ঃ ৰাঘৱক <u>সুগ্ৰেঁৰে</u> মিত্ৰৰতি ভাৰ (সুন্দৰকাণ্ড ১৪৪/২৯৮)।

বৈদুৰ্য্য মাদুলি শুদ্ধ <u>ৰজতেহি</u> চাইল (অযোধ্যা কাণ্ড ৯১/১৪৯)।

মৈন্দ কুমুদ নলে হানিল <u>শিলায়</u> (লঙ্কাকাণ্ড ২৬/৩৯১)

ষষ্ঠী ঃ -ৰ/- এৰ ঃ <u>সিতাৰ</u> ৰূপক সুনি (অৰণ্যকাণ্ড ৩৭/৩৭৪)।

<u>স্বৰ্গেৰ</u> ভিতৰে (অৰণ্যকাণ্ড ৪২/৪৩২)।

সপ্তমী ঃ -ই/- ত ঃ ৰাম সীতা প্ৰৱেশিলা ৰাজাৰ <u>মন্দিৰি</u> (অযোধ্য কাণ্ড ৮৪/২১)।

<u>সভাত</u> বসিয়া (লঙ্কা কাণ্ড ৯/১২৪)

কেতিয়াবা ১মা বিভক্তি - এ ৰ দ্বাৰা তৃতীয়া আৰু সপ্তমী বিভক্তিৰ লগতে সপ্তমী বিভক্তিৰদ্বাৰা দ্বিতীয়াৰ কাম চলোৱা হয়; যেনে ঃ

<u>সুবৰ্ণে</u> ৰচিত (অৰণ্যকাণ্ড ১০/৮৮), <u>তৰুতলে</u> বসি (কিষ্কিন্ধ্যাকাণ্ড ১৩৩/৫৯৫)

<u>ৰামত</u> কহিলা (লঙ্কাকাণ্ড ১৭/২৬৪)।

ইয়াত পঞ্চমী বিভক্তিৰ কোনো চিন নাই। অপাদান কাৰক বুজাবলৈ কেতিয়াবা ষষ্ঠী - ৰ বা সপ্তমী - ত বিভক্তি আৰু কেতিয়াবা অকল পৰসৰ্গ 'হন্তে' বা ষষ্ঠী- ৰ পাছত 'হন্তে' আৰু 'পৰা' ব্যৱহাৰ কৰা হৈছে; যেনে ঃ

রথর নামিল (অযোধ্যাকাণ্ড ১২৪/৭৫০)

ৰাহুত মুকুত যেন (অৰণ্যকাণ্ড ২৫/২৪৭)

বনহন্তে (কিষ্কিন্ধ্যাকাণ্ড ১২০/২২০)

আকাশৰহন্তে (সুন্দৰাকাণ্ড ১৫৪/৬১)

চক্ষুৰপৰা (অযোধ্যাকাণ্ড ১৩৮/১০২২)

সেইদৰে, নিমিত্ত কাৰক বুজাবলৈ দ্বিতীয়া 'ক' বিভক্তি বা তাৰ পাছত পৰসৰ্গ 'লাগি' আৰু 'লাগিয়া'ৰ ব্যৱহাৰ আছে।

স্বৰ্গক গৈলন্ত (অৰণ্য কাণ্ড ৬৮/৬৮১)

পুত্ৰক লাগি (লঙ্কাকাণ্ড ৩৮/৫৭৪)

হস্তিক লাগিয়া (কিষ্কিন্ধ্যাকাণ্ড ১১৫/৬১)

iv) মাধৱ কন্দলিৰ ভাষাত প্ৰয়োগ হোৱা বিভিন্ন ক্ৰিয়াৰূপবোৰ এনেধৰণৰ ঃ

| | | |
|---|---|---|
| বৰ্তমান | ঃ | কৰে, নুবুজোহো, ঘূৰয়, আছন্ত, শুনৈ, যাওঁ আদি। |
| ভূত | ঃ | কৰিলা, ভৈলা, ভৈল, ভৈলো, চালিলন্ত, লৈলেক আদি। |
| ভৱিষ্যত | ঃ | দিবো, যাইব, ভূঞ্জিবো আদি। |
| অনুজ্ঞা | ঃ | লৈয়োক, কহিয়ো, চাৱা আদি। |

v) কন্দলিৰ ৰামায়ণৰ ভাষাত পোৱা অসমাপিকা ক্ৰিয়া ৰূপ এনেধৰণৰ ঃ দেখিয়া, বসি আদি।

vi) তুমুনন্ত ক্ৰিয়া ৰূপ এনেধৰণৰ ঃ মাৰিবাক, যাইতে, আনিবে, প্ৰতি আদি।

vii) কৃদন্ত ক্ৰিয়াৰূপ এনেধৰণৰ ঃ পূজন্তে, ফুৰন্তে, আসিবাৰ আদি।

viii) ন্যস্তৰ্থক ক্ৰিয়া ৰূপ এনেদৰে পোৱা যায় - নাজানস, নলাগে, নুশুনস, নোশোভে· আদি।

১.০৩.৪ মধ্য যুগৰ দ্বিতীয়টো পৰ্যায় আৰম্ভ হয় ১৪৯০ খৃষ্টাব্দৰ পৰা আৰু ই ১৭০০ খৃষ্ঠাব্দলৈকে বৰ্তি থাকে। এই সময়চোৱাৰ ভিতৰত ধৰা হৈছে শংকৰী সাহিত্যক। পঞ্চদশ শতিকাৰ শেষৰ পিনে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে নানান গীত, পদ, কাব্য, নাট অনুবাদ মূলক গ্ৰন্থ, ভক্তিমূলক গ্ৰন্থ আদি ৰচনা কৰি এক বিৰাট বৈষ্ণৱ সাহিত্য সৃষ্টিৰ বাট মুকলি কৰি অসমীয়া সাহিত্যক ঐশ্চৰ্যশালী কৰি তোলে আৰু তেওঁৰদ্বাৰাই অনুপ্ৰাণিত হৈ মাধৱদেৱ, অনন্ত কন্দলি, ৰাম সৰস্বতী, ভট্টদেৱ আদিয়ে বিভিন্ন পুথি ৰচনা কৰে। প্ৰাক্শংকৰী যুগৰ কবিসকলৰ সাহিত্যিক ৰীতিকেই শংকৰী যুগৰ কবিসকলে তেওঁলোকৰ নিৰ্মিতিত প্ৰয়োগ কৰে যদিও পূৰ্বৰ কবিসকলৰ লিখনিত প্ৰয়োগ হোৱা বিশেষধৰণৰ সংযোগাত্মক প্ৰত্যয়বোৰ শংকৰী যুগৰ কবিসকলৰ লিখনিত সমূলি নাইকিয়া হয়। পূৰ্ব কবিসকলৰ ৰচনাত সঘনাই ব্যৱহৃত কৰিলোহো, মাৰিলাহা, হৈবাহা, এৰিবোহো আদি হো আৰু হা প্ৰত্যয়ান্ত ক্ৰিয়াপদবোৰৰ প্ৰয়োগ শংকৰী যুগত নাইকীয়া হয়। ঘৰুৱা শব্দ আৰু জতুৱা ঠাঁচৰ প্ৰচুৰ প্ৰয়োগ শংকৰী যুগৰ সাহিত্যৰ এক বিশেষত্ব। তদ্ভৱ আৰু অৰ্দ্ধতৎসম শব্দৰ প্ৰচুৰ প্ৰয়োগো এই যুগৰ সাহিত্যত পৰিলক্ষিত হয়। পয়াৰ, দুলড়ী, ছবি ছন্দৰ উপৰিও লেছাৰী, ঝুনা, কুসুমমালা আদি বিবিধ নতুন ছন্দ আৰু নতুন নতুন উপমা, ৰূপক, উৎপ্ৰেক্ষা আদি অলংকাৰো বৈষ্ণৱ যুগতেই উদ্ভৱ হয়। শংকৰদেৱে প্ৰৱৰ্তন কৰা ব্ৰজবুলি ভাষায়ো প্ৰাচীন অসমীয়া ভাষাক বিশেষ ৰূপত সজাই তোলে। মুঠতে মাধৱ কন্দলি আদি পূৰ্ব কবিয়ে প্ৰতিষ্ঠা কৰা পদকাব্যৰ ভাষাক শংকৰদেৱ প্ৰমুখ্যে এই যুগৰ কবিসকলে বিভিন্নধৰণে সমৃদ্ধ কৰিলে। ইয়াৰ ফলত জটিল দাৰ্শনিক কথাৰ লগতে দৈনন্দিন জীৱনৰ সাধাৰণ কথালৈকে - এই সকলোবোৰ ভাৱধাৰা সহজ-সৰল ভাৱে প্ৰকাশ কৰিব পৰা শক্তি অসমীয়া ভাষাটোৱে শংকৰী যুগতেই লাভ কৰে।[২০] এই শংকৰী যুগৰেই অন্যতম কীৰ্তি হৈছে - ভট্টদেৱে কৰা সংস্কৃত ভাগৱতপুৰাণ আৰু গীতাৰ গদ্যানুবাদ। অৱশ্যে শুধ কথিত ভাষাত অনুবাদ নকৰি সংস্কৃত শব্দৰ বহুল প্ৰয়োগেৰে অনুবাদ কৰা কাৰণে ভট্টদেৱৰ গদ্যই নিখুঁতভাৱে সমসাময়িক কথিত ভাষাৰ নিদৰ্শন দাঙি নধৰে যদিও অসমীয়া সাহিত্যৰ বুৰঞ্জীত তেওঁৰ অৱদান সদায়েই চিৰযুগমীয়া হৈ থাকিব। কিয়নো প্ৰাক্শংকৰী যুগৰ মাধৱ কন্দলিকে আদি কৰি বিভিন্ন কবিসকলে প্ৰতিষ্ঠা কৰা অসমীয়া ভাষাই শংকৰদেৱৰ হাতত যি সমৃদ্ধ সাহিত্যিক ৰূপ লাভ কৰিলে, সেই ভাষা ভট্টদেৱৰ হাতত গদ্যৰূপেৰে সজ্জিত

---

২০। ড° লীলাৱতী শইকীয়া বৰা ঃ সাহিত্য আৰু সাহিত্যিকৰ ভাষা, পৃ-২৮

১.০৩.৪ মধ্য যুগৰ দ্বিতীয়টো পৰ্যায় আৰম্ভ হয় ১৪৯০ খৃষ্টাব্দৰ পৰা আৰু ই ১৭০০ খৃষ্ঠাব্দলৈকে বৰ্তি থাকে। এই সময়চোৱাৰ ভিতৰত ধৰা হৈছে শংকৰী সাহিত্যক। পঞ্চদশ শতিকাৰ শেষৰ পিনে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে নানান গীত, পদ, কাব্য, নাট অনুবাদ মূলক গ্ৰন্থ, ভক্তিমূলক গ্ৰন্থ আদি ৰচনা কৰি এক বিৰাট বৈষ্ণৱ সাহিত্য সৃষ্টিৰ বাট মুকলি কৰি অসমীয়া সাহিত্যক ঐশ্চৰ্যশালী কৰি তোলে আৰু তেওঁৰদ্বাৰাই অনুপ্ৰাণিত হৈ মাধৱদেৱ, অনন্ত কন্দলি, ৰাম সৰস্বতী, ভট্টদেৱ আদিয়ে বিভিন্ন পুথি ৰচনা কৰে। প্ৰাক্‌শংকৰী যুগৰ কবিসকলৰ সাহিত্যিক ৰীতিকেই শংকৰী যুগৰ কবিসকলে তেওঁলোকৰ নিৰ্মিতিত প্ৰয়োগ কৰে যদিও পূৰ্বৰ কবিসকলৰ লিখনিত প্ৰয়োগ হোৱা বিশেষধৰণৰ সংযোগাত্মক প্ৰত্যয়বোৰ শংকৰী যুগৰ কবিসকলৰ লিখনিত সমূলি নাইকিয়া হয়। পূৰ্ব কবিসকলৰ ৰচনাত সঘনাই ব্যৱহৃত কৰিলোহো, মাৰিলাহা, হৈবাহা, এৰিবোহো আদি হো আৰু হা প্ৰত্যয়ান্ত ক্ৰিয়াপদবোৰৰ প্ৰয়োগ শংকৰী যুগত নাইকীয়া হয়। ঘৰুৱা শব্দ আৰু জতুৱা ঠাঁচৰ প্ৰচুৰ প্ৰয়োগ শংকৰী যুগৰ সাহিত্যৰ এক বিশেষত্ব। তদ্ভৱ আৰু অৰ্দ্ধতৎসম শব্দৰ প্ৰচুৰ প্ৰয়োগো এই যুগৰ সাহিত্যত পৰিলক্ষিত হয়। পয়াৰ, দুলড়ী, ছবি ছন্দৰ উপৰিও লেছাৰী, ঝুনা, কুসুমমালা আদি বিবিধ নতুন ছন্দ আৰু নতুন নতুন উপমা, ৰূপক, উৎপ্ৰেক্ষা আদি অলংকাৰো বৈষ্ণৱ যুগতেই উদ্ভৱ হয়। শংকৰদেৱে প্ৰৱৰ্তন কৰা ব্ৰজবুলি ভাষায়ো প্ৰাচীন অসমীয়া ভাষাক বিশেষ ৰূপত সজাই তোলে। মুঠতে মাধৱ কন্দলি আদি পূৰ্ব কবিয়ে প্ৰতিষ্ঠা কৰা পদকাব্যৰ ভাষাক শংকৰদেৱ প্ৰমুখ্যে এই যুগৰ কবিসকলে বিভিন্নধৰণে সমৃদ্ধ কৰিলে। ইয়াৰ ফলত জটিল দাৰ্শনিক কথাৰ লগতে দৈনন্দিন জীৱনৰ সাধাৰণ কথালৈকে - এই সকলোবোৰ ভাৱধাৰা সহজ-সৰল ভাৱে প্ৰকাশ কৰিব পৰা শক্তি অসমীয়া ভাষাটোৱে শংকৰী যুগতেই লাভ কৰে।[২০] এই শংকৰী যুগৰেই অন্যতম কীৰ্তি হৈছে - ভট্টদেৱে কৰা সংস্কৃত ভাগৱতপুৰাণ আৰু গীতাৰ গদ্যানুবাদ। অৱশ্যে শুধ কথিত ভাষাত অনুবাদ নকৰি সংস্কৃত শব্দৰ বহুল প্ৰয়োগেৰে অনুবাদ কৰা কাৰণে ভট্টদেৱৰ গদ্যই নিখুঁতভাৱে সমসাময়িক কথিত ভাষাৰ নিদৰ্শন দাঙি নধৰে যদিও অসমীয়া সাহিত্যৰ বুৰঞ্জীত তেওঁৰ অৱদান সদায়েই চিৰযুগমীয়া হৈ থাকিব। কিয়নো প্ৰাক্‌শংকৰী যুগৰ মাধৱ কন্দলিকে আদি কৰি বিভিন্ন কবিসকলে প্ৰতিষ্ঠা কৰা অসমীয়া ভাষাই শংকৰদেৱৰ হাতত যি সমৃদ্ধ সাহিত্যিক ৰূপ লাভ কৰিলে, সেই ভাষা ভট্টদেৱৰ হাতত গদ্যৰূপেৰে সজ্জিত

---

২০। ড° লীলাৱতী শইকীয়া বৰা ঃ সাহিত্য আৰু সাহিত্যিকৰ ভাষা, পৃ-২৮

হ'ল। ভট্টদেৱৰ গদ্যতেই পোন প্ৰথমবাৰৰ বাবে ব্যাকৰণৰ দুটা বিশেষত্ব দেখিবলৈ পোৱা যায়। ইয়াত ভৱিষ্যত কালৰ প্ৰথম পুৰুষত - 'বো' প্ৰত্যয়ৰ লগে লগে আধুনিক 'ম' প্ৰত্যয়ৰ ব্যৱহাৰ হৈছে আৰু অন্যান্য বৈষ্ণৱ সাহিত্যিকসকলে ব্যৱহাৰ কৰা - 'ওহো', '-লোহো', 'লাহা', -'বাহা', -'লিহি', -'বিহি' আদি সম্প্ৰসাৰিত ধাতু প্ৰত্যয়বোৰো নাইকিয়া হৈছিল। সাধাৰণভাৱে চাবলৈ গলে প্ৰাক্শংকৰী যুগৰ ভাষাৰ লগত শংকৰী যুগৰ ভাষাৰ বিশেষ পাৰ্থক্য দেখা নাযায় কেৱল শব্দ প্ৰয়োগৰ ক্ষেত্ৰতহে পাৰ্থক্য স্পষ্ট। তথাপিও ভট্টদেৱৰ গদ্যৰ ভাষাকে ধৰি সামগ্ৰীকভাৱে শংকৰী যুগটোৰ ভাষাৰ কেতবোৰ বৈশিষ্ট্য এনেদৰে উল্লেখ কৰিব পাৰি -

## ধ্বনিগত বৈশিষ্ট্য

i) ধ্বনিগত ক্ষেত্ৰত উদ্ভৱ কাল আৰু প্ৰাক্শংকৰী যুগৰ সাহিত্যত ব্যৱহৃত আটাইবোৰ ধ্বনিৰেই ব্যৱহাৰ এই যুগৰ ভাষাত দেখা যায়।

ii) স্বৰৰ হ্ৰস্ব-দীৰ্ঘৰ মাজত পাৰ্থক্য এই যুগৰ সাহিত্যতো দেখা নাযায়, যেনে - গীত/গিত, পৃথিৱী/পৃথিবি।

iii) সেইদৰে চ/ছ, জ/ঝ, ট/ঠ, ণ/ন, ব/ৱ, ৰ/ড় - ৰ ব্যৱহাৰৰ ক্ষেত্ৰত পাৰ্থক্য নাই। যেনে - চিত্ত/ছিত্ত, প্ৰাণী/প্ৰানি, ঘোৰা/ঘোড়া। কিন্তু ভট্টদেৱৰ গদ্যভাষাত 'ণ' প্ৰায়ে শব্দৰ আগত ব্যৱহাৰ হৈছে। যেনে - ণন্দা, ণজানি।

iv) শ/ষ/স ৰ ব্যৱহাৰৰ ক্ষেত্ৰতো পাৰ্থক্য দেখা নাযায়, তথাপি তুলনামূলকভাৱে 'স'ৰ ব্যৱহাৰ বেছি। যেনে - সিৰ, দুস্ত, সিতল।

v) ৰেফযুক্ত বৰ্ণ ইয়াতো দ্বিত্ব হয়; যেনে - পুন্ন, কন্ন আদি।

vi) মহাপ্ৰাণীকৰণ, স্বৰভক্তি আদিৰ প্ৰয়োগো এই যুগৰ ভাষাত দেখা যায়; যেনে - ঠোঠ, শুকান, সিথান, হৰিষ, তৃপিতি আদি।

## ৰূপগত বৈশিষ্ট্য

i) প্ৰাক্শংকৰী যুগৰ ভাষাত পোৱা একেখিনি বহুবচনাত্মক প্ৰত্যয়ৰ প্ৰয়োগেই এই সময়ৰ ভাষাত দেখা যায়। কেৱল ভট্টদেৱৰ ভাষাত 'গুলা' আৰু 'সমূহ' শব্দৰ প্ৰয়োগ আছে। যেনে - কতোগুলা, প্ৰাণীসমূহ।

ii) নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ক্ষেত্ৰতো প্ৰাক্শংকৰী যুগৰ প্ৰত্যয়বোৰে ইয়াত ব্যৱহাৰ হৈছে, কিন্তু ভট্টদেৱৰ ভাষাত নিৰ্দ্দিষ্টবাচক প্ৰত্যয় - 'টা'ৰ প্ৰয়োগ মন কৰিবলগীয়া;

হ'ল। ভট্টদেৱৰ গদ্যতেই পোন প্ৰথমবাৰৰ বাবে ব্যাকৰণৰ দুটা বিশেষত্ব দেখিবলৈ পোৱা যায়। ইয়াত ভৱিষ্যত কালৰ প্ৰথম পুৰুষত - 'বো' প্ৰত্যয়ৰ লগে লগে আধুনিক 'ম' প্ৰত্যয়ৰ ব্যৱহাৰ হৈছে আৰু অন্যান্য বৈষ্ণৱ সাহিত্যিকসকলে ব্যৱহাৰ কৰা - 'ওহো', '-লোহো', 'লাহা', -'বাহা', -'লিহি', -'বিহি' আদি সম্প্ৰসাৰিত ধাতু প্ৰত্যয়বোৰো নাইকিয়া হৈছিল। সাধাৰণভাৱে চাবলৈ গলে প্ৰাক্‌শংকৰী যুগৰ ভাষাৰ লগত শংকৰী যুগৰ ভাষাৰ বিশেষ পাৰ্থক্য দেখা নাযায় কেৱল শব্দ প্ৰয়োগৰ ক্ষেত্ৰতহে পাৰ্থক্য স্পষ্ট। তথাপিও ভট্টদেৱৰ গদ্যৰ ভাষাকে ধৰি সামগ্ৰীকভাৱে শংকৰী যুগটোৰ ভাষাৰ কেতবোৰ বৈশিষ্ট্য এনেদৰে উল্লেখ কৰিব পাৰি -

## ধ্বনিগত বৈশিষ্ট্য

i) ধ্বনিগত ক্ষেত্ৰত উদ্ভৱ কাল আৰু প্ৰাক্‌শংকৰী যুগৰ সাহিত্যত ব্যৱহৃত আটাইবোৰ ধ্বনিৰেই ব্যৱহাৰ এই যুগৰ ভাষাত দেখা যায়।

ii) স্বৰৰ হ্ৰস্ব-দীৰ্ঘৰ মাজত পাৰ্থক্য এই যুগৰ সাহিত্যতো দেখা নাযায়, যেনে - গীত/গিত, পৃথিৱী/পৃথিবি।

iii) সেইদৰে চ/ছ, জ/ঝ, ট/ঠ, ণ/ন, ব/ৱ, ৰ/ড় - ৰ ব্যৱহাৰৰ ক্ষেত্ৰত পাৰ্থক্য নাই। যেনে - চিত্ত/ছিত্ত, প্ৰাণী/প্ৰানি, ঘোৰা/ঘোড়া। কিন্তু ভট্টদেৱৰ গদ্যভাষাত 'ণ' প্ৰায়ে শব্দৰ আগত ব্যৱহাৰ হৈছে। যেনে - ণন্দা, ণজানি।

iv) শ/ষ/স ৰ ব্যৱহাৰৰ ক্ষেত্ৰতো পাৰ্থক্য দেখা নাযায়, তথাপি তুলনামূলকভাৱে 'স'ৰ ব্যৱহাৰ বেছি। যেনে - সিৰ, দুস্ত, সিতল।

v) ৰেফযুক্ত বৰ্ণ ইয়াতো দ্বিত্ব হয়; যেনে - পুন্ন, কন্ন আদি।

vi) মহাপ্ৰাণীকৰণ, স্বৰভক্তি আদিৰ প্ৰয়োগো এই যুগৰ ভাষাত দেখা যায়; যেনে - ঠোঠ, শুকান, সিথান, হৰিষ, তৃপিতি আদি।

## ৰূপগত বৈশিষ্ট্য

i) প্ৰাক্‌শংকৰী যুগৰ ভাষাত পোৱা একেখিনি বহুবচনাত্মক প্ৰত্যয়ৰ প্ৰয়োগেই এই সময়ৰ ভাষাত দেখা যায়। কেৱল ভট্টদেৱৰ ভাষাত 'গুলা' আৰু 'সমূহ' শব্দৰ প্ৰয়োগ আছে। যেনে - কতোগুলা, প্ৰাণীসমূহ।

ii) নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ক্ষেত্ৰতো প্ৰাক্‌শংকৰী যুগৰ প্ৰত্যয়বোৰে ইয়াত ব্যৱহাৰ হৈছে, কিন্তু ভট্টদেৱৰ ভাষাত নিৰ্দ্দিষ্টবাচক প্ৰত্যয় - 'টা'ৰ প্ৰয়োগ মন কৰিবলগীয়া;

যেনে - সাতটা।

iii) কাৰক বিভক্তিৰ প্ৰয়োগ এই যুগৰ ভাষাত প্ৰাক্‌শংকৰী যুগৰ দৰেই কেৱল ভট্টদেৱৰ গদ্য ভাষাতহে আধুনিক অসমীয়াৰদৰে সম্বন্ধপদকে ধৰি সাতোটা কাৰক আৰু ছয়টা বিভক্তিৰ প্ৰয়োগ হৈছে; উদাহৰণস্বৰূপে -

| | | |
|---|---|---|
| কৰ্ত্তাকাৰক - | প্ৰথমা | - এ ঃ ব্ৰাহ্মণে |
| কৰ্মকাৰক - | দ্বিতীয়া | - ক ঃ অচ্যুতক |
| কৰণ কাৰক - | তৃতীয়া | - ৰে ঃ ৰুধিৰে |
| সম্প্ৰদান বা নিমিত্ত কাৰক - | চতুৰ্থী | - লৈ ঃ তাললৈ |
| সম্বন্ধপদ - | ষষ্ঠী | - ৰ ঃ জলৰ |
| অধিকৰণ কাৰক - | সপ্তমী | - ত ঃ তোমাত |

অপাদান কাৰক আছে কিন্তু তাৰবাবে কোনো বিভক্তি নাই। প্ৰাক্‌শংকৰী যুগৰদৰে মূল শব্দৰ পাছত 'হন্তে' বা ষষ্ঠী 'ৰ' বিভক্তি ব্যৱহাৰ কৰি আৰু কেতিয়াবা সপ্তমী 'ত' অথবা ষষ্ঠী 'ৰ' বিভক্তিৰ পাছত ক্ৰমে 'হন্তে' পৰা আদি অপাদান কাৰকৰ অৰ্থ প্ৰকাশ কৰা হৈছে। যেনে - দোলাৰ নামি, গুৰুত হন্তে, আদ্যৰ পৰা আদি।

১.০৩.৫ মধ্যযুগৰ তৃতীয় পৰ্যায়ৰ ভিতৰত উত্তৰ শংকৰী যুগৰ সাহিত্যক ধৰা হৈছে। সপ্তদশ শতিকাৰ আৰম্ভণিৰ পৰা আহোম ৰজাসকলৰ অনুপ্ৰেৰণাত কথ্য অসমীয়া ভাষাত 'বুৰঞ্জী সাহিত্য' আৰু সত্ৰসমূহৰ আশ্ৰয়ত 'চৰিত সাহিত্য' ৰচিত হৈছিল। ইয়াৰ ফলত অসমীয়া সাহিত্য বিচিত্ৰ আৰু বৰ্ণাঢ্য সাহিত্য সম্ভাৰেৰে পৰিপুষ্ট হৈছিল। সেয়েহে এই কালচোৱাও অসমীয়া ভাষা সাহিত্যৰ উল্লেখযোগ্য সময়। এই দুয়োবিধ সাহিত্যই মধ্যযুগৰ অসমীয়া ভাষাক নতুনত্ব প্ৰদান কৰিছে।

বুৰঞ্জীসমূহ তৎকালীন কথিত ভাষাত লিখা হৈছিল। ইয়াৰ গদ্যত কোনোধৰণৰ কৃত্ৰিমতা নাই আৰু অপ্ৰচলিত শব্দ বা ক্ৰিয়াৰূপো নাই। ইয়াত সংযুক্ত ব্যঞ্জন ভাঙি সৰল কৰা হৈছে আৰু বিভিন্ন স্বাৰ্থিক প্ৰত্যয়ৰো প্ৰয়োগ ঘটিছে। সৰ্বনাম আৰু ক্ৰিয়াত বহুবচনৰ প্ৰত্যয়বোৰ সংযোগ কৰাৰ প্ৰৱণতা বুৰঞ্জী সাহিত্যতেই পোনতে স্পষ্ট হৈ উঠে; যেনে - তোমালোক যোৱাহক, আমি যাওঁহক; আদি। বুৰঞ্জী সাহিত্যৰ জৰিয়তেই বহুতো টাইভাষাৰ শব্দ অসমীয়া ভাষালৈ আমদানি হোৱাৰ লগতে আৰবী, ফাৰ্চী ভাষাৰো ভালেমান শব্দ অসমীয়া ভাষাত

প্ৰৱেশ কৰি স্থায়ীভাবে প্ৰচলিত হ'বলৈ ধৰে। মুঠতে, বুৰঞ্জীৰ ভাষাত পুৰণি অসমীয়া ভাষাৰ ভাষিক বৈশিষ্ট্যৰ লগত আধুনিক ক্ৰিয়াপদ, সৰ্বনাম, বিশেষ্য, বিশেষণ, অব্যয়, অনুপদ আদিৰ সুস্থ ব্যৱহাৰে বুৰঞ্জীৰ ভাষাক আধুনিক অসমীয়া ভাষাৰ তেনেই কাষ চপাই দিছে।[২১] এই প্ৰসংগতে বুৰঞ্জীৰ গদ্যৰ কেতবোৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য দাঙি ধৰা হওক[২২] -

i) বুৰঞ্জীৰ ভাষাত সংস্কৃত আৰু অসমীয়া মান্য ভাষাৰ ভালেমান ধ্বনিৰ পৰিবৰ্তন হৈছে; যেনে -

ক্ষ > খ ঃ পৰীক্ষিত > পৰীখিত

খ > গ ঃ বৈশাখ > বৈহাগ

ষ > হ ঃ শেষ > শেহ

শ > হ ঃ বশ > বহ

স > হ ঃ বসতি > বহতি

ৰ > ব ঃ নৰ > নব

ষ্ণ > ষ্ট ঃ বিষ্ণু > বিষ্টো

হ্ৰ > ৰ ঃ হ্ৰাস > ৰাস

জ > ঝ ঃ যুঁজ > যুঝ

ii) ইয়াৰ ভাষাত মান্য ভাষাৰ নিম্ন স্বৰধ্বনিৰ ঠাইত কোনো কোনো ক্ষেত্ৰত উচ্চ স্বৰ ধ্বনিৰ প্ৰয়োগ হয় আৰু কেতিয়াবা উচ্চ স্বৰধ্বনিয়ো নিম্ন স্বৰধ্বনি হয়; যেনে ঃ

তিৰতা > তিৰুতা > তিৰোতা

সাজিছে > সাজিছি; আদি।

iii) বুৰঞ্জীৰ ভাষাত - ভুৰ, -ভোৰ, -বোৰ, -বোলোক, -বিলাক, হঁত, -হেঁত, -সকল আদি বহুবচনাত্মক প্ৰত্যয়ৰ প্ৰয়োগ হয়; যেনে - সকলো ভুৰ, ইভোৰ, সিবোৰ,

---

২১। ড° লীলাৱতী শইকীয়া বৰা ঃ সাহিত্য আৰু সাহিত্যিকৰ ভাষা, পৃ-৬২
২২। ড° উপেন্দ্ৰ নাথ গোস্বামী ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ-২১২

ইবোলোক, নেওগবিলাক, তহঁত, ইহেঁত, এইসকল; আদি।

iv) ইয়াত -কেইটা, -খন, -খান, -গছ, -চলু, -জন, -জনা, -জনী, -টা, -টি, -টো, -টুপলি, -ডাল, ডুখৰি, -ধাৰ, -পাট, -বাটি, -মখা, -যোৰ, -যুৰ, -যুৰি, -সাজ, -সজা; আদি নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ হয়; যেনে - পৰিচাৰক কেইটা, তিনিখন, কন্যাখান, ছিৰীদুগজ, পানীচলু, দহজন, তিনিজনা, চাৰিজনী, একটা, লৰাটি, দৰাটো, লোণ এটুপলি, একডাল গছ, কানি ডুখৰি, বিৰি দুধাৰ, তিনিপাট, পঞ্চামৃতবাটি, কছাৰী এমখা, খাৰু এযোৰ, শিং বাৰেযুৰ, চেংকুকুৰা এজুৰি, কাপোৰ দুসাজ, চৰাই এসজা; আদি।

v) বুৰঞ্জীৰ ভাষাত - চাৰিয়েক, -চাৰেক, -মান, - দেক আদি অনিৰ্দ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ আছে; যেনে ঃ

দিন চাৰিয়েক

খোট চাৰেক

একহাতমান

জনদেক গঞা-ভূঞা; আদি।

vi) ইয়াৰ ভাষাত ব্যৱহাৰ হোৱা শব্দবিভক্তিবোৰ এনেধৰণৰ ঃ

প্ৰথমা বিভক্তি - এ ঃ পখীয়ে

দ্বিতীয়া বিভক্তি - ক ঃ প্ৰজাক

তৃতীয়া বিভক্তি - ৰে ঃ জখলাৰে/পাখিএৰে/তুমিয়েৰে

চতুৰ্থী বিভক্তি - লৈ ঃ স্বৰ্গলৈ

ষষ্ঠী বিভক্তি - ৰ ঃ সোণৰ

সপ্তমী বিভক্তি - ত ঃ অৰণ্যত

লগতে অপাদান অৰ্থত ষষ্ঠী 'ৰ'ৰ পাছত 'পৰা' পৰসৰ্গ ব্যৱহাৰ কৰা হৈছিল, যেনে ঃ দুখৰ পৰা।

vii) ইয়াত পোৱা বিভিন্ন কাল অনুসৰি ক্ৰিয়াৰূপবোৰ এনেধৰণৰ ঃ

বৰ্তমান কাল ঃ পাৰে, সোমায়, ওলায়, খুৱায়, হয়, মৰে, পাওঁ, আছে, কৰে আদি।

ভূত কাল ঃ জন্মিলে, সৃজিলে, বুলিলে, থব দিলে, বহুৱালে, ধৰিলে আদি।

ভৱিষ্যত কাল ঃ কৰিবি, মৰিব, দিম, যাম, পচিব, খহিব, মানিবা, কৰিবা আদি।

অনুজ্ঞা ঃ শুনিছোঁ, আছোঁ, পাইছোঁ আদি।

viii) বুৰঞ্জীৰ ভাষাত প্ৰয়োগ হোৱা ন্যস্তৰ্থক ক্ৰিয়াৰূপ এনেধৰণৰ ঃ নালাগে/ নেলাগে, নাজানো, নেবাজে, নাজানো, নাখাব, নুখুৱাব, নুগুচে, নাপাহৰিবি, নিদিলি, নোৱালে, নোসোমাই, নকৰে আদি।

আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত এপিনে যিদৰে বুৰঞ্জী সাহিত্য ৰচিত হ'বলৈ ধৰে আনপিনে নৱবৈষ্ণৱ আন্দোলনৰ প্ৰভাৱত গঢ় লৈ উঠা সত্ৰসমূহৰ আশ্ৰয়ত চৰিত পুথিও ৰচিত হ'বলৈ ধৰে। চৰিত পুথিৰ ভাষা বুৰঞ্জীৰ লগত নিমিলে যদিও ইয়াৰ মাজত এটা মাৰ্জিত ৰূপ দেখিবলৈ পোৱা যায়। এক সম্ভ্ৰান্ত কথনভংগীয়ে চৰিতপুথিৰ গদ্যক বিশেষ মৰ্যাদা প্ৰদান কৰিছে। গদ্যত ৰচিত চৰিত পুথিসমূহৰ ভিতৰত অষ্টাদশ শতিকাত ৰচিত 'কথাগুৰু চৰিত' পুথিখন অসমীয়া ভাষাৰ ইতিহাসৰ ফালৰপৰা এক অন্যতম উল্লেখযোগ্য পুথি। এই প্ৰসংগতে 'কথাগুৰুচৰিত'ৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যৰ আধাৰত চৰিত পুথিৰ বৈশিষ্ট্য[২৩] দাঙি ধৰা হ'ল ঃ

i) বহুবচনাত্মক প্ৰত্যয় - থে, -বোৰ, - ভোৰ, - ৰা, - সব আদিৰ প্ৰয়োগ হৈছে;

যেনে ঃ তোমাথেৰ
এইবোৰ
সৰুবোৰ
তাৰা
আনোসৱ; আদি

ii) নিৰ্দিষ্টতাবাচক প্ৰত্যয় - খান, - খানি, গোটা, - চলা, - ছৱা, - জনা, - জুৰি, - জোৰ, - টা, - টো, - টি, - টে, - পাচি, - পহা, -ফেৰি আদিৰ প্ৰয়োগ হৈছে; যেনে আশীখান, কমলিখানি, চৌধগোটা, শিল এচলা, দোছৱা, নজনা, পৰো এজুৰি, পাঠা এজোৰ, হাতী সাতোটা, গাটো, টকা এটি, যিটে, চাউল এপাচি, চাউলপহা,ধূলিফেৰি; আদি।

২৩। মহেশ্বৰ নেওগ ঃ গুৰুচৰিত কথা, ভূমিকা, পৃ - ৮২

ভূত কাল ঃ জন্মিলে, স্রজিলে, বুলিলে, থব দিলে, বহুৱালে, ধৰিলে আদি।

ভৱিষ্যত কাল ঃ কৰিবি, মৰিব, দিম, যাম, পচিব, খহিব, মানিবা, কৰিবা আদি।

অনুজ্ঞা ঃ শুনিছোঁ, আছোঁ, পাইছোঁ আদি।

viii) বুৰঞ্জীৰ ভাষাত প্ৰয়োগ হোৱা ন্যস্তৰ্থক ক্ৰিয়াৰূপ এনেধৰণৰ ঃ নালাগে/ নেলাগে, নাজানো, নেবাজে, নাজানো, নাখাব, নুখুৱাব, নুগুচে, নাপাহৰিবি, নিদিলি, নোৱালে, নোসোমাই, নকৰে আদি।

আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত এপিনে যিদৰে বুৰঞ্জী সাহিত্য ৰচিত হ'বলৈ ধৰে আনপিনে নৱবৈষ্ণৱ আন্দোলনৰ প্ৰভাৱত গঢ় লৈ উঠা সত্ৰসমূহৰ আশ্ৰয়ত চৰিত পুথিও ৰচিত হ'বলৈ ধৰে। চৰিত পুথিৰ ভাষা বুৰঞ্জীৰ লগত নিমিলে যদিও ইয়াৰ মাজত এটা মাৰ্জিত ৰূপ দেখিবলৈ পোৱা যায়। এক সম্ভ্ৰান্ত কথনভংগীয়ে চৰিতপুথিৰ গদ্যক বিশেষ মৰ্যাদা প্ৰদান কৰিছে। গদ্যত ৰচিত চৰিত পুথিসমূহৰ ভিতৰত অষ্টাদশ শতিকাত ৰচিত 'কথাগুৰু চৰিত' পুথিখন অসমীয়া ভাষাৰ ইতিহাসৰ ফালৰপৰা এক অন্যতম উল্লেখযোগ্য পুথি। এই প্ৰসংগতে 'কথাগুৰুচৰিত'ৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যৰ আধাৰত চৰিত পুথিৰ বৈশিষ্ট্য[২৩] দাঙি ধৰা হ'ল ঃ

i) বহুবচনাত্মক প্ৰত্যয় - থে, -বোৰ, - ভোৰ, - ৰা, - সব আদিৰ প্ৰয়োগ হৈছে;

যেনে ঃ তোমাথেৰ

এইবোৰ

সৰুবোৰ

তাৰা

আনোসব; আদি

ii) নিৰ্দিষ্টতাবাচক প্ৰত্যয় - খান, - খানি, গোটা, - চলা, - ছৱা, - জনা, - জুৰি, - জোৰ, - টা, - টো, - টি, - টে, - পাচি, - পহা, -ফেৰি আদিৰ প্ৰয়োগ হৈছে; যেনে আশীখান, কমলিখানি, চৌধগোটা, শিল এচলা, দোছৱা, নজনা, পৰো এজুৰি, পাঠা এজোৰ, হাতী সাতোটা, গাটো, টকা এটি, যিটে, চাউল এপাচি, চাউলপহা,ধূলিফেৰি; আদি।

২৩। মহেশ্বৰ নেওগ ঃ গুৰুচৰিত কথা, ভূমিকা, পৃ - ৮২

iii) অনিৰ্দিষ্টতাবাচক প্ৰত্যয় - 'চাৰেক'ৰ প্ৰয়োগ দেখা যায়; যেনে ঃ ঘৰিচাৰেক মানুহ।

iv) শব্দবিভক্তিবোৰৰ প্ৰয়োগ এনেধৰণৰ ঃ

প্ৰথমা বিভক্তি - এ ঃ ভগৱন্তে

দ্বিতীয়া বিভক্তি - ক ঃ মাতৃক

তৃতীয়া বিভক্তি - ৰে ঃ চলেৰে

চতুৰ্থী বিভক্তি - লৈ ঃ ঠাইলৈ

ষষ্ঠী বিভক্তি - ৰ ঃ গোলকৰ

সপ্তমী বিভক্তি - ত ঃ পুখুৰীত

কেতিয়াবা, প্ৰথমা বিভক্তিৰদ্বাৰা তৃতীয়া, সপ্তমী আৰু চতুৰ্থীৰ কাম চলোৱাৰ লগতে কেতিয়াবা সপ্তমী বিভক্তিৰদ্বাৰা দ্বিতীয়াৰ কাম চলোৱা হয়; যেনে ঃ

যশে জগত জুৰিলে

ভাগীৰথী তীৰে

উৰ্দ্ধে গ'ল

পিতাত কবা; আদি।

অপাদান কাৰক বুজাবলৈ ষষ্ঠী বিভক্তি 'ৰ'ৰ পাছত বা সপ্তমী বিভক্তি - ত ৰ পাছত পৰা, হন্তে, পৰসৰ্গৰ প্ৰয়োগ হৈছে। যেনে ঃ

বৈকুণ্ঠৰ পৰা

মহেশৰ হন্তে

উজানৰ হন্তে; আদি।

পুৰণি অসমীয়াত পোৱা ষষ্ঠীৰ 'ন' আৰু 'কেৰি' ৰ ব্যৱহাৰো ইয়াত আছে; যেনে - তানে, তাকেৰি। লগতে পুৰণি অসমীয়াৰ নিমিত্ত অৰ্থত হোৱা ব্যৱহাৰো ইয়াত পোৱা যায়। যেনে - কাচক লাগি।

v) ন্যস্তৰ্থক ক্ৰিয়া ৰূপবোৰ এনেধৰণৰ; যেনে ঃ নকবা, নাখাব, নালাগে, নইল, নিচিনো, নেপেলাব; আদি।

vi) অসমাপিকা ক্ৰিয়া ৰূপ এনেধৰণৰ - শুনি, তুলি, হুয়া; আদি।

iii) অনিৰ্দিষ্টতাবাচক প্ৰত্যয় - 'চাৰেক'ৰ প্ৰয়োগ দেখা যায়; যেনেঃ ঘৰিচাৰেক মানুহ।

iv) শব্দবিভক্তিবোৰৰ প্ৰয়োগ এনেধৰণৰ ঃ

প্ৰথমা বিভক্তি - এ ঃ ভগৱন্তে

দ্বিতীয়া বিভক্তি - ক ঃ মাতৃক

তৃতীয়া বিভক্তি - ৰে ঃ চলেৰে

চতুৰ্থী বিভক্তি - লৈ ঃ ঠাইলৈ

ষষ্ঠী বিভক্তি - ৰ ঃ গোলকৰ

সপ্তমী বিভক্তি - ত ঃ পুখুৰীত

কেতিয়াবা, প্ৰথমা বিভক্তিৰদ্বাৰা তৃতীয়া, সপ্তমী আৰু চতুৰ্থীৰ কাম চলোৱাৰ লগতে কেতিয়াবা সপ্তমী বিভক্তিৰদ্বাৰা দ্বিতীয়াৰ কাম চলোৱা হয়; যেনে ঃ

যশে জগত জুৰিলে

ভাগীৰথী তীৰে

উৰ্দ্ধে গ'ল

পিতাত কবা; আদি।

অপাদান কাৰক বুজাবলৈ ষষ্ঠী বিভক্তি 'ৰ'ৰ পাছত বা সপ্তমী বিভক্তি - ত ৰ পাছত পৰা, হন্তে, পৰসৰ্গৰ প্ৰয়োগ হৈছে। যেনে ঃ

বৈকুণ্ঠৰ পৰা

মহেশৰ হন্তে

উজানৰ হন্তে; আদি।

পুৰণি অসমীয়াত পোৱা ষষ্ঠীৰ 'ন' আৰু 'কেৰি' ৰ ব্যৱহাৰো ইয়াত আছে; যেনে - তানে, তাকেৰি। লগতে পুৰণি অসমীয়াৰ নিমিত্ত অৰ্থত হোৱা ব্যৱহাৰো ইয়াত পোৱা যায়। যেনে - কাচক লাগি।

v) ন্যস্তৰ্থক ক্ৰিয়া ৰূপবোৰ এনেধৰণৰ; যেনে ঃ নকবা, নাখাব, নালাগে, নইল, নিচিনো, নেপেলাব; আদি।

vi) অসমাপিকা ক্ৰিয়া ৰূপ এনেধৰণৰ - শুনি, তুলি, হুয়া; আদি।

বুৰঞ্জী সাহিত্য আৰু চৰিত সাহিত্যৰ উপৰিও বিভিন্ন ব্যৱহাৰিক সাহিত্য আৰু কথাৰামায়ণ আদিয়ে মধ্যযুগৰ অসমীয়া ভাষাক সমৃদ্ধ কৰি তুলিছে। ভাষাতাত্ত্বিক দিশৰ পৰা চালে শব্দ বিভক্তিৰ প্ৰয়োগ, ক্ৰিয়াৰ বিভিন্ন ৰূপ, বহুবচনাত্মক প্ৰত্যয়ৰ প্ৰয়োগ, নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ আদিৰ ক্ষেত্ৰত মধ্যযুগৰ অসমীয়া ভাষাই এক বিশেষ ৰূপ লাভ কৰিছে। এই যুগৰ গদ্যসাহিত্যৰ ভাষাই অসমীয়া ভাষাৰ ক্ৰমবিকাশত বিশেষ ইন্ধন যোগোৱাৰ লগতে ই প্ৰাচীন আৰু আধুনিক অসমীয়া ভাষাৰ মাজত সেতুবন্ধনৰ কাম কৰিছে।

১.০৩.৬ বৰ্তমান বা আধুনিক যুগটো ধৰা হৈছে উনবিংশ শতিকাৰ আদিভাগৰ পৰা বৰ্তমানলৈকে। ইয়াৰ প্ৰথম পৰ্যায়ত ধৰা হৈছে মিছনেৰী সাহিত্য। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে সপ্তম শতিকাৰ পৰা ওঠৰ শতিকালৈ বিভিন্ন স্তৰৰ মাজেদি বিকশিত আৰু সমৃদ্ধ হোৱা অসমীয়া ভাষাটো অষ্টাদশ শতিকাৰ শেষৰ পৰা উনবিংশ শতিকাৰ আৰম্ভণিলৈকে নানান ৰাজনৈতিক কাৰণত চৰম দুৰ্যোগৰ সন্মুখীন হৈ পৰে। মোৱামৰীয়া বিদ্ৰোহ, নানান গৃহ কন্দল আৰু মানৰ আক্ৰমণত বিপৰ্যস্ত অসম ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি ইংৰাজসকলৰ অধীনলৈ যায়। ইংৰাজসকলেই ১৮৩৬ চনত অসমৰ স্কুল প্ৰশাসনৰ পৰা অসমীয়া ভাষাক আঁতৰাই তাৰ ঠাইত বঙলা ভাষা জাপি দিয়ে। কিন্তু "ঘন অন্ধকাৰেষু ইব দীপদৰ্শনম'ৰ দৰে একেটা বছৰতে আমেৰিকাৰ বেপ্তিষ্ট মিছনাৰীসকলে হাতত খৃষ্টধৰ্মৰ জোৰ লৈ অসমত প্ৰৱেশ কৰে আৰু অসমীয়া ভাষাও যে ভিন্ন ভাষা, ইয়াৰো যে নিজস্ব বৈশিষ্ট্য আছে সেইটো এওঁলোকেই প্ৰথমে ৰাজহুৱাভাৱে সদৰি কৰে। ইয়েই হৈছে অসমীয়া ভাষাটোৰ প্ৰথম আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি।

১৮১৩ চনত বঙ্গঁদেশৰ শ্ৰীৰামপুৰৰ খৃষ্টান মিছনেৰীসকলৰ যত্নত 'বাইবেল' পুথি অসমীয়ালৈ অনুবাদ হোৱাৰ পৰাই অসমীয়া ভাষা সাহিত্যত আধুনিক যুগটোৰ সূচনা হয়। আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰীসকলে অসমলৈ আহি শিৱসাগৰতে তেওঁলোকৰ কাৰ্যৰ কেন্দ্ৰ প্ৰতিষ্ঠা কৰে আৰু শিৱসাগৰৰ কথিত ভাষাকেই সাহিত্যৰ ভাষা হিচাবে ব্যৱহাৰ কৰে। ১৮৪৬ চনত মিছনেৰীসকলৰ যত্নত 'অৰুণোদয়' আলোচনী প্ৰকাশ পায় আৰু ইয়েই অসমীয়া জাতীয় জীৱনত এক নতুন প্ৰৱাহ কঢ়িয়াই অনাৰ লগতে আধুনিক অসমীয়া ভাষা সাহিত্যৰো ভেটি স্থাপন কৰে। ১৮৩৯ চনত উইলিয়াম ৰবিন্সন চাহাবে প্ৰথমখন অসমীয়া ভাষাৰ ব্যাকৰণ (A Grammar of Assamese Language), ১৮৪৮ চনত ড° নাথান ব্ৰাউনে দ্বিতীয়খন অসমীয়া ভাষাৰ ব্যকৰণ (Grammatical Notes on the Assamese Language)

বুৰঞ্জী সাহিত্য আৰু চৰিত সাহিত্যৰ উপৰিও বিভিন্ন ব্যৱহাৰিক সাহিত্য আৰু কথাৰামায়ণ আদিয়ে মধ্যযুগৰ অসমীয়া ভাষাক সমৃদ্ধ কৰি তুলিছে। ভাষাতাত্ত্বিক দিশৰ পৰা চালে শব্দ বিভক্তিৰ প্ৰয়োগ, ক্ৰিয়াৰ বিভিন্ন ৰূপ, বহুবচনাত্মক প্ৰত্যয়ৰ প্ৰয়োগ, নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ আদিৰ ক্ষেত্ৰত মধ্যযুগৰ অসমীয়া ভাষাই এক বিশেষ ৰূপ লাভ কৰিছে। এই যুগৰ গদ্যসাহিত্যৰ ভাষাই অসমীয়া ভাষাৰ ক্ৰমবিকাশত বিশেষ ইন্ধন যোগোৱাৰ লগতে ই প্ৰাচীন আৰু আধুনিক অসমীয়া ভাষাৰ মাজত সেতুবন্ধনৰ কাম কৰিছে।

১.০৩.৬ বৰ্তমান বা আধুনিক যুগটো ধৰা হৈছে উনবিংশ শতিকাৰ আদিভাগৰ পৰা বৰ্তমানলৈকে। ইয়াৰ প্ৰথম পৰ্যায়ত ধৰা হৈছে মিছনেৰী সাহিত্য। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে সপ্তম শতিকাৰ পৰা ওঠৰ শতিকালৈ বিভিন্ন স্তৰৰ মাজেদি বিকশিত আৰু সমৃদ্ধ হোৱা অসমীয়া ভাষাটো অষ্টাদশ শতিকাৰ শেষৰ পৰা উনবিংশ শতিকাৰ আৰম্ভণিলৈকে নানান ৰাজনৈতিক কাৰণত চৰম দুৰ্যোগৰ সন্মুখীন হৈ পৰে। মোৱামৰীয়া বিদ্ৰোহ, নানান গৃহ কন্দল আৰু মানৰ আক্ৰমণত বিপৰ্যস্ত অসম ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি ইংৰাজসকলৰ অধীনলৈ যায়। ইংৰাজসকলেই ১৮৩৬ চনত অসমৰ স্কুল প্ৰশাসনৰ পৰা অসমীয়া ভাষাক আঁতৰাই তাৰ ঠাইত বঙলা ভাষা জাপি দিয়ে। কিন্তু "ঘন অন্ধকাৰেষু ইব দীপদৰ্শনম'ৰ দৰে একেটা বছৰতে আমেৰিকাৰ বেপ্তিষ্ট মিছনাৰীসকলে হাতত খৃষ্টধৰ্মৰ জোৰ লৈ অসমত প্ৰৱেশ কৰে আৰু অসমীয়া ভাষাও যে ভিন্ন ভাষা, ইয়াৰো যে নিজস্ব বৈশিষ্ট্য আছে সেইটো এওঁলোকেই প্ৰথমে ৰাজহুৱাভাৱে সদৰি কৰে। ইয়েই হৈছে অসমীয়া ভাষাটোৰ প্ৰথম আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি।

১৮১৩ চনত বঙ্গঁদেশৰ শ্ৰীৰামপুৰৰ খৃষ্টান মিছনেৰীসকলৰ যত্নত 'বাইবেল' পুথি অসমীয়ালৈ অনুবাদ হোৱাৰ পৰাই অসমীয়া ভাষা সাহিত্যত আধুনিক যুগটোৰ সূচনা হয়। আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰীসকলে অসমলৈ আহি শিৱসাগৰতে তেওঁলোকৰ কাৰ্যৰ কেন্দ্ৰ প্ৰতিষ্ঠা কৰে আৰু শিৱসাগৰৰ কথিত ভাষাকেই সাহিত্যৰ ভাষা হিচাবে ব্যৱহাৰ কৰে। ১৮৪৬ চনত মিছনেৰীসকলৰ যত্নত 'অৰুণোদয়' আলোচনী প্ৰকাশ পায় আৰু ইয়েই অসমীয়া জাতীয় জীৱনত এক নতুন প্ৰৱাহ কঢ়িয়াই অনাৰ লগতে আধুনিক অসমীয়া ভাষা সাহিত্যৰো ভেটি স্থাপন কৰে। ১৮৩৯ চনত উইলিয়াম ৰবিন্সন চাহাবে প্ৰথমখন অসমীয়া ভাষাৰ ব্যাকৰণ (A Grammar of Assamese Language), ১৮৪৮ চনত ড° নাথান ব্ৰাউনে দ্বিতীয়খন অসমীয়া ভাষাৰ ব্যকৰণ (Grammatical Notes on the Assamese Language)

আৰু ১৮৬৭ চনত ড° মাইলছ ব্ৰন্সনে 'অসমীয়া ইংৰাজী অভিধান' এখন প্ৰকাশ কৰি উলিয়ায়। এইদৰে, আধুনিক অসমীয়া ভাষা সাহিত্যৰ ভেটি বান্ধোতাসকল ইংৰাজী ভাষী লোক হোৱা হেতুকেই অসমীয়া ভাষাত নতুন বৈয়াকৰণিক ৰূপো প্ৰৱেশ কৰে আৰু ইয়াৰ পৰিণতিস্বৰূপে অসমীয়া ভাষাৰ বাক্যগঠন ৰীতিও সলনি হ'ল। বাক্যৰীতিত ইংৰাজী প্ৰভাৱ সোমাল আৰু লগে লগে অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰলৈ ইংৰাজী শব্দৰ আমদানি হ'বলৈ ধৰে। মুঠতে, অসমীয়া গদ্য আৰু পদ্যই মিছনেৰীসকলৰ জৰিয়তেই আগৰ বৈষ্ণৱ ঐতিহ্য পৰিত্যাগ কৰি এক নতুন সুৰেৰে আগবাঢ়িবলৈ আৰম্ভ কৰে। মিছনেৰীসকলৰ সাহিত্যৰ ভাষা আছিল অত্যন্ত সৰল। কথিত ৰূপ অৰ্থাৎ ভাষাৰ উচ্চাৰণৰ দিশৰ ওপৰত নিৰ্ভৰ কৰি শব্দ প্ৰয়োগ কৰা হৈছিল।

১.০৩.৭ বৰ্তমান বা আধুনিক যুগৰ দ্বিতীয় পৰ্য্যায়টো হৈছে হেমচন্দ্ৰ-গুণাভিৰামৰ কাল। শিৱসাগৰৰ কথিত ভাষাক কেন্দ্ৰ কৰি মিছনেৰীসকলে যি আধুনিক অসমীয়া ভাষা প্ৰতিষ্ঠা কৰি তুলিছিল তাক পৰিমাৰ্জিত কৰি বিশুদ্ধ ৰূপত গঢ়ি তুলিলে হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদিয়ে। দুয়োজনে আধুনিক বুৰঞ্জী, জীৱনী, কৌতুক সাহিত্য, প্ৰবন্ধ, সামাজিক সমালোচনা আৰু শব্দকোষেৰে অসমীয়া ভাষাৰ ভেটি স্থাপন কৰে। হেমচন্দ্ৰ বৰুৱাই অসমীয়া ভাষাৰ ব্যাকৰণ আৰু অভিধান (হেমকোষ) যুগুত কৰি আধুনিক অসমীয়া ভাষাৰ এটা নিৰ্দ্ধাৰিত ৰূপ স্থিৰ কৰি গ'ল। সেইবাবেই আজিৰ অসমীয়া ভাষা (বৰ্ণবিন্যাসৰ ক্ষেত্ৰত)ক হেমচন্দ্ৰ বৰুৱাই তেওঁৰ ব্যাকৰণ আৰু অভিধানেৰে নিৰ্দিষ্ট কৰি যোৱা ভাষা বুলি ক'ব পাৰি।

এই যুগৰেই তৃতীয়টো পৰ্যায় হৈছে ৰোমাণ্টিক যুগ। কলিকতাত পঢ়িবলৈ যোৱা অসমীয়া ছাত্ৰসকলে ১৮৮৮ চনত অসমীয়া ভাষাৰ উন্নতিৰ হকে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' নামেৰে এক অনুষ্ঠানৰ জন্ম দিয়ে আৰু তাৰ মুখপত্ৰ হিচাপে ১৮৮৯ চনৰ পৰা অসমীয়া ভাষাৰ দ্বিতীয়খন কাকত 'জোনাকী'ৰ প্ৰচলন কৰা হয়। এই কাকতেই অসমীয়া ভাষাত সচেতন ভাবেই এক সাহিত্যিক আন্দোলন গঢ়ি তুলিলে ফলত ভাষাৰ নিৰ্ভুল আৰু সম্ভৱপৰ উচ্চতম আধুনিক মান নিৰ্ণয়ৰ যত্নত সাহিত্যিকশৈলী সমৃদ্ধ হৈ উঠিল। জোনাকীয়েই পাশ্চাত্যৰ প্ৰভাৱ মুক্ত ভাৱে গ্ৰহণ কৰি আৰু বঙলা সাহিত্যৰ বৰেণ্যসকলৰ আদৰ্শ আগত ৰাখি আধুনিক ৰোমাণ্টিক সাহিত্যৰ ভাবধাৰা আৰু সাহিত্যিক ৰূপ অসমীয়া ভাষাত প্ৰৱেশ কৰায়। এইদৰে অসমীয়া ভাষা সাহিত্যতো ৰোমাণ্টিক যুগৰ সূচনা হয় আৰু অসমীয়া সাহিত্যত গীতি কবিতা, উপন্যাস, নাটক, প্ৰহসন, চুটিগল্প, বুৰঞ্জীমূলক

আৰু সমালোচনামূলক প্ৰবন্ধ, পাতল প্ৰবন্ধ আদি গৌৰৱময় ভাবে অসমীয়া সাহিত্যত প্ৰৱেশ কৰি নিজৰ স্থান অধিকাৰ কৰিলে। ৰোমান্টিক যুগৰ অসমীয়া সাহিত্যত নতুন দিশত চিন্তা চৰ্চা হোৱাৰ ফলত অসমীয়া ভাষাটোও সমৃদ্ধিৰ পথত আগবাঢ়ে। দৰাচলতে হেমচন্দ্ৰ বৰুৱাই স্থিৰ কৰি যোৱা ভাষাকেই ৰোমান্টিক যুগত "জোনাকী" কাকতৰ দ্বাৰা লক্ষ্মীনাথ বেজবৰুৱা প্ৰমুখ্যে অনেক বৰেণ্য সাহিত্যিকে সকলো প্ৰকাৰৰ ভাব প্ৰকাশ কৰিব পৰা দক্ষতা আৰু মৰ্যাদা প্ৰদান কৰে। লক্ষ্মীনাথ বেজবৰুৱাই নাটক, উপন্যাস, চুটিগল্প, প্ৰবন্ধ, জীৱন চৰিত, আত্ম জীৱন চৰিত, সাধুকথা, ৰম্য ৰচনা আৰু বিবিধ ৰচনাৰ মাধ্যমেৰে অসমীয়া ভাষাটোক এক সুনিৰ্দ্দিষ্ট ৰূপ দিবলৈ সক্ষম হৈছে। ইয়াৰ পাছত অতুল চন্দ্ৰ হাজৰিকা, অম্বিকাগিৰি ৰায়চৌধুৰী, সত্যনাথ বৰা, পদ্মনাথ গোহাঞি বৰুৱা, ড° বাণীকান্ত কাকতি, বেণুধৰ শৰ্মা আদি লেখক সকলে আধুনিক অসমীয়া ভাষাক বিশুদ্ধ ৰূপত প্ৰতিষ্ঠা কৰে।

১.০৩.৮ বৰ্তমান বা আধুনিক যুগৰেই চতুৰ্থটো পৰ্যায় হৈছে সাম্প্ৰতিক কাল। ইয়াৰ সময়সীমা হৈছে খৃঃ ১৯৪০ চনৰ পৰা বৰ্তমানলৈকে। ১৯৩৯ চনৰ দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰলয়ংকাৰী প্ৰভাৱে সমগ্ৰ বিশ্বৰ লগতে অসমকো কোবাই যায়। ফলত অসমৰ সামাজিক, ৰাজনৈতিক ক্ষেত্ৰতো আমূল পৰিবৰ্তনৰ সূচনা হয়। এই সকলোবোৰ পৰিবৰ্তনৰ মাজতেই অসমীয়া ভাষা সাহিত্যয়ো নতুন পথেৰে খোজ দিলে। জোনাকী যুগৰ অসমীয়া ভাষা সাহিত্যৰ ৰোমান্টিক সুৰৰ বিপৰীতে এই সময়ত বাস্তৱ সচেতনতাই দেখা দিয়ে। এই সময়তে নানান দেশী-বিদেশী শব্দৰ প্ৰৱেশৰ ফলত অসমীয়া ভাষাটোৰ প্ৰকাশিকা শক্তিয়ো যথেষ্ট পৰিমাণে বৃদ্ধি পাবলৈ ধৰে। সামগ্ৰিকভাৱে এই যুগৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য[২৪] কেইটামান হ'ল -

i) হ্ৰস্ব দীৰ্ঘৰ পাৰ্থক্যহীনতা এই যুগৰ ভাষাৰ অন্যতম বৈশিষ্ট্য।
ii) শ, ষ আৰু স ৰ উচ্চাৰণৰ ঠাইত পশ্চ তালব্য অঘোষ উষ্ম <u>স</u> (×) - ৰ উচ্চাৰণ।
iii) বহুবচনাত্মক প্ৰত্যয়ৰ বহুল প্ৰয়োগ এই যুগৰ ভাষাৰ অন্যতম বৈশিষ্ট্য।
iv) নিৰ্দ্দিষ্টবাচক প্ৰত্যয়ৰ ব্যাপক প্ৰয়োগ এই সময়ৰ ভাষাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য।
v) শব্দ বিভক্তিৰ সাৰ্থক প্ৰয়োগ এই যুগৰ ভাষাত পৰিলক্ষিত হয়।
vi) ক্ৰিয়াৰ বিশেষ বিশেষ ৰূপৰ প্ৰয়োগ এই যুগৰ ভাষাত দেখা যায়।
vii) জতুৱা খণ্ডবাক্যৰ উপযুক্ত প্ৰয়োগ এই যুগৰ ভাষাৰ উল্লেখযোগ্য বৈশিষ্ট্য।

---

২৪। দীপ্তি ফুকন পাটগিৰি ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষা (তুলনামূলক অধ্যয়ন) পৃ-৫

viii) ইংৰাজী আৰু আন ইউৰোপীয় ভাষাৰ শব্দ আৰু বাক্যৰীতিৰ প্ৰভাবো এই সময়ৰ অসমীয়া ভাষাত দেখা যায়।

ix) আৰবী, পাৰ্চী, তুৰ্কী, হিন্দী আদি আৰু আন ভাৰতীয় ভাষাৰ ভালেমান শব্দও এই সময়ৰ ভাষাত পৰিলক্ষিত হয়।

এইদৰে অসমীয়া ভাষাটোৱে উদ্ভৱ কালৰ পৰাই আদি, মধ্য আৰু আধুনিক যুগৰ নানান পৰ্যায়ৰ মাজেৰে আহি বৰ্তমানৰ ৰূপত প্ৰতিষ্ঠা লাভ কৰিছে। হয়তো অদূৰ ভৱিষ্যতেও সময়ৰ সোঁতত ভাষাটোৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যৰ ক্ষেত্ৰত, ৰীতিৰ ক্ষেত্ৰত অনেক পৰিবৰ্তন আহিব।

## ১.০৪ বঙলা ভাষাৰ উদ্ভৱ-বিকাশ ঃ

পূৰ্বেই (১ .০২ .৩ শিতান) দেখুওৱা হৈছে যে অসমীয়াৰ দৰে বঙলা ভাষাও পৃথিৱীৰ সৰ্ববৃহৎ ভাষা পৰিয়াল ভাৰত ইউৰোপীয়ৰ সতম্ শাখাৰ অন্তৰ্গত ভাৰত ইৰাণীয় উপশাখাৰ ভাৰতীয় আৰ্য ভাষাৰ পৰা উদ্ভূত। ভাৰতীয় আৰ্য ভাষাৰ প্ৰাচীন স্তৰৰ পৰা বিকাশ ঘটি হোৱা মধ্য ভাৰতীয় আৰ্যভাষাৰ সাহিত্যিক প্ৰাকৃত স্তৰৰ অন্তৰ্গত মাগধী প্ৰাকৃতৰ পূৰ্বী অপভ্ৰংশ-অৱহট্টৰ পৰাই অসমীয়া -উড়িয়াৰ লগতে বঙলা ভাষাৰ উদ্ভৱ হয়। বঙলা ভাষাৰ উদ্ভৱ সম্পৰ্কত গ্ৰীয়াৰ্ছন, তাৰাপৰোৱালা, সুনীতি কুমাৰ চট্টোপাধ্যায় প্ৰমুখ্যে পণ্ডিতসকলে আগবঢ়োৱা এই মত পৰৱৰ্তী সকলো পণ্ডিতে মানি লৈছে।

আনুমানিক ৯০০-১০০০ খৃষ্টাব্দৰ ভিতৰত মাগধী অপভ্ৰংশ-অবহট্ট ভাষাৰ পৰাই বঙলা ভাষাৰ উদ্ভৱ হয়। তেতিয়াৰেপৰা বৰ্তমান পৰ্যন্ত বঙলা ভাষাৰ ক্ৰমবিৱৰ্তনৰ যি ইতিহাস তাক প্ৰধানতঃ তিনিটা যুগত ভাগ কৰিব পাৰি।[২৫] সেই কেইটা হ'ল -

১। প্ৰাচীন বাংলা (Old Bengali) ঃ ৯০০ খৃঃ — ১৩৫০ খৃঃ

২। মধ্য বাংলা (Middle Bengali) ঃ ১৩৫০ খৃঃ — ১৭৬০ খৃঃ

৩। আধুনিক বাংলা (New Bengali) ঃ ১৭৬০ খৃঃ — বৰ্তমান পৰ্যন্ত

### ১.০৪.১ প্ৰাচীন ৰাংলা ঃ

প্ৰাচীন বাংলা যুগটো ধৰা হৈছে আনুমানিক খৃষ্টাব্দ ৯০০ৰ পৰা ১৩৫০ খৃষ্টাব্দলৈকে। অৱশ্যে এই সময়সীমাৰ অন্তৰ্গত ১২০০ খৃষ্টাব্দৰ পৰা ১৩৫০ খৃষ্টাব্দলৈকে বাংলা ভাষাৰ কোনো ৰচিত নিদৰ্শন পোৱা নাযায়। সেয়ে এই সময়ক বাংলা ভাষাৰ 'অনুৰ্বৰ পৰ্ব বা অন্ধকাৰাচ্ছন্ন

২৫। ড° ৰামেশ্বৰ শ' ঃ সাধাৰণ ভাষাবিজ্ঞান ও বাংলা ভাষা, পৃ - ৬২৩, ৬২৪

পৰ্ব[২৬] (Barren Period) বোলা হয়। সেইবাবেই, প্ৰাচীন বাংলাৰ সঠিক বিস্তৃতিকাল ধৰা হৈছে আনুমানিক খৃষ্টাব্দ ৯০০ ৰ পৰা ১২০০ খৃষ্টাব্দ পৰ্যন্ত। এই সময়ৰ ভাষিক নিদৰ্শন পোৱা যায় বৌদ্ধ সহজযান পন্থীৰ চৰ্যাপদবোৰৰ মাজত, অৱশ্যে চৰ্যাপদক অসমীয়া আৰু উড়িয়া ভাষীসকলেও তেওঁলোকৰ প্ৰাচীনতম সাহিত্যিক নিদৰ্শন বুলি দাবী কৰি আহিছে। সি যি কি নহওক, চৰ্যাপদৰ উপৰিও অমৰ সিংহৰ দ্বাৰা ৰচিত সংস্কৃত অভিধানকল্প গ্ৰন্থ 'অমৰ কোষ'ৰ সৰ্বানন্দই কৰা টীকাসৰ্বস্বত প্ৰাপ্ত চাৰি শতাধিক বাংলা প্ৰতিশব্দ, বৌদ্ধ কবি ধৰ্মদাসৰ দ্বাৰা ৰচিত 'বিমুগ্ধমণ্ডল' গ্ৰন্থত উদ্ধৃত দুই-চাৰিটা বাংলা কবিতা, সেক শুভোদয়াৰ উদ্ধৃত গান আৰু ছড়াৰ মাজত, 'অভিলষিতাৰ্থচিন্তামণি' বা 'মানসোল্লাস' নামৰ সংস্কৃত কোষ গ্ৰন্থৰ 'গীতবিনোদ' নামৰ অংশত প্ৰাপ্ত পংক্তিৰ মাজত আৰু নবম শতিকাৰ পৰা ত্ৰয়োদশ শতিকালৈ ৰচিত কেতবোৰ তাম্ৰশাসন (Copper-plate inscriptions)ৰ মাজতো প্ৰাচীন বাংলাৰ নিদৰ্শন পোৱা গৈছে। বাংলা ভাষাৰ এই প্ৰাচীন যুগটোৰ ভাষাতাত্বিক বৈশিষ্ট্য[২৭] কেতবোৰ হ'ল ঃ

**ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ**

i) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ বিষম ব্যঞ্জনৰ মিলনত গঠিত যুগ্ম ব্যঞ্জনবোৰ মধ্যভাৰতীয় আৰ্য ভাষাত সমীভূত হৈ সমব্যঞ্জনৰে গঠিত যুগ্মব্যঞ্জনত পৰিণত হয়। প্ৰাচীন বাংলাত এই যুগ্ম ব্যঞ্জনৰ মাজৰ এটি ব্যঞ্জন কেতিয়াবা লুপ্ত হয় আৰু এই লোপৰ ফলত ক্ষতিপূৰক দীৰ্ঘীকৰণৰ দ্বাৰা পূৰ্ববৰ্তী স্বৰধ্বনি দীৰ্ঘ হয়; যেনে ঃ চন্দ্ৰ > চান্দ।

ii) সংস্কৃতৰ অন্ত নাসিক্য ব্যঞ্জন অনেক ঠাইত লোপ হোৱাৰ ফলত পূৰ্ববৰ্তী স্বৰধ্বনি অনুনাসিক হয়; যেনে ঃ শব্দেন > সাদেঁ

iii) ওচৰা উচৰিকৈ থকা একাধিক স্বৰধ্বনি লগ হৈ এটা স্বৰত পৰিণত হয়; যেনে ঃ উদাস > উআস। কিন্তু পদৰ শেষত অৱস্থিত একাধিক স্বৰ যৌগিক স্বৰ ৰূপে উচ্চাৰিত হয় আৰু দুটি লগ হৈ একক স্বৰত পৰিণত হয়; যেনে ঃ ভণতি > ভণই

iv) ওচৰা উচৰিকৈ অৱস্থিত দুই স্বৰধ্বনিৰ মাজত প্ৰায়েই 'য়' শ্ৰুতিধ্বনিৰ আগম হয়; যেনেঃ নিকটে > নিঅড্ডী > নিয়ড্ডী > নিয়ড়ি

v) স্বৰ মধ্যবৰ্তী একক মহাপ্ৰাণ ধ্বনি প্ৰায়েই 'হ'ত পৰিণত হয়; যেনেঃ মহাসুখ > মহাসুহ, কথন > কহন

---

২৬। প্ৰাগুক্ত গ্ৰন্থ, পৃ - ৬২৩
২৭। প্ৰাগুক্ত গ্ৰন্থ, পৃ -৬২৮

vi) 'শ'ৰ স্থানত 'স'ৰ ব্যাপক ব্যৱহাৰ দেখা যায়; যেনেঃ আশা > আস।

**ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ**

ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ ক্ষেত্ৰত যিহেতু চৰ্যা পদ অসমীয়া, বঙলা আৰু উড়িয়া তিনিওটা ভাষাৰে উমৈহতীয়া আদিস্তৰৰ নিদৰ্শন, সেয়ে চৰ্যা পদে বহন কৰা বঙলা ভাষাৰ প্ৰাচীন যুগটোৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যবোৰৰ বেছিভাগেই অসমীয়া ভাষাৰ সৈতে একে। বিশেষকৈ কাৰক বিভক্তিবোৰৰ প্ৰয়োগ সম্পূৰ্ণ একে। ইয়াৰ বাহিৰে বঙলা ভাষাৰ প্ৰাচীন যুগটোৰ স্বকীয় ৰূপতাত্ত্বিক বৈশিষ্ট্য কেইটামান হ'ল -

i) অনুসৰ্গৰ ব্যৱহাৰ প্ৰাচীন বঙলা ভাষাতো দেখা যায়। উদাহৰণস্বৰূপে নিমিত্তাৰ্থে চতুৰ্থী বিভক্তিৰ ঠাইত 'অন্তৰে' ৰ প্ৰয়োগ; যেনে ঃ তোহাৰ <u>অন্তৰে</u> মোএ ঘলিলি হাড়েৰি মালী

ii) ক্ৰিয়াৰূপৰ ক্ষেত্ৰত বৰ্তমান কালৰ বিভক্তি আছিল এনেধৰণৰ ঃ

উত্তম পুৰুষ - মি - হুঁ

মধ্যম পুৰুষ - স

প্ৰথম পুৰুষ - ই

iii) অতীত কালৰ ক্ৰিয়াৰূপ দুইধৰণে গঠন কৰা হয় - নিষ্ঠান্ত পদৰ যোগত আৰু ধাতুৰ লগত - ল বা -ইল প্ৰত্যয় যোগ কৰি; যেনে ঃ

নিষ্ঠান্ত পদৰ যোগত ঃ গম্ + ক্ত = গত > গঅ > গউ (সসহৰ গউ নিবাণে)

- ল বা -ইল প্ৰত্যয়ৰ যোগত ঃ দেখ - ইল = দেখিল (মই দেখিল)

গম্ - ল = গেল (সসুৰা নিদগেল)

iv) ভবিষ্যত কালৰ ক্ৰিয়াৰূপ 'ইব' যোগ কৰি গঠন কৰা হয়; যেনে ঃ মই ভাইব।

**১.০৪.২ মধ্য বাংলা ঃ**

মধ্য বাংলা যুগৰ সময়সীমা ধৰা হৈছে ১৩৫০ খৃষ্টাব্দৰ পৰা ১৭৬০ খৃষ্টাব্দ পৰ্যন্ত। এই সুদীৰ্ঘ চাৰিশ বছৰৰ লক্ষ্যণীয় পৰিবৰ্তন আগত ৰাখি ইয়াক দুটা উপস্তৰত ভাগ কৰা হৈছে - আদি মধ্য বাংলা (১৩৬০ খৃ.-১৫০০ খৃ.) আৰু অন্ত্য মধ্য বাংলা (১৫০০ খৃ.-১৭৬০ খৃ.)

**১.০৪.২.১ আদি- মধ্য -বাংলা (Early middle Bengali) ঃ**

প্ৰায় আশী শতাংশ অসমীয়া ভাষিক উপাদান থকা চণ্ডীদাসৰ 'কৃষ্ণকীৰ্তন' গ্ৰন্থৰ ৰচনাকাল

বিতৰ্কিত হ'লেও বঙলাসকলে ইয়াকেই আদি - মধ্য-বাংলাৰ একমাত্ৰ প্ৰামাণিক নিদৰ্শন বুলি গ্ৰহণ কৰে। ইয়াৰ উপৰিও কৃত্তিবাসৰ ৰামায়ণ, মালাধৰ বসুৰ 'শ্ৰীকৃষ্ণ বিজয়', আৰু অনেক মঙ্গলকাব্যও এই সময়ৰ বুলি ধৰা হয়। পয়াৰ, একাৱলী, ত্ৰিপদী আদি ছন্দৰীতিৰ প্ৰয়োগ এই যুগৰ বাংলা ভাষাৰ প্ৰধান বৈশিষ্ট্য। কিন্তু কৃত্তিবাসৰ ৰামায়ণ, শ্ৰীকৃষ্ণবিজয় আদি গ্ৰন্থ শেষৰ সময়ৰ ৰচনা হোৱা বাবে 'শ্ৰীকৃষ্ণকীৰ্তন' গ্ৰন্থৰ আধাৰতহে আদি-মধ্য-বাংলা ভাষাৰ যুগৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যবোৰ[২৮] নিৰ্দ্ধাৰণ কৰা হৈছে; সেইবোৰ হ'ল ঃ

**ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ**

i) আ-কাৰৰ পিছত থকা ইকাৰ আৰু উকাৰ ধ্বনিৰ ক্ষীণতা এই যুগৰ বাংলা ভাষাৰ অন্যতম বৈশিষ্ট্য। ওচৰাউচৰিকৈ থকা দুটা ধ্বনিৰ পিছৰটিৰ উচ্চাৰণ ক্ষীণ হোৱাৰ ফলত পৰবৰ্তী কালত ওচৰাউচৰিকৈ থকা ধ্বনি দুটা মিলি যৌগিক স্বৰ সৃষ্টি হয়। কিন্তু, কৃষ্ণকীৰ্তনৰ ভাষাত ওচৰা উচৰিকৈ থকা স্বৰ দুটাৰ স্থিতি তাৰ বৈশিষ্ট্য।

ii) নাসিক্য ব্যঞ্জনৰ সংযোগত গঠিত সংযুক্ত ব্যঞ্জনৰ সৰলীভৱন আদি - মধ্য যুগৰ বাংলা ভাষাৰ বৈশিষ্ট্য। যেনেঃ কান্তি > কাঁতি, ঝাম্প > ঝাঁপ। অৱশ্যে এই বৈশিষ্ট্যটি সকলো ক্ষেত্ৰতে দেখা নাযায়। ইয়াৰ ব্যতিক্ৰমো আছে; যেনে ঃ চন্দ্ৰাৱলী, কুম্ভাৰ আদি। এই বৈশিষ্ট্যটিৰ ক্ষেত্ৰত এনেদৰে কব পাৰি যে তদ্ভৱ শব্দত সংযুক্ত ব্যঞ্জনৰ সৰলীকৰণৰ প্ৰবণতা সূচিত হৈছিল মাত্ৰ; কিন্তু সেইটো তেতিয়াও সাধাৰণ বৈশিষ্ট্য হৈ উঠা নাছিল।

iii) নাসিক্য ধ্বনিৰ লগত যুক্ত মহাপ্ৰাণ ধ্বনিৰ লোপ ইয়াৰ এক মনকৰিবলগীয়া বৈশিষ্ট্য। অৰ্থাৎ, হ-ধ্বনি যুক্ত নাসিক্য ব্যঞ্জনৰপৰা 'হ' লোপ পায়; যেনে ঃ কাহ্ন > কানু, আহ্মি > আমি। কিন্তু এই বৈশিষ্ট্যটি কৃষ্ণকীৰ্তনৰ ভাষাত নিয়মীয়া নহয়।

**ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ**

i) কৰ্তকাৰকত শূন্য বিভক্তি বা বিভক্তিহীনতা এই যুগৰ অন্যতম বৈশিষ্ট্য; যেনে শীতল মনোহৰ <u>বাঁশি</u> কে না বাএ। (শ্ৰীকৃষ্ণ কীৰ্তন - বংশী খণ্ড, ১৭ কোড়াৰাগঃ ৰূপকং।।)

---

২৮। ড° সুকুমাৰ সেন ঃ ভাষাৰ ইতিবৃত্ত, পৃ - ১৪৫
ড° কৃষ্ণপদ গোস্বামী ঃ বাংলা ভাষাতত্ত্বৰ ইতিহাস, পৃ- ১৭৫
ড° ৰামেশ্বৰ শ' ঃ সাধাৰণ ভাষাবিজ্ঞান ও বাংলা ভাষা, পৃ - ৬৩৪

ii) মুখ্য কৰ্মৰ ক্ষেত্ৰতো বিভক্তিহীনতা এই যুগৰ অন্য এক বৈশিষ্ট্য; যেনেঃ অৰেৰে বাহিহি কাহ্ন নাব ছোড়ি ডগমগ কুগই ন দেহি।

iii) গৌণকৰ্ম আৰু সম্প্ৰদান কাৰকৰ ক্ষেত্ৰত - ক, - কে আৰু - ৰে বিভক্তি পোৱা যায়; যেনেঃ যমুনাক যাই ছলে পানী আনিবাৰ/ কংসকে বুলিয়ে কণ্যা আঁকাসে থাঁকিয়া/ ( (শ্ৰীকৃষ্ণ কীৰ্তন জন্ম খণ্ড কোড়াৰাগ) সাপেৰে কৰিয়াঁ বিষদানে। (শ্ৰীকৃষ্ণ কীৰ্তন - যমুনান্তৰ্গত কালিয়দমন খণ্ড, ৭ পাহাড়ীআৰাগ)

iv) পঞ্চমী বিভক্তিৰ ঠাইত 'হৈতে' অনুসৰ্গৰ যোগত অপাদানৰ অৰ্থ প্ৰকাশ কৰা হয়; যেনেঃ আজি হৈতেঁ আহ্মাৰা হৈলাহোঁ একমতী।

v) সম্বন্ধ পদৰ অৰ্থ প্ৰকাশৰ বাবে ষষ্ঠী বিভক্তিৰ চিহ্ন আছিল - এৰ, - ৰ, - ক আৰু - কেৰ; যেনে ঃ যে কামে হএ কুলেৰ খাঁখাৰে/ভাঁগিল সোনাৰ ঘট ঘড়ীবাক পাৰী, উত্তম জনেৰ নেহা তেহেন মুৰাৰি/চাহা চাহা আল বঢ়ায়ি যমুনাক ভিতে আদি।

vi) অধিকৰণ কাৰকত সপ্তমী বিভক্তি ৰূপে - ত, -তে আৰু এ-ৰ ব্যৱহাৰ হয়; যেনে - ৰাধাৰ হিআত মাইল সুদৃঢ় সন্ধান।

মদনবাণে পৰাণে আকুলী ল'।।

vii) উত্তম পুৰুষৰ সৰ্বনাম আছিল আহ্মে ~ মোঁ, আৰু মধ্যম পুৰুষৰ সৰ্বনাম আছিল তোঁ - তোহ্মে আদি। এইবোৰৰ লগতে কাৰক অনুযায়ী বিভক্তি যোগ হৈছিল।

viii) সৰ্বনাম পদৰ লগত কৰ্তৃকাৰকৰ বহু বচনত -ৰা বিভক্তি যুক্ত হয়; যেনে - আজি হৈতেঁ আহ্মাৰা হৈলাহোঁ একমতী। (শ্ৰীকৃষ্ণ কীৰ্তন - বৃন্দাবন খণ্ড, ৪ গুজ্জৰীৰাগঃ যতি)

ix) ক্ৰিয়াবিভক্তিৰ ক্ষেত্ৰত উত্তমপুৰুষৰ বৰ্তমান কালত - ওঁ, - ই, অতীত কালত - লোঁ, - ইল আৰু ভৱিষ্যতকালত - ইব বিভক্তি যোগ হয়; যেনে ঃ

তোৰ মুখে ৰাধিকাৰ ৰূপকথা সুনী।

ধৰিবাক ন পাৰোঁ পৰাণী। (শ্ৰীকৃষ্ণ কীৰ্তন - তাম্বুলখণ্ড, দেশাগৰাগঃ ৰূপকং)

একসৰী হৈলোঁ মাত্ৰ হেন ঘোৰ বনে।

দাসী হআঁ তাৰ পায়ে নিশিবোঁ আপনা।

x) ধাতুৰ লগত - ই, -ইআঁ, - ক, -ইতেঁ, - ইলে যোগ কৰি অসমাপিকা ক্ৰিয়াৰ ৰূপ গঠন

ii) মুখ্য কৰ্মৰ ক্ষেত্ৰতো বিভক্তিহীনতা এই যুগৰ অন্য এক বৈশিষ্ট্য; যেনেঃ অৰেৰে বাহিহি কাহ্নু নাব ছোড়ি ডগমগ কুগই ন দেহি।

iii) গৌণকৰ্ম আৰু সম্প্ৰদান কাৰকৰ ক্ষেত্ৰত - ক, - কে আৰু - ৰে বিভক্তি পোৱা যায়; যেনেঃ যমুনাক যাই ছলে পানী আনিবাৰ/ কংসকে বুলিয়ে কণ্যা আঁকাসে থাঁকিয়া/ ( (শ্ৰীকৃষ্ণ কীৰ্তন জন্ম খণ্ড কোড়াৰাগ) সাপেৰে কৰিয়াঁ বিষদানে। (শ্ৰীকৃষ্ণ কীৰ্তন - যমুনান্তৰ্গত কালিয়দমন খণ্ড, ৭ পাহাড়ীআৰাগ)

iv) পঞ্চমী বিভক্তিৰ ঠাইত 'হেতে' অনুসৰ্গৰ যোগত অপাদানৰ অৰ্থ প্ৰকাশ কৰা হয়; যেনেঃ আজি হেতেঁ আহ্মাৰা হৈলাহোঁ একমতী।

v) সম্বন্ধ পদৰ অৰ্থ প্ৰকাশৰ বাবে ষষ্ঠী বিভক্তিৰ চিহ্ন আছিল - এৰ, - ৰ, - ক আৰু - কেৰ; যেনে ঃ যে কামে হএ কুলেৰ খাঁখাৰে/ভাঁগিল সোনাৰ ঘট ঘড়ীবাক পাৰী, উত্তম জনেৰ নেহা তেহেন মুৰাৰি/চাহা চাহা আল বঢ়ায়ি যমুনাক ভিতে আদি।

vi) অধিকৰণ কাৰকত সপ্তমী বিভক্তি ৰূপে - ত, -তে আৰু এ-ৰ ব্যৱহাৰ হয়; যেনে - ৰাধাৰ হিআত মাইল সুদৃঢ় সন্ধান।

মদনবাণে পৰাণে আকুলী ল'।।

vii) উত্তম পুৰুষৰ সৰ্বনাম আছিল আহ্মে ~ মোঁ, আৰু মধ্যম পুৰুষৰ সৰ্বনাম আছিল তোঁ - তোহ্মে আদি। এইবোৰৰ লগতে কাৰক অনুযায়ী বিভক্তি যোগ হৈছিল।

viii) সৰ্বনাম পদৰ লগত কৰ্তৃকাৰকৰ বহু বচনত -ৰা বিভক্তি যুক্ত হয়; যেনে - আজি হেতেঁ আহ্মাৰা হৈলাহোঁ একমতী। (শ্ৰীকৃষ্ণ কীৰ্তন - বৃন্দাবন খণ্ড, ৪ গুজ্জৰীৰাগঃ যতি)

ix) ক্ৰিয়াবিভক্তিৰ ক্ষেত্ৰত উত্তমপুৰুষৰ বৰ্তমান কালত - ওঁ, - ই, অতীত কালত - লোঁ, - ইল আৰু ভৱিষ্যতকালত - ইব বিভক্তি যোগ হয়; যেনে ঃ

তোৰ মুখে ৰাধিকাৰ ৰূপকথা সুনী।

ধৰিবাক ন পাৰোঁ পৰাণী। (শ্ৰীকৃষ্ণ কীৰ্তন - তাম্বুলখণ্ড, দেশাগৰাগঃ ৰূপকং)

একসৰী হৈলোঁ মাত্ৰ হেন ঘোৰ বনে।

দাসী হআঁ তাৰ পায়ে নিশিবোঁ আপনা।

x) ধাতুৰ লগত - ই, -ইআঁ, - ক, -ইতেঁ, - ইলে যোগ কৰি অসমাপিকা ক্ৰিয়াৰ ৰূপ গঠন

কৰা হয়; যেনে ঃ উড়ি, ছিণ্ডিআঁ, কৰিবাক, সুঝিতেঁ, তুলিতেঁ আদি।

### ১.০৪.২.২ অন্ত্য - মধ্য - বাংলা (Late - Middle - Bengali) ঃ

অন্ত্য-মধ্য-বাংলা ভাষাৰ সময়সীমা ধৰা হৈছে - ১৫০০ খৃষ্টাব্দৰ পৰা ১৭৬০ খৃষ্টাব্দ। এই যুগৰ বাংলা ভাষা বিভিন্ন ধাৰাৰ সাহিত্য ৰচনাৰে সমৃদ্ধ। বৈষ্ণৱ পদাৱলী, চৈতন্য জীৱনী, মনসামঙ্গল, চণ্ডীমণ্ডল, অন্নদামঙ্গল, বিভিন্ন সংস্কৃত অনুবাদ, আৰাকানৰ মুছলমান কবিসকলৰ ৰচনা আদিয়ে এই যুগৰ বাংলা ভাষাক সমৃদ্ধ কৰি তুলিছে। এই সময়তে মুছলমান সকলৰ প্ৰভাৱত বাংলা ভাষাত আৰৱী, ফাৰ্চী, তুৰ্কী শব্দ আৰু বিভিন্ন প্ৰত্যয়ো প্ৰচুৰ পৰিমাণে সোমাই পৰে। তদুপৰি মৈথিলী কবি বিদ্যাপতিৰ জৰিয়তে মৈথিলী ভাষাৰ লগতো এই সময়ত বাংলা ভাষাৰ ঘনিষ্ঠ সম্পৰ্ক স্থাপিত হয়। ফলত এই সময়তে বঙালী বৈষ্ণৱ কবিসকলে মৈথিলী, অৱহট্ট আৰু বাংলা ভাষাৰ সংমিশ্ৰণত 'ব্ৰজবুলি' ভাষাৰ সৃষ্টি কৰি লয়। এই ব্ৰজবুলি ভাষাৰ ব্যৱহাৰ দেখা যায় গোবিন্দ দাস, জ্ঞান দাস প্ৰমুখ্যে কেইগৰাকীমান বৈষ্ণৱ কবিৰ কিছুমান বৈষ্ণৱ পদাৱলীত। পয়াৰ ছন্দৰীতিৰ ব্যাপক ব্যৱহাৰ এই যুগৰ ভাষাৰ এক অন্যতম বৈশিষ্ট্য। বিভিন্ন ত্ৰিপদী ছন্দৰ ব্যৱহাৰো বহুল পৰিমাণে দেখা যায়। ব্ৰজবুলি ভাষাত ৰচিত বৈষ্ণৱ কবিতাত অপভ্ৰংশৰ চতুষ্পদী ছন্দৰ ব্যৱহাৰ আছিল। এই যুগৰ ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য[২৯] কেতবোৰ হ'ল ঃ

**ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ**

i) পদৰ অন্তত থকা একক ব্যঞ্জনৰ পাছত অৱস্থিত অ-কাৰ লোপ পায়। কিন্তু কেতিয়াবা ইয়াৰ ব্যতিক্ৰমো ঘটিছে।

ii) আদি অক্ষৰত শ্বাসাঘাতৰ ফলত শব্দৰ মাজত থকা স্বৰ অনেক সময়ত লোপ পাইছে; যেনে ঃ "হৰিদ্ৰা > হল্‌দি

কিন্তু এই বৈশিষ্ট্যটিও মধ্যবাংলাত ব্যাপক নহয়। তদুপৰি ইয়াৰ ব্যতিক্ৰমো দেখা যায়। যেনে ঃ

'হাটে হাটে তোৰ বাপ বেচিত আমলা
যতন কৰিয়া তাহা কিনিও অবলা।" - মুকুন্দ চক্ৰৱৰ্তী

iii) অন্ত্য-মধ্য যুগত শব্দৰ মাজত থকা 'ই' আৰু 'উ' স্বৰ অপিনিহিতি বা বৰ্ণ বিপৰ্যয়ৰ ফলত কেতিয়াবা তাৰ পূৰ্বৱৰ্তী ব্যঞ্জনৰ পৰা নাইকিয়া হৈছে। 'উ' ধ্বনি কেতিয়াবা

২৯। ড° ৰামেশ্বৰ শ' ঃ সাধাৰণ ভাষাবিজ্ঞান ও বাংলা ভাষা, পৃ -৬৩৫

কৰা হয়; যেনে ঃ উড়ি, ছিণ্ডিআঁ, কৰিবাক, সুঝিতেঁ, তুলিতেঁ আদি।

১.০৪.২.২ **অন্ত্য - মধ্য - বাংলা** (Late - Middle - Bengali) ঃ

অন্ত্য-মধ্য-বাংলা ভাষাৰ সময়সীমা ধৰা হৈছে - ১৫০০ খৃষ্টাব্দৰ পৰা ১৭৬০ খৃষ্টাব্দ। এই যুগৰ বাংলা ভাষা বিভিন্ন ধাৰাৰ সাহিত্য ৰচনাৰে সমৃদ্ধ। বৈষ্ণৱ পদাৱলী, চৈতন্য জীৱনী, মনসামঙ্গল, চণ্ডীমঙ্গল, অন্নদামঙ্গল, বিভিন্ন সংস্কৃত অনুবাদ, আৰাকানৰ মুছলমান কবিসকলৰ ৰচনা আদিয়ে এই যুগৰ বাংলা ভাষাক সমৃদ্ধ কৰি তুলিছে। এই সময়তে মুছলমান সকলৰ প্ৰভাৱত বাংলা ভাষাত আৰবী, ফাৰ্চী, তুৰ্কী শব্দ আৰু বিভিন্ন প্ৰত্যয়ো প্ৰচুৰ পৰিমাণে সোমাই পৰে। তদুপৰি মৈথিলী কবি বিদ্যাপতিৰ জৰিয়তে মৈথিলী ভাষাৰ লগতো এই সময়ত বাংলা ভাষাৰ ঘনিষ্ঠ সম্পৰ্ক স্থাপিত হয়। ফলত এই সময়তে বঙালী বৈষ্ণৱ কবিসকলে মৈথিলী, অৱহট্ট আৰু বাংলা ভাষাৰ সংমিশ্ৰণত 'ব্ৰজবুলি' ভাষাৰ সৃষ্টি কৰি লয়। এই ব্ৰজবুলি ভাষাৰ ব্যৱহাৰ দেখা যায় গোবিন্দ দাস, জ্ঞান দাস প্ৰমুখ্যে কেইগৰাকীমান বৈষ্ণৱ কবিৰ কিছুমান বৈষ্ণৱ পদাৱলীত। পয়াৰ ছন্দৰীতিৰ ব্যাপক ব্যৱহাৰ এই যুগৰ ভাষাৰ এক অন্যতম বৈশিষ্ট্য। বিভিন্ন ত্ৰিপদী ছন্দৰ ব্যৱহাৰো বহুল পৰিমাণে দেখা যায়। ব্ৰজবুলি ভাষাত ৰচিত বৈষ্ণৱ কবিতাত অপভ্ৰংশৰ চতুষ্পদী ছন্দৰ ব্যৱহাৰ আছিল। এই যুগৰ ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য[২৯] কেতবোৰ হ'ল ঃ

**ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ**

i) পদৰ অন্তত থকা একক ব্যঞ্জনৰ পাছত অৱস্থিত অ-কাৰ লোপ পায়। কিন্তু কেতিয়াবা ইয়াৰ ব্যতিক্ৰমো ঘটিছে।

ii) আদি অক্ষৰত শ্বাসাঘাতৰ ফলত শব্দৰ মাজত থকা স্বৰ অনেক সময়ত লোপ পাইছে; যেনে ঃ "হৰিদ্ৰা > হল্‌দি

কিন্তু এই বৈশিষ্ট্যটিও মধ্যবাংলাত ব্যাপক নহয়। তদুপৰি ইয়াৰ ব্যতিক্ৰমো দেখা যায়। যেনে ঃ

'হাটে হাটে তোৰ বাপ বেচিত আমলা
যতন কৰিয়া তাহা কিনিও অবলা।" - মুকুন্দ চক্ৰৱৰ্তী

iii) অন্ত্য-মধ্য যুগত শব্দৰ মাজত থকা 'ই' আৰু 'উ' স্বৰ অপিনিহিতি বা বৰ্ণ বিপৰ্যয়ৰ ফলত কেতিয়াবা তাৰ পূৰ্বৱৰ্তী ব্যঞ্জনৰ পৰা নাইকিয়া হৈছে। 'উ' ধ্বনি কেতিয়াবা

২৯। ড° ৰামেশ্বৰ শ' ঃ সাধাৰণ ভাষাবিজ্ঞান ও বাংলা ভাষা, পৃ -৬৩৫

'ই' লৈ পৰিবৰ্তন হৈছে; যেনে ঃ

বেগুন > বেউগণ > বাইগণ

কেতিয়াবা, বৰ্ণ বিপৰ্যয় বা অপিনিহিতিৰ ফলত আগত থকা 'ই' বা 'উ' লোপ পায়; যেনে ঃ ৰাখিয়াছি > ৰাইখ্যাছি > ৰাখ্যাছি

কিন্তু এই বৈশিষ্ট্যটিও ব্যাপক ক্ষেত্ৰত দেখা নাযায়।

iv) আদি-মধ্য যুগৰ বাংলাতেই নাসিক্য ব্যঞ্জনৰ লগত যুক্ত মহাপ্ৰাণ 'হ' ধ্বনিৰ লোপ হ'বলৈ আৰম্ভ কৰিছিল। অন্ত্য-মধ্য যুগত এই প্ৰৱণতা বেছি হ'ল। যেনে ঃ

আহ্মি > আমি, তুহ্মি > তুমি, আহ্মাৰ > আমাৰ, তোহ্মাৰ > তোমাৰ; আদি।

কোনো কোনোৰ মতে, 'ঢ়' ৰ মহাপ্ৰাণতাও লোপ পাই 'ড়' হয়। কিন্তু এই বৈশিষ্ট্য অন্ত-মধ্য যুগৰ শেষতো ব্যাপক হোৱা নাছিল।

**ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ**

i) আদি-মধ্য-বাংলাৰ সৰ্বনামৰ কৰ্তৃকাৰকৰ বহুবচনত 'ৰা' বিভক্তিৰ প্ৰয়োগ সূচিত হৈছিল। অন্ত্য-মধ্য বাংলাত এই - 'ৰা' বিভক্তি বিশেষ্যৰ কৰ্তৃকাৰকৰ বহুবচনতো প্ৰয়োগ হ'বলৈ ধৰে। ইয়াৰ বাহিৰেও - গুলা, -গুলি বিভক্তিৰ নিৰ্দেশক আৰু অনিৰ্দেশক বহুবচনত প্ৰয়োগ হয়; যেনে ঃ 'কে বলে শাৰদ শশী ও মুখেৰ তুলা।

পদনখে পড়ে আছে তাৰ <u>কতগুলা</u>।।"

ii) ৬ষ্ঠী বিভক্তিৰ চিহ্ন আছিল - ৰ - এৰ আদি; যেনে ঃ

"<u>হিয়াৰ</u> পৰশ লাগি হিয়া মোৰ কাঁদে।

পৰাণ পিৰীতি লাগি থিৰ নাহি বাঁধে।।" - জ্ঞানদাস

iii) ৭মী বিভক্তিৰ চিহ্ন আছিল - য় - এ - তে আদি; যেনে ঃ

"<u>ধূলায়</u> ধূসৰ হয়্যা কান্দয়ে হস্তিনী।

মিথ্যা বৰ দিয়া কেন বধ কৰ প্ৰাণী।।" - মুকুন্দ চক্ৰৱৰ্ত্তী

iv) সাধাৰণ সদ্য অতীত কালৰ উত্তম পুৰুষৰ ক্ৰিয়াৰ বিভক্তি আছিল ইলাঙ্ - ইলাম আৰু প্ৰথম পুৰুষৰ ক্ৰিয়াৰ বিভক্তি আছিল - ইল - ইলা; আদি। যেনে ঃ

উত্তম পুৰুষ - "সেই পুণ্যেৰ ফলে কবি হৈয়া শিশুকালে

ৰচিলাঙ্ তোমাৰ সঙ্গীতে।" - মুকুন্দ চক্ৰৱৰ্তী

প্ৰথম পুৰুষ - ধনি ধনি কলিকালে ৰত্না নদেৰ কূলে

অবতাৰ কৰিলা শঙ্কৰ

ধৰি চক্ৰাদিত্য নাম দামুন্যা কৰিল ধাম

তীৰ্থ কৈলা সেই ত নগৰ।।" - মুকুন্দ চক্ৰৱৰ্ত্তী

v) সাধাৰণ ভৱিষ্যত কালৰ উত্তম পুৰুষৰ বিভক্তি আছিল - ইব; যেনে ঃ

"সখীৰ উপৰে দেহ তণ্ডুলেৰ ভাৰ।

তোমাৰ বদলে আমি কৰিব পসাৰ।।" - মুকুন্দ চক্ৰৱৰ্তী

vi) মূল ক্ৰিয়াৰ অসমাপিকাৰ ৰূপৰ লগত 'আছ' ধাতু যোগ কৰি তথাকথিত যৌগিক কালৰ ৰূপ গঠন কৰা হয়; যেনে ঃ

"গোধিকা ৰাখ্যাছি বান্ধি দিয়া জাল দড়া।

ছাল উতাৰিয়া প্ৰিয়ে কৰ শীক -পোড়া।।" - মুকুন্দ চক্ৰৱৰ্ত্তী

vii) কিছুমান সংস্কৃত নামশব্দক ক্ৰিয়াৰ ধাতুৰূপে লৈ তাৰ লগত ক্ৰিয়াৰ বিভক্তি যোগ কৰা হয়।

নামধাতুৰ এই বহুল ব্যৱহাৰ অন্ত্য-মধ্য-বাংলাৰ অন্যতম বৈশিষ্ট্য;

যেনে ঃ নমস্কাৰ + ইলা = নমস্কাৰিলা।

### ১.০৪.৩ আধুনিক বাংলা (Modern-Bengali) ঃ

আধুনিক বাংলা ভাষাৰ সময়সীমা ধৰা হৈছে ১৭৬০ খৃষ্টাব্দৰ পৰা বৰ্তমান পৰ্যন্ত। মধ্যযুগৰ শেষৰজন কবি ভাৰতচন্দ্ৰৰ মৃত্যু হয় ১৭৬০ খৃষ্ঠাব্দত আৰু এই বছৰটিতে বাংলাভাষাৰ মধ্যযুগৰ সমাপ্তি আৰু আধুনিক যুগৰ সূচনা হয়।[৩০] বঙালীসকলৰ মুখৰ বাংলা ভাষাই এই পৰ্বৰ শ্ৰেষ্ঠ নিদৰ্শন। ফোৰ্ট উইলিয়াম কলেজৰ লেখকবৃন্দ আৰু খৃষ্টান মিছনেৰীসকলৰ দ্বাৰা ৰচিত বাংলা গ্ৰন্থ, ৰামমোহন, বিদ্যাসাগৰ, বংকিমচন্দ্ৰ, মধুসূদন, ৰবীন্দ্ৰনাথ, শৰৎচন্দ্ৰ প্ৰভৃতি লেখকবৃন্দৰ ৰচনাই এই সময়ৰ বাংলা ভাষাৰ উৎকৃষ্ট নিদৰ্শন। এই আধুনিক যুগতহে বাংলা ভাষাত গদ্য সাহিত্য ৰচনাৰ সূত্ৰপাত হ'ল। সাহিত্যত ব্যৱহৃত গদ্যৰো দুটা ৰীতি গঢ় লৈ উঠিল- সাধু আৰু চলিত। মূলত ঃ পশ্চিমবঙ্গৰ কলিকতা আৰু তাৰ নিকটবৰ্তী অঞ্চলৰ কথিত ভাষাৰ ওপৰত

৩০। প্ৰাগুক্ত গ্ৰন্থ, পৃ -৬৩৫

ভিত্তি কৰি চলিত গদ্যৰ এটা ৰূপ গঢ় লৈ উঠিছিল আৰু আনফালে মধ্যযুগীয় বাংলাৰ শব্দৰূপ-ধাতুৰূপ আৰু প্ৰধানতঃ সংস্কৃত শব্দভাণ্ডাৰৰ আধাৰত সাধু গদ্য ৰূপ এটা সৃষ্টি হৈছিল। যদিও এই দুয়োটা ৰীতি ঊনবিংশ শতাব্দীত প্ৰায় সমান্তৰালভাবে প্ৰবাহিত হৈছিল; পৰবৰ্তী সময়ত চলিত গদ্যৰ ধাৰাটি বেছিকৈ প্ৰৱাহিত হয়। আধুনিক যুগতেই বঙলা ভাষা সাহিত্যৰ লগত পাশ্চাত্য ভাষা সাহিত্যৰ সংযোগ স্থাপিত হয়। তাৰ ফলত ইংৰাজী ভাষাৰ বিভিন্ন শব্দ, বাক্য আৰু বাক্যাংশ বাংলা ভাষাত প্ৰৱেশ কৰে। পৰ্তুগীজ, ফৰাচী, ইটালীয়, জাৰ্মানী, ৰাছিয়ান, হিন্দী আদি ভাষাৰো ভালেমান শব্দই এই সময়তে বাংলা ভাষাত প্ৰৱেশ কৰে। ছন্দৰীতিৰ ক্ষেত্ৰতো পুৰণি পয়াৰ ছন্দৰ সলনি অমিত্ৰাক্ষৰ ছন্দ আৰু গৈৰিশ ছন্দৰ লগতে আধুনিক গদ্যছন্দৰো সূচনা হোৱা দেখা যায়। আধুনিক বাংলা ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য[৩১] কেতবোৰ হ'ল ঃ

**ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ**

i) আধুনিক যুগৰ আদৰ্শ চলিত বাংলা ভাষাত অপিনিহিতি স্বৰ পূৰ্বস্বৰৰ লগত মিলিত হৈ অভিশ্ৰুতিত পৰিণত হয়; যেনে ঃ কৰিয়া > কইৰ্‍যা > কৰে।

ii) আধুনিক চলিত বাংলাত শব্দৰ মাজত ওচৰাউচৰিকৈ অৱস্থিত দুটি বিষম স্বৰধ্বনি স্বৰসঙ্গতিৰ যোগে সমীভূত হৈ একেধৰণৰ স্বৰধ্বনিত পৰিণত হয়; যেনে ঃ দেশি > দিশি, পটুয়া > পোটো আদি।

**ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ**

i) আধুনিক সাধু বাংলা ভাষাত ক্ৰিয়া, সৰ্বনাম আৰু অনুসৰ্গৰ পূৰ্ণতৰ দীৰ্ঘৰূপৰ প্ৰচলন আছিল; যেনে ঃ কৰিয়াছিল, তাহাৰ, যাহাৰ, হইতে আদি। কিন্তু চলিত ভাষাত এইবোৰৰ সংক্ষিপ্ত ৰূপৰ প্ৰচলন হ'ল; যেনে ঃ কৰে, কৰেছিল, তাৰ, যাৰ, হতে, থেকে আদি।

ii) মূল ক্ৰিয়াৰ ধাতুৰ লগত - অনট্ প্ৰত্যয় যোগ কৰি প্ৰথমে ক্ৰিয়াজাত বিশেষ্য পদ ৰচনা কৰা হয়। যেনে ঃ গম্ + অনট্ = গমন। পাছত ইয়াকে পূৰ্বপদ ৰূপে গ্ৰহণ কৰি কৃ ধাতুৰ লগত ক্ৰিয়া-বিভক্তি যোগ কৰি নানা যৌগিক ক্ৰিয়া গঠন কৰা হয়। যেনে ঃ

---

৩১। ড° সুকুমাৰ সেন ঃ ভাষাৰ ইতিবৃত্ত, পৃ - ১৪৭
ড° কৃষ্ণপদ গোস্বামী ঃ বাংলা ভাষাতত্ত্বেৰ ইতিহাস, পৃ- ১৭৬
ড° ৰামেশ্বৰ শ' ঃ সাধাৰণ ভাষাবিজ্ঞান ও বাংলা ভাষা, পৃ - ৬৪২
পৰেশ চন্দ্ৰ ভট্টাচাৰ্য্য ঃ ভাষা বিদ্যা পৰিচয়, পৃ - ৩১৯

গমন কৰা । এই ধৰণৰ যৌগিক ক্রিয়াপদ প্রথমে সাধুভাষাত ব্যাপক ভাৱে ব্যৱহাৰ কৰা হয় যদিও পাছলৈ চলিত ভাষাতো ইয়াৰ ব্যৱহাৰ স্বাভাৱিক হৈ উঠে। যেনে ঃ গান কৰা। অন্যহাতে সাধুভাষা যিমানেই সৰল আৰু স্বাভাৱিক হ'বলৈ ধৰিলে সিমানেই সাধুভাষাত যৌগিক ক্রিয়াপদৰ ব্যৱহাৰ কমি আহিবলৈ ধৰে।

iii) আধুনিক বাংলাত 'ও' আৰু 'এবং' - এই দুটা সংযোজক অব্যয়ৰ ব্যৱহাৰ বেছিকৈ দেখিবলৈ পোৱা যায়। এই দুটাৰ ভিতৰত 'এবং' অব্যয়ে সাধাৰণতে দুটি বাক্যক সংযোগ কৰে আৰু 'ও' অব্যয়ে দুটি পদক যোগ কৰে। অৱশ্যে 'এবং' অব্যয়ৰ ব্যৱহাৰ আগৰেপৰা প্রচলিত। সেয়ে 'ও' সংযোজক অব্যয় আধুনিক বাংলাৰ বৈশিষ্ট্য।

iv) আধুনিক বাংলাৰ বাক্যগঠনৰ ক্ষেত্রত নঞর্থক 'না', 'নাই', 'নি' আদি ৰূপ সমাপিকা ক্রিয়াৰ পাছত বহে আৰু অসমাপিকা ক্রিয়াৰ ক্ষেত্রত আগত বহে।

যেনে ঃ ৰামচন্দ্র সত্যভঙ্গ কৰেণ নি।

ৰামচন্দ্র সত্যভঙ্গ না কৰে চিৰকাল সৎপথে চলেছেন।

অৱশ্যে বিশেষ ক্ষেত্রত নঞর্থক ৰূপ সমাপিকা ক্রিয়াৰ আগতো বহে; যেনেঃ মেয়েটি না স্নান কৰল, না খেলো, না ঘুমোলো, সাৰাদিন মন খাৰাপ কৰে চুপ কৰে বসে ৰইল।

v) আধুনিক বাংলা ভাষাত একাধিক সৰল বাক্যক সংযোজক অব্যয়ৰ দ্বাৰা যোগ কৰি যৌগিক বাক্য ৰচনা কৰা হয়; যেনে ঃ ৰামচন্দ্র বনে গেলেন এবং পঞ্চবটীতে বাস কৰতে লাগলেন। কেতিয়াবা সংযোজক অব্যয় যোগ নকৰাকৈ পূৰ্বৱৰ্তী বাক্যৰ সমাপিকা ক্রিয়াক অসমাপিকা ক্রিয়ালৈ পৰিবৰ্তন কৰিও বাক্যদুটিক যোগ কৰি এটি সৰলবাক্য ৰচনা কৰা হয়; যেনে ঃ ৰামচন্দ্র বনে গিয়ে পঞ্চবটীতে বাস কৰতে লাগলেন। এয়াও আধুনিক বাংলাৰ অন্যতম বৈশিষ্ট্য।

এইদৰে বিভিন্ন ক্রমবিৱৰ্তনৰ মাজেৰে আহি বঙলা ভাষাটোয়ে বৰ্তমানৰ পৰ্যায় পাইছেহি। অদূৰ ভৱিষ্যতে হয়তো ভাষাটোত আৰু অনেক পৰিবৰ্তন আহিব আৰু ভাষাটোৱে অনেক নতুন ৰূপ ল'ব।

এনেদৰে অসমীয়া আৰু বঙলা ভাষাৰ উদ্ভৱ আৰু ক্রমবিকাশ সম্বন্ধে বিভিন্ন দিশ চালিজাৰি চালে দেখা যায় যে এই দুয়োটা ভাষা মূলতঃ এটা উৎসৰ পৰাই উদ্ভৱ হৈছে আৰু

সেয়া হৈছে মাগধী প্ৰাকৃতৰ প্ৰাচ্য অপভ্ৰংশ-অৱহট্ট ৰূপ। এইফালৰ পৰা চালে ভাষাদুটাৰ বংশ গৌৰৱ বহন কৰিছে পৃথিৱীৰ অন্যতম সৰ্ববৃহৎ ভাষাপৰিয়াল ইণ্ডো ইউৰোপীয় বা ভাৰত ইউৰোপীয় ভাষা পৰিয়ালে। ইণ্ডো ইউৰোপীয় ভাষা পৰিয়ালৰ অন্যতম শাখা ইণ্ডো-ইৰাণীয়ৰ অন্তৰ্গত ভাৰতীয় আৰ্যভাষাৰ দ্বিতীয় স্তৰ মধ্য ভাৰতীয় আৰ্য (Middle Indo Aryan) ভাষাৰ মাগধী প্ৰাকৃতৰ অপভ্ৰংশ স্তৰৰ প্ৰাচ্য দিশৰ পৰা অসমীয়া আৰু বঙলা ভাষা দুটাৰ উৎপত্তি হৈছে। সেয়েহে ভাষাদুটাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আদি দিশত ভালেখিনি সাদৃশ্য পৰিলক্ষিত হয়।

আনহাতে দুয়োটা ভাষাৰ সাহিত্যৰ ক্ৰমবিকাশৰ ফালে চালেও দেখা যায় যে দুয়োটা ভাষাৰেই প্ৰাচীনতম নিদৰ্শন চৰ্যাপদ। আনকি উড়িয়া ভাষী লোকসকলেও চৰ্যাপদকেই তেওঁলোকৰ প্ৰাচীনতম লিখিত নিদৰ্শন বুলি দাবী কৰি আহিছে। দৰাচলতে চৰ্যাপদ হৈছে অসমীয়া, বঙলা আৰু উড়িয়া ভাষাৰ উদ্ভৱ কালৰ ভাষাৰূপ। সেয়ে ইয়াৰ মাজত একে মূল উৎসৰ পৰা অহা ভাষাবোৰৰ বৈশিষ্ট্য বিচাৰি পোৱাটো স্বাভাবিক। অসমীয়া আৰু বঙলা ভাষা-ও একেটা মূল উৎসৰ পৰাই উদ্ভৱ হৈ সুকীয়া ভৌগোলিক, ৰাজনৈতিক, জনগাঁথনি আৰু সামাজিক পৰিবেশৰ মাজত নিজস্ব বৈশিষ্ট্যৰে বিকশিত হৈছে। সেয়ে একেটা উৎসৰ পৰা অহা সত্বেও ভাষাদুটাৰ মাজত ভালেমান ক্ষেত্ৰত অমিলো পৰিলক্ষিত হয়। মুঠতে ইতিহাসৰ বিভিন্ন যুগত সন্মুখীন হোৱা নতুন পৰিস্থিতিবোৰৰ সৈতে তাল মিলাই আৰু সময়ে সময়ে নতুন উপাদানক নিজৰ মাজত জীন নিয়াই অসমীয়া আৰু বঙলা ভাষাদুটাই বিকাশৰ পথত আগবাঢ়ি একোটা সুসমৃদ্ধ ভাষাৰূপে প্ৰতিষ্ঠিত হৈছে।

# দ্বিতীয় অধ্যায়

## ২. ৰূপতত্ত্ব আৰু অসমীয়া-বঙলা ভাষাৰ ৰূপতত্ত্ব

২.০১ 'ৰূপতত্ত্ব' শব্দটো ইংৰাজী 'morphology' শব্দৰ অসমীয়া প্ৰতিশব্দ। এই শব্দটো গ্ৰীক ভাষাৰ পৰা অহা আৰু ই জাৰ্মান formenlehre (the study of forms) শব্দৰ সমান্তৰাল।[১] প্ৰথমে উনবিংশ শতিকাৰ প্ৰথমভাগত প্ৰাণীবিজ্ঞানত জীৱকোষৰ গঠন বুজাবলৈ এই শব্দৰ ব্যৱহাৰ হৈছিল, কিন্তু পাছতহে ভাষাবিজ্ঞানত শব্দৰ ৰূপৰ অধ্যয়ন বুজাবলৈ 'morphology' শব্দটোৰ ব্যৱহাৰ কৰা হয়। 'Oxford Advance Learner's Dictionary'ৰ মতে ৰূপতত্ত্ব হৈছে - 'Stydy of the morphemes of a language and how they are combined to make words'[২] অৰ্থাৎ কোনো এটা ভাষাৰ ৰূপ আৰু সিহঁতে লগ লাগি কিদৰে শব্দ গঠন কৰে তাৰ অধ্যয়নেই হৈছে ৰূপতত্ত্ব।

বিশ্বৰ বিভিন্ন ভাষাতাত্ত্বিকে ৰূপতত্ত্ব সম্পৰ্কে নানান সংজ্ঞা আগবঢ়াইছে। প্ৰসিদ্ধ ভাষাবিদ ই. এ. নিডাৰ মতে, "Morphology is the study of morphemes and their arrangement in forming words"[৩] ৰূপতত্ত্ব হৈছে ৰূপ আৰু শব্দ-গঠনৰ ক্ষেত্ৰত সিহঁতৰ সংযোগৰ আলোচনা। আন এগৰাকী প্ৰসিদ্ধ ভাষাবিদ চি. এফ. হকেটৰ মতে "Morphology includs the stock of segmental morphemes, and the ways in which words are built out of them"[৪] (ৰূপৰ বিভিন্ন ভাগ আৰু ইয়াৰ ওপৰত ভিত্তি কৰি গঠন হোৱা সকলোবোৰ শব্দকেই ৰূপতত্ত্বই সামৰি লয়।) লিওনাৰ্ড ব্লুমফিল্ডৰ মতে "By the morphology of a language, we mean the constructions in which bound forms appear among the constituents. By definition resultant the forms are either bound forms or words never phrases. Accordingly we may say that morphology includes the construction of words or

১. Encyclopaedia Britannica Vol. - 8 15th Edition Chicago : The University of Chicago. 1992 PP-334-335
২. A.P. Cowie (Ed.) ঃ Oxford advance learner's dictionary, P - 806
৩. Eugen. A. NIDA ঃ Morphology, An Arbor, P - 6
৪. Charles. F. Hocket ঃ A course in Modern Linguistics, P - 177

part of words."[৫] (এটা ভাষাৰ ৰূপতত্ত্বই এনে গঠন প্ৰক্ৰিয়া বুজায় য'ত বদ্ধ ৰূপবোৰ ইয়াৰ আনুষংগিক অংগবোৰৰ ভিতৰত পৰে। ইয়াত ৰূপবোৰ হৈছে বদ্ধ ৰূপ অথবা শব্দ সমষ্টি; খণ্ডবাক্যবোৰক ইয়াৰ ভিতৰত ধৰিব নোৱাৰি। গতিকে আমি ক'ব পাৰোঁ যে ৰূপতত্ত্বই কোনো শব্দৰ গঠন অথবা শব্দৰ অংগবোৰক সামৰি লয়।)

আনহাতে লৌৰি ব'ৰৰ মতে "Morphology as a sub-branch of linguistics deals with the internal structure of word forms."[৬] অৰ্থাৎ ৰূপতত্ত্বই ভাষাবিজ্ঞানৰ এটা শাখা হিচাপে শব্দৰ অন্তৰ্নিহিত গঠনৰ কাম কৰে। এণ্ড্ৰিউ ৰেডফোৰ্ড, মাৰ্টিন এটকিনচ, ডেভিড ব্ৰিটেইন, হাৰাল্ড ক্লাচেন, এণ্ড্ৰিউ স্পেন্সাৰ আদিৰ মতে morphology হৈছে, "The field of linguistics which examines the internal structure of words and processes of word formation is known as morphology"[৭] ৰূপতত্ত্ব হৈছে ভাষাবিজ্ঞানৰ সেইটো শাখা যি শব্দৰ আন্তঃগঠন আৰু শব্দগঠনৰ প্ৰক্ৰিয়াটোৰ পৰীক্ষা কৰে। মুঠতে ভাষা এটাৰ ৰূপ, ৰূপৰ সংযোগ আৰু তেনে সংযোগৰ ফলত সৃষ্ট নতুন অৰ্থবাচক শব্দ বা পদ গঠনৰ পৰ্যালোচনাকেই সেই ভাষাটোৰ ৰূপতত্ত্ব বোলা হয়। ইয়াৰ ইংৰাজী প্ৰতিশব্দ morphology শব্দটোও সৃষ্টি হৈছে morph আৰু logy শব্দ দুটা লগ হৈ। ইয়াৰে morph মানে হৈছে form অৰ্থাৎ ৰূপ আৰু logy মানে হৈছে the study of form অৰ্থাৎ ৰূপৰ অধ্যয়ন। গতিকে ভাষাবিজ্ঞানত ই ভাষা অধ্যয়নৰ সেইটো দিশৰ লগত জড়িত, য'ত ৰূপবোৰ কি আৰু কিদৰে ইহঁতে শব্দ গঠন কৰে তাৰ আলোচনা কৰা হয়।

## ২.০২ ৰূপৰ ধাৰণা, ইয়াৰ সংজ্ঞা, বৈশিষ্ট্য আৰু চৰ্ত ঃ

ধ্বনিতত্ত্বৰ মূল আধাৰ যিদৰে ধ্বনি, ৰূপতত্ত্বৰ মূল আধাৰ হৈছে ৰূপ যাক ইংৰাজীত morpheme বোলা হয়। এই 'morpheme'ৰ অসমীয়া প্ৰতিশব্দ আকৌ দুটা - প্ৰাকৃতি আৰু ৰূপগ্ৰাম। ইংৰাজী 'morpheme' শব্দৰ মূল হৈছে 'morph'। ইয়াৰ অসমীয়া প্ৰতিশব্দও দুটা আকৃতি আৰু ৰূপ। সেইদৰে 'morpheme'ৰ অন্তৰ্গত আন এটা উপাদান হৈছে

---

৫. Leonard Bloomfield ঃ Language - P - 16
৬. Laurie, Bauer ঃ English Word Formation, P - 13
৭. Andrew Radford et. al. ঃ Linguistics - An Introduction, P - 162

allomorph, যাৰ অসমীয়া প্ৰতিশব্দও দুটা - উপাকৃতি আৰু সংৰূপ।[৮] বঙলা ভাষাত ৰূপক 'ৰূপিম' বা 'মূল ৰূপ' আৰু উপাকৃতিক 'উপৰূপ' বোলা হৈছে।[৯] morph আৰু morpheme শব্দ দুটাৰ মাজত থকা পাৰ্থক্য এনেধৰণৰ যে প্ৰত্যেকটো morph এ এটা নিৰ্দিষ্ট morpheme ক প্ৰতিনিধিত্ব কৰে, কিন্তু প্ৰত্যেকটো morpheme ৰে এটা morph নাথাকিবও পাৰে।[১০] উদাহৰণস্বৰূপে, বহুবচন বুজোৱা 'ৰাইজ' শব্দটোৰ এটাই ৰূপ সেইটো হৈছে ৰাইজ। কিন্তু ইয়াৰ প্ৰাকৃতি দুটা - /ৰাইজ/ আৰু /O/। অৰ্থাৎ, 'ৰাইজ' শব্দটোৰ প্ৰথম প্ৰাকৃতি 'ৰাইজ'ৰ ধ্বনিগত আকৃতি আছে, কিন্তু দ্বিতীয় প্ৰাকৃতিটোৰ কোনো ধ্বনিগত আকৃতি নাই; কিন্তু ইয়াৰ অৰ্থ আছে আৰু সেয়া হৈছে বহুবচন বুজোৱা অৰ্থ। সেয়ে ইয়াত শূন্য প্ৰাকৃতিটোক বহুবচনৰ প্ৰাকৃতি বোলা হয়। এনেদৰে, morph আৰু morpheme শব্দ দুটা বেলেগ বেলেগ হলেও সাধাৰণভাৱে দুয়োটাক বুজাবলৈ একেটা 'ৰূপ' শব্দকে ব্যৱহাৰ কৰা হয়।

ভাষাবিজ্ঞানৰ আলোচনাত 'ৰূপ' (morpheme) টো এটা সম্পূৰ্ণ নতুন নাম। কুৰি শতিকাৰ চল্লিশ-পঞ্চাশ বছৰৰ আগলৈকে 'শব্দ' (word) ই ৰূপতত্ত্বৰ মূল আধাৰ আছিল আৰু সেয়েহে এই সময়ত ৰচিত ব্যাকৰণবোৰ আছিল word-based Grammar। কিন্তু ভাষা এটাৰ ৰূপতাত্ত্বিক উপাদান বিশ্লেষণ কৰোঁতে এনে কিছুমান উপাদান পোৱা গ'ল যিবোৰক কোনোপধ্যেই শব্দৰ অন্তৰ্গত কৰিব নোৱাৰি। সেয়েহে সময়ৰ লগে লগে শব্দ আৰু শব্দৰ অন্তৰ্গত উপাদানবোৰ বুজাবলৈ ভাষাবিজ্ঞানী সকলে কুৰি শতিকাৰ মাজভাগত এটা নতুন শব্দৰ সূচনা কৰিলে আৰু সেয়াই হৈছে 'ৰূপ' (morpheme)। সেয়েহে 'ৰূপ' শব্দৰ ধাৰণা আধুনিক বৰ্ণনামূলক ভাষাবিজ্ঞানৰ অৱদান। অসমীয়া আৰু বঙলা ভাষা দুটাৰো পৰম্পৰাগত ব্যাকৰণবোৰত 'ৰূপ' শব্দৰ উল্লেখ পোৱা নাযায়। ভাষাবিজ্ঞানসন্মত ভাৱে ৰচিত ব্যাকৰণবোৰতহে এই 'ৰূপ' শব্দটোৰ উল্লেখ পোৱা যায়। আধুনিক ভাষাবিজ্ঞানীসকলৰ মতে ধ্বনিৰ ঠিক পৰবৰ্তী বৃহত্তৰ এককটি শব্দ নহয়, ৰূপ হে।[১১]

Oxford Advance Learner's Dictionary ৰ মতে ৰূপ হৈছে "Smallest meaningful unit into which a word can be divided."[১২] (ৰূপ হৈছে শব্দগঠনৰ

৮. লীলাৱতী শইকীয়া বৰা ঃ অসমীয়া ভাষাৰ ৰূপতত্ত্ব, পৃঃ ১
৯. ড° ৰামেশ্বৰ শ' ঃ সাধাৰণ ভাষাবিজ্ঞান ও বাংলা ভাষা, পৃঃ ৩৫৮, ৩৬৯
১০. Dr. R.L. Varshney ঃ "An Introductory Text book of Linguistic & Phonetics." P - 131
১১. ড° ৰামেশ্বৰ শ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ - ৩৫৮
১২. A.P. Cowie (E.d.) : প্ৰাগুক্ত গ্ৰন্থ, পৃঃ - ৮০৬

আটাইতকৈ ক্ষুদ্র অৰ্থবহ গোট)। 'ৰূপ' বা morpheme সম্পৰ্কে ভাষাবিদসকলেও বিভিন্ন সংজ্ঞা দাঙি ধৰিছে এনেদৰে -

প্ৰসিদ্ধ ভাষাবিদ ই. এ. নিডাৰ মতে - "Morphemes are the minimal meaningful units, which may constitute words or parts of words."[১৩] আন এগৰাকী ভাষাবিদ চি. এফ. হকেটৰ মতে "Morphemes are the smallest individually meaningful elements in the utterances of a language."[১৪] লিওনাৰ্ড ব্লুমফিল্ডৰ মতে, "A linguistic form, which bears no partial phonetic - semantic resemblance to any other form, is a simple form or morpheme."[১৫] ভাষাবিদ এইচ্. এ. গ্লিচন ৰ মতে, "Morphemes can be usually described as the smallest meaningful units in the structure of the language"[১৬] ভাষাবিদ লৌৰি ব'ৰৰ মতে, "The basic units of analysis recognized in morphology are morphemes"[১৭]

এই সকলোবোৰ সংজ্ঞাৰ আধাৰত ক'ব পাৰি যে ৰূপ হৈছে ধ্বনিৰে নিৰ্মিত আটাইতকৈ ক্ষুদ্ৰতম অৰ্থবহ গোট। ভাষাবিদ ডেভিড ক্ৰিষ্টেলে এই 'ৰূপ' সম্বন্ধে তিনিটা প্ৰধান বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে। সেই কেইটা হ'ল -

ক) ৰূপবোৰৰ ধ্বনিগত আকাৰ (physical shap) আছে বাবে ইহঁত আৱয়বিক গোট (physical unit)

খ) ৰূপবোৰ সদায়েই অৰ্থবহ (meaningful).

গ) বিশাল ব্যাকৰণগত গোট (larger grammatical units) গঠনৰ ক্ষেত্ৰত ৰূপবোৰৰ বাক্য বিন্যাসগত ভূমিকা (syntatic rule) আছে।[১৮]

এই বৈশিষ্ট্যবোৰ ৰূপৰ মাজত কিদৰে প্ৰকাশ পাইছে তাক এইদৰে চাব পাৰি। উদাহৰণস্বৰূপে - 'আমি ভাত খাওঁ আৰু 'সে দুধ খায় - এই দুটা যথাক্ৰমে অসমীয়া আৰু

---

১৩. E.A. NIDA : প্ৰাগুক্ত গ্ৰন্থ, পৃঃ - ৬
১৪. C.F. Hocket : প্ৰাগুক্ত গ্ৰন্থ, পৃঃ - ১২৩
১৫. Leonard Bloomfield : প্ৰাগুক্ত গ্ৰন্থ, পৃঃ - ১৬১
১৬. H.A. Gleason : An Introduction to descriptive Linguistics, P - 51
১৭. Laurie Bauer : English Word Formation, P - 13
১৮. লীলাৱতী শইকীয়া বৰা ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ - ২

বঙলা ভাষাৰ বাক্য। বাক্যদুটাত 'আমি', 'ভাত', 'সে', 'দুধ' - একোটা বিশেষ আকাৰবিশিষ্ট ক্ষুদ্ৰতম আৰু বাক্যবিন্যাসগতভাবে সংগতিপূৰ্ণ গোট। অৰ্থ একেই ৰাখি ইহঁতক আৰু ক্ষুদ্ৰতম ভাগত ভগাব নোৱাৰি। গতিকে, 'আমি', 'ভাত', 'সে', 'দুধ' - একোটা আকাৰবিশিষ্ট আৱয়বিক গোট বা ৰূপ। কিন্তু 'খাওঁ' আৰু 'খায়' - এই গোট দুটাত দুটাকৈ ৰূপ সোমাই আছেঃ $\sqrt{}$ খা আৰু - ওঁ, $\sqrt{}$ খা আৰু -ই'। খাওঁ আৰু খায় - গোট দুটাৰ পৰা 'ওঁ' আৰু 'ই' আঁতৰাই আনিলে স্পষ্ট অৰ্থযুক্ত 'খা' ৰূপটো পোৱা যাব আৰু এইটোৱেই ধাতু (root)। কিন্তু ইয়াত যোগ হোৱা - 'ওঁ' আৰু 'ই' দুটাই ক্ৰমে বৰ্তমান কালৰ উত্তম আৰু প্ৰথম পুৰুষৰ সৰ্বনাম 'আমি' আৰু 'সে'ৰ লগত সম্পৰ্ক স্থাপন কৰিছে। গতিকে ৰূপ হৈছে এটা বা একাধিক বৰ্ণৰে গঠিত ক্ষুদ্ৰতম অৰ্থবহ গোট, যিয়ে ব্যাকৰণগত গোট গঠনত বাক্যবিন্যাসগত ভূমিকাও পালন কৰে।

ৰূপৰ এনে বৈশিষ্ট্যৰ আধাৰতে ইয়াৰ কেতবোৰ চৰ্ত্তও উল্লেখ কৰিব পাৰি, যিবোৰ পূৰণ কৰিব পাৰিলেহে কোনো বৰ্ণ বা বৰ্ণসমষ্টিয়ে ৰূপৰ মৰ্যাদা পাব; সেইবোৰ হ'ল -

i) ৰূপ এটা বা একাধিক বৰ্ণৰদ্বাৰা গঠিত ভাষাৰ ক্ষুদ্ৰতম গোট হ'ব লাগিব।

ii) ভাষাৰ সেই ক্ষুদ্ৰতম গোটটোৰ নিজা অৰ্থ থাকিব লাগিব।

iii) ৰূপৰ মৰ্যাদা লাভ কৰা সেই গোটটোৰ অংশবিশেষৰ সৈতে অন্য গোটৰ ধ্বনিগত আৰু অৰ্থগত সাদৃশ্য থাকিব নালাগিব।

iv) ৰূপবোৰ ভাষাত বাৰে বাৰে ব্যৱহৃত গোট হ'ব লাগিব।

এই চৰ্তকেইটা একেলগে পূৰণ কৰিলেহে কোনো ধ্বনি বা ধ্বনি সমষ্টিয়ে 'ৰূপ' হিচাপে মৰ্যাদা লাভ কৰিব। উদাহৰণস্বৰূপে, অসমীয়া ভাষাৰ 'কৰোঁ' আৰু বঙলা ভাষাৰ 'শোনো' গোট দুটা বিশ্লেষণ কৰিলে পোৱা যাব।

কৰোঁ ঃ $\sqrt{}$ কৰ - ওঁ

শোনো ঃ $\sqrt{}$ শুন - ও

ইয়াৰ $\sqrt{}$ কৰ্ আৰু $\sqrt{}$ শুন্ দুয়োটাই যথাক্ৰমে অসমীয়া আৰু বঙলা ভাষাৰ একো একোটা ধাতু আৰু দুটাকৈ বৰ্ণৰদ্বাৰা গঠিত ক্ষুদ্ৰতম গোট, ইয়াৰ নিজা অৰ্থ আছে, এই গোট দুটাৰ কোনো অংশবিশেষৰ সৈতে অন্য গোটৰ ধ্বনিগত অৰ্থগত সাদৃশ্য নাই আৰু দুয়োটাই ক্ৰমে অসমীয়া আৰু বঙলা ভাষাত বাৰে বাৰে ব্যৱহৃত হয়। গতিকে ইহঁত দুয়োটাই ভাষাৰ

ৰূপ। সেইদৰে , 'ওঁ', আৰু 'ও' ৰ ক্ষেত্ৰতো এই চাৰিটা চৰ্ত্ত প্ৰযোজ্য। দুয়ো যথাক্ৰমে অসমীয়া আৰু বঙলা ভাষাৰ এটা বৰ্ণৰ দ্বাৰা গঠিত দুটা ক্ষুদ্ৰতম গোট। দেখাত ইহঁতৰ অৰ্থ স্পষ্ট নহয় যদিও 'ওঁ' ই অসমীয়া ভাষাত উত্তম পুৰুষৰ ক্ৰিয়াপদ আৰু একেদৰে 'ও' ই বঙলা ভাষাত উত্তম পুৰুষৰ ক্ৰিয়াপদ নিৰ্দ্দেশ কৰিছে। দুয়োটা গোটৰেই কোনো অংশৰ সৈতে অন্য গোটৰ ধ্বনিগত অৰ্থগত সাদৃশ্য নাই আৰু দুয়োটা গোটেই ভাষাদুটাত বাৰে বাৰে ব্যৱহৃত হয়।

## ২.০৩ ৰূপৰ শ্ৰেণীবিভাগ ঃ

আধুনিক ভাষাবিজ্ঞানী সকলে ৰূপবোৰক বিভিন্ন দৃষ্টিভংগীৰ ফালৰ পৰা বিভিন্ন ধৰণে শ্ৰেণীবিভাগ কৰিছে। প্ৰসিদ্ধ ভাষাবিদ ই.এ. নিডাই প্ৰয়োগৰ দিশলৈ লক্ষ্য ৰাখি ৰূপবোৰক দহটা ভাগত ভগাইছে।[১৯] আনহাতে, প্ৰয়োগৰ প্ৰকৃতি অনুসৰি ৰূপবোৰৰ আন তিনিটা ভাগ পোৱা যায় ঃ শূন্য ৰূপ (zero morpheme), ব্যাহত ৰূপ (discontinuous morpheme) আৰু অব্যাহত ৰূপ (continuous morpheme)। সেইদৰে গাঁথনিক সম্পৰ্কৰ ভিত্তিতো ৰূপবোৰক তিনিটা ভাগত ভগোৱা হয় ঃ যোগাত্মক (additive), সলনিকৰণ (replacive) আৰু বিয়োগাত্মক (substractive)। অৱশ্যে ৰূপৰ এনে বিভাজন সকলোবোৰ ভাষাৰ ক্ষেত্ৰতে প্ৰযোজ্য নহয়। উদাহৰণস্বৰূপে - theive, Save আদি শব্দৰ 've' টো replacive morpheme, যিটো 'f' ৰ সলনি বহিছে। একেদৰে ফৰাচী ভাষাত 'ভাল' অৰ্থ বুজোৱা স্ত্ৰীলিঙ্গবাচক 'bonne' ৰূপটোৰপৰা 'ne' আঁতৰাই আনিলে পুংলিঙ্গবাচক 'bon' ৰূপটো পোৱা যায় আৰু সেয়েহে ফৰাচী ভাষাৰ 'ne' হৈছে বিয়োগাত্মক ৰূপ। এনে ৰূপ অসমীয়া ভাষাত পাবলৈ নাই। প্ৰকৃততে উল্লিখিত শ্ৰেণী বিভাজনবোৰৰ ভিতৰত মুক্ত আৰু বদ্ধ ৰূপৰ বিভাজনেই বেছি সৰলতৰ আৰু মুখ্য বিভাজন বুলিব পাৰি।[২০]

### ২.০৩.১ মুক্ত ৰূপ আৰু বদ্ধ ৰূপ (free morpheme and bound morpheme) ঃ

মুক্ত ৰূপ আৰু বদ্ধ ৰূপ হৈছে ইংৰাজী free morpheme আৰু bound morpheme ৰ অসমীয়া প্ৰতিশব্দ। বঙলাত কোৱা হয় ক্ৰমে 'মুক্ত ৰূপিম' আৰু 'বদ্ধ ৰূপিম'[২১] ভাষাবিদ

---

১৯. ই. এ. নিডা ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৮১; দহোটা ভাগ হৈছে - (i) Bound vs free morpheme (ii) Roots vs Non-roots (iii) Roots vs stems (iv) Nuclei vs Non-nuclei (v) Nuclei vs peripheral (vi) Same order vs different orders (vii) Mutually exclusive (viii) Muntually obligatory (ix) Obligatory vs Non-obligatory (x) Closing vs Non-closing.

২০. লীলাৱতী শইকীয়া বৰা ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৩

২১. ড° ৰামেশ্বৰ শ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ - ৩৭২

লৌৰি ব'ৰৰ মতে মুক্ত ৰূপ হৈছে - "A morph which can occur in isolation is termed as free morph"[২২] অৰ্থাৎ অকলে ব্যৱহাৰ হ'ব পৰা ৰূপটোৱেই মুক্ত ৰূপ আৰু বদ্ধ ৰূপ হৈছে - "A morph which can only occur in a word form in conjunction which atleast with other morph is termed a bound morph"[২৩] অৰ্থাৎ কোনো মুক্ত ৰূপৰ লগ লাগি অৰ্থ প্ৰকাশ কৰা ৰূপেই বদ্ধ ৰূপ। উদাহৰণস্বৰূপে ইংৰাজী ভাষাৰ 'blenders' শব্দটোৰ 'blend' ৰূপটো হৈছে মুক্ত ৰূপ (free morpheme); কাৰণ ই অকলশৰীয়াকৈ ব্যৱহাৰ হৈ অৰ্থ প্ৰকাশ কৰিব পাৰে। কিন্তু, ইয়াৰ লগত লগ লগা er আৰু s দুয়োটাই বদ্ধ ৰূপ (bound morpheme); কাৰণ ইহঁতে অইন কোনো মুক্ত ৰূপৰ লগ লাগিহে অৰ্থ প্ৰকাশ কৰিব পাৰে। একেদৰে অসমীয়া ভাষাৰ মানুহ, গছ, বন, চৰাই আদিবোৰ মুক্ত ৰূপ। কিয়নো এই ৰূপবোৰ গাইগুটীয়াকৈ ব্যৱহাৰ হ'ব পাৰে। ইহঁতৰ অকলেই অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতা আছে। এই মুক্ত ৰূপবোৰ সদায় বাক্যত স্বতন্ত্ৰভাৱেই ব্যৱহাৰ হ'ব পাৰে। যেনে - সি ভাল ল'ৰা, ক্ৰিয়াপদ উহ্য থকা এই বাক্যটোত প্ৰতিটো ৰূপেই অকলেই একোটা বিশেষ অৰ্থ প্ৰকাশ কৰি স্বাধীন ভাবে ব্যৱহৃত হৈছে। সেইদৰে 'শেফালী ভাল মেয়ে' - ইয়াৰ শেফালী, ভাল, মেয়ে - এই কেউটা ৰূপেই মুক্ত ৰূপ। আনহাতে অসমীয়া ভাষাত -বোৰ, -ডাল, - এ, - অনি, - বে আদি ৰূপবোৰ হৈছে বদ্ধ ৰূপ। কিয়নো এই ৰূপবোৰ কেতিয়াও গাইগুটীয়াকৈ ব্যৱহাৰ হ'ব নোৱাৰে আৰু অকলে অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতাও ইহঁতৰ নাই। অসমীয়াত সাধাৰণতে বিভিন্ন মুক্ত ৰূপৰ আগত বা পাছত লগ লাগিলেহে ইহঁতে অৰ্থ প্ৰকাশৰ ক্ষমতা লাভ কৰে; যেনে ঃ মানুহবোৰ, গছডাল, মানুহে, বননি, বেদখল ইত্যাদি। সেইদৰে বঙলা ভাষাত 'সুপক্ক আমেৰ ৰস' - বাক্যৰ 'সুপক্ক'ৰ 'সু' আৰু 'আমেৰ' শব্দৰ '-এৰ' হৈছে বদ্ধ ৰূপ।

### ২.০৩.২ উপাকৃতি বা সংৰূপ ঃ (allomorph)

ভাষাৰ ৰূপতাত্ত্বিক বিশ্লেষণৰ ক্ষেত্ৰত উপাকৃতি বা সংৰূপৰো বিশেষ গুৰুত্ব আছে। ধ্বনিবিজ্ঞানৰ ক্ষেত্ৰত থকা উপধ্বনি (allophone) ৰ সদৃশ অৰ্থতে ৰূপতত্ত্বতো সংৰূপ বা উপাকৃতি শব্দৰ ব্যৱহাৰ হয়।

উপাকৃতিৰ সংজ্ঞা আৰু ইয়াৰ পৰিৱেশ সম্পৰ্কেও ভাষাবিদসকলে নানান সূত্ৰ

২২. Laurie Bauer ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ - ১৭
২৩। প্ৰাগুক্ত গ্ৰন্থ

আগবঢ়াইছে। প্ৰসিদ্ধ ভাষাবিদ এইচ্. এ. গ্লিছনৰ মতে "An allomorph is a variant of a morpheme which occurs in certain definable environment"।[২৪] গ্লিচনে উপাকৃতিৰ ক্ষেত্ৰত দুটা চৰ্তৰ কথাও কৈছে; "Two elements can be considered as allomorphs of the same morpheme if (i) They have a common meaning (ii) They are in complementory distribution and they occur in parallel formations"[২৫] ভাষাবিদ লৌৰি ব'ৰে উপাকৃতিৰ সংজ্ঞা এনেদৰে দিছে - "An allomorph is a phonetically, lexically or grammatically conditioned member of a set of morphemes representing a particular morpheme."[২৬] ইয়াৰ পৰা দেখা যায় যে উপাকৃতি বা সংৰূপ হৈছে কোনো ৰূপৰ পৰিবেশজনিত অৱস্থা। উদাহৰণস্বৰূপে, ইংৰাজী ভাষাৰ বহুবচন বুজোৰা শব্দ cups, toys আৰু glasses ক খণ্ডিত কৰিলে যথাক্ৰমে বহুবচন বুজোৰা তিনিটা ৰূপ এইদৰে পোৱা যাব -

cup-s = cups [-s]

toy - s = toys [-z]

glass-es = glasses [-iz]

ইংৰাজী ভাষাৰ বহুবচন বুজোৰা এই ৰূপ তিনিটাৰ প্ৰতিটোৰেই অৰ্থপূৰ্ণ, কিন্তু ইহঁতৰ মাজত ধ্বনিগত মিল নাই আৰু একে পৰিবেশত ইহঁতৰ এটাৰ পৰিবৰ্তে আনটো ব্যৱহাৰ হ'ব নোৱাৰে। সেয়েহে ইহঁত তিনিওটাৰ সামূহিক গোট বা প্ৰাকৃতি হৈছে এটা ঃ {s} আৰু ইয়াৰ সংৰূপ বা উপাকৃতিবোৰ হৈছে - [-s], [-z] আৰু [-iz]। একেদৰে অসমীয়া ভাষাত সংৰূপ বা উপাকৃতি গঠনৰ এক উৎকৃষ্ট উদাহৰণ হৈছে - নঞৰ্থক ক্ৰিয়াপদৰ গঠন। অসমীয়াত এনে ক্ৰিয়াপদ গঠন কৰিবলৈ হ'লে ক্ৰিয়াপদৰ আগত এটা নঞৰ্থক বদ্ধৰূপ যোগ কৰা হয়। যেনে ঃ

ন - কৰ্ - এ = নকৰে

ন - খা - এ = নাখায়

ন - লিখ্ - এ = নিলিখে

---

২৪। H.A. Gleason ঃ An Introduction to descriptive Linguistics, P - 61

২৫। প্ৰাগুক্ত গ্ৰন্থ

২৬। Laurie Bauer ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ - ৮৮

ন - খেল্ - এ = নেখেলে

ন - শুন - এ = নশুনে

ন - শো - এ = নোশোৱে

নঞৰ্থক বুজাবৰ বাবে ওপৰত [ন -, না-, নি-, নে-, নু-, নো-] এই ছয়টা ভিন্ন বদ্ধৰূপৰ প্ৰয়োগ কৰা হৈছে আৰু অৰ্থগত ভাৱে ইহঁতৰ কেৱল এটাই কাম আৰু সেয়া হৈছে - নঞৰ্থক ৰূপৰ সৃষ্টি। সেয়েহে [ন -, না-, নি-, নে-, নু-, নো-] প্ৰত্যেকেই 'ন-' নেতিবাচক ৰূপটোৰ সংৰূপ বা উপাকৃতি। একেদৰে অসমীয়া ভাষাত বহুবচন বুজোৰা বদ্ধৰূপৰো কিছুমান উপাকৃতি এইদৰে দেখুৱাব পাৰি; যেনে - {-বোৰ} ঃ[-বোৰ], [-বিলাক], [-সকল], [-লোক], [-সমূহ], [-জাক], [-হঁত], [-মখা] ইত্যাদি।

বঙলা ভাষাতো এনে উপাকৃতিৰ প্ৰয়োগ পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে বঙলা ভাষাত স্ত্ৰী লিংগ বুজোৰা বদ্ধৰূপৰ দুটামান উপাকৃতি এনে ধৰণৰ -

কোকিল - আ = কোকিলা

ময়ূর - ঈ = ময়ূরী

রুদ্র - আণী = রুদ্রাণী


ইয়াৰ -আ, -ঈ আৰু -আণী এই তিনিটা বদ্ধ ৰূপৰ মাজত ধ্বনিগত সাদৃশ্য নাই কিন্তু অৰ্থগতভাবে ইহঁতৰ কেৱল এটাই কাম আৰু সেয়া হৈছে - স্ত্ৰীলিংগবাচক ৰূপৰ সৃষ্টি। সেয়েহে ইহঁত প্ৰত্যেকেই একেটা স্ত্ৰীলিংগ বুজোৰা বদ্ধৰূপৰ বিভিন্ন উপাকৃতি।

## ২.০৪ ৰূপতত্ত্বৰ আলোচ্য বিষয়ৰ বিভাজন ঃ


ভাষা এটাৰ ক্ষেত্ৰত ৰূপতত্ত্বৰ দিশটো অত্যন্ত গুৰুত্বপূৰ্ণ। ইয়াৰ পৰিসৰো অতি ব্যাপক। কিয়নো ৰূপৰ আধাৰতেই ভাষাবিজ্ঞানৰ সৌধ নিৰ্মিত হয়। সেয়ে ভাষাবিজ্ঞানৰ অংগবোৰৰ ভিতৰত ৰূপতত্ত্বৰ কলেবৰেই সকলোতকৈ ডাঙৰ। ৰূপতত্ত্বৰ আলোচ্য বিষয়ক দুটা প্ৰধান ভাগত ভগাব পাৰি - পদ সাধন (inflectional) আৰু শব্দ-গঠন (word-formation)[২৭]। শব্দ গঠনৰ আকৌ দুটা ভাগ - বুৎপত্তি মূলক বা শব্দ-সাধন মূলক (derivation) আৰু সমাস বা সংযুক্ত শব্দ (compounding)। শব্দ সাধন মূলকৰ ভাগ দুটা হ'ল - শ্ৰেণী সংৰক্ষক শব্দ সাধন (class maintaining derivation) আৰু শ্ৰেণী পৰিৱৰ্ত্তন কৰা শব্দ সাধন

২৭। Laurie Bauer ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ - ৩৪

(class changing derivation) সেইদৰে সমাসৰ তিনিটা ভাগ হ'ল - সমাসবদ্ধ বা সংযুক্ত বিশেষ্য (compound Nouns) সমাসবদ্ধ বা সংযুক্ত ক্রিয়া পদ (compound verbs) আৰু সমাসবদ্ধ বা সংযুক্ত বিশেষণ (compound adjectives)। ৰূপতত্ত্বৰ এই আলোচ্য বিষয়ক ৰেখা চিত্ৰৰ সহায়ত এনেদৰে দেখৰাব পাৰি -




ইয়াৰ ভিত্তিত অসমীয়া আৰু বঙলা ভাষাৰ ৰূপতত্ত্বৰ অন্তৰ্গত আলোচ্য বিষয় সমূহকো বিভাজন কৰি দেখুৱাব পাৰি। সেই অনুসৰি দুয়োটা ভাষাৰেই ৰূপতত্ত্বক প্ৰধানতঃ দুটা ভাগত ভগাব পাৰি - শব্দ গঠন (word formation) আৰু পদ সাধন (inflection)। শব্দ গঠন আকৌ দুই প্ৰকাৰৰ - বুৎপত্তিমূলক বা প্ৰত্যয়ৰ যোগত শব্দ গঠন (derivation) আৰু একাধিক শব্দৰ সংযোগত বা সমাস বা সংযুক্ত শব্দৰ যোগত নতুন শব্দৰ গঠন (compounding)। ৰেখাচিত্ৰৰ সহায়ত দুয়োটা ভাষাৰেই ৰূপতত্ত্বৰ আলোচনাৰ পদ্ধতিগত বিভাজনক এনেদৰে দেখুৱাব পাৰি -




এনেদৰে চালে দেখা যায় যে, অসমীয়া আৰু বঙলা ভাষা দুয়োটাৰে ৰূপতত্ত্বত শব্দ গঠন আৰু পদ সাধন সম্পৰ্কীয় সকলোবোৰ বিষয় সামৰি লোৱা হয়। মুঠতে ভাষা এটাৰ ৰূপতত্ত্বত ৰূপ বা প্ৰাকৃতিৰ লগত প্ৰত্যয় আদি যোগ কৰি নতুন শব্দ গঠনৰ প্ৰক্ৰিয়া, নামশব্দ, ধাতু আদিৰ সৈতে হোৱা প্ৰত্যয় বিভক্তি আদি, শব্দৰ বিভিন্ন ৰূপ, বচন, লিংগ, পুৰুষ আদিৰ বিষয়ে আলোচনা কৰা হয়। অসমীয়া আৰু বঙলা দুয়োটা ভাষাতেই ইয়াৰ আলোচ্য বিষয়সমূহ আৰু আলোচনাৰ পদ্ধতি প্ৰায় একেই, মাত্ৰ সেইবোৰ বুজোৱা শব্দবোৰহে ভাষাদুটাত সামান্য বেলেগ বেলেগ। যিহেতু আমাৰ অধ্যয়নৰ বিষয় ৰূপতত্ত্বৰ অন্তৰ্গত এটা বিশেষ বিষয় শব্দ-গঠনহে, সেয়েহে পিছৰ অধ্যায়বোৰত শব্দ-গঠন সম্পৰ্কেহে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

# তৃতীয় অধ্যায়

## ৩. শব্দ-গঠন আৰু অসমীয়া - বঙলা ভাষাৰ শব্দ-গঠন প্ৰক্ৰিয়া

৩.০১ ভাষা এটাৰ ৰূপতত্ত্বৰ অন্তৰ্গত এটি উল্লেখযোগ্য আৰু গুৰুত্বপূৰ্ণ দিশ হৈছে ভাষাটোৰ শব্দ-গঠন। ইংৰাজী "word formation" শব্দৰ ই অসমীয়া প্ৰতিশব্দ। শব্দগঠনৰদ্বাৰা নতুন নতুন শব্দ সাধন কৰা বা গঠন কৰা কাৰ্যক বুজোৱা হয়। দৰাচলতে, পৃথিৱীৰ প্ৰায়বোৰ যোগাত্মক ভাষাতেই এটা মূল ৰূপৰ পৰা বিভিন্ন প্ৰক্ৰিয়াৰে নতুন নতুন ৰূপ সৃষ্টি কৰা দেখা যায়। এই নতুন নতুন ৰূপ বা শব্দৰ সাধন বা গঠন প্ৰক্ৰিয়াকেই শব্দ-গঠন প্ৰক্ৰিয়া বোলা হয়।[১] ভাষাবিদ লৌৰি ব'ৰ ৰ মতে, "Word formation deals with formation of new lexems"[২]

### ৩.০১.১ শব্দ-গঠন অধ্যয়নৰ ইতিহাস ঃ

ভাষাৰ এই শব্দ-গঠন সম্পৰ্কীয় অধ্যয়নৰ ইতিহাস বিচাৰি চালে দেখা যায় যে শব্দ-গঠনৰ অধ্যয়ন সম্পৰ্কে কোনো এক নিৰ্দ্দিষ্ট সূত্ৰ ভাষাবিদসকলে সৰ্বসন্মত সিদ্ধান্তৰে দাঙি ধৰিব পৰা নাই। ভাষাৰ এই শব্দ-গঠন অধ্যয়নৰ ইতিহাস ভাষাবিজ্ঞানৰ অধ্যয়নৰ লগে লগেই আৰম্ভ হয়। এই ক্ষেত্ৰত বিশ্বৰ ভাষাবিদসকলে একেমুখে স্বীকাৰ কৰে যে অতীতৰপৰা বৰ্তমানলৈকে শব্দ-গঠনৰ বিষয়ে বিশুদ্ধ আলোচনাৰ সৰ্বপ্ৰথম সূচনা হয় ভাৰতবৰ্ষত মহৰ্ষি পাণিনিৰ হাতত। পাণিনিৰ 'অষ্টাধ্যায়ী' ব্যাকৰণেই এই ক্ষেত্ৰত প্ৰথমে আলোচনাৰ দুৱাৰ মুকলি কৰে। দৰাচলতে সোতৰ শতিকা মানৰ পৰা বৰ্তমানলৈকে ভাষাৰ শব্দ-গঠনৰ বিষয়ে যিমানখিনি আলোচনা হৈছে, সি পাণিনিৰ এই বিষয়ক আলোচনাৰ উৰ্দ্ধত নহয়। বিশেষকৈ বিংশ শতিকাত শব্দ গঠন সম্পৰ্কে বিভিন্ন ভাষাবিদে বিভিন্ন ধৰণে আলোচনা আগবঢ়াইছে; কিন্তু কোনোৱেই ঐক্যমতত উপনীত হ'ব পৰা নাই। ১৯১৬ চনত চুইজাৰলেণ্ডীয় ভাষাবিদ ফাৰ্ডিনাণ্ড দ্যা চচ্যুৰৰ 'Course in general Linguistics' গ্ৰন্থই ভাষাৰ অধ্যয়নত এক বৈপ্লৱিক পৰিবৰ্তনৰ সূচনা কৰে। চচ্যুৰে ভাষাক এককালিক (synchronic) আৰু কালক্ৰমিক (diachronic) - এই দুটা ভাগত বিভক্ত কৰি ভাষা অধ্যয়নৰ নতুন দিশ উন্মোচন কৰে।[৩]

---

১। ড° লীলাৱতী শইকীয়া বৰা ঃ অসমীয়া ভাষাৰ ৰূপতত্ত্ব, পৃঃ ২৯

২। Laurie, Bauer ঃ English Word Formation, P - 34

৩। ড° নগেন ঠাকুৰ আৰু ড° খগেশ সেন ডেকা (সম্পাদনা) ঃ ভাষাচিন্তা বিচিত্ৰা, পৃ. - ২৯

কিন্তু জেচ্‌পাৰচন (১৯৪২) আদি ভাষাবিদে এককালিক আৰু কালক্ৰমিক দুয়োটাকে একেলগ কৰি ভাষাৰ শব্দগঠনৰ আলোচনা আগবঢ়ায়।[৪] আনহাতে, ব্লুমফিল্ডে (১৯৩৫) ভাষাৰ এককালিক দিশৰ ওপৰত আৰু কইজ'লে (১৯৩৭) ভাষাৰ কালক্ৰমিক দিশৰ ওপৰত গুৰুত্ব দি শব্দ-গঠনৰ আলোচনা আগবঢ়ায়। আচলতে ভাষাৰ শব্দ-গঠনৰ বিষয়ে নতুন চিন্তা-চৰ্চা আৰম্ভ হয় নোৱাম চমস্কিৰ সময়ৰপৰা। ১৯৫৭ চনত নোৱাম চমস্কিৰ 'Syntactic Structures' প্ৰকাশ হোৱাৰ লগে লগে ভাষা অধ্যয়নৰ ক্ষেত্ৰত এক নতুন দিশ মুকলি হয়। তাৰ আগতে ১৯৪০-৫০ চনৰ ভিতৰত আমেৰিকান গঠনবাদীসকলে (structuralists) ধ্বনিতত্ত্ব (phonology) আৰু ৰূপতত্ত্ব (morphology) কে ভাষা অধ্যয়নৰ মূল বিষয়ৰূপে গ্ৰহণ কৰি ভাষাৰ আলোচনাত প্ৰবৃত্ত হৈছিল আৰু চমস্কিয়ে এই সময়তে তেওঁৰ 'Syntactics' গ্ৰন্থত বাক্য তত্ত্বক (syntax) মূল আধাৰ স্বৰূপে লৈ ভাষা-অধ্যয়নত গুৰুত্ব দিছিল। ভাষা অধ্যয়নৰ এই প্ৰক্ৰিয়াই পূৰ্বৰ বৰ্ণনামূলক ভাষাবিজ্ঞানৰ ওপৰত প্ৰচণ্ড আঘাত হানে। আনহাতে আমেৰিকান গঠনবাদী সকলে (structuralists) ভাষাৰ শব্দ-গঠনৰ ওপৰত বিশেষ গুৰুত্ব দিয়া নাছিল; কিয়নো তেওঁলোকৰ মূল লক্ষ্য আছিল শব্দতকৈ সৰু গোট বা একক (morpheme)ৰ বিষয়ে আলোচনা কৰা। সেইদৰে ৰূপান্তৰ স্ফোট উৎপাদকমূলক ব্যাকৰণ (Transformational Generative Grammar) তো শব্দ-গঠনৰ ওপৰত বিশেষ মনোযোগ দিয়া হোৱা নাছিল, কিয়নো ইয়াত শব্দতকৈ ডাঙৰ গোট যেনে খণ্ডবাক্যৰ গঠন বা বাক্যৰ গঠনৰ ওপৰতহে গুৰুত্ব দিয়া হৈছিল। চমস্কিৰ মতে বাক্য শব্দৰদ্বাৰা গঠিত নহৈ ৰূপৰদ্বাৰাহে গঠিত হয় আৰু শব্দই বাক্য গঠনত কোনো ভূমিকা নলয়[৫] (১৯৬০)। লিজ নামৰ ভাষাবিদ গৰাকীয়ে ৰূপান্তৰ স্ফোট উৎপাদকমূলক ব্যাকৰণ (Transformational Generative Grammar)ৰ বিষয়ে কাম কৰোতে শব্দ-গঠনৰ ওপৰত আলোকপাত কৰি মন্তব্য কৰিছে যে শব্দবোৰ কোনো বেলেগ ধৰণৰ গোট নহয়, বৰং ই বিশেষ ধৰণে গঠন কৰিব পৰা বাক্যৰ উপাদান (embedded sentence) হে।[৬] এওঁ পাণিনি প্ৰমুখ্যে ব্যাকৰণবিদে শব্দ-গঠনৰ বিষয়ে কৰা সকলোবোৰ অধ্যয়নক বৈজ্ঞানিকভাবে বিশ্লেষণ কৰা পদ্ধতি (taxonomic) আখ্যা দিছে। অৱশ্যে ব্ৰীকলে (১৯৭০), কস্তোভস্কি (১৯৭৭) আদি ভাষাবিদসকলে লীজৰ মন্তব্যক সমালোচনা কৰি পাণিনিৰ

৪। Laurie, Bauer ঃ 'English Word Formation', P - 3

৫। Ibid

৬। Ibid, P - 4

আধাৰত শব্দ-গঠনৰ অধ্যয়নৰ ধাৰাকেই গ্ৰহণ কৰিছে।[৭] বৰ্তমান সময়তো ভালেমান ভাষাবিদে শব্দ-গঠনৰ বিষয়ে বেলেগ বেলেগ ধৰণে আলোচনা আগবঢ়াইছে। উদাহৰণস্বৰূপে হল্লে (১৯৭৩) শব্দ-গঠনক ধ্বনিতত্ত্বৰ দিশৰপৰা আলোচনা কৰিছে।[৮] জেকেন্‌ডেফ (১৯৭৫), ৰোপাৰ, চাইগেলে (১৯৭৮) শব্দ-গঠনক বাক্যতাত্ত্বিক (syntactic) দিশৰ পৰা আলোচনা কৰিছে আৰু লীচ (১৯৭৪) আৰু লিয়ন্‌চে (১৯৭৭) শব্দ-গঠনক অৰ্থতাত্ত্বিক (semantic) দিশৰ পৰা আলোচনা কৰিছে।[৯] ভাষাৰ শব্দ-গঠনৰ অধ্যয়নৰ ক্ষেত্ৰত ভাষাবিদসকল ঐক্যমতত উপনীত হ'ব পৰা নাই যদিও সাম্প্ৰতিক সময়ত শব্দ-গঠন প্ৰক্ৰিয়াৰ আলোচনাৰ প্ৰাসংগিকতা যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে আৰু গৱেষক সকলৰ বাবেও ই নতুন নতুন গৱেষণাৰ বাট মুকলি কৰিছে।

৩.০২ **মূল ৰূপ বা শব্দমূল ঃ**

নতুন নতুন শব্দ-গঠনৰ ক্ষেত্ৰত মূল ৰূপটোৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। মূল ৰূপ বুজাবলৈ ইংৰাজীত কেইবাটাও শব্দ আছে - root, stem, base আৰু redical।[১০] অৱশ্যে root, stem আৰু base - এই শব্দকেইটাৰ প্ৰয়োগৰ ক্ষেত্ৰত সামান্য পাৰ্থক্য পৰিলক্ষিত হয়। লৌৰি ব'ৰ ৰ 'English Word Formation' গ্ৰন্থখনিত এই তিনিটাৰ বিষয়ে এনেদৰে উল্লেখ আছে - "A root is a form which is not further analysable, either in terms of dervivation or inflectional morphology. It is that part of a word form that remains when all inflectional and dervational affixes have been removed."[১১] অৰ্থাৎ root বা মূল হৈছে এনে এটা ৰূপ যিটোক শব্দ-সাধন অথবা পদ সাধনৰ ক্ষেত্ৰত খণ্ড খণ্ডকৈ বিশ্লেষণ কৰিব নোৱাৰি। ই শব্দৰ এনে এক অংগ যিটো শব্দ-সাধন আৰু পদ সাধনৰ ৰূপবোৰ আঁতৰাই দিয়াৰ পাছত ৰৈ যায়। উদাহৰণস্বৰূপে, ইংৰাজী 'untouchables' শব্দটো ল'ব পাৰি-

Un — touch — able — s

ইয়াত শব্দ-সাধন আৰু পদ-সাধনৰ ৰূপ un, able আৰু s আঁতৰাই নিলে পোৱা ৰূপ

---

৭। Ibid, P - 5

৮। Ibid, PP - 5-6


৯। Ibid, P - 5

১০। ড° লীলাৱতী শইকীয়া বৰা ঃ অসমীয়া ভাষাৰ ৰূপতত্ত্ব, পৃ. - ২৯

১১। Laurie, Bauer ঃ 'English Word Formation', P - 20

'touch' হৈছে 'root'। আকৌ 'stem' সম্পৰ্কেও এই গ্ৰন্থখনিত এনেদৰে আছে - "A stem is of concern when dealing with inflectional morphology. It may be - but need not be - complex, either in that it contains derivational affixes or (as does govenment) or in that it contains more that one root (as does red-skin)" [১২] অৰ্থাৎ ৰূপতত্ত্বত পদ সাধনৰ লগত জড়িত হোৱাৰ ক্ষেত্ৰতহে stem ৰ গুৰুত্ব আছে। শব্দ- সাধনৰ ৰূপৰ লগত সংযোগ হৈ অথবা এটা বা ততোধিক root ৰ লগত লগ হৈ ই জটিল হ'ব পাৰে যদিও জটিল হোৱাৰ আৱশ্যক নাই। উদাহৰণস্বৰূপেঃ wheel + chair + s = wheel chairs; ইয়াত wheel chair হৈছে stem আৰু 's' পদ সাধনৰ ৰূপ আৰু wheel, chair হৈছে দুটা root. সেইদৰে, 'base' সম্পৰ্কে এই গ্ৰন্থখনিত এনেদৰে উল্লেখ আছে - "A base is any form to which affixes of any kind can be added. This means that any root or any stem can be termed as base, but the set of bases is not exhausted by the union of the set of roots and the set of stems." [১৩] অৰ্থাৎ base হৈছে এনে ৰূপ য'ত যিকোনোধৰণৰ root বা stem কেই base হিচাপে পাব পাৰি; কিন্তু সকলোধৰণৰ root ৰ সংহতি বা stem ৰ সংহতিয়ে base ৰ সংহতিৰ অৱস্থিতিক অস্বীকাৰ কৰিব নোৱাৰে। উল্লিখিত, 'untouch-able' শব্দটোৰ 'touchable' ক base হিচাপে পাব পাৰি, কিন্তু এই প্ৰক্ৰিয়াত touchable ক root হিচাপে ধৰিব নোৱাৰি। কাৰণ ইয়াক touch আৰু able ৰূপে বেলেগ বেলেগ ৰূপত ভগাব পাৰি। এইদৰে root, stem আৰু base ৰ সম্পৰ্ক ৰেখাচিত্ৰৰ সহায়ত untouchables শব্দটোৰ দ্বাৰা এনেদৰে ভাঙি দেখুৱাব পাৰি[১৪] -

১২। Ibid, P - 20
১৩। Ibid, P - 20
১৪। Ibid, P - 21





ইংৰাজী root, stem আৰু base ৰ মাজত এনেদৰে সামান্য পাৰ্থক্য দেখুৱাব পাৰি যদিও অসমীয়াত এই তিনিটাক একে বুলি ধৰি লৈ 'অসমীয়া ভাষাৰ ৰূপতত্ব'ত দেখুওৱাৰ দৰে তাৰ প্ৰতিশব্দ ৰূপে 'শব্দমূল' শব্দটোক লোৱা হৈছে। এই শব্দমূল সম্পৰ্কে ভাষাবিদ চি. এফ. হকেটে কৈছে - "When all inflectional affixes are striped from the words of a language, What is left is a stock of stems"[১৫] অৰ্থাৎ এটা ভাষাৰ শব্দবোৰৰ পৰা পদ-সাধনৰ ৰূপবোৰ আঁতৰাই আনিলে যিবোৰ ৰূপ পোৱা যায় সেইবোৰেই শব্দমূল। উদাহৰণ স্বৰূপে (we) sing, (he) sings, sang, sung, singing' - এই আটাইবোৰ ৰূপৰেই 'stem' বা শব্দমূল হৈছে 'sing'। এই শব্দমূলটো এটা একক ৰূপ (single morpheme)। আনহাতে, singer আৰু singers - এই দুটা শব্দৰ মূল (stem) হৈছে 'singer' আৰু ই যৌগিক শব্দমূল; কিয়নো ইয়াত দুটা ৰূপ লগ লাগি আছে - এটা 'sing' - মুক্ত ৰূপ আৰু আনটো 'er' - বদ্ধ ৰূপ। ইয়াত 'singer' শব্দৰ গঠন ৰূপগত (morphological)। ই বিভক্তিমূলক বা পদসাধনৰ ৰূপ (inflectional) নহয়, শব্দ সাধনগত ৰূপ (derivational) হে। সেয়েহে শব্দ-সাধন (derivation) শব্দ-মূলৰ গঠনৰ লগত জড়িত। হকেটৰ মতে, 'Derivation, then deals with the structure of stems."[১৬]

### ৩.০৩ শব্দমূলৰ শ্ৰেণী বিভাগ ঃ

গাঠনিক দিশৰ প্ৰতি লক্ষ্য ৰাখি শব্দমূল (stem)ক হকেটে বিভিন্ন শ্ৰেণীত ভাগ কৰিছে। সকলো ভাষাত stemৰ শ্ৰেণীবিভাগ একে নহবও পাৰে আৰু কিছুমান ভাষাৰ ক্ষেত্ৰত stemৰ

১৫। C.F. Hocket ঃ A course in Modern Linguistics, P - 240
১৬। Ibid

শ্ৰেণীবিভাগৰ ব্যৱহাৰিক মূল্য অতি কম। হকেটৰ মতে শব্দমূলৰ প্ৰধান শ্ৰেণীবিভাগ দুটা - সৰল বা মৌলিক শব্দমূল (simple stem) আৰু সাধিত শব্দমূল (derived stem)। সাধিত শব্দমূলৰ আকৌ ভাগ দুটা - গৌণ সাধিত শব্দমূল (secondary derived stem) আৰু মুখ্য সাধিত শব্দমূল (primary derived stem)। সেইদৰে, গৌণ সাধিত শব্দমূলৰ ভাগ দুটা - গৌণ শব্দমূল (secondary derivatives) আৰু যৌগিক শব্দমূল (stem compounds)। মুখ্য সাধিত শব্দমূলৰো ভাগ দুটা - মুখ্য শব্দমূল (primary derivaties) আৰু যৌগিক ধাতুমূল (root compounds)।[১৭] ইয়াক ৰেখাচিত্ৰৰ সহায়ত এনেদৰে দেখুৱাব পাৰি ঃ




শব্দমূলৰ হকেটে কৰা এনে শ্ৰেণীবিভাগক উদাহৰণসহ তলত দিয়া ধৰণেও আলোচনা কৰি দেখুৱাব পাৰি -

### ৩.০৩.১ সৰল বা মৌলিক শব্দমূল ঃ

যিবোৰ শব্দমূলক অৰ্থবহভাৱে খণ্ড খণ্ড কৰিব নোৱাৰি, সেইবোৰেই সৰল বা মৌলিক শব্দমূল। প্ৰাকৃতিগত দৃষ্টিভংগীৰ ফালৰপৰা মুক্ত প্ৰাকৃতিবোৰেই (free morphemes) মৌলিক শব্দমূল। যেনে - ইংৰাজী ভাষাৰ boy, girl, man, tree, go, red আদি আৰু অসমীয়া ভাষাৰ ল'ৰা, ছোৱালী, মানুহ, গছ বা ৰঙা আদি। এই শব্দবোৰক ক্ষুদ্ৰতম অৰ্থবহ ৰূপত খণ্ডিত কৰিব নোৱাৰি বাবেই এইবোৰ সৰল বা মৌলিক শব্দমূল।

১৭। Ibid, P - 240

### ৩.০৩.২ গৌণ সাধিত শব্দমূল ঃ

এটা শব্দমূলৰ আগত বা পাছত বিভিন্ন পূৰ্বসৰ্গ আৰু পৰসৰ্গ যোগ দি যিবোৰ নতুন শব্দমূল গঠন কৰা হয় সেইবোৰেই গৌণ সাধিত শব্দমূল। এনে শব্দমূলক অৰ্থবহভাবে ভাগ কৰিব পাৰি। প্ৰাকৃতিগত ভাবে এনে শব্দমূলত দুটা বা ততোধিক প্ৰাকৃতি থাকিব পাৰে। যেনে ঃ ইংৰাজী ভাষাৰ girlish, boyish, manly, performance, befriend আদি আৰু অসমীয়া ভাষাৰ অনাঅসমীয়া, বেদখল, গাঁৱলীয়া, ভোগালী আদি। এই সাধিত শব্দমূলবোৰৰ প্ৰধান ৰূপ হৈছে - girl, boy, man, perform, friend, অসমীয়া, দখল, গাঁও, ভোগ আদি আৰু এই প্ৰধান ৰূপবোৰত ক্ৰমে - -ish, -ly, - ance, be, অনা-, বে-, -অলীয়া, আৰু - আলি - এইকেইটা শব্দসাধনৰ সৰ্গ যোগ কৰি সাধিত শব্দমূলবোৰ গঠন কৰা হৈছে।

### ৩.০৩.৩ যৌগিক শব্দমূল ঃ

দুটা ভিন্ন অৰ্থবাচক শব্দৰ সংযোগত সৃষ্টি হোৱা শব্দমূলকেই যৌগিক শব্দমূল বোলা হয়।। এনে শব্দমূল লেটিন ভাষাত বিশেষভাৱে দেখা যায়। ভাষাবিজ্ঞানী হকেটে ইয়াৰ উদাহৰণ হিচাপে লেটিন ভাষাৰ 'agricola' (farmer) আৰু 'gemellipara' শব্দ দুটা উল্লেখ কৰিছে। 'agricola' শব্দটোৰ দুটা শব্দমূল ঃ ager ৰ পৰা হোৱা 'agr' আৰু colere ৰ পৰা হোৱা 'col' - এই দুয়োটা শব্দমূলক স্বতঃসংযোগী উপাদান i ধ্বনিয়ে সংযোগ কৰিছে। একেদৰে, gemellus ৰ পৰা হোৱা gemell আৰু parire ৰ পৰা হোৱা par শব্দমূলকো i ধ্বনিয়ে সংযোগ কৰিছে। ইংৰাজী ভাষাৰ phonology, morphology, typology আদি শব্দও 'o' সংযোগী ধ্বনিৰে গঠন হৈছে। অসমীয়া ভাষাত স্বতঃ সংযোগী ধ্বনিৰে যৌগিক শব্দমূল গঠন হোৱাৰ উদাহৰণ বিৰল যদিও হাত-লৰ, ওভোত-গোৰে, আজল-মঠালী আদি ভালেমান যৌগিক শব্দ আছে।

### ৩.০৩.৪ মুখ্য সাধিত শব্দমূল ঃ


মুখ্য সাধিত শব্দমূলবোৰ ক্ৰিয়াপদমূলীয়। সাধাৰণতে, detain, retain, defer, refer, reduce, produce আদি শব্দবোৰ ইয়াৰ উদাহৰণ। এই শব্দবোৰৰ মূল হৈছে এক প্ৰকাৰ বদ্ধ ৰূপৰ দৰে। ইয়াত - tain, fer, duce আৰু de, re, pro হৈছে শব্দসাধনমূলক পূৰ্বসৰ্গ, যাৰ সংযোগত এই শব্দমূলবোৰ গঠিত হৈছে। এই শব্দমূলবোৰতো আকৌ able, ence আদি যোগ দি detainable, reference আদি নতুন শব্দ গঠন কৰিব পাৰি। অসমীয়াতো

'খা' ধাতুত - অৰীয়া পৰসৰ্গ যোগ দি 'খাৰৰীয়া'ৰ দৰে মুখ্য সাধিত শব্দমূল গঠন কৰি পুনৰ তাৰ পিছত -টো, -বোৰ, -হঁত, -ৰ, -লৈ আদি সৰ্গ যোগ দি নতুন নতুন ৰূপ পাব পাৰি।

৩.০৩.৫ **যৌগিক ধাতুমূল ঃ**

দুটা বেলেগ বেলেগ ৰূপ লগ লাগি যৌগিক ধাতুমূল গঠিত হয়। ইংৰাজী telegraph, telephone, phonograph, gramophone, photostat আদি শব্দ এই শ্ৰেণীৰ।[১৮]

দৰাচলতে শব্দমূলৰ এনে বিভিন্ন শ্ৰেণীবিভাগৰ মাজতেই শব্দসাধন বা শব্দ-গঠনৰ বিভিন্ন প্ৰক্ৰিয়াও নিহিত হৈ আছে। সাধাৰণভাবে শব্দ-গঠনৰ এনে প্ৰক্ৰিয়াক মূলতঃ দুটা ভাগত ভগাব পাৰি- সৰ্গৰ যোগত শব্দ-গঠন আৰু দুটা ভিন্ন অৰ্থবাচক শব্দৰ যোগত শব্দ গঠন। ইংৰাজী ভাষাৰ এনে শব্দ-গঠন প্ৰক্ৰিয়াক ৰেখাচিত্ৰৰ সহায়ত এইদৰে দেখুৱাব পাৰি।[১৯]




৩.০৪ **অসমীয়া আৰু বঙলা ভাষাৰ শব্দ-গঠন প্ৰক্ৰিয়া ঃ**

ইংৰাজী ভাষাৰ দৰে অসমীয়া আৰু বঙলা ভাষাও প্ৰত্যয় প্ৰধান ভাষা। সেয়েহে এই দুয়োটা ভাষাৰ শব্দ-গঠন প্ৰক্ৰিয়াও একপ্ৰকাৰ ইংৰাজী ভাষাৰ দৰেই। অসমীয়া আৰু বঙলা - এই দুয়োটা ভাষাতেই বিভিন্ন সৰ্গৰ যোগত আৰু দুটা ভিন্ন অৰ্থবাচক মৌলিক শব্দ বা অকলে অৰ্থ প্ৰকাশ কৰিব নোৱাৰা দুটা ভিন্ন ৰূপৰ সংযোগত বিভিন্ন প্ৰকাৰৰ শব্দ-গঠন কৰা হয়। ভাষা দুটাৰ শব্দ-গঠন প্ৰক্ৰিয়াবোৰক প্ৰধানতঃ তলত দিয়া ধৰণে শ্ৰেণীবিভাগ কৰা হয় ঃ

---

১৮। হকেটৰ বিশ্লেষণৰ আধাৰত যুগুটোৱা ১, ২, ৩, ৪ আৰু ৫ নং কথাখিনি ড° লীলাৱতী শইকীয়া বৰাৰ 'অসমীয়া ভাষাৰ ৰূপতত্ত্ব'ৰ ৩১ নং পৃষ্ঠাৰ পৰা উদ্ধৃত।

১৯। ড° লীলাৱতী শইকীয়া বৰা ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. - ৩১

ক) প্রত্যয় বা সৰ্গৰ যোগত নতুন শব্দ-গঠন।

খ) দুটা বা ততোধিক ভিন্ন অৰ্থবাচক শব্দৰ সংযোগত নতুন শব্দ-গঠন।

গ) অভ্যাস বা পুনৰুক্তিৰদ্বাৰা নতুন শব্দ-গঠন।[২০]

৩.০৪.১ **প্রত্যয় বা সৰ্গৰ যোগত নতুন শব্দ-গঠন ঃ**

অসমীয়া আৰু বঙলা দুয়োটা ভাষাতেই এটা মূল শব্দৰ আগত বা পাছত বিভিন্ন শব্দ-সাধনৰ সৰ্গ বা প্রত্যয় যোগ কৰি নতুন নতুন শব্দ-গঠন কৰা হয়। অৱস্থানগত ভিত্তি অনুসৰি এই সৰ্গবোৰক পূৰ্বসৰ্গ বা উপসৰ্গ আৰু পৰসৰ্গ নামেৰে দুভাগত ভগোৱা হয়। মূল শব্দৰ আগত যোগ হৈ নতুন শব্দ-গঠন কৰা সৰ্গবোৰক পূৰ্বসৰ্গ বা উপসৰ্গ আৰু মূল শব্দৰ পাছত যোগ হৈ নতুন নতুন শব্দ গঠন কৰা সৰ্গবোৰক পৰসৰ্গ বোলা হয়। পৰসৰ্গবোৰক আকৌ গঠনৰ প্রকৃতি অনুযায়ী কৃৎ আৰু তদ্ধিৎ প্রত্যয় নামেৰে দুটা ভাগত ভগোৱা হয়।

৩.০৪.১.১ **উপসৰ্গ বা পূৰ্বসৰ্গৰ যোগত শব্দ-গঠন ঃ**

অসমীয়া আৰু বঙলা ভাষাৰ উপসৰ্গবোৰৰ দুটা ৰূপ ঃ এটা হৈছে সংস্কৃতীয়া আৰু আনটো ঘৰুৱা বা নিজস্ব ৰূপ। সংস্কৃতীয়া ৰূপটোত সংস্কৃত ভাষাৰ কুৰিটা উপসৰ্গই অসমীয়া আৰু বঙলা ভাষাত মূল ৰূপৰ আগত প্রয়োগ হৈ নতুন নতুন শব্দ গঠন কৰে। মন কৰিবলগীয়া যে সেই শব্দবোৰ সংস্কৃততে উপসৰ্গ যুক্ত হৈ সিদ্ধ হোৱা শব্দ। অসমীয়া আৰু বঙলা ভাষা দুটা সংস্কৃতমূলীয় হোৱাত সংস্কৃত উপসৰ্গযুক্ত শব্দবোৰ দুয়োটা ভাষাতে প্রায় একে। মাত্র বঙলাত তৎসম শব্দৰ পৰিমাণ অধিক হোৱাত অসমীয়াতকৈ সেই ভাষাত সংস্কৃত উপসৰ্গযুক্ত তৎসম শব্দৰ প্রয়োগ বেছি। অসমীয়া আৰু বঙলা - ভাষাত একে অৰ্থত ব্যৱহাৰ হোৱা সংস্কৃত উপসৰ্গবোৰৰ যোগত গঠন হোৱা নতুন অৰ্থবাচক শব্দ কেইটামান হৈছে -

প্রকাণ্ড, পৰাজয়, অপমৃত্যু, সংযুক্ত, নিদান, অৱশেষ, অনুৰূপ, নিৰ্ঘাত, দুৰ্বল ইত্যাদি।

উল্লিখিত উদাহৰণবোৰ লক্ষ্য কৰিলে দেখা যাব যে ইয়াত ভিন্ন অৰ্থবাচক শব্দৰ আগত সংস্কৃত উপসৰ্গ কিছুমান যোগ হৈ একেবাৰে নতুন অৰ্থবাচক শব্দ গঠন হৈছে। উদাহৰণস্বৰূপে - প্রকাণ্ড, পৰাজয়, অপমৃত্যু শব্দ তিনিটাৰ মূল ৰূপ কেইটা হৈছে কাণ্ড,

২০। প্রাগুক্ত গ্রন্থ, পৃ. - ৩২

জয় আৰু মৃত্যু। এই মূল ৰূপকেইটাৰ আগত যথাক্রমে প্র - পৰা - আৰু অপ- উপসর্গ যোগ হোৱাৰ লগে লগে গঠিত হোৱা নতুন শব্দ কেইটাৰ পৰা অন্য অর্থ ডাঙৰ, হৰা আৰু অস্বাভাৱিক মৰণ অর্থহে প্রকাশ পাইছে। সেইদৰে, আনবোৰ উপসর্গৰ যোগতো বহুতো নতুন অর্থবাচক শব্দ গঢ় লৈ উঠিছে (দ্রষ্টব্য ঃ চতুর্থ অধ্যায় ৪.০১.১.১)। অৱশ্যে এই উপসর্গবোৰৰ জৰিয়তে সাধিত এনে কিছুমান শব্দ পোৱা যায় যিবোৰ অকল বঙলা ভাষাতহে ব্যৱহৃত হয়।

অসমীয়া আৰু বঙলা ভাষাত নিজস্ব বা ঘৰুৱা উপসর্গৰ যোগতো নতুন নতুন শব্দ গঠন কৰা হয়। এইবোৰৰো কিছুমান দুয়োটা ভাষাতে প্রায় একে ৰূপত পোৱা যায়। সেইবোৰৰ প্রয়োগৰ ফলত গঠিত হোৱা নতুন অর্থবাচক শব্দ কিছুমান হ'ল ঃ অকর্ম, অনিচ্ছা, অনাবৃষ্টি, কুঅভ্যাস, বিনামূল্যে, ভৰদিন, ভৰাযৌৱন, যথাকার্য্য, সচিত্র, সহযোগ আদি।

ওপৰৰ উদাহৰণবোৰ লক্ষ্য কৰিলেও দেখা যাব যে কর্ম, ইচ্ছা, বৃষ্টি, অভ্যাস, মূল্য, দিন, যৌৱন, কার্য, চিত্র আৰু যোগ আদি মূল ৰূপবোৰৰ আগত ক্রমে অ -, অন-, অনা-, বিনা-, ভৰ-, ভৰা-, যথা-, স-, সহ- আদি উপসর্গ যোগ হৈ অকর্ম, অনিচ্ছা, অনাবৃষ্টি, কুঅভ্যাস, বিনামূল্য, ভৰদিন, ভৰাযৌৱন, যথাইচ্ছা, সচিত্র, সহযোগ আদি নতুন অর্থবাচক শব্দবোৰ গঠন কৰিছে। এই উপসর্গবোৰৰ যোগত ভাষা দুটাত অনেক নতুন শব্দ গঠন কৰা হয় (দ্রষ্টব্য ঃ চতুর্থ অধ্যায় ৪.০১.১.২)।

আনহাতে অসমীয়া ভাষাটোত আন কেইটামান এনে উপসর্গৰো প্রয়োগ হয় যিবোৰ সম্পূর্ণ ৰূপে ভাষাটোৰ স্বকীয় ৰূপ। সেইকেইটা হ'ল ঃ- আও-, উ-, এ- আদি। এইকেইটা উপসর্গৰ যোগত সাধিত হোৱা নতুন অর্থবাচক শব্দ কেইটামান হ'ল -

আওবাট, উজান, এলাগী আদি।

ইয়াৰ উপৰিও, অসমীয়া আৰু বঙলা দুয়োটা ভাষাতেই কেতবোৰ বিদেশী ভাষাৰ শব্দ বা শব্দাংশ উপসর্গ হিচাপে প্রয়োগ কৰিও শব্দ গঠন কৰা দেখা যায়। সেইবোৰৰো অধিকাংশই দুয়োটা ভাষাতে একে। যেনে - গৰমিল, নাবালক আদি (দ্রষ্টব্য ঃ পঞ্চম অধ্যায় ৫.০৩.২.১)।

এনে শব্দবোৰৰো অসমীয়াতকৈ বঙলা ভাষাত প্রয়োগ বেছি।

৩.০৪.১.২ **পৰসৰ্গৰ যোগত শব্দ-গঠন ঃ**

অসমীয়া আৰু বঙলা - দুয়োটা ভাষাতেই পৰসৰ্গৰ যোগত নতুন নতুন শব্দ-গঠন কৰা হয়। গঠনৰ প্ৰকৃতি অনুসৰি পৰসৰ্গবোৰ দুই প্ৰকাৰৰ- কৃৎ আৰু তদ্ধিৎ। ধাতুৰ পাছত যোগ হৈ নতুন নতুন শব্দ গঠন কৰা সৰ্গবোৰ কৃৎ প্ৰত্যয় আৰু শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ নতুন নতুন শব্দ গঠন কৰা সৰ্গবোৰ তদ্ধিৎ প্ৰত্যয়। কৃৎ প্ৰত্যয়ক মুখ্য প্ৰত্যয় আৰু তদ্ধিত প্ৰত্যয়ক গৌণ প্ৰত্যয় বুলিও কোৱা হয়। উপসৰ্গৰ দৰে অসমীয়া আৰু বঙলাত থকা কৃৎ প্ৰত্যয়বোৰো দুই ধৰণৰ - সংস্কৃতীয়া অৰ্থাৎ সংস্কৃত কৃৎ প্ৰত্যয় যুক্ত তৎসম শব্দ আৰু তদ্ভৱ বা ঘৰুৱা শব্দযুক্ত কৃৎ প্ৰত্যয়।

৩.০৪.১.২.১ **সংস্কৃত কৃৎ প্ৰত্যয় ঃ**

অসমীয়া আৰু বঙলা দুয়োটা ভাষাতেই সংস্কৃত কৃৎ প্ৰত্যয় যুক্ত অজস্ৰ তৎসম শব্দ ব্যৱহাৰ হয়। তুলনামূলক ভাৱে অসমীয়াতকৈ বঙলা ভাষাত এনে কৃৎপ্ৰত্যয়ান্ত তৎসম শব্দৰ প্ৰয়োগ বেছি। দুয়োটা ভাষাতে বিশেষ ভাৱে ব্যৱহাৰ হোৱা সংস্কৃত কৃৎ প্ৰত্যয় আৰু সেই প্ৰত্যয়ান্ত শব্দ কিছুমান হ'ল -[২১]

-অ (অন্)ঃ সংস্কৃতত এই প্ৰত্যয়টোৰ 'ন্' লোপ পাই 'অ'টো শব্দৰ শেষত যোগ হয় কিন্তু অসমীয়া আৰু বঙলাত এই 'অ'টো উচ্চাৰিত নহয় যেনে -

| | | |
|---|---|---|
| কুম্ভ - ✓কৃ - অ | = | কুম্ভকাৰ |
| মালা - ✓কৃ - অ | = | মালাকাৰ |
| গ্ৰন্থ - ✓কৃ - অ | = | গ্ৰন্থকাৰ |
| শাস্ত্ৰ - ✓কৃ - অ | = | শাস্ত্ৰকাৰ |

-অ (ঘঞ)ঃ এই প্ৰত্যয়ে ধাতুৰ স্বৰ ধ্বনিৰ গুণ বা বৃদ্ধি কৰে। সেয়ে ধাতুৰ শেষত চ, জ থাকিলে ক্ৰমে ক, গ হয় যেনে -

| | | |
|---|---|---|
| ✓পচ্ - ঘঞ | = | পাক |
| ✓ভুজ্ - ঘঞ | = | ভোগ |

২১। ড° উপেন্দ্ৰনাথ গোস্বামী ঃ অসমীয়া ভাষাৰ ব্যাকৰণ, পৃ. - ১৮৭
ড° সুনীতি কুমাৰ চট্টোপধ্যায় ঃ ভাষা প্ৰকাশ বাঙ্গালা ব্যাকৰণ, পৃ. - ১৯৭

| | | | | |
|---|---|---|---|---|
| -অক | ঃ | √নী - অক | = | নায়ক |
| | | √পঠ - অক | = | পাঠক |
| | | √কৃ - অক | = | কাৰক |
| -অন | ঃ | √কৃ - অন | = | কৰণ |
| | | √চল - অন | = | চলন |
| | | √ভোজ - অন | = | ভোজন |
| -অন/-অনা | ঃ | √অৰ্চ - অন/অনা | = | অৰ্চন, অৰ্চনা |
| | | √গণ্ - অন/অনা | = | গণন, গণনা |
| -অনীয় | ঃ | √কৃ - অনীয় | = | কৰণীয় |
| | | √ছিদ্ - অনীয় | = | ছেদনীয় |
| | | √পা - অনীয় | = | পানীয় |
| -ইষ্ণু | ঃ | √বৃধ্- ইষ্ণু | = | বৰ্ধিষ্ণু |
| | | √সহ্- ইষ্ণু | = | সহিষ্ণু |
| -উ | ঃ | √জিজ্ঞাস্ - উ | = | জিজ্ঞাসু |
| | | √পিপাস্ - উ | = | পিপাসু |
| -উৰ্ | ঃ | √ভন্জ - উৰ্ | = | ভঙ্গুৰ |
| -ত | ঃ | √কৃ - ত | = | কৃত |
| | | √জ্ঞা - ত | = | জ্ঞাত |
| -তব্য | ঃ | √কৃ - তব্য | = | কৰ্তব্য |
| | | √গম - তব্য | = | গন্তব্য |
| | | √দা - তব্য | = | দাতব্য |
| -তি | ঃ | √কৃ - তি | = | কৃতি |
| | | √জ্ঞ - তি | = | জ্ঞাতি |
| -ন | ঃ | √যজ্ - ন | = | যজ্ঞ |
| -মান | ঃ | √দৃশ্ - মান | = | দৃশ্যমান |

### ৩.০৪.১.২.২ অসমীয়া ভাষাৰ ঘৰুৱা শব্দযুক্ত কৃৎ প্ৰত্যয় ঃ

অসমীয়া ভাষাত কৃৎপ্ৰত্যয়ৰ সংখ্যা সীমিত। ধাতুৰ পাছত যোগ দি বিশেষ্য, বিশেষণ আৰু কৃদন্ত শব্দ-গঠন কৰা অসমীয়া কৃৎ প্ৰত্যয়বোৰৰ কিছুমান এনেধৰণৰ - অক, -অতি, -অতী, -অন, -অনা, -অনিয়াৰ আদি। এই প্ৰত্যয়বোৰৰ যোগত সৃষ্টি হোৱা নতুন অৰ্থবাচক শব্দ কিছুমানৰ গঠন প্ৰক্ৰিয়া এনেধৰণৰ -

- অক ঃ ইয়াৰ যোগত বিশেষ্য শব্দ গঠন কৰা হয়; যেনে ঃ
  ✓ মৰ - অক = মৰক (মাৰি-মৰক)
- অতি ঃ ইয়াৰ যোগত বিশেষ্য শব্দ গঠন কৰা হয়; যেনে ঃ
  ✓ খজুৰা - অতি = খজুৰতি
- অতি ঃ ইয়াৰ যোগত বিশেষণ শব্দ গঠন কৰা হয়; যেনে ঃ
  ✓ ৰো - অতী = ৰোৱতী
- অন ঃ ইয়াৰ যোগত বিশেষ্য শব্দ গঠন কৰা হয়; যেনে ঃ
  ✓ উৰ্ - অন = উৰণ
- অনা ঃ ইয়াৰ যোগত বিশেষ্য শব্দ গঠন কৰা হয়; যেনে ঃ
  ✓ খুন্দ্ - অনা = খুন্দনা
- অনি ঃ ইয়াৰ যোগত বিশেষ্য শব্দ গঠন কৰা হয়; যেনে ঃ
  ✓ উজা - অনি = উজনি
- অনিয়াৰ ঃ ইয়াৰ যোগত বিশেষ্য আৰু বিশেষণ শব্দ গঠন কৰা হয়; যেনে ঃ
  ✓ মাগ্ - অনিয়াৰ = মগনিয়াৰ (বি.)
  ✓ দেখ - অনিয়াৰ = দেখনিয়াৰ (বিণ.)

ইয়াৰ বাহিৰেও আন ভালেমান কৃৎপ্ৰত্যয়ৰ যোগত অসমীয়া ভাষাত নতুন নতুন শব্দ গঠন কৰা হয় (দ্ৰষ্টব্য ৪ৰ্থ অধ্যায় - ৪.০১.২.১.১)।

### ৩.০৪.১.২.৩ বঙলা ভাষাৰ ঘৰুৱা শব্দযুক্ত কৃৎ প্ৰত্যয়

বঙলা ভাষাতো ভালেমান ঘৰুৱা কৃৎ প্ৰত্যয়ৰ যোগত নানান বিশেষ্য, ক্ৰিয়াবাচক বিশেষ্য, বিশেষণ শব্দ আদি গঠিত হয়। বঙলা ভাষাত ব্যৱহাৰ হোৱা এনে কৃৎ প্ৰত্যয় কেইটামান হ'ল ঃ - অন, -অনা, - অনী/-উনী, - অন্ত, - অত, -আ, -আই আদি।

- অন/- ওন : ইয়াৰ যোগত ক্রিয়াবাচক বিশেষ্য শব্দ গঠন কৰা হয়; যেনেঃ ✓উজা - অন > উজান, ✓খা - অন > খাওন

- অনা : ইয়াৰ যোগত ক্রিয়াবাচক বিশেষ্য বা বিশেষণ শব্দ গঠন কৰা হয়; যেনে ঃ ✓গাহ্ - অনা > গহনা

-অনী/-উনী : ইয়াৰ যোগত স্বল্পতাদ্যোতক ক্রিয়া শব্দ গঠন কৰা হয়; যেনেঃ ✓কাঁদ - অনী > কাঁদুনী

- অন্ত : ইয়াৰ যোগত বিশেষ্য আৰু বিশেষণ শব্দ গঠন কৰা হয়; যেনে ঃ ✓জী - অন্ত = জীয়ন্ত

- অত : ইয়াৰ যোগত বিশেষ্য আৰু বিশেষণ শব্দ গঠন কৰা হয়; যেনে ঃ ✓ফিৰ - অত > ফেৰত

- আ : ইয়াৰ যোগত কৰ্মবাচ্যৰ অতীতকাল দ্যোতক বিশেষণ আৰু ক্রিয়াবাচক বা ভাববাচক বিশেষ্য শব্দ গঠন কৰা হয়; যেনেঃ ✓কৰ্ - আ > কৰা

- আই : ইয়াৰ যোগত ভাববাচক ক্রিয়া-দ্যোতক আৰু ক্বচিৎ ভাব বস্তু দ্যোতক শব্দ গঠন কৰা হয়; যেনেঃ ✓যাচ - আই > যাচাই।

বঙলা ভাষাতো আন ভালেমান কৃৎপ্রত্যয়ৰ যোগত নতুন নতুন শব্দ গঠন কৰা হয় (দ্রষ্টব্য ৪ৰ্থ অধ্যায় - ৪.০১.২.১.২)।

৩.০৪.১.২.৪ আনহাতে অসমীয়া আৰু বঙলা ভাষাত তদ্ধিৎ প্রত্যয়ৰ যোগতো ভালেমান নতুন নতুন শব্দ গঠন কৰা হয়। কৃৎ প্রত্যয়ৰ দৰে এই ভাষা দুটাত ব্যৱহৃত তদ্ধিৎ প্রত্যয়ো দুই প্রকাৰৰ - সংস্কৃতীয়া তদ্ধিৎ প্রত্যয় আৰু তদ্ভৱ বা ঘৰুৱা শব্দযুক্ত তদ্ধিৎ প্রত্যয়। বঙলা ভাষাত তদ্ভৱতকৈ সংস্কৃত তদ্ধিৎ প্রত্যয়ৰ প্রয়োগ সৰ্বাধিক হোৱাৰ বিপৰীতে অসমীয়াত তদ্ভৱ বা ঘৰুৱা শব্দযুক্ত তদ্ধিৎ প্রত্যয়ৰ প্রয়োগ বেছি।

অসমীয়া আৰু বঙলাত ব্যৱহৃত সংস্কৃত তদ্ধিৎ প্রত্যয় আৰু সেই প্রত্যয়ান্ত শব্দ কিছুমান হ'ল-[২২]

---

২২। ড° উপেন্দ্রনাথ গোস্বামী ঃ অসমীয়া ভাষাৰ ব্যাকৰণ, পৃ. - ১৯৪
ড° সুনীতি কুমাৰ চট্টোপধ্যায় ঃ ভাষা প্রকাশ বাঙ্গালা ব্যাকৰণ, পৃ. - ১৯৭

| | | | |
|---|---|---|---|
| - অ (অণ্) | ঃ মনু - অ | = | মানৱ |
| - আয়ন | ঃ নৰ - আয়ন | = | নাৰায়ণ |
| | ৰাম - আয়ন | = | ৰামায়ণ |
| - ইক | ঃ শৰীৰ - ইক | = | শাৰীৰিক |
| | মনস্ - ইক | = | মানসিক |
| - ইন্ (ঈ) | ঃ ধন - ইন্ | = | ধনী |
| | গুণ - ইন্ | = | গুণী |
| - ঈন্ | ঃ বিশ্বজন- ইন্ | = | বিশ্বজনীন |
| | সৰ্বজন - ইন্ | = | সৰ্বজনীন, সাৰ্বজনীন |
| - তা | ঃ সাধু - তা | = | সাধুতা |
| | বন্ধু - তা | = | বন্ধুতা |
| - ত্য | ঃ দক্ষিণা - ত্য | = | দাক্ষিণাত্য |
| - ত্ব | ঃ লঘু - ত্ব | = | লঘুত্ব |
| | প্ৰাচীন - ত্ব | = | প্ৰাচীনত্ব |
| - থা | ঃ অন্য - থা | = | অন্যথা |
| | সৰ্ব - থা | = | সৰ্বথা |
| - ধা | ঃ দ্বি - ধা | = | দ্বিধা |
| - ম | ঃ আদি - ম | = | আদিম |
| | মধ্য - ম | = | মধ্যম |
| - মৎ (মান) | ঃ বুদ্ধি - মৎ | = | বুদ্ধিমান |
| | খ্যাতি - মৎ | = | খ্যাতিমান |
| - ময় | ঃ জল - ময় | = | জলময় |
| | ৰত্ন - ময় | = | ৰত্নময় |
| - ৱিন্ | ঃ মেধা - ৱিন্ | = | মেধাৱী |
| | মায়া - ৱিন্ | = | মায়াৱী |
| - য | ঃ গ্ৰাম - য | = | গ্ৰাম্য |
| - স্যাৎ | ঃ ভস্ম - স্যাৎ | = | ভস্মস্যাৎ |
| | ভূমি - স্যাৎ | = | ভূমিস্যাৎ |

### ৩.০৪.১.২.৫ অসমীয়া ভাষাৰ তত্ত্বৰ বা ঘৰুৱা শব্দযুক্ত তদ্ধিৎ প্ৰত্যয় ঃ

অসমীয়া ভাষাত ঘৰুৱা শব্দযুক্ত তদ্ধিৎ প্ৰত্যয়ৰ প্ৰয়োগ সৰ্বাধিক। এই প্ৰত্যয়বোৰে প্ৰাতিপদিকৰ পাছত যোগ হৈ নতুন বিশেষ্য, বিশেষণ আদি শব্দ গঠন কৰে। এনে প্ৰত্যয়বোৰৰ যোগত গঠিত হোৱা নতুন নতুন অৰ্থবাচক শব্দ কিছুমান হ'ল -

- অতী ঃ ইয়াৰ যোগত বিশেষ্য আৰু বিশেষণ শব্দ গঠন কৰা হয়; যেনেঃ

  নাম - অতী > নামতী (বি.)

  আগল - অতী > আগলতী (বিণ.)

- অতীয়া ঃ ইয়াৰ যোগত বিশেষণ শব্দ গঠন কৰা হয়; যেনে ঃ

  আগ - অতীয়া > আগতীয়া

- অনি ঃ ইয়াৰ যোগত বিশেষ্য শব্দ গঠন কৰা হয়; যেনে ঃ

  উলু - অনি > উলুৱনি

- অনী ঃ ইয়াৰ যোগত বিশেষণ শব্দ গঠন কৰা হয়; যেনে ঃ

  হাত - অনী > হাতনী; হাতনী পেৰা

- অৰি/-অৰী ঃ ইয়াৰ যোগত বিশেষ্য শব্দ গঠন কৰা হয়; যেনে ঃ

  ভাল - অৰি > ভালৰি

  লগ - অৰী > লগৰী

- অৰীয়া ঃ ইয়াৰ যোগত বিশেষ্য আৰু বিশেষণ শব্দ গঠন কৰা হয়; যেনেঃ

  নাও - অৰীয়া > নাৱৰীয়া (বি.)

  বন - অৰীয়া > বনৰীয়া (বিণ.)

- অৰুৱা ঃ ইয়াৰ যোগত বিশেষ্য আৰু বিশেষণ শব্দ গঠন কৰা হয়; যেনেঃ

  বাট - অৰুৱা > বাটৰুৱা (বি.)

  আধ - অৰুৱা > আধৰুৱা (বিণ.)

ইয়াৰ বাহিৰেও অসমীয়া ভাষাত আৰু ভালেমান তদ্ধিৎ প্ৰত্যয়ৰ যোগত নানান নতুন শব্দ গঠন কৰা হয় (দ্ৰষ্টব্য ৪ৰ্থ অধ্যায় - ৪.০১.২.২.১)।

৩.০৪.১.২.৬ **বঙলা ভাষাৰ তত্ত্বৰ বা ঘৰুৱা শব্দযুক্ত তদ্ধিৎ প্ৰত্যয়**

বঙলা ভাষাতো ভালেমান নিজস্ব বা ঘৰুৱা শব্দ বা প্ৰাতিপদিকৰ লগত তদ্ধিৎ প্ৰত্যয় ব্যৱহাৰ কৰি ভাষাটোত বেলেগ বেলেগ শব্দ গঠন কৰা হয়। অসমীয়াৰ দৰে বঙলা ভাষাতো এনে তদ্ধিৎ প্ৰত্যয়ৰ প্ৰয়োগ প্ৰচুৰ। সেইবোৰৰ যোগত বঙলা ভাষাত গঠন হোৱা নতুন অৰ্থবাচক শব্দ কিছুমানৰ গঠন প্ৰক্ৰিয়া এনেধৰণৰ -

- অ বা - ও ঃ ইয়াৰ যোগত বিশেষ্য শব্দ গঠন কৰা হয়; যেনে ঃ
  কাল - অ / - ও > কালো

- আ ঃ ইয়াৰ যোগত বিশেষণ শব্দ গঠন কৰা হয়; যেনে ঃ
  জল - আ > জলা; জলা জায়গা

- আই ঃ ইয়াৰ যোগত বিশেষ্য শব্দ গঠন কৰা হয়; যেনে ঃ
  কান - আই > কানাই

- আন, - আনো ঃ ইয়াৰ যোগত নাম ধাতুগঠন কৰা হয়; যেনেঃ
  লাথি - আনো > লাথানো (লাথি মাৰা)

- আনি ঃ ইয়াৰ যোগত জল বা জলীয় ভাব অৰ্থ প্ৰকাশক বিশেষ্য শব্দ গঠন কৰা হয়; যেনে ঃ
  নখ - আনি > নখানি (নখৰ পানী)

- আৰ ঃ ইয়াৰ যোগত স্থান অৰ্থত বিশেষ্য শব্দ গঠন কৰা হয়; যেনেঃ
  ভাণ্ড - আৰ > ভাণ্ডাৰ

- আৰু ঃ ইয়াৰ যোগত বিশেষ্য শব্দ গঠন কৰা হয়; যেনে ঃ
  দিশ - আৰু > দিশাৰু

- আল ঃ ইয়াৰ যোগত বিশেষ্য শব্দ গঠন কৰা হয়; যেনে ঃ
  বঙ্গ - আল > বাঙ্গাল

- আলী ঃ ইয়াৰ যোগত বিশেষ্য আৰু বিশেষণ শব্দ গঠন কৰা হয়; যেনেঃ
  ঠাকুৰ - আলী > ঠাকুৰালী (বি.)
  সোণ - আলী > সোণালী (বিণ.)

- ঈ : এই প্ৰত্যয়ৰ যোগত বিশেষ্য আৰু বিশেষণ শব্দ গঠন কৰা হয়; যেনে ঃ

কাগজ - ঈ > কাগজী (বি.)

দাগ - ঈ > দাগী (বিণ.) ইত্যাদি।

এইবোৰৰ উপৰিও আন বহুতো তদ্ধিৎ প্ৰত্যয়ৰ দ্বাৰা বঙলা ভাষাত নানান শব্দ গঠন কৰা হয় (দ্ৰষ্টব্য ৪ৰ্থ অধ্যায় - ৪.০১.২.২.২)।

আনহাতে অসমীয়া আৰু বঙলা দুয়োটা ভাষাতে এনে কেতবোৰ সংস্কৃত শব্দ আছে যিবোৰ তদ্ধিৎ প্ৰত্যয়ৰ দৰে ব্যৱহাৰ কৰা হয়। এনে শব্দৰ ব্যৱহাৰ অসমীয়াতকৈ বঙলাত বেছি। যেনে -

- জাত : গৃহ-জাত, পকেটজাত, অভিধানজাত

- সহ : কাপড়-সহ, বন্ধু-সহ

- স্থ : স্ট্ৰীট-স্থ; লেন-স্থ, বহু বাজাৰস্থ, লণ্ডন-স্থ, গুৱাহাটীস্থ ইত্যাদি।

এইবোৰৰ ভিতৰত পকেটজাত, কাপড়-সহ, স্ট্ৰীট-স্থ, বহু বাজাৰস্থ আদি শব্দ কেৱল বঙলাতহে ব্যৱহৃত; অসমীয়াত ইয়াৰ ব্যৱহাৰ নাই। একেদৰে কেৱল বঙলাতহে পোৱা আন এটা এনে শব্দ হ'ল -

- শুদ্ধ : আমি-শুদ্ধ, সাজ শুদ্ধ, ঢাকী-শুদ্ধ বিসৰ্জন আদি।

এনেদৰে প্ৰত্যয় বা সৰ্গৰ যোগত অসমীয়া আৰু বঙলা ভাষাত নতুন নতুন শব্দ গঠন কৰা প্ৰক্ৰিয়া ভাষা দুটাৰ এক গুৰুত্বপূৰ্ণ দিশ।

### ৩.০৪.২ দুটা বা ততোধিক ভিন্ন অৰ্থবাচক শব্দৰ যোগত নতুন শব্দ গঠন ঃ

এই প্ৰক্ৰিয়াৰ দ্বাৰাও অসমীয়া আৰু বঙলা ভাষাত নতুন নতুন শব্দ গঠন কৰা হয়। দুটা ভিন্ন অৰ্থবাচক শব্দৰ যোগত গঠন হোৱা নতুন শব্দবোৰক এনেদৰে শ্ৰেণী বিভাগ[২৩] কৰি দেখুৱাব পাৰি -

৩.০৪.২.১ দুটা বা ততোধিক ভিন্ন অৰ্থবিশিষ্ট মৌলিক শব্দৰ সংযোগত নতুন অৰ্থবাচক শব্দ গঠন; যেনে ঃ

অসমীয়া ভাষা : চোৰ-ডকাইত, জল-পথ, হাত-দীঘল আদি।

---

২৩। ড° লীলাৱতী শইকীয়া বৰা ঃ অসমীয়া ভাষাৰ ৰূপতত্ত্ব, পৃ. - ৩৫

বঙলা ভাষা : দুধ-ভাত, হাত-মুখ, হাত-পা আদি।

৩.০৪.২.২ এটা ভিন্ন অৰ্থবিশিষ্ট মৌলিক শব্দ আৰু সাধিত শব্দৰ যোগত নতুন শব্দ-গঠন; যেনে ঃ

অসমীয়া ভাষা ঃ আপোন-পেটীয়া, আল-ধৰা, তল-সৰা আদি।

বঙলা ভাষা ঃ আগ-কাটা, পিছ্-মোড়া, ৰাশ-পাতলা আদি।

৩.০৪.২.৩ ভিন্ন অৰ্থবিশিষ্ট দুটা সাধিত শব্দৰ যোগত নতুন শব্দ গঠন; যেনে ঃ

অসমীয়া ভাষা ঃ উঠি-অহা, ঘুণে-ধৰা, হঁহা-মতা আদি।

বঙলা ভাষা ঃ কানা-কানি, নখা-নখি, লাফা-লাফি আদি।

৩.০৪.২.৪ ভিন্ন অৰ্থবিশিষ্ট দুটাতকৈ অধিক সাধিত শব্দৰ যোগত নতুন শব্দ গঠন; যেনে ঃ

অসমীয়া ভাষা ঃ ছলে-বলে-কৌশলে

বঙলা ভাষা ঃ ছলে-বলে-কৌশলে, ছলে-বলে-কলে-কৌশলে

৩.০৪.২.৫ সাধিত শব্দৰ লগত মৌলিক শব্দ যোগ কৰি নতুন শব্দ গঠন; যেনে ঃ

অসমীয়া ভাষা ঃ গুলিয়াগুলি, তৰুৰা-কদম, নেজাল-তৰা আদি।

বঙলা ভাষা ঃ গালাগালি, পিঠাপিঠি, হাসাহাসি আদি।

৩.০৪.২.৬ দুটাতকৈ অধিক মৌলিক শব্দ একেলগে ব্যৱহাৰ কৰি নতুন শব্দ গঠন; যেনে ঃ

অসমীয়া ভাষা ঃ অসম-সাহিত্য-সভা-পত্ৰিকা, ৰূপ -গঠন -পদ্ধতি আদি।

বঙলা ভাষা ঃ হাতী-ঘোড়া-গাড়ী-পালকী, হাত-পা-নাক-কান ইত্যাদি।

এনে প্ৰক্ৰিয়াৰ দ্বাৰা অসমীয়া আৰু বঙলা ভাষাত ভালেমান নতুন নতুন অৰ্থবাচক শব্দ গঠন কৰা হয়।

## ৩.০৪.৩ অভ্যাস বা পুনৰুক্তিৰদ্বাৰা নতুন শব্দ গঠন ঃ

অভ্যাস বা পুনৰুক্তিৰদ্বাৰায়ো অসমীয়া আৰু বঙলা ভাষাত নতুন নতুন শব্দ গঠন কৰা হয়। ইয়াত একেটা শব্দকে হুবহু একেৰূপত আৰু কেতিয়াবা সামান্য পৰিবৰ্তিত ৰূপত দুবাৰকৈ ব্যৱহাৰ কৰি নতুন শব্দ গঠন কৰা হয়। এনে ধৰণৰ শব্দবোৰকো অৰ্থগত দিশলৈ লক্ষ্য কৰি চাৰিটা ভাগত ভগাব পাৰি; সেইবোৰ হ'ল ঃ

ক) অৰ্থযুক্ত শব্দৰ সম্পূৰ্ণ পুনৰুক্তি বা সম্পূৰ্ণ অভ্যাস।

খ) অৰ্থযুক্ত শব্দৰ আংশিক পুনৰুক্তি বা আংশিক অভ্যাস।

গ) অৰ্থহীন শব্দৰ সম্পূৰ্ণ পুনৰুক্তি বা সম্পূৰ্ণ অভ্যাস।

ঘ) অৰ্থহীন শব্দৰ আংশিক পুনৰুক্তি বা আংশিক অভ্যাস।[২৪]

এই চাৰিটা প্ৰক্ৰিয়াৰ জৰিয়তে অসমীয়া আৰু বঙলা ভাষাত গঠন হোৱা শব্দবোৰৰ কেইটামান উদাহৰণ হ'ল ঃ

৩.০৪.৩.১ **অৰ্থযুক্ত শব্দৰ সম্পূৰ্ণ পুনৰুক্তি ঃ**

অৰ্থযুক্ত শব্দ একোটাক দুবাৰকৈ ব্যৱহাৰ কৰি একোটা ভিন্ন অৰ্থবাচক শব্দ গঠন কৰা হয়। অসমীয়া আৰু বঙলা - দুয়োটা ভাষাতেই বিশেষ্য, বিশেষণ, সৰ্বনাম, সংখ্যাবাচক শব্দ, ক্ৰিয়া বিশেষণ আদিৰ এনে পুনৰুক্তি দেখা যায়। যেনে ঃ

অসমীয়া ভাষা ঃ মাছ মাছ, ভাল ভাল, কাক কাক, লাখ লাখ, ঘনে ঘনে আদি।

বঙলা ভাষা ঃ যুগ যুগ, নীল নীল, কে কে, হাজাৰ হাজাৰ, ক্ষণে ক্ষণে আদি।

৩.০৪.৩.২ **অৰ্থযুক্ত শব্দৰ আংশিক পুনৰুক্তি ঃ**

অৰ্থযুক্ত শব্দৰ আংশিক পুনৰুক্তিৰ জৰিয়তেও নতুন শব্দ গঠন কৰা হয়। এনে পুনৰুক্তিক অসমীয়া ব্যাকৰণত 'অনুৰূপ শব্দ' বোলা হয়।[২৫]

অসমীয়া ভাষা ঃ কিতাপ-চিতাপ, আন্ধাৰ-মুন্ধাৰ, মানুহ-দুনুহ আদি।

বঙলা ভাষা ঃ কাপড়-চোপড়, হাঁস-ফাঁস, নিশ-পিশ আদি।

৩.০৪.৩.৩ **অৰ্থহীন শব্দৰ সম্পূৰ্ণ পুনৰুক্তি ঃ**

অৰ্থহীন শব্দৰ সম্পূৰ্ণ পুনৰুক্তিৰদ্বাৰাও অৰ্থ প্ৰকাশক্ষম নতুন শব্দ গঠন কৰা হয়। এনেদৰে গঠিত হোৱা শব্দক অসমীয়া ব্যাকৰণত 'অনুকাৰ শব্দ' বা ধ্বন্যাত্মক শব্দ বোলা হৈছে।[২৬] একেদৰে, বঙলা ভাষাৰ ব্যাকৰণতো ইয়াক 'অনুকাৰ - বিকাৰময়' শব্দ বোলা হৈছে।[২৭] দুয়োটা ভাষাতেই পোৱা এনে শব্দ-গঠনৰ কেইটামান উদাহৰণ হ'ল ঃ

অসমীয়া ভাষা ঃ কা কা, টিক টিক, খট্ খট্, মচ্ মচ্ আদি।

বঙলা ভাষা ঃ খক্ খক্, টিপ টিপ, টুক্ টুক আদি।

---

২৪। প্ৰাগুক্ত গ্ৰন্থ, পৃ. - ৩৬

২৫। প্ৰাগুক্ত গ্ৰন্থ, পৃ. - ৩৬

২৬। প্ৰাগুক্ত গ্ৰন্থ, পৃ. - ৩৬

২৭। ড° সুনীতি কুমাৰ চট্টোপধ্যায় ঃ ভাষা প্ৰকাশ বাঙ্গালা ব্যাকৰণ, পৃ. - ১৯৭

৩.০৪.৩.৪ **অৰ্থহীন শব্দৰ আংশিক পুনৰুক্তি ঃ**

অৰ্থহীন শব্দৰ আংশিক পুনৰুক্তিৰ জৰিয়তেও নতুন শব্দ গঠন কৰা হয়। এই শব্দবোৰো অনুকাৰ বা ধ্বন্যাত্মক শব্দৰ ভিতৰুৱা। অসমীয়া আৰু বঙলা ভাষাত ব্যৱহৃত এনে শব্দ কিছুমান হ'ল -

অসমীয়া ভাষা ঃ কক্-বক্, খল্-মল, আবোল-তাবোল আদি।

বঙলা ভাষা ঃ চটপট, ধড়ফড়, কটৰ মটৰ আদি।

এইটো প্ৰক্ৰিয়াৰ যোগতো দুয়োটা ভাষাত ভালেমান নতুন শব্দ গঠন কৰা হয়।


এইদৰে অসমীয়া আৰু বঙলা ভাষাৰ শব্দ গঠনৰ বিভিন্ন কলা-কৌশললৈ চালে দেখা যায় যে ভাষা দুটাৰ শব্দ-গঠনৰ প্ৰক্ৰিয়াবোৰ মূলতঃ একেই। কিন্তু ইঁহতৰ ব্যৱহাৰৰ ক্ষেত্ৰত উভয়তেই নিজস্বতা ৰক্ষিত হৈছে। শব্দ গঠন প্ৰক্ৰিয়াবোৰৰ ভিতৰত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে প্ৰত্যয় বা সৰ্গ সমূহে। পৰৱৰ্ত্তী অধ্যায়ত এই শব্দ গঠনাত্মক প্ৰত্যয়বোৰৰ ক্ষেত্ৰত ভাষা দুটাত দেখা পোৱা এনে মিল আৰু ব্যৱহাৰৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা ভিন্নতাকেই সামৰি লোৱা হ'ব।

# চতুর্থ অধ্যায়

## ৪. অসমীয়া আৰু বঙলা ভাষাৰ শব্দগঠনাত্মক প্ৰত্যয়

৪.০১ পৃথিৱীৰ প্ৰতিটো যোগাত্মক ভাষাৰে শব্দ গঠনৰ নিজস্ব প্ৰক্ৰিয়া বা প্ৰণালী আছে। তৃতীয় অধ্যায়ত সেই প্ৰক্ৰিয়াবোৰৰ বিষয়ে থূল-মূল আভাস এটা দিয়া হৈছে। শব্দ গঠনৰ সেই বিভিন্ন প্ৰক্ৰিয়াৰ ভিতৰত এটা অন্যতম প্ৰক্ৰিয়া হৈছে প্ৰত্যয় বা সৰ্গৰ যোগত হোৱা শব্দ গঠন প্ৰক্ৰিয়া। এই প্ৰত্যয়ৰ যোগত শব্দ গঠন হোৱা প্ৰক্ৰিয়াটো নব্যভাৰতীয় আৰ্য ভাষাবোৰৰ এটি প্ৰধান বৈশিষ্ট্য। আন আন নব্যভাৰতীয় আৰ্যভাষাৰ দৰে অসমীয়া আৰু বঙলা ভাষাতো এই প্ৰক্ৰিয়াৰ জৰিয়তে অজস্ৰ শব্দ গঠন কৰা হয়।

সাধাৰণ অৰ্থত যুক্ত ৰূপ বা বদ্ধৰূপেই হৈছে প্ৰত্যয়। আচলতে যিবোৰ সৰ্গ মূল প্ৰাকৃতি বা প্ৰকৃতিৰ লগত সংযোগ কৰি ভিন্ন অৰ্থবাচক নতুন নতুন শব্দৰ গঠন কৰিব পাৰি, সেইবোৰেই হৈছে শব্দসাধনৰ সৰ্গ বা প্ৰত্যয়।[১] উদাহৰণ স্বৰূপে 'খেত' হৈছে এটা প্ৰকৃতি আৰু ইয়াৰ অৰ্থ 'ক্ষেত্ৰ' বা 'পথাৰ'। ইয়াৰ লগত '-ই' সৰ্গ লগ লগালে এটা নতুন শব্দৰ সৃষ্টি হয় - 'খেতি', যি আন এক নতুন অৰ্থ 'শস্য'ক বুজায়। সেইদৰে 'খেতি' শব্দৰ লগত -'অক' লগ লগালে আন এটি নতুন শব্দ পোৱা যাব 'খেতিয়ক', যাৰ অৰ্থ 'খেতি কৰোঁতা'। এনেদৰে প্ৰত্যয়ৰ সংযোগত ভিন্ন অৰ্থবাচক নতুন নতুন শব্দ গঠন কৰিব পাৰি আৰু নতুন শব্দ গঠন কৰা প্ৰত্যয়বোৰেই হৈছে বুৎপত্তিমূলক প্ৰত্যয় (derivational)। অৱস্থানগত ভিত্তি অনুসৰি বুৎপত্তিমূলক প্ৰত্যয়ক পূৰ্ব প্ৰত্যয় বা উপসৰ্গ আৰু পৰ প্ৰত্যয় - এই দুটা ভাগত ভগোৱা হয়। গঠনৰ প্ৰকৃতি অনুসৰি পৰ প্ৰত্যয়ক দুটা ভাগত ভগোৱা হয় - কৃৎ প্ৰত্যয় বা মুখ্য প্ৰত্যয় আৰু তদ্ধিৎ প্ৰত্যয় বা গৌণ প্ৰত্যয়। অৱস্থানগত দিশ আৰু গঠনৰ প্ৰকৃতি অনুসৰি বুৎপত্তিমূলক প্ৰত্যয়ক ৰেখাচিত্ৰৰ সহায়ত এনেদৰে শ্ৰেণীবিভাগ কৰিব পাৰি ঃ-




১। ড° গোলোক চন্দ্ৰ গোস্বামী ঃ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, পৃঃ-৮৮

মন কৰিবলগীয়া যে - সৰ্গৰ যোগত নতুন শব্দগঠন কৰা পদ্ধতি অসমীয়া আৰু বঙলা দুয়োটা ভাষাতে প্ৰায় একে, মাত্ৰ সৰ্গ আৰু তাৰ ৰূপবোৰহে অধিকাংশ ক্ষেত্ৰতে পৃথক।

**৪.০১.১ পূৰ্ব প্ৰত্যয় বা উপসৰ্গৰ দ্বাৰা শব্দ-গঠন ঃ**

কেতিয়াবা শব্দৰ আগত কিছুমান ধ্বনি বা ধ্বনি সংযোগ লগ লগাই কিছুমান নতুন শব্দ গঠন কৰিব পাৰি আৰু এই প্ৰক্ৰিয়াকে পূৰ্ব প্ৰত্যয় সংযোগ বোলা হয়। সংস্কৃতত এইবোৰক 'উপসৰ্গ' বোলা হয়। অসমীয়া আৰু বঙলা, দুয়োটা ভাষাতে ঠিক একেদৰে পূৰ্ব প্ৰত্যয় বা পূৰ্ব সৰ্গৰ সংযোগত নতুন শব্দ গঠন কৰা হয়। ঐতিহাসিক দৃষ্টিভংগীৰ পিনৰ পৰা এই দুয়োটা ভাষাৰ পূৰ্বসৰ্গবোৰক দুটা ভাগত ভগাব পাৰি ঃ সংস্কৃতৰ পৰা পোনে পোনে অহা পূৰ্বসৰ্গ বা উপসৰ্গ আৰু অসমীয়া-বঙলা, দুয়োটা ভাষাতে নতুনকৈ গঢ় লৈ উঠা নিজস্ব উপসৰ্গ।

সংস্কৃতত কুৰিটা উপসৰ্গ আছে। সেই কেইটা হ'ল ঃ - প্ৰ-, পৰা-, অপ-, সম-, নি-, অৱ-, অনু-, নিৰ-, দুৰ-, ৱি-, অধি-, সু-, উৎ-, পৰি-, প্ৰতি-, অভি-, অতি-, অপি-, উপ-, আৰু আ-। এই কুৰিটা উপসৰ্গ অসমীয়া আৰু বঙলা ভাষালৈ অকল উপসৰ্গ হিচাপে নাহি সংস্কৃত তৎসম শব্দৰ যোগেৰেহে দুয়োটা ভাষাত প্ৰৱেশ কৰিছে। এনে উপসৰ্গযুক্ত তৎসম শব্দবোৰ দুয়োটা ভাষাতেপ্ৰায় একে। আকৌ সংস্কৃত উপসৰ্গবোৰৰ কেইটামান কেতিয়াবা অসমীয়া আৰু বঙলা ভাষাৰ ঘৰুৱা শব্দৰ আগত যোগ দিও নতুন নতুন শব্দ গঠন কৰা হয়।

**৪.০১.১.১ অসমীয়া আৰু বঙলা ভাষাত সংস্কৃত উপসৰ্গৰ ব্যৱহাৰ ঃ**

প্ৰ- ঃ অতিশয়, উত্তম, উৎপত্তি, আগত যোৱা আদি অৰ্থত সংস্কৃতত প্ৰ- উপসৰ্গৰ ব্যৱহাৰ হয়। অসমীয়া আৰু বঙলা ভাষাত এই উপসৰ্গ যুক্ত ভালেমান তৎসম শব্দ পোৱা যায়। অসমীয়াতকৈ বঙলাত এনে উপসৰ্গযুক্ত তৎসম শব্দৰ প্ৰয়োগ বেছি। অসমীয়া আৰু বঙলা ভাষা দুটাত পোৱা সংস্কৃত 'প্ৰ' উপসৰ্গযুক্ত তৎসম শব্দবোৰ হৈছে ঃ

প্ৰকম্পন, প্ৰকম্পিত, প্ৰকৃষ্ট, প্ৰকীৰ্ণ, প্ৰকোপ, প্ৰকোষ্ঠ, প্ৰক্ৰম, প্ৰক্ৰিয়া, প্ৰখৰ, প্ৰখ্যাত, প্ৰগতি, প্ৰগাঢ়, প্ৰচলন, প্ৰচেষ্টা, প্ৰচ্ছন্ন, প্ৰচ্ছায়া, প্ৰজনন, প্ৰজন্ম, প্ৰজাতি, প্ৰজ্ঞাত, প্ৰজ্ঞান, প্ৰজ্বলন, প্ৰণাম, প্ৰণাশ, প্ৰতাপ,

প্রদর্শক, প্রদর্শন, প্রদক্ষিণ, প্রদাতা, প্রদান, প্রদায়ক, প্রদাহ, প্রদীপ, প্রদেশ, প্রদোষ, প্রপিতামহ, প্রপৌত্র, প্রবচন, প্রবঞ্চনা, প্রবাদ, প্রবাসী, প্রবোধ, প্রভেদ, প্রমাতামহ, প্রমূর্ত, প্রমুখ্য, প্রমূল্য, প্রযত্ন, প্রযুক্ত, প্রযুক্তি, প্রলেপ, প্রশাসক, প্রশাসন, প্রশিষ্য, প্রশিক্ষক, প্রশ্বাস, প্রসাধন, প্রসিদ্ধ, প্রসুপ্ত, প্রস্থান, প্রস্রৱণ, প্রক্ষিপ্ত ইত্যাদি। অৱশ্যে প্রণাশ, প্রসুপ্ত, প্রস্রৱণ আদি শব্দৰ প্রয়োগ বঙলা ভাষাত পোৱা যায় যদিও অসমীয়াত ইয়াৰ প্রয়োগ বিৰল।

পৰা- ঃ শ্রেষ্ঠ হোৱা, অপমান দিয়া, ভঙ্গ আদি অর্থত সংস্কৃতত পৰা- উপসর্গৰ প্রয়োগ হয়। অসমীয়া আৰু বঙলা ভাষাত এই উপসর্গযুক্ত শব্দবোৰ হ'ল ঃ

পৰাকৰণ, পৰাকাষ্ঠা, পৰাকৃত, পৰাক্রম, পৰাক্রান্ত, পৰাগত, পৰাজিত, পৰাধীন, পৰাবর্তিত, পৰাবহ, পৰাবৃত্ত, পৰাবৃত্তি, পৰাভৱ, পৰাভূত, পৰাহত, পৰায়ণ; আদি। অৱশ্যে, পৰাকৰণ (অৱজ্ঞা), পৰাকৃত (ঘৃণিত), পৰাবৃত্তি (প্রত্যাবর্তন), পৰাবর্তিত (যাক ফিৰোৱা হৈছে), পৰাবহ (সপ্তবায়ুৰ অন্তর্গত বায়ু), পৰাবৃত্ত, পৰাবৃত্তি আদি শব্দৰ ব্যৱহাৰ বঙলা ভাষাতহে পোৱা যায়।

অপ- ঃ বেয়া, নিকৃষ্ট, বিৰুদ্ধ, ভিন্ন আদি অর্থত সংস্কৃতত 'অপ-' উপসর্গৰ প্রয়োগ হয়। অসমীয়া আৰু বঙলা ভাষাত এই উপসর্গৰ যোগত গঠন হোৱা শব্দবোৰ হ'লঃ

অপকর্তা, অপকর্ম, অপকর্ষ, অপকলঙ্ক, অপকাৰক, অপকীর্তি, অপকৃত, অপকৃষ্ট, অপকেন্দ্র, অপক্রম, অপক্রান্ত, অপক্রিয়া, অপক্রোশ, অপগত, অপগমন, অপগুণ, অপগ্রহ, অপঘন, অপঘাত, অপঘাতক, অপঘৃণ, অপচয়, অপচিত, অপচেষ্টা, অপচ্ছায়া, অপজয়, অপজাতি, অপজ্ঞান, অপতৃণ, অপদিশ, অপদেৱতা, অপদেশ, অপদোষ, অপদ্রব্য, অপদ্রাৱক, অপধ্বংস, অপধ্বস্ত, অপধ্যান, অপনয়ন, অপনেতা, অপন্যায়, অপপণন, অপপাঠ, অপপ্রয়োগ, অপবর্গ, অপবর্জন, অপবর্তন, অপবাদ, অপবাৰণ, অপবাহন, অপবাহিত, অপবিদ্ধ, অপবিদ্যা, অপবৃত্ত, অপব্যৱহাৰ, অপব্যয়,

অপভয়, অপভাষা, অপভ্ৰংশ, অপভ্ৰষ্ট, অপমান, অপমাৰ্গ, অপমাৰ্জক, অপযশ, অপযাত্ৰী, অপযান, অপৰতি, অপৰাগ, অপৰূপ, অপলিখন, অপশঙ্কা, অপশব্দ, অপশোক, অপশ্ৰী, অপশ্ৰুতি, অপসৰণ, অপসৰ্গ, অপসাৰণ, অপসিদ্ধান্ত, অপসূৰ, অপস্নান, অপহত, অপহৰণ, অপহসিত, অপহস্ত, অপহাৰ, অপহাস, অপহৃত ইত্যাদি। এই শব্দবোৰৰ ভিতৰত অপকৰ্ত্তা, অপক্ৰম, অপক্ৰান্ত, অপক্ৰোশ, অপঘন, অপঘৃণ, অপপণন, অপবৃত্ত, অপমাৰ্জক, অপযান, অপযাত্ৰী, অপৰতি, অপৰাগ আদি শব্দৰ প্ৰয়োগ অসমীয়া ভাষাত দেখা নাযায়।

সম্- ঃ সকলো, একেলগ, উত্তম আদি অৰ্থ বুজাবলৈ সংস্কৃতত 'সম্-' উপসৰ্গ প্ৰয়োগ কৰা হয়। এই উপসৰ্গৰ যোগত অসমীয়া আৰু বঙলা ভাষাত গঠন হোৱা শব্দবোৰ হ'লঃ

সংকৰ্ষণ, সংকলন, সংকলিত, সংকল্প, সংকীৰ্তন, সংকুল, সংক্ৰম, সংক্ৰান্তি, সংগঠন, সংগম, সংগীত, সংগৃহীত, সংগ্ৰহণ, সংগ্ৰাহ্য, সংগ্ৰাহক, সংঘাত, সংজ্ঞান, সংজ্ঞাপন, সংবদন, সংবৰণ, সংবৰ্ধক, সংবৰ্ধিত, সংবলিত, সংবাদ, সংবাস, সংবাহক, সংবাহন, সংবিদিত, সংবিধান, সংবীক্ষণ, সংবৃতি, সংবৃত্ত, সংবেগ, সংবেদ, সংবেশ, সংযাত্ৰা, সংযোগ, সংযোজন, সংৰক্ষণ, সংৰক্ষিত, সংৰোধ, সংলগ্ন, সংশুদ্ধি, সংশোধক, সংশোধন, সংশ্ৰুত, সংশ্লিষ্ট, সংশ্লেষ, সংসৰণ, সংসৰ্গ, সংসাৰ, সংসৃষ্ট, সংস্থান, সংস্থাপক, সংস্থাপন, সংস্থাপিত, সংস্থিতি, সংস্পৰ্শ, সংস্ফোট, সংস্মৃতি, সংস্ৰাৱ, সংহনন, সংহৰণ, সংহাৰ, সংহৃত, সংহতি, সংক্ষিপ্ত, সংক্ষুব্ধ, সংক্ষেপ, সংক্ষোভ আদি।

নি- ঃ অভাৱ, ভিতৰ, ওপৰ, নিশ্চয় আদি অৰ্থত সংস্কৃতত 'নি-' উপসৰ্গৰ প্ৰয়োগ হয়। অসমীয়া আৰু বঙলা ভাষাত এই উপসৰ্গৰ যোগত গঠন হোৱা বিভিন্ন শব্দবোৰ হ'ল ঃ

নিকৰুণ, নিকৰ্তন, নিকষণ, নিকাৰণ, নিকুঞ্জ, নিকুম্ভ, নিকৃত, নিকৃতি, নিকৃষ্ট, নিখৰ্ব, নিগড়, নিগমন, নিগূঢ়, নিগৃহীত, নিগ্ৰাহ, নিচয়, নিচ্ছিদ্ৰ, নিদৰ্শন, নিনাদ, নিপাত, নিপাতন, নিপীড়ক, নিপীড়ন, নিবন্ধ,

নিবনুৱা, নিবদ্ধ, নিবৰ্তন, নিবসন, নিবাৰণ, নিবেদন, নিবাস, নিবাৰক, নিবৃত্ত, নিবৃত্তি, নিযুক্ত, নিৰূপ, নিৰোগ, নিৰোধ, নিসন্তান, নিসংগ, নিসংশয়, নিসন্দেহ, নিসন্ধি, নিসৰ্গ, নিসাৰ, নিস্তব্ধ, নিস্বাৰ্থ, নিহত, নিহন্তা, নিক্ষত্ৰিয়, নিক্ষিপ্ত, নিক্ষেপ ইত্যাদি। অৱশ্যে নিকৰ্তন, নিকষণ আদি শব্দৰ প্ৰয়োগ বঙলা ভাষাত পোৱা যায় যদিও অসমীয়া ভাষাত ইয়াৰ প্ৰয়োগ বিৰল।

অৱ- ঃ বেয়া, দূৰ, কম, অধোগতি আদি অৰ্থত সংস্কৃতত 'অৱ-' উপসৰ্গৰ প্ৰয়োগ হয়। অসমীয়া আৰু বঙলা ভাষাত এই উপসৰ্গৰ যোগত গঠন হোৱা শব্দবোৰ হ'লঃ

অৱকৰ্ষণ, অৱকলন, অৱগুণ্ঠন, অৱকৃষ্ট, অৱক্ৰয়, অৱগতি, অৱগমন, অৱগাঢ়, অৱঘূৰ্ণিত, অৱঘোষণা, অৱচেতন, অৱচ্ছেদ, অৱতৰণ, অৱতল, অৱতাৰণ, অৱদত্ত, অৱদমন, অৱদান, অৱদাহ, অৱধাৰণ, অৱধৃত, অৱধৌত, অৱধ্বংস, অৱনত, অৱনতি, অৱনমন, অৱপতিত, অৱবাদ, অৱবোধ, অৱবোধন, অৱভাষণ, অৱমতি, অৱমৰ্দন, অৱমোচন, অৱৰতি, অৱৰোধ, অৱৰুদ্ধ, অৱৰোহন, অৱলক্ষ, অৱলম্ব, অৱলম্বিত, অৱলিখন, অৱলিপ্ত, অৱলীন, অৱলীলা, অৱলুণ্ঠন, অৱলুপ্ত, অৱলেখ, অৱলেখন, অৱলেপন, অৱলেহন, অৱলোক, অৱলোকন, অৱলোপ, অৱলোহিত, অৱশিষ্ট, অৱশীৰ্ষ, অৱশেষ, অৱসৰ্গ, অৱসাৰণ, অৱসিক্ত, অৱসৃষ্ট, অৱস্থান, অৱস্থাপন, অৱস্থায়ী অৱস্থিত, অৱস্থিতি, অৱহাৰ, অৱহাৰক, অৱহাৰ্য, অৱহিত, অৱক্ষয়, অৱহীন, অৱহৃত, অৱহেলা, অৱহেলিত ইত্যাদি।

অনু- ঃ পাছত, তুল্য, হীন আদি অৰ্থত সংস্কৃতত 'অনু-' উপসৰ্গৰ প্ৰয়োগ হয়। অসমীয়া আৰু বঙলা ভাষাত এই উপসৰ্গৰ যোগত গঠন হোৱা শব্দবোৰ হ'ল ঃ

অনুকথন, অনুকম্পা, অনুকৰণ, অনুকৰণীয়, অনুকৰ্ম, অনুকৰ্ষণ, অনুকল্প, অনুকাৰ, অনুকাৰ্য, অনুকীৰ্তন, অনুকূল, অনুকৃত, অনুকৃতি, অনুক্ৰম, অনুক্ৰমণ, অনুক্ৰমণিকা, অনুক্ৰিয়া, অনুক্ষণ, অনুগত, অনুগমন, অনুগৃহীত, অনুগ্ৰাহ্য, অনুচৰ, অনুচ্ছেদ, অনুজন্মা, অনুজাত,

অনুজীৱ, অনুজ্ঞাত, অনুজ্ঞান, অনুতপ্ত, অনুতাপ, অনুতাপিত, অনুদৰ্শন, অনুদান, অনুদিত, অনুপঠিত, অনুপদ, অনুপল, অনুপাত, অনুপান, অনুপাৰ্শ্ব, অনুপ্ৰৱেশ, অনুপ্ৰস্থ, অনুপ্ৰভা, অনুপ্ৰয়াত, অনুপ্ৰাপ্ত, অনুপ্ৰাণিত, অনুবংশ, অনুপ্ৰেৰণা, অনুবন্ধ, অনুবাদ, অনুবাদক, অনুবাদ্য, অনুবাস, অনুবিদ্ধ, অনুবিধান, অনুবিভাগ, অনুবিম্ব, অনুৰোধ, অনুব্ৰজ, অনুব্ৰত, অনুবৃত্তি, অনুভাৱ, অনুমতি, অনুমান, অনুমোদন, অনুমগন, অনুমত, অনুমনন, অনুমন্ত্ৰণ, অনুমান, অনুমাপক, অনুযাত্ৰী, অনুযোগ, অনুযোজক, অনুযোজন, অনুৰক্তি, অনুৰঞ্জন, অনুৰঞ্জিত, অনুৰাগ, অনুৰাগী, অনুৰোধ, অনুলম্ব, অনুলিখন, অনুলিপি, অনুলিপ্ত, অনুলেপন, অনুলোম, অনুলঙ্ঘন, অনুশাসক, অনুশাসন, অনুশীলন, অনুশীলনীয়, অনুশীলিত, অনুশোচন, অনুশোচিত, অনুষংগ, অনুসন্ধান, অনুসৰণ, অনুসৰ্গ, অনুসিদ্ধান্ত, অনুসূচক, অনুসূচী, অনুসূদন, অনুস্বৰ, অনুক্ষণ অদি।

নিৰ্- ঃ নিশ্চয়, অভাৱ, ভিতৰ, ওপৰ আদি অৰ্থত সংস্কৃতত 'নিৰ-' উপসৰ্গ প্ৰয়োগ কৰা হয়। এই উপসৰ্গৰ যোগত অসমীয়া আৰু বঙলা ভাষাত গঠন হোৱা শব্দবোৰ হ'লঃ

নিৰ্গত, নিৰ্গমন, নিৰ্গুণ, নিৰ্ঘণ্ট, নিৰন্তৰ, নিৰৰ্থক, নিৰৰ্গল, নিৰলংকাৰ, নিৰস্ত্ৰ, নিৰহংকাৰ, নিৰাকাংক্ষা, নিৰাকাৰ, নিৰঙ্কুশ, নিৰ্ধন, নিৰাবৰণ, নিৰ্ঘোষ, নিৰ্জন, নিৰ্জৰ, নিৰ্জল, নিৰ্জীৱ, নিৰুত্তৰ, নিৰ্দহন, নিৰ্দোষ, নিৰ্দ্বন্দ্ব, নিৰ্ধাৰণ, নিৰ্ধাৰক, নিৰ্ধাৰ্য, নিৰ্বংশ, নিৰ্বাহ, নিৰ্বচন, নিৰ্বাচন, নিৰ্বল, নিৰ্বলী, নিৰ্বাক, নিৰ্বাচক, নিৰ্বাণ, নিৰ্বাত, নিৰ্বাপক, নিৰ্বাপণ, নিৰ্বাহ, নিৰ্বাহক, নিৰ্বিঘ্ন, নিৰ্বিচাৰ, নিৰ্বিবাদ, নিৰ্বিৰোধ, নিৰ্বিশেষ, নিৰ্বীজ, নিৰ্বীৰ্য, নিৰ্বেশ, নিৰ্বুদ্ধি, নিৰ্বোধ, নিৰ্ভয়, নিৰ্ভৰ, নিৰ্ভাৱনা, নিৰ্ভুল, নিৰ্মদ, নিৰ্মম, নিৰ্মল, নিৰ্মাণ, নিৰ্মালি, নিৰ্মূল, নিৰ্যাতন, নিৰ্যাতক, নিৰ্যাণ, নিৰ্বাস, নিৰ্লজ্জ, নিৰ্লোভি, নিৰ্লিপ্ত ইত্যাদি।

দুৰ্- ঃ বেয়া, বাধা, দুখ ইত্যাদি অৰ্থত সংস্কৃতত 'দুৰ-' উপসৰ্গ প্ৰয়োগ হয়। এই উপসৰ্গৰ যোগত অসমীয়া আৰু বঙলা ভাষাত গঠন হোৱা শব্দবোৰ হ'ল ঃ

দুৰ্কপাল, দুৰ্গত, দুৰ্গন্ধ, দুৰ্গম, দুৰ্গুণ, দুৰ্ঘটনা, দুৰ্ঘোৰ, দুৰ্জন, দুৰ্জয়, দুৰ্দমনীয়, দুৰ্দশা, দুৰ্দান্ত, দুৰ্দিন, দুৰ্ণাম, দুৰ্নিবাৰ, দুনিৰ্বাৰ্য, দুৰ্নীতি, দুৰ্বচন, দুৰ্বহ, দুৰ্বাক্য, দুৰ্বাদল, দুৰ্বাৰ, দুৰ্বাসনা, দুৰ্বিনীত, দুৰ্বিপাক, দুৰ্বিষহ, দুৰ্বুদ্ধি, দুৰ্বৃত্ত, দুৰ্বোধ, দুৰ্বোধ্য, দুৰ্ব্যৱহাৰ, দুৰ্ভগীয়া, দুৰ্ভাগ্য, দুৰ্ভাৱনা, দুৰ্ভিক্ষ, দুৰ্ভেদ্য, দুৰ্মতি, দুৰ্মিত্ৰ, দুৰ্মদ, দুৰ্মুখ, দুৰ্মূল্য, দুৰাকাংখা, দুৰাচাৰ, দুৰাৰোগ্য, দুৰাশা, দুৰ্যশ, দুৰ্যোগ, দুৰ্লংঘ্য, দুৰ্লভ, দুৰ্লক্ষণ, দুৰ্লক্ষ্য ইত্যাদি।

বি- ঃ উত্তম, বেয়া, হীন, অন্য আদি অৰ্থত সংস্কৃতত 'বি-' উপসৰ্গৰ প্ৰয়োগ হয়। অসমীয়া আৰু বঙলা ভাষাত এই উপসৰ্গৰ যোগত গঠন হোৱা শব্দবোৰ হ'লঃ

বিকম্পিত, বিকৰাল, বিকৰ্ষণ, বিকৰ্ণ, বিকল্প, বিকল্পিত, বিকাৰ, বিকাশ, বিকিৰণ, বিকৃত, বিকৃতি, বিক্ৰম, বিক্ৰয়, বিক্ৰিয়া, বিক্ৰেতা, বিখ্যাত, বিগত, বিগৰ্হিত, বিগলিত, বিগ্ৰহ, বিচৰণ, বিচল, বিচিত্ৰ, বিচিত্ৰিত, বিচূৰ্ণ, বিচেষ্টা, বিচ্ছিন্ন, বিচ্ছেদ, বিচ্যুত, বিজিত, বিজেতা, বিজাতি, বিজ্ঞাত, বিজ্ঞান, বিজ্ঞাপন, বিতৰ্ক, বিতৰ্কিত, বিতল, বিতান, বিতুষ্ট, বিতৃষ্ণা, বিদগ্ধ, বিদাৰণ, বিদিত, বিদীৰ্ণ, বিদেশ, বিদেশী, বিদেহ, বিদ্বেষ, বিধৰ্ম, বিধ্বংস, বিধ্বস্ত, বিনত, বিনতি, বিনম্ৰ, বিনষ্ট, বিনাশ, বিনিদ্ৰ, বিনিয়োগ, বিন্যস্ত, বিন্যাস, বিপাক, বিপ্ৰলম্ভ, বিপ্ৰিয়, বিফল, বিবুদ্ধি, বিবৃত, বিভংগ, বিভক্ত, বিভক্তি, বিভৱ, বিভাগ, বিভাজন, বিভাৰ, বিভাৱন, বিভাস, বিভূতি, বিভূষণ, বিভ্ৰম, বিভ্ৰান্ত, বিমত, বিমন, বিমৰ্ষ, বিমল, বিমুক্ত, বিমুখ, বিমুগ্ধ, বিমূঢ়, বিমোচন, বিমোহন, বিমোহিত, বিযুক্ত, বিৰক্ত, বিৰত, বিৰহ, বিৰাগ, বিৰাম, বিৰাৰ, বিৰুদ্ধ, বিৰূপ, বিৰোচন, বিৰোধ, বিলম্ব, বিলাপ, বিলাস, বিলীন, বিলুপ্ত, বিলেপন, বিলোপ, বিৱশ, বিৱাদ, বিশিষ্ট, বিশুদ্ধ, বিশৃংখল, বিশেষ, বিশোধন, বিশ্ৰান্ত, বিশ্ৰুত, বিশ্লেষ, বিসংগত, বিসংবাদ, বিসংগত, বিস্মৰণ, বিস্মৃত, বিক্ষত, বিক্ষিপ্ত ইত্যাদি।

অধি -ঃ ঘাই, ওপৰ আদি অৰ্থত সংস্কৃতত 'অধি-' উপসৰ্গ প্ৰয়োগ কৰা হয়। অসমীয়া আৰু বঙলা ভাষাত এই উপসৰ্গৰ যোগত গঠন হোৱা শব্দবোৰ হ'ল ঃ

অধিকৰণ, অধিকৰ্তা, অধিকাৰ অধিকৃত, অধিকেশ, অধিকোষ, অধিগম্য, অধিদেৱ, অধিদেৱতা, অধিদৈব, অধিনায়ক, অধিনিয়ম, অধিনেতা, অধিপতি, অধিবক্তা, অধিবাস, অধিবাসী, অধিবিদ্যা, অধিবৃত্ত, অধিবৃত্তি, অধিবেশন, অধিভূত, অধিমন্ত্ৰী, অধিমাস, অধিমূল্য, অধিৰাজ্য, অধিৰাষ্ট্ৰীয়, অধিষ্ঠান, অধিশিক্ষক, অধিৰোপন, অধিস্পৃহা ইত্যাদি।

সু- ঃ ভাল, উজু, অতিশয় আদি অৰ্থত সংস্কৃতত 'সু-' উপসৰ্গৰ প্ৰয়োগ কৰা হয়। এই উপসৰ্গৰ যোগত অসমীয়া আৰু বঙলা ভাষাত গঠন হোৱা শব্দবোৰ হ'ল ঃ

সুকঠিন, সুকণ্ঠ, সুকণ্ঠী, সুকন্যা, সুকপাল, সুকবি, সুকল্যাণ, সুকীৰ্তি, সুকুমাৰ, সুকৃত, সুকৃতি, সুকৌশল, সুখ্যাতি, সুগঠিত, সুগন্ধ, সুগন্ধি, সুগভীৰ, সুগম, সগম্য, সুচতুৰ, সুচৰিত্ৰ, সুচল, সুচাৰু, সুচিত্ৰিত, সুচিন্তিত, সুজন, সুজনতা, সুজলা, সুজাত, সুজান, সুতনু সুতল, সুতিক্ত, সুতীব্ৰ, সুতীক্ষ্ণ, সুদৰ্শন, সুদৰ্শনা, সুদক্ষ, সুদক্ষিণা, সুদিন, সুদীৰ্ঘ, সুদূৰ, সুদূৰপৰাহত, সুদৃঢ়, সুদৃশ্য, সুদৃষ্টি, সুধীৰ, সুনন্দ, সুনয়ন, সুনাম, সুনিপুণ, সুনিয়ন্ত্ৰিত, সুনিয়ম, সুনিৰ্নীত, সুনিৰ্দিষ্ট, সুনিৰ্মল, সুনিৰ্মিত, সুনিশ্চিত, সুনীতি, সুনীল, সুপক্ক, সুপথ, সুপৰ্ণ, সুপাত্ৰ, সুপুত্ৰ, সুপুৰুষ, সুপ্ৰণালী, সুপ্ৰতিষ্ঠা, সুপ্ৰতিষ্ঠিত, সুপ্ৰভা, সুপ্ৰভাত, সুপ্ৰশস্ত, সুপ্ৰসন্ন, সুপ্ৰসাদ, সুপ্ৰসিদ্ধ, সুফল, সুবচন, সুবৰ্ণ, সুবল, সুবলিত, সুবাস, সুবাসিত, সুবিচাৰ, সুবিচাৰক, সুবিদিত, সুবিন্যস্ত, সুবিমল, সুবিস্তীৰ্ণ, সুবিস্তৃত, সুবৃহৎ, সুবৃত্ত, সুবোধ, সুবোধ্য, সুব্যৱস্থা, সুব্ৰত, সুব্ৰাহ্মণ, সুভগা, সুভদ্ৰ, সুভাগ্য, সুভাষ, সুভাষিত, সুমতি, সুমধুৰ, সুমন্ত্ৰ, সুমহান, সুমিষ্ট, সুমেৰু, সুযশ, সুযাত্ৰা, সুযোগ্য, সুৰক্ত, সুৰঞ্জিত, সুৰম্য, সুৰসিক, সুৰক্ষিত, সুৰতি, সুৰাষ্ট্ৰ, সুৰুচি, সুললিত, সুলক্ষণ, সুলেখক, সুশাসক, সুশাসন, সুশিক্ষা, সুশিক্ষিত, সুশীতল,

সুশীল, সুশৃংখল, সুশোভন, সুশোভিত, সুশ্রাব্য, সুশ্রী, সুষম, সুসংবাদ, সুসংযত, সুসংস্কৃত, সুসংগত, সুসজ্জা, সুসজ্জিত, সুসন্তান, সুসভ্য, সুসময়, সুসমৃদ্ধ, সুসম্পন্ন, সুসাধ্য, সুস্থিৰ, সুস্থিৰতা, সুস্পষ্ট, সুস্নিগ্ধ, সুহৃদয় ইত্যাদি।

উৎ- ঃ শ্ৰেষ্ঠ, উৰ্দ্ধ আদি অৰ্থত সংস্কৃতত 'উৎ-' উপসৰ্গৰ প্ৰয়োগ কৰা হয়। এই উপসৰ্গৰ যোগত অসমীয়া আৰু বঙলা ভাষাত গঠন হোৱা শব্দবোৰ হ'ল ঃ

উৎকট, উৎকণ্ঠ, উৎকণ্ঠা, উৎকণ্ঠিত, উৎকৰ্ণ, উৎকৰ্ষ, উৎকৰ্ষণ, উৎকল, উৎকলিত, উৎকীৰ্ণ, উৎকৃষ্ট, উৎকৃষ্টতা, উৎকেন্দ্ৰিক, উৎকোচ, উৎকোচক, উৎক্ৰান্ত, উৎক্ৰান্তি, উৎক্ৰোশ, উৎক্ষিপ্ত, উৎক্ষেপ, উৎক্ষেপক, উৎক্ষেপন, উৎখাত, উত্তপ্ত, উত্তম, উত্তৰ, উত্তল, উত্তাপ, উত্তাপিত, উত্তীৰ্ণ, উত্তুঙ্গ, উত্তেজক, উত্তেজনা, উত্তোলন, উত্তোলক, উত্থান, উত্থাপক, উত্থাপন, উত্থাপিত, উত্ৰাৱল, উৎপতীয়া, উৎপত্তি, উৎপন্ন, উৎপল, উৎপাত, উৎপাদক, উৎপাদন, উৎপীড়ক, উৎপীড়ন, উৎপীড়িত, উৎপ্ৰেক্ষণ, উৎপ্ৰেক্ষা, উৎফুল্ল, উৎসঙ্গ, উৎসৱ, উৎসৰ্গ, উৎসৰ্গিত, উৎসৰ্গীকৃত, উৎসাহ, উৎসাহক, উৎসাহী, উৎসুক, উৎসুকতা, উৎসৃষ্ট, উৎসৃষ্টি, উদ্দীপ্ত, উদ্দেশ্য, উদ্ধত, উদ্ধাৰ, উদ্ধৃত, উদ্ভট, উদ্ভাগুালি, উদ্ভৱ, উদ্ভাৱন, উদ্ভাস, উদ্ভিদ, উদ্ভিন্ন, উদ্ভূত, উদ্ভেদ, উদ্ভ্ৰম, উদ্ভ্ৰান্ত, উদ্‌যাপন, উদ্বাউল, উদ্বাস্তু, উদ্বিগ্ন, উদ্বুদ্ধ, উদ্বেগ, উদ্বেল, উদ্বোধন, উদ্বোধক ইত্যাদি।

পৰি- ঃ সৰ্বত্ৰ, কেউপিনে, অতিশয় আদি অৰ্থত সংস্কৃতত 'পৰি-' উপসৰ্গ সংযোগ কৰা হয়। এই উপসৰ্গৰ যোগত অসমীয়া আৰু বঙলা ভাষাত গঠন হোৱা শব্দবোৰ হ'ল ঃ

পৰিকম্প, পৰিকৰ, পৰিকল্পনা, পৰিকল্পিত, পৰিকেন্দ্ৰ, পৰিক্ৰম, পৰিক্ৰমণ, পৰিক্লিষ্ট, পৰিক্ষিপ্ত, পৰিগণনা, পৰিগণিত, পৰিগৃহীত, পৰিগ্ৰহ, পৰিগ্ৰাহক, পৰিঘাত, পৰিঘটনা, পৰিচয়, পৰিচৰ্যা, পৰিচায়ক, পৰিচাৰক, পৰিচাৰণ, পৰিচালক, পৰিচালন, পৰিচালিত, পৰিচালিকা, পৰিচিত, পৰিচ্ছেদ, পৰিচ্ছন্ন, পৰিণাম, পৰিতপ্ত, পৰিতুষ্ট, পৰিতুষ্টি,

পৰিতৃপ্ত, পৰিত্যক্ত, পৰিত্যাগ, পৰিত্যাজ্য, পৰিত্ৰাণ, পৰিদৰ্শক, পৰিদৃশ্য, পৰিদৃষ্ট, পৰিধেয়, পৰিনাতি, পৰিনিৰ্বান, পৰিপক্ক, পৰিপন্থী, পৰিপাক, পৰিপাটী, পৰিপাৰ্শ্ব, পৰিপুষ্ট, পৰিপূৰ্ণ, পৰিপোষণ, পৰিবৰ্তন, পৰিবহন, পৰিবৰ্ধক, পৰিবাহী, পৰিবীক্ষণ, পৰিবেশ, পৰিবেশন, পৰিবেষ্টন, পৰিব্ৰাজক, পৰিব্ৰাজন, পৰিভ্ৰম, পৰিভ্ৰমণ, পৰিভ্ৰষ্ট, পৰিমণ্ডল, পৰিমণ্ডিত, পৰিমান, পৰিমাপ, পৰিমেয়, পৰিশিষ্ট, পৰিশীলন, পৰিশুদ্ধ, পৰিশোধ, পৰিশ্ৰম, পৰিশ্ৰান্ত, পৰিস্কাৰ, পৰিসংখ্যা, পৰিসমাপ্ত, পৰিসীমা, পৰিস্থিতি, পৰিস্ফুট, পৰিস্ফুৰণ, পৰিস্ৰাৱণ, পৰিহাৰ, পৰিহাস ইত্যাদি।

প্ৰতি -ঃ সমান, সমুখ, বিৰুদ্ধে, গাই গাই আদি অৰ্থত সংস্কৃতত 'প্ৰতি-' উপসৰ্গৰ প্ৰয়োগ কৰা হয়। অসমীয়া আৰু বঙলা ভাষাত এই প্ৰত্যয়ৰ যোগত গঠন হোৱা শব্দবোৰ হ'ল ঃ

প্ৰতিকাৰ, প্ৰতিকূল, প্ৰতিকৃতি, প্ৰতিক্ৰিয়া, প্ৰতিক্ষণ, প্ৰতিক্ষেপ, প্ৰতিগৃহীত, প্ৰতিগ্ৰহণ, প্ৰতিগ্ৰাহ, প্ৰতিঘাত, প্ৰতিজৈৱিক, প্ৰতিদান, প্ৰতিদিন, প্ৰতিদ্বন্দ্ব, প্ৰতিধ্বনি, প্ৰতিধ্বনিত, প্ৰতিনাদ, প্ৰতিনিধি, প্ৰতিনায়ক, প্ৰতিনিয়ত, প্ৰতিপক্ষ, প্ৰতিপদ, প্ৰতিপত্তি, প্ৰতিপন্ন, প্ৰতিপাদন, প্ৰতিপাদ্য, প্ৰতিপাদক, প্ৰতিপাল, প্ৰতিপালক, প্ৰতিপালন, প্ৰতিপালনীয়, প্ৰতিফল, প্ৰতিফলন, প্ৰতিফলিত, প্ৰতিবন্ধ, প্ৰতিবন্ধক, প্ৰতিবিম্ব, প্ৰতিবিম্বন, প্ৰতিবিধান, প্ৰতিবেশ, প্ৰতিবেদন, প্ৰতিভাস, প্ৰতিভাসিত, প্ৰতিভূ, প্ৰতিমুখ, প্ৰতিমুহূৰ্ত, প্ৰতিমূৰ্তি, প্ৰতিযোগী, প্ৰতিযোগিতা, প্ৰতিযোজন, প্ৰতিযোদ্ধা, প্ৰতিৰুদ্ধ, প্ৰতিৰূপ, প্ৰতিৰোধ, প্ৰতিৰোধক, প্ৰতিৰোধিত, প্ৰতিলিপি, প্ৰতিশব্দ, প্ৰতিশোধ, প্ৰতিশ্ৰুতি, প্ৰতিষেধ, প্ৰতিশ্ৰুতি, প্ৰতিষেধক, প্ৰতিষ্ঠান, প্ৰতিষ্ঠাপন, প্ৰতিষ্ঠাপিত, প্ৰতিষ্ঠিত, প্ৰতিহত, প্ৰতিহাৰ, প্ৰতিহিংসা ইত্যাদি।

অভি - ঃ সমুখ, ঘাই, ওচৰ, বিৰুদ্ধ আদি অৰ্থত সংস্কৃতত 'অভি-' উপসৰ্গৰ প্ৰয়োগ কৰা হয়। এই উপসৰ্গৰ যোগত অসমীয়া আৰু বঙলা ভাষাত গঠন হোৱা শব্দবোৰ হ'ল ঃ

অভিকল্পনা, অভিকল্পিত, অভিকেন্দ্র, অভিগমন, অভিগামী, অভিগৃহীত, অভিজাত, অভিজ্ঞাত, অভিজ্ঞান, অভিধান, অভিধাৰন, অভিধেয়, অভিধ্যান, অভিনন্দন, অভিনৱ, অভিনিষ্ক্ৰমণ, অভিনিষ্ক্ৰান্ত, অভিনিস্পত্তি, অভিনেতা, অভিনেত্ৰী, অভিপ্ৰায়, অভিপ্ৰেত, অভিবাদন, অভিবাদ্য, অভিব্যক্ত, অভিব্যক্তি, অভিব্যঞ্জন, অভিব্যাপক, অভিব্যাপ্ত, অভিব্যাপ্তি, অভিভাবক, অভিভাষণ, অভিভূত, অভিমত, অভিমন্ত্ৰণ, অভিমান, অভিমানী, অভিমুখ, অভিযন্তা, অভিযান, অভিযাত্ৰী, অভিযান্ত্ৰিক, অভিযুক্ত, অভিযোগ, অভিৰুচি, অভিলাষ, অভিলিখিত, অভিশপ্ত, অভিশাপ, অভিষেক, অভিষিক্ত, অভিশ্ৰুতি, অভিসন্ধি, অভিসম্পাত, অভিসাৰ, অভিসাৰক, অভিসাৰিকা, অভিসাৰী ইত্যাদি।

অতি - ঃ অধিক, ঘাই, অনুচিত আদি অৰ্থত সংস্কৃতত 'অতি-' উপসৰ্গ প্ৰয়োগ কৰা হয়। এই উপসৰ্গৰ যোগত অসমীয়া আৰু বঙলা ভাষাত গঠন হোৱা শব্দবোৰ হ'লঃ

অতিকথা, অতিকথিত, অতিকায়, অতিক্ৰম, অতিক্ৰমণ, অতিক্ৰমণীয়, অতিক্ৰম্য, অতিক্ৰান্ত, অতিগন্ধ, অতিগৰ্ব, অতিদৰ্প, অতিপাতক, অতিপাতকী, অতিপ্ৰাকৃত, অতিবৃষ্টি, অতিব্যাপ্তি, অতিভক্তি, অতিভোজন, অতিমাত্ৰা, অতিমানৱ, অতিৰঞ্জন, অতিৰঞ্জিত, অতিৰিক্ত, অতিলঙঘন, অতিসন্ধান, অতিসৃষ্ট ইত্যাদি।

অপি - ঃ ওপৰ, সন্দেহ, নিশ্চয় আদি অৰ্থত সংস্কৃতত 'অপি-' উপসৰ্গৰ প্ৰয়োগ কৰা হয়। অসমীয়া আৰু বঙলা ভাষাত এই উপসৰ্গৰ যোগত গঠন হোৱা শব্দবোৰ হ'লঃ

অপিধান, অপিনদ্ধ, অপিনিহিতি, অপিশুন, অপিনিধান ইত্যাদি।

অপিনদ্ধ, অপিশুন আদি শব্দ অকল বঙলা ভাষাতহে পোৱা যায়।

উপ - ঃ ওচৰ, সামান্য, প্ৰায়, তুল্য আদি অৰ্থত সংস্কৃতত 'উপ-' উপসৰ্গৰ প্ৰয়োগ কৰা হয়। অসমীয়া আৰু বঙলা ভাষাত এই উপসৰ্গৰ যোগত গঠন হোৱা শব্দবোৰ হ'ল ঃ

উপকণ্ঠ, উপকণ্ঠীয়, উপকৰণ, উপকল্পিত, উপকাৰ, উপকাৰক, উপকাৰিতা, উপকাৰী, উপকূল, উপকৃত, উপকৃতি, উপক্রম, উপক্রমণ, উপক্রমণিকা, উপক্রম্য, উপক্রীড়া, উপক্ষেপ, উপক্ষেপণ, উপগৃহীত, উপগ্রহণ, উপঘাত, উপঘাতক, উপচয়, উপচাৰ, উপজাত, উপজাতি, উপজিহ্বা, উপজীবক, উপজীৱিকা, উপজীব্য, উপঢৌকন, উপদৰ্শক, উপদৰ্শিকা, উপদৰ্শন, উপদেৱ, উপদেৱতা, উপদেশ, উপদেশনীয়, উপদেষ্টা, উপদ্ৰৱ, উপদ্ৰষ্টা, উপদ্বীপ, উপধাতু, উপনদ, উপনদী, উপনাম, উপনায়ক, উপনিক্ষেপ, উপনিধি, উপনিবিষ্ট, উপনিবেশ, উপনিবেশিত, উপনিৰ্গত, উপনেতা, উপন্যস্ত, উপন্যাস, উপপতি, উপপত্নী, উপপথ, উপপদ, উপপাদ, উপপাদন, উপপাদ্য, উপপীড়ন, উপপীড়িত, উপপুৰাণ, উপবন, উপবৰ্ণ, উপবাস, উপবিদ্যা, উপবিধি, উপবৃক্ষ, উপবেশন, উপভাষা, উপভুক্ত, উপভোক্তা, উপভোগ, উপভোগ্য, উপমিত, উপমেয়, উপযুক্ত, উপযুক্ততা, উপযোগ, উপযোগিতা, উপযোজন, উপলক্ষণ, উপলক্ষ্য, উপলব্ধ, উপলব্ধি, উপলভ্য, উপলম্ভ, উপশাখা, উপশিৰা, উপশোষণ, উপশোষিত, উপসংহাৰ, উপসৰ্গ, উপস্থিত, উপস্থিতি, উপহাৰ, উপহাস ইত্যাদি।

আ- ঃ অলপ, পৰ্যন্ত, অৱধি, পুনৰ, সৰু আদি অৰ্থত সংস্কৃতত 'আ-' উপসৰ্গ প্ৰয়োগ কৰা হয়। এই প্ৰত্যয়ৰ যোগত অসমীয়া আৰু বঙলা ভাষাত গঠন হোৱা বিভিন্ন শব্দবোৰ হ'ল ঃ

আকণ্ঠ, আকম্পিত, আকৰ্ণ, আকৰ্ণনীয়, আকৰ্ষক, আকৰ্ষণ, আকৰ্ষিত, আকাংক্ষা, আকাংক্ষিত, আকীৰ্ণ, আকুল, আকৃতি, আকৃষ্ট, আক্রমণ, আক্রান্ত, আক্রোশ, আগমন, আগল, আগ্রহন, আঘ্রাণ, আচৰণ, আচাৰ, আজন্ম, আজান, আজানু, আজীৱ, আজীৱন, আধৰুৱা, আপ্রাণ, আবদ্ধ, আবণ্টন, আবৰণ, আবৰ্জন, আবৰ্জিত, আবৃত, আবৃত্তি, আবেগ, আবেদন, আভাস, আমন্ত্রণ, আমন্ত্রিত, আমৰণ, আৰক্ত, আৰক্তিম, আৰোপক, আৰোপণ, আৰোপিত, আৰোহক,

আৰোহণ, আৰোহিত, আলম্ব, আলম্বন, আলম্বিত, আশঙ্কা, আশঙ্কিত, আশৈশৱ, আশৌচ, আশ্বাস, আস্থান, আস্ফোট, আস্বাদ, আস্বাদন, আস্ৰাৱণ, আহত, আহুতি, ইত্যাদি।

এইবোৰৰ উপৰিও সংস্কৃত উপসৰ্গ কেইটামানৰ লগত অসমীয়া আৰু বঙলা ভাষাৰ ঘৰুৱা শব্দৰ সংযোগ ঘটাইও নানান নতুন নতুন শব্দ গঠন কৰা হয়। উদাহৰণস্বৰূপে-

নি- ঃ নিকট্‌কটীয়া, নিকটৰীয়া, নিকটলুৱা, নিকণ্টকীয়া, নিকপ্‌কপীয়া, নিকপটীয়া, নিখুঁত, নিখুন্দ, নিখোজ, নিগুটি, নিঘুণীয়া, নিজগৰ, নিটোল, নিঠৰুৱা, নিঢলীয়া, নিথৰ, নিধৰুৱা, নিপানী, নিফুট, নিভাঁজ, নিমগন, নিমৰমিয়াল, নিমাত, নিসঁচ আদি।

বি-ঃ বিকৰ্থনা, বিগঢ়ী, বিজাতৰীয়া, বিজতুৱা, বিজুতি, বিজোখ, বিপাং, বিভোল, বিযোৰ, বিৰোষ, বিলগ, বিশুধি, বিসঁচ, বিসোৱাদ আদি।

সু-ঃ সুকপলীয়া, সুকাঠী, সুখবৰ, সুগঢ়ী, সুঠাম, সুডোল, সুথিলি, সুবন্দোবস্ত আদি।

আ-ঃ আভঁজা, আভকতীয়া, আবতৰ, আগঢ়ী আদি।

### ৪.০১.১.২ অসমীয়া আৰু বঙলা ভাষাৰ নিজস্ব বা ঘৰুৱা উপসৰ্গ ঃ

সংস্কৃত উপসৰ্গসমূহৰ উপৰিও অসমীয়া আৰু বঙলা ভাষা দুটাত কেতবোৰ স্বকীয় উপসৰ্গৰো ব্যৱহাৰ দেখা যায় - যাৰ যোগত ভিন ভিন অৰ্থবাচক শব্দৰ গঠন কৰা হয়। বঙলা ভাষাত এই উপসৰ্গকেইটাক 'শব্দের আদিতে অবস্থিত তদ্ধিৎ প্রত্যয়'[২] বোলা হয়। অসমীয়া আৰু বঙলা ভাষাত নতুনকৈ গঢ় লৈ উঠা নিজস্ব অথবা ঘৰুৱা উপসৰ্গ বা পূৰ্বপ্ৰত্যয়বোৰ হৈছে এনেধৰণৰ ঃ-

<u>অসমীয়া ঃ-</u>

অ- ঃ অভাৱ, বিপৰীত, বেয়া, নীহ আদি অৰ্থত এই 'অ-' উপসৰ্গ যোগ কৰি নতুন নতুন শব্দ গঠন কৰিব পাৰি; সংস্কৃততো অ- উপসৰ্গ লগ কৰি সমাস গঠন কৰা হয়। অসমীয়াত সংস্কৃত অ- উপসৰ্গযুক্ত তৎসম শব্দৰ ব্যৱহাৰো আছে। লগতে অসমীয়া ভাষাত অ- উপসৰ্গৰ যোগত নিজস্ব ভাৱে গঢ় লৈ উঠা ঘৰুৱা তদ্ভৱ শব্দবোৰ আছে। উদাহৰণস্বৰূপে তলত এই শব্দবোৰৰ কেইটামান উল্লেখ কৰা হ'ল -

২। ড° সুনীতি কুমাৰ চট্টোপাধ্যায় ঃ ভাষা প্ৰকাশ বাঙ্গালা ব্যাকৰণ, পৃঃ-১৭০

অ- উপসর্গযুক্ত তৎসম শব্দ =

অকঠিন, অকণ্টক, অকথা, অকথ্য, অকপট, অকম্পমান, অকাৰণ, অকর্ম, অকুণ্ঠ, অক্ৰূৰ, অক্লান্ত, অগ্রাহ্য, অচিৰ, অজাতি, অজীর্ণ, অতর্কিত, অদাহ্য, অদ্বৈত, অনিত্য, অনির্বন্ধ, অপৰিষ্কাৰ, অবিলম্বে, অবিশ্ৰাম ইত্যাদি।

অ- উপসর্গযুক্ত তদ্ভৱ শব্দ =

অকঁটলা, অকটুৰ, অকাজ, অজান, অবুজ, অবুজন, অবৈতনিক, অটুট, অথল, অভকত, অভকতীয়া, অভগন, অমাত, অমানুহ, অবাক, অচিনাকি, অগিয়ান, অথাউনি ইত্যাদি।

অন- ঃ সাদৃশ্য, অভাৱ, অন্যত্র, বিৰোধ আদি অর্থত 'অন' - উপসর্গৰ প্রয়োগ কৰা হয়। সংস্কৃততো এই অন- উপসর্গ প্রয়োগ কৰি নঞ তৎপুৰুষ সমাস গঠন কৰা হয়। অসমীয়াত সংস্কৃত নঞ তৎপুৰুষ সমাসৰ দ্বাৰা গঠিত শব্দৰ ব্যাপক ব্যৱহাৰ দেখা যায়। সেইবোৰৰ কিছুমান হৈছে ঃ

অনক্ষৰ, অনধিক, অনধিকাৰ, অনধিকাৰী, অনাধিকৃত, অননুকৰণীয়, অনভিজ্ঞ, অনভিপ্রেত, অনভ্যাস, অনৰ্গল, অনৰ্থ, অনৰ্থক, অনলস, অনৱচ্ছিন্ন,অনৱধান, অনাগত, অনাচাৰ, অনাড়ম্বৰ, অনাদায়, অনাদি,অনাদৃত, অনাবেশ, অনাবৃত, অনাময়, অনায়াস, অনাৰ্য, অনাৱশ্যক, অনাৱিস্কৃত, অনাশ্রয়, অনাসক্ত, অনাস্থা, অনাহাৰ, অনাহুত, অনিচ্ছা, অনিষ্ট, অনুচিত, অনুৎসাহ, অনুৎসাহী, অনুদ্দিষ্ট, অনুদ্বিগ্ন, অনুদ্বেগ, অনুদ্যোগ, অনুদ্যম, অনুন্নত, অনুপযুক্ত, অনুপলব্ধি, অনুপস্থিত, অনুপযোগী, অনুর্বৰ ইত্যাদি।

অন- উপসর্গযুক্ত খাঁচ অসমীয়া শব্দৰ প্রয়োগ তেনেই সীমিত। তেনে দুই-এটা শব্দ হৈছে - অনাভুৱা (অন - আভুৱা)।

অনা- ঃ অমঙ্গল, বিৰূপ, অভাৱ আদি অর্থত এই 'অনা' উপসর্গৰ প্রয়োগ কৰা হয়। এই উপসর্গৰ যোগত গঠন হোৱা বিভিন্ন শব্দবোৰ হ'ল ঃ-

অনাঅসমীয়া, অনাকটা, অনাতাঁৰ, অনাদোষ, অনাবৃষ্টি, অনাহক ইত্যাদি।

আও- ঃ বেয়া, বিপৰীত, অশুভ, ইষৎ, বৰ, অস্বাভাৱিক আদি অর্থত এই 'আও' - উপসর্গ প্রয়োগ কৰা হয়। এই উপসর্গৰ যোগত গঠন হোৱা বিভিন্ন শব্দবোৰ হ'ল ঃ

আওকচু, আওকলি, আওকঠীয়া, আওকণীয়া, আওকাঠ, আওকাঠী, আওকাণ, আওকিল, আওখটি, আওখটীয়া, আওখাল, আওগৰীয়া, আওগৰু, আওডাল, আওডুবি, আওঢলীয়া, আওপকীয়া, আওপাক, আওবৰণীয়া, আওবাট, আওবাৰ, আওভাও, আওমৰণ, আওহতীয়া, আওহাত, আওহেলা ইত্যাদি।

উ- ঃ বিপৰীত, অধিক আদি অৰ্থত 'উ' উপসৰ্গ প্ৰয়োগ কৰা হয়। ইয়াৰ যোগত গঠন হোৱা বিভিন্ন শব্দবোৰ হ'ল ঃ

উচল, উচাট, উচাপ, উচাহ, উচুপ, উচ্ছন্ন, উচ্ছল, উচ্ছেদ, উছন, উজল, উজলা, উজাগৰ, উজান, উজাৰ, উজাল, উঠন, উতলা, উতপ্ত, উত্যক্ত, উথল, উদন্ত, উদ্বেগ, উধতুৰা, উধাও, উধাতু, উবুৰি, উভঙা, উমান, উমাল, উলংঘন, উলংঘা, উলাই, উলাহ ইত্যাদি।

এ- ঃ পৰ্যন্ত আৰু এক অৰ্থ বুজাবলৈ 'এ' - উপসৰ্গৰ প্ৰয়োগ কৰা হয়। ইয়াৰ যোগত গঠন হোৱা শব্দবোৰ হ'ল ঃ

এককাঁল, একঠীয়া, একণীয়া, একাঁচল, একাঁঠু, একাজি, একাঠী, একান্ত, একাষৰীয়া, একুৰি, একোঁচ, একোঁহা, একোঁহীয়া, এখনীয়া, এখন্তেক, এখুজীয়া, এগুণ, এঘৰ, এচঁহীয়া, এচকুৰা, এচলীয়া, এচিকটা, এচেৰেঙা, এটকা, এটোপ, এটোপা, এঠলীয়া, এডলীয়া, এডাল, এডিঙীয়া, এঢলীয়া, এঢাল, এতলীয়া, এথুঁতৰি, এদঁতীয়া, এদিন, এদনীয়া, এদোন, এধৰীয়া, এধাৰ, এপতা, এপতীয়া, এপাহ, এপাহি, এফলীয়া, এফাল, এবাৰ, এবুকু, এবেলা, এবেলি, এমূৰীয়া, এলাগী, এলাহ, এলেং, এলেবাং, এসাঁজ, এসাজ, এহতীয়া, এহাল, এহেৰুৱা ইত্যাদি।

কু- ঃ অশুভ, নিবাৰণ, আদি অৰ্থত 'কু' - উপসৰ্গৰ প্ৰয়োগ কৰা হয়। এই উপসৰ্গটো সাধাৰণতে সংস্কৃত তৎসম শব্দৰ আগত যোগ কৰা হয়। ইয়াৰ যোগত গঠন হোৱা শব্দবোৰ হ'ল ঃ

কুঅভ্যাস, কুঅভিপ্ৰায়, কুঅভিসন্ধি, কুকথা, কুকৰ্ম, কুকাৰ্য, কুখ্যাত,

কুখ্যাতি, কুগ্ৰহ, কুচক্ৰ, কচক্ৰী, কুচক্ৰান্ত, কুচৰ্চা, কুদৃষ্টি, কুনাম, কুপথ, কুপুত্ৰ, কুফল, কুবলয়, কুবাদ, কুবুদ্ধি, কুবেশ, কুমতি, কুমন্ত্ৰ, কুমন্ত্ৰণা, কুযশ, কুযাত্ৰা, কুযোগ, কুযোনি, কুৰুচি, কুলক্ষণ, কুশাসন, কুশ্ৰী, কুসংস্কাৰ আদি।

পাত- ঃ বিশেষ্য বা নাম পদৰ আগত 'পাত' শব্দ উপসৰ্গ হিচাপে যোগ কৰি অসমীয়া ভাষাত বিভিন্ন শব্দ গঠন কৰা হয়। যেনে -

পাতকবি, পাতফুল, পাত গাভৰু, পাতঘৰ, পাতবঙলা, পাতবেং আদি। কেতিয়াবা 'সীয়া' শব্দৰ আগত 'পাত' যোগ কৰি বিশেষণ শব্দও গঠন কৰা হয়। যেনে - পাতসীয়া।

পাতি-ঃ সামান্য, সাধাৰণ, সৰু আদি অৰ্থত এই উপসৰ্গৰ যোগত বিভিন্ন নতুন শব্দ গঠন কৰা হয়। যেনে -

পাতিকাউৰী, পাতিকামী, পাতিতাল, পাতিনেমু, পাতি পঁইচা, পাতি বটালী, পাতিহাঁহ, পাতিসোন্দা আদি।

বিনা- ঃ নোহোৱা, নথকা আদি অৰ্থত 'বিনা' - উপসৰ্গ সংযোগ কৰা হয়। এই উপসৰ্গৰ যোগত গঠন হোৱা শব্দবোৰ হ'ল ঃ

বিনাকথা, বিনাকাৰণ, বিনামেঘে (বজ্ৰপাত), বিনাবাক্যই, বিনাযুদ্ধই, বিনাকষ্টই, বিনাশ্ৰম ইত্যাদি।

ভৰ-/ভৰা-ঃ সম্পূৰ্ণ অৰ্থত এই উপসৰ্গ যোগ কৰি নানান নতুন শব্দ গঠন কৰা হয়। যেনেঃ

ভৰদুপৰ, ভৰদুপৰীয়া, ভৰপক, ভৰপেট, ভৰ বয়স, ভৰ বাৰিষা, ভৰ যৌৱন, ভৰা কলহ, ভৰা নৈ, ভৰাযৌৱন আদি।

যথা- ঃ যেনে, যি প্ৰকাৰে আদি অৰ্থত অসমীয়া ভাষাত 'যথা' -উপসৰ্গৰ সংযোগ কৰা হয়। এই উপসৰ্গ সাধাৰণতে সংস্কৃত তৎসম শব্দৰ আগত প্ৰয়োগ হয় ইয়াৰ যোগত গঠন হোৱা শব্দবোৰ হ'ল ঃ

যথাইচ্ছা, যথাকাৰ্য, যথাক্ৰম, যথাতথা, যথানিয়ম, যথাবিধি,

যথাবিহিত, যথাৰীতি, যথাযোগ্য, যথাশক্তি, যথাসাধ্য, যথাসম্ভৱ, যথাসৰ্বস্ব, যথাস্থান ইত্যাদি।

স- ঃ সহ, সৈতে, যুক্ত আদি অৰ্থত 'স' উপসৰ্গৰ প্ৰয়োগ কৰা হয়। এই উপসৰ্গৰ যোগত গঠন হোৱা সংস্কৃত তৎসম আৰু ঘৰুৱা অসমীয়া শব্দ কিছুমান হ'ল ঃ

সকন্টক, সকৰুণ, সকৰ্মক, সকাম, সগৰ্ব, সগৌৰবে, সগৰ্ভা, সগুণ, সগোত্ৰ, সগোত্ৰী, সঘন, সঘোষ, সচং, সচকিত, সচৰাচৰ, সচৰ, সচল, সচিত, সচিত্ৰ, সচেতক, সচেতন, সচেষ্টা, সচ্ছিদ্ৰ, সজল, সজাগ, সজাগৰ, সজাতি, সজাতীয়, সজীৱ, সজোৰ, সজ্ঞান, সঠিক, সতীৰ্থ, সতৃষ্ণা, সতেজ, সধৰ্মী, সনাথ, সনিৰ্বন্ধ, সপত্নী, সপৰিবাৰ, সপক্ষ, সপিণ্ড, সপুত্ৰক, সপুষ্পক, সপ্ৰতিভ, সপ্ৰমাণ, সফল, সবংশ, সবৰ্ণ, সবল, সবাক, সচিত্ৰ, সবান্ধৱ, সবিনয়, সবিশেষ, সবিস্ময়, সভয়, সমল, সমান, সমুখ, সমূল, সযত্ন, সৰস, সলাজ, সশংকা, সশব্দ, সশৰীৰ, সশিষ্য, সশ্ৰদ্ধা, সশ্ৰম, সসম্ভ্ৰম, সসন্মান, সসৈন্য, সস্নেহ, সক্ষমতা, সহাস্য, সহিত, সহৃদয় আদি।

সহ- ঃ সৈতে, লগত, যুক্ত আদি অৰ্থত 'সহ' - উপসৰ্গৰ প্ৰয়োগ কৰা হয়। এই উপসৰ্গৰ যোগত গঠন হোৱা শব্দবোৰৰ অধিকাংশই তৎসম শব্দ। যেনে -

সহঅভিনয়, সহঅৱস্থান, সহোদৰ, সহকৰ্মী, সহকাৰী, সহগমন, সহগামিনী, সহচৰ, সহচাৰী, সহচাৰিণী, সহজাত, সহধৰ্মী, সহধৰ্মিনী, সহপাঠী, সহপাঠিনী, সহবাস, সহমৰণ, সহমৃতা, সহযাত্ৰা, সহযাত্ৰী, সহযোগ, সহযোগিতা, সহযোগী ইত্যাদি।

হা- ঃ দুখ, আশ্চৰ্য, হতাশা আদি ভাব প্ৰকাশক অৰ্থত কেতিয়াবা হা- উপসৰ্গ যোগ কৰা হয়। যেনে -

হাভাত, হাকাপোৰ আদি।

## বঙলা ঃ-

অ ঃ অভাৱ, বিৰোধ, নোহোৱা আদি অৰ্থত অসমীয়াৰ দৰে বঙলা ভাষাতো এই প্ৰত্যয়ৰ প্ৰয়োগ কৰা হয়। এই উপসৰ্গযুক্ত অধিকাংশ শব্দই তৎসম শব্দ। বঙলা ভাষাত অ- উপসৰ্গযুক্ত শব্দ অসংখ্য। সেইবোৰৰ কেইটামান হৈছে -

অঋণ, অঋণী, অকটাক্ষ, অকটু, অকঠিন, অকঠোৰ, অকড়িয়া, অকন্টক, অকথন, অকথনীয়, অকথা, অকথিত, অকথ্য, অকনিষ্ঠ, অকপট, অকবি, অকম্প, অকম্পন, অকম্পিত, অকৰণ, অকৰণীয়, অকৰুণ, অকর্কশ, অকর্ণ, অকর্ণধাৰ, অর্কতন, অকর্তব্য, অকর্তৃত্ব, অকর্ম, অকর্মঠ, অকর্মভোগ, অকলঙ্ক, অকলঙ্কিত, অকলুষিত, অকল্পনা, অকল্পিত, অকল্যাণ, অকষায়, অকষ্টকল্পনা, অকষ্টবদ্ধ, অকস্মাৎ, অকাজ, অকাট্য, অকাঠিন্য, অকাণ্ড, অকাতৰ, অকাম, অকামী, অকামুক, অকাম্য, অকাৰণ, অকার্পণ্য, অকার্য, অকার্যকৰ, অকার্যকৰী, অকার্যক্ষম, অকার্যচিন্তা, অকাল, অকালজাত, অকালজ্ঞ, অকালবৃদ্ধ, অকিঞ্চন, অকীর্তি, অকুটিল, অকুণ্ঠ, অকুণ্ঠিত, অকুৎসিত, অকুপিত, অকুমাৰ, অকুল, অকুলীন, অকুশল, অকৃতকার্য, অকৃতঘ্ন, অকৃতজ্ঞ, অকৃতার্থ, অকৃতি, অকৃতিত্ব ইত্যাদি।

অন - ঃ সাদৃশ্য, অভাৱ, অন্যত্র আদি অর্থত অসমীয়াৰ দৰে বঙলা ভাষাত 'অন' - উপসর্গৰ প্রয়োগ কৰা হয়। ইয়াৰ যোগত গঠন হোৱা আৰু সঘনাই বঙলা ভাষাত ব্যৱহাৰ হোৱা শব্দবোৰ হ'ল ঃ

অনক্ষৰ, অনতিক্রম, অনতিক্রমণীয়, অনতিবলম্ব, অনতিৰিক্ত, অনধিক, অনধিকাৰ, অনধিকাৰী, অনধিগম্য, অনধিষ্ঠিত, অননুকৰণীয়, অননুকুল, অননুগত, অননুভূত, অননুমিত, অননুৰূপ, অননুশীলতা, অননুষ্ঠান, অননুষ্ঠিত, অনন্য, অনবচ্ছিন্ন, অনবধি, অনবৰুদ্ধ, অনবস্থিত, অনবস্থিতি, অনভিজাত, অনভিজ্ঞ, অনভিপ্রেত, অনভিব্যক্ত, অনভিভূত, অনভিলষিত, অনভিলাষ, অনভ্যস্ত, অনভ্যাস, অনর্গল, অনর্থ, অনহংকাৰ, অনহংকাৰী, অনাঘাত, অনাঘ্রাতা, অনাদৰ, অনাদৰণীয়, অনাদায় ইত্যাদি।

অনা -ঃ অমংগল, বিৰূপ, অভাৱ আদি অর্থত অসমীয়াৰ দৰে বঙলাতো 'অনা-' উপসর্গৰ প্রয়োগ কৰা হয়। এই উপসর্গৰ যোগত গঠন হোৱা শব্দবোৰ হ'ল ঃ

অনাকর্ণনীয়, অনাকাল, অনাছিষ্টি, অনাবৃষ্টি, অনামুখ, অনাশ্লিষ্ট, অনাসৃষ্টি আদি।

কু - ঃ অশুভ, নিবাৰণ, পাপ, নিন্দা আদি অৰ্থত অসমীয়াৰ দৰে বঙলা ভাষাতো 'কু-' উপসৰ্গ প্ৰয়োগ কৰা হয়। এই উপসৰ্গৰ যোগত গঠন হোৱা শব্দবোৰ হ'ল ঃ

কুকড়া, কুকথা, কুকৰ্ম, কুকৰ্মী, কুকাৰ্য, কুক্ৰিয়া, কুক্ষণ, কুখ্যাতি, কুখবৰ, কুগ্ৰহ, কুচক্ৰ, কুচক্ৰী, কুচন্দন, কুচৰিত্ৰ, কুচৰ্যা, কুচল, কুচাল, কুচিকিৎসক, কুচিকিৎসা, কুচিন্তা, কুচেল, কুচেষ্টা, কুজড়, কুজড়া, কুজন, কুজপ, কুতনু, কুতন্ত্ৰ, কুতপ, কুতৰ্ক, কুতৃণ, কুদিন, কুদাঁড়া, কুদৃষ্টি, কুনখ, কুনজৰ, কুনাথ, কুনাম, কুনীতি, কুপতি, কুপথ, কুপথ্য, কুপৰামৰ্শ, কুপাত্ৰ, কুপিত্ত, কুপিতা, কুপুত্ৰ, কুপুৰুষ, কুপোষ্য, কুফল, কুবক্তা, কুবচন, কুবলয়, কুবাদ, কুবাস, কুবিচাৰ, কুবিধা, কুবুদ্ধি, কুবৃত্তি, কুবেণী, কুবেল, কুব্ৰহ্ম, কুভোজন, কুমতি, কুমন্ত্ৰণা, কুমন্ত্ৰী, কুমতা, কুমেৰু, কুযোৰ, কুযাত্ৰা, কুযুক্তি, কুৰঙ্গ, কুৰঙ্গক, কুৰঙ্গিনী, কুৰুচি, কুৰূপ, কুলক্ষণ, কুলগ্ন, কুশাসন, কুসংসৰ্গ, কুসংস্কাৰ, কুসঙ্গ, কুসৃষ্টি, কুস্বপ্ন, কুস্বভাব আদি।

পাত - ঃ পতন, পৰা, নাশ, ক্ষয়, নিপাত আদি অৰ্থত বঙলা ভাষাত 'পাত-' উপসৰ্গৰ প্ৰয়োগ কৰা হয়। এই উপসৰ্গৰ যোগত গঠন হোৱা শব্দবোৰ হ'ল ঃ

পাতকুয়া, পাতখোলা, পাতগালা, পাতচাটা, পাততাড়ি, পাতনলী, পাতমৌড় আদি।

পাতি -ঃ অপকৃষ্ট, হীন, ক্ষুদ্ৰ, নিকৃষ্ট, সামান্য আদি অৰ্থত বঙলা ভাষাত 'পাতি-' উপসৰ্গৰ প্ৰয়োগ কৰা হয়। ইয়াৰ যোগত গঠন হোৱা শব্দবোৰ হ'ল ঃ

পাতিকাক, পাতিকূয়া, পাতিমৌড়, পাতিনেবু, পাতিব্ৰত্য, পাতিময়ুৰ, পাতিশেয়াল, পাতিহাঁস ইত্যাদি।

বিনা -ঃ ভিন্ন বা নোহোৱা অৰ্থত মূল শব্দৰ আগত বহি এই উপসৰ্গই অন্য অৰ্থবাচক শব্দ গঠন কৰে। যেনে - বিনাপ্ৰমানে, বিনামূল্যে, বিনাবাক্যব্যয়ে আদি।

ভৰ-/ভৰা ঃ সমস্ত, পূৰ্ণ আদি অৰ্থত বঙলা ভাষাত এই উপসৰ্গৰ প্ৰয়োগ কৰা হয়। ইয়াৰ যোগত গঠন হোৱা শব্দবোৰ হ'ল ঃ

ভৰদিন, ভৰপুৰ, ভৰপেট, ভৰযৌৱন, ভৰসাঁঝ, ভৰাডুবি, ভৰাযৌৱন আদি।

যথা -ঃ সাদৃশ্য, উপৰুক্ত আদি অৰ্থত বঙলা ভাষাত অসমীয়াৰ দৰে 'যথা-' উপসৰ্গৰ প্ৰয়োগ কৰা হয়। এই উপসৰ্গৰ যোগত গঠন হোৱা শব্দবোৰ হ'ল ঃ

যথাকথঞ্চিৎ, যথাকাল, যথাক্ৰম, যথাজাত, যথাতথা, যথাদিষ্ট, যথানিয়ম, যথাপূৰ্ব, যথাবৎ, যথাবিধি, যথাবিহিত, যথাযথ, যথাযোগ্য, যথাৰীতি, যথাশক্তি, যথাশাস্ত্ৰ, যথাসময়, যথাসৰ্বস্ব, যথাসাধ্য, যথাস্থান, যথোচিত, যথোপযুক্ত আদি।

স- ঃ সহ অৰ্থত বঙলা ভাষাত 'স-' উপসৰ্গৰ প্ৰয়োগ কৰা হয়। এই উপসৰ্গৰ যোগত গঠন হোৱা শব্দবোৰ হ'ল ঃ

সকড়ি, সকণ্টক, সকৰ, সকৰুণ, সকৰ্ণ, সকৰ্মক, সকাম, সকাল, সকাশ, সকৃৎ, সকৌতুক, সক্ষম, সক্ষোভ, সগৰ্ভ, সগুণ, সগোত্ৰ, সঘন, সচকিত, সচন্দন, সচৰাচৰ, সচল, সচিত্ৰ, সচেতন, সচেল, সচেষ্ট, সচ্চৰিত্ৰ, সচ্চিন্তা, সচ্ছিদ্ৰ, সজন, সজল, সজাত, সজাতি, সজাতীয়, সজীব, সজ্ঞান, সটীক, সঠিক, সতৰ্ক, সতীৰ্থ, সতৃষ্ণ, সতেজ, সদৰ্প, সদেশ, সধৰ্ম, সধৰ্মী, সনন্দ, সনাথ, সনিৰ্বন্ধ, সপক্ষ, সপত্নী, সপৰিবাৰ, সপিত্ত, সপ্ৰতিভ, সপ্ৰমাণ, সফল, সবংশ, সবৰ্ণ, সবল, সবাক, সবাস, সবিকল্পক, সবিধ, সবিনয়, সবিশেষ, সবিস্তৰ, সবিস্তাৰ, সবিস্ময়, সবুজ, সবৃদ্ধি, সমল, সমান, সমাপক, সমাপণ, সমাপিত, সৰস, সৰহস্য, সৰাগ, সৰোদন, সলাজ, সশঙ্কিত, সশব্দে, সশস্ত্ৰ, সসংজ্ঞা, সসজ্জ, সসত্বা, সসম্ভ্ৰম, সসন্মান, সসৈন্য, সস্ত্ৰীক, সস্নেহ, সস্পৃহ, সস্মিত, সস্বেদ, সহৰ্ষ, সহাস্য, সহিত, সহৃদয়, সহৃদয়তা ইত্যাদি।

সহ - ঃ সাদশ্য, বিদ্যমান, সম্বন্ধ আদি অৰ্থত অসমীয়াৰ দৰে বঙলা ভাষাতো এই উপসৰ্গ যোগ কৰি শব্দ গঠন কৰা হয়। ইয়াৰ যোগত গঠন হোৱা শব্দবোৰ হ'ল ঃ

সহকৰ্মী, সহকাৰিতা, সহকাৰী, সহকৃৎ, সহগমন, সহগম্য, সহগামী, সহচৰ, সহচাৰী, সহজাত, সহধৰ্মিৰ্নী, সহপাঠী, সহবাস, সহভাবী,

সহমৰণ, সহমৃতা, সহযাত্ৰা, সহযাত্ৰী, সহযোগ, সহযোগিতা, সহযোগী আদি।

হা- ঃ বিগত অৰ্থত বঙলা ভাষাত 'হা-' উপসৰ্গৰ প্ৰয়োগ কৰা হয়। এই উপসৰ্গৰ যোগত গঠন হোৱা শব্দবোৰ হ'ল ঃ-

হাঘৰে, হাপুত, হাবাত, হাভাত আদি।

অসমীয়া আৰু বঙলা ভাষা দুটাত এনেদৰে সংস্কৃত উপসৰ্গ কেইটাৰ উপৰিও কেতবোৰ নিজস্ব উপসৰ্গ প্ৰয়োগ কৰি হৈ বেলেগ বেলেগ শব্দ গঠন কৰা হয়। নিজস্ব বা ঘৰুৱা উপসৰ্গবোৰৰ বেছি ভাগেই অসমীয়া আৰু বঙলা ভাষা দুটাত একেদৰে ব্যৱহাৰ হোৱা দেখা যায়। সেইবোৰ হ'লঃ

অ-, অন-, অনা -, কু -, পাত-, পাতি-, বিনা-, ভৰ-/ভৰা-, স-, যথা -, সহ- আৰু হা-।

এইকেইটা উপসৰ্গ সম্পূৰ্ণ একে অৰ্থত আৰু একে ৰূপতেই দুয়োটা ভাষাত প্ৰয়োগ হয়। কিন্তু আও-, উ - আৰু এ - উপসৰ্গ কেৱল অসমীয়াতহে ব্যৱহৃত হয়।

সংস্কৃত আৰু ঘৰুৱা উপসৰ্গকেইটাৰ উপৰিও অসমীয়া আৰু বঙলা ভাষাত কেতবোৰ বিদেশী উপসৰ্গও দেখা যায়। এইবোৰেও বিভিন্ন শব্দৰ আগত বহি বেলেগ বেলেগ শব্দ গঠন কৰিব পাৰে। এনে বিদেশী উপসৰ্গবোৰৰ ভিতৰত আৰবী, ফাৰ্চী আৰু ইংৰাজী ভাষাৰ বিভিন্ন শব্দ সোমাই পৰিছে। সেইবোৰৰ ভিতৰত কেইটামান হ'ল ঃ গৰ -, দৰ-, না-, ফি-, বদ-, বে-, হৰ-, সব-, হেড-, ফুল-, হাফ্- আদি। এইবোৰৰ কিছুমান মৌলিক শব্দৰ দৰে যদিও নতুন শব্দ গঠনত ই উপসৰ্গৰ ভূমিকা লৈছে। এনেধৰণৰ উপসৰ্গবোৰৰ শব্দত প্ৰয়োগ এনেকুৱা -

গৰ -ঃ গৰমিল, গৰ হাজিৰ

দৰ- ঃ দৰপত্তনী আদি (বঙলা)

দুই এক বঙলা ভাষাবিদে এইবোৰক উপসৰ্গৰ ভিতৰত আলোচনা কৰিছে যদিও ইহঁতক নতুন শব্দ গঠনৰ ক্ষেত্ৰত মিশ্ৰ শব্দৰ আধাৰতো আলোচনা কৰি দেখুৱাব পাৰি।

এনেদৰে চালে দেখা যায় যে, উপসর্গ বা পূর্বপ্রত্যয় বা পূর্বসর্গৰ ব্যৱহাৰৰ দ্বাৰা অসমীয়া আৰু বঙলা দুয়োটা ভাষাতেই নানান শব্দ গঠন কৰা হয়। এই ৰূপবোৰ দুয়োটা ভাষাতে প্ৰায় একেই; মাত্র সেইবোৰৰ প্রয়োগতহে কেতিয়াবা সামান্য প্রভেদ পৰিলক্ষিত হয়। অৱশ্যে এটা কথা ঠিক যে অসমীয়া ভাষাতকৈ বঙলাত সংস্কৃত উপসর্গযুক্ত তৎসম শব্দৰ প্রয়োগ সর্বাধিক। ফলত বঙলা ভাষাটো অসমীয়াতকৈ কম ঘৰুৱা হৈ পৰিছে।

## ৪.০১.২ পৰ প্রত্যয় বা পৰসর্গৰ দ্বাৰা শব্দ গঠন ঃ

পূর্বপ্রত্যয় বা উপসর্গৰ দৰেকৈ পৰপ্রত্যয় যোগ কৰিও অসমীয়া আৰু বঙলা, দুয়োটা ভাষাতে নতুন নতুন শব্দ গঠন কৰা হয়। গঠনৰ প্রকৃতি অনুসৰি এই পৰ প্রত্যয়সমূহক প্রধানতঃ দুটা ভাগত ভগোৱা হয়।সেই ভাগ দুটা হ'ল ঃ

ক) মুখ্য প্রত্যয় বা কৃৎ প্রত্যয় (Primary affixes)

খ) গৌণ প্রত্যয় বা তদ্ধিৎ প্রত্যয় (Secondary affixes)

ধাতুৰ পাছত মুখ্য বা কৃৎ প্রত্যয় আৰু শব্দ বা প্রাতিপদিকৰ পাছত গৌণ বা তদ্ধিত প্রত্যয় যোগ দি বিভিন্ন শব্দ গঠন কৰা হয়।

### ৪.০১.২.১ কৃৎপ্রত্যয়ৰ যোগত শব্দ গঠন ঃ

অসমীয়া আৰু বঙলা, দুয়োটা ভাষাতেই ধাতুৰ পাছত কৃৎ প্রত্যয় যোগ কৰি শব্দ গঠন কৰা হয়।

### ৪.০১.২.১.১ অসমীয়া ভাষাৰ কৃৎ প্রত্যয় ঃ

অসমীয়া ভাষাৰ কৃৎ প্রত্যয়বোৰ ধাতুৰ পাছত যোগ দি বিভিন্ন বিশেষ্য, বিশেষণ আৰু কৃদন্ত শব্দ গঠন কৰা হয়। এই প্রত্যয়বোৰৰ যোগত গঠিত অসমীয়া ভাষাৰ নতুন শব্দবোৰ হৈছে এনেধৰণৰ -

#### ৪.০১.২.১.১.১ বিশেষ্য আৰু ক্রিয়াবাচক বিশেষ্য শব্দ গঠন কৰা অসমীয়া ভাষাৰ কৃৎ প্রত্যয় ঃ

- অ (লুপ্ত - অ) ঃ ধাতুৰ পাছত যোগ কৰি বিশেষ্য শব্দ গঠন কৰা হয়,[৩] যেনে -

✓মাত - অ > মাত 'মাতকথা'

✓হাৰ - অ > হাৰ 'হাৰজিত', 'হাৰমনা'

✓চাৰ্ - অ > চাৰ 'গৰুজনীয়ে আজি চাৰ পোৱা নাই'

৩। ভগবান মৰল ঃ অসমীয়া ব্যাকৰণ জ্যোতি, পৃঃ-৫৪

✓বোল্- অ > বোল 'মাত-বোল'

-অক : ধাতুৰ পাছত যোগ কৰি বিশেষ্য শব্দ গঠন কৰা হয়, যেনে -

✓গণ - অক > গণক
✓চাল্ - অক > চালক
✓জ্বল্ - অক > জ্বলক
✓থৰ্ - অক > থৰক 'থৰক-বৰক'
✓দৰ্ - অক > দৰক
✓পাল্ - অক > পালক
✓লিখ্ - অক > লিখক আদি।

-অকা : ধাতুৰ পাছত যোগ কৰি বিশেষ্য শব্দ গঠন কৰা হয়, যেনে -

✓জ্বল্ - অকা > জ্বলকা
✓টল্ - অকা > টলকা

-অঙ : ধাতুৰ পাছত যোগ কৰি বিশেষ্য শব্দ গঠন কৰা হয়, যেনে -

✓মৰ্ - অঙ > মৰঙ

-অতি : ধাতুৰ পাছত যোগ কৰি বিশেষ্য শব্দ গঠন কৰা হয়, যেনে -

✓ঘুম্ - অতি > ঘুমতি
✓নি - অতি > নিয়তি

-অতিয়াৰ : ধাতুৰ পাছত যোগ কৰি বিশেষ্য শব্দ গঠন কৰা হয়, যেনে -

✓সাঁচ - অতিয়াৰ > সঁাচতিয়াৰ

-অন : ধাতুৰ পাছত যোগ কৰি ক্রিয়া বাচক বিশেষ্য শব্দ গঠন কৰা হয়, যেনে -

✓কাট্ - অন >কাটন
✓খা - অন > খাৱন
✓খাট - অন> খাটন
✓গজ - অন > গজন
✓গঢ় - অন > গঢ়ন
✓গম্ - অন > গমন

√গা - অন > গায়ন

√ঘূৰ - অন > ঘূৰণ

√চল্ - অন > চলন

√চা - অন > চাৱন

√থ - অন > থোৱন

√দেখ্ - অন > দেখন

√দোল - অন > দোলন

√ধো - অন > ধোৱন

√নাচ্ - অন > নাচন

√পঢ়্ - অন > পঢ়ন

√পি - অন > পিয়ন

√পিন্ধ্ - অন > পিন্ধন

√ফুৰ্ - অন > ফুৰণ

√বা - অন > বায়ন

√বাঢ়্ - অন > বাঢ়ন

√বুৰ্ - অন > বুৰণ

√বুল - অন > বুলন

√বো - অন > বোৱন

√ভগ্ - অন > ভগন

√ভৰ - অন > ভৰন

√মৰ্ - অন > মৰণ

√মাগ্ - অন > মাগন

√মাৰ্ - অন > মাৰণ

√ৰান্ধ্ - অন > ৰান্ধন

√ৰো - অন > ৰোৱন

√লাগ্ - অন > লাগন

√লিখ্ - অন > লিখন, লেখন

✓শো - অন > শোৱন আদি।

-অনা ঃ ধাতুৰ পাছত যোগ কৰি বিশেষ্য শব্দ গঠন কৰা হয়, যেনে -

✓কাট্ - অনা > কটনা
✓খেল্ - অনা > খেলনা
✓গণ - অনা > গণনা
✓ঘট্ - অনা > ঘটনা
✓চেপ্ - অনা > চেপনা, চেপেনা
✓ছল - অনা > ছলনা
✓জাপ্ - অনা > জপনা
✓দি - অনা > দেনা
✓পা - অনা > পাওনা
✓বাজ - অনা > বাজনা
✓বিন্ধ্ - অনা > বিন্ধনা
✓মাৰ্ - অনা > মৰণা
✓সাধ্ - অনা > সাধনা আদি।

-অনি ঃ ধাতুৰ পাছত যোগ কৰি বিশেষ্য শব্দ গঠন কৰা হয়, যেনে -

✓উম্ - অনি > উমনি
✓ওভট - অনি > ওভটনি
✓কঁপ্ - অনি > কঁপনি
✓কেঁকা - অনি > কেঁকনি
✓খচক্ - অনি > খচকনি
✓খলক্ - অনি > খলকনি
✓খাট্ - অনি > খাটনি
✓গচক্ - অনি > গচকনি
✓গড়্ - অনি > গড়নি
✓গাঁথ্ - অনি > গাঁথনি
✓গেঠা - অনি > গেঠনি

✓গোঠ্ - অনি > গোঠনি
✓চৰ্ - অনি > চৰণি (চৰণীয়া)
✓ছটফটা - অনি > ছটফটনি
✓জান্ - অনি > জাননি/জাননী
✓জিৰা - অনি > জিৰণি
✓জুৰা - অনি > জুৰণি
✓টপ্টপা - অনি > টপটপনি
✓টন্টনা - অনি > টনটননি
✓ঢপ্ঢপা - অনি > ঢপঢপনি
✓ঢাক্ - অনি > ঢাকনি
✓তৰ্ - অনি > তৰণি
✓তিয়া - অনি > তিয়নি
✓দপ্দপা - অনি > দপদপনি
✓দা - অনি > দাৱনী/দাৱনী
✓ধমকা- অনি > ধমকনি
✓ধুপাল্- অনি > ধুপালনি (ওপৰত উঠি ডেও দিয়া বা খচা কাৰ্য)
✓নাচ্ - অনি > নাচনি
✓নাট্ - অনি > নাটনি
✓নোৱা - অনি > নোৱনি
✓পক্- অনি > পকনি
✓পাত্ - অনি > পাতনি
✓পেলা - অনি > পেলনি (লোকচান)
✓ফুৰ্- অনি > ফুৰণি
✓ফোঁপা - অনি > ফোঁপনি
✓বাছ - অনি > বাছনি
✓বুজ্- অনি > বুজনি
✓বুল্- অনি > বুলনি

✓ভৰ্ - অনি > ভৰণি
✓ভঙা - অনি > ভাঙনি
✓ভুক্ - অনি > ভুকনি
✓মথ্ - অনি > মথনি
✓মান্ - অনি > মাননি
✓ৰো্ - অনি > ৰোৱনি
✓লিখ্ - অনি > লিখনি, লেখনী
✓শাপ্ - অনি > শপনি
✓শিক্ - অনি > শিকনি
✓শুকা্ - অনি > শুকনি
✓সি - অনি > সিয়নি আদি।

- অনিয়াৰ ঃ ধাতুৰ পাছত যোগ কৰি বিশেষ্য শব্দ গঠন কৰা হয়, যেনে -

✓খাট্ - অনিয়াৰ > খাটনিয়াৰ
✓নাচ্ - অনিয়াৰ > নাচনিয়াৰ
✓বিলা - অনিয়াৰ > বিলনিয়াৰ
✓ভাগ্ - অনিয়াৰ > ভগনিয়াৰ
✓যোগা - অনিয়াৰ > যোগনিয়াৰ
✓সাঁচ্ - অনিয়াৰ > সাঁচনিয়াৰ

- অনী ঃ ধাতুৰ পাছত যোগ কৰি বিশেষ্য শব্দ গঠন কৰা হয়, যেনে -

✓খোঁচ্ - অনী > খোঁচনী
✓গোঁঠ্ - অনী > গোঁঠনী
✓চাল্ - অনী > চালনী
✓ঢাক্ - অনী > ঢাকনী
✓তিয়া - অনী > তিয়নী
✓ধৰ্ - অনী > ধৰণী
✓বাঢ়্ - অনী > বাঢ়নী
✓বান্ধ্ - অনী > বান্ধনী

বিচ্ - অনী > বিচনী

ৰো্ - অনী > ৰোৱনী

লাগ্ - অনী > লাগনী; 'লাগনী খৰি'

শো্ - অনী > শোৱনী; 'শোৱনী কোঠা'

সোঁৰৰ - অনী > সোঁৰৰণী (কোষ্ঠী) আদি।

- অনীয়া : ধাতুৰ পাছত যোগ কৰি বিশেষ্য শব্দ গঠন কৰা হয়, যেনে -

খোজ্ - অনীয়া > খোজনীয়া (খুজি মাগি খোৱা মানুহ)

বিলা - অনীয়া > বিলনীয়া (ভোজ বা সবাহত খোৱাবস্তু বিলাই দিওঁতা)

মাগ্ - অনীয়া > মগনীয়া

- অৰীয়া : ধাতুৰ পাছত যোগ কৰি বিশেষ্য শব্দ গঠন কৰা হয়, যেনে -

খা - অৰীয়া > খাৰৰীয়া

যুঁজ্ - অৰীয়া > যুঁজুৰীয়া

- আৰু : ধাতুৰ পাছত যোগ কৰি বিশেষ্য শব্দ গঠন কৰা হয়, যেনে -

খেল্ - আৰু > খেলাৰু

জিক্ - আৰু > জিকাৰু

লিখ্ - আৰু > লিখাৰু

যুঁজ্ - আৰু > যুঁজাৰু (যোদ্ধা)

শিক্ - আৰু > শিকাৰু

- আল : ধাতুৰ পাছত যোগ কৰি বিশেষ্য শব্দ গঠন কৰা হয়, যেনে -

সৰ্ - আল > সৰাল

- ই : ধাতুৰ পাছত যোগ কৰি বিশেষ্য শব্দ গঠন কৰা হয়, যেনে -

মাৰ্ - ই > মাৰি

মোকল্ - ই > মুকলি (হাবি-বন বা আঁৰ-বেৰ নথকা ঠাই)

হাঁহ্ - ই > হাঁহি

- ইয়াৰ : ধাতুৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে, যেনে -

লুট্ - ইয়াৰ > লুটিয়াৰ (লুট কৰোঁতা)

- ঈয়া ঃ ধাতুৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে, যেনে -
✓কাট্ - ঈয়া > কটীয়া
✓মাৰ্ - ঈয়া > মৰীয়া
✓ৰাখ্ - ঈয়া > ৰখীয়া

- উঐ ঃ ধাতুৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে, যেনে -
✓খেল্ - উঐ > খেলুৱৈ
✓পঢ়্ - উঐ > পঢুৱৈ

- ওনা ঃ ধাতুৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে, যেনে -
✓পা - ওনা > পাওনা

**৪.০১.২.১.১.২ বিশেষণ শব্দ গঠন কৰা অসমীয়া ভাষাৰ কৃৎ প্ৰত্যয় ঃ**

- অ (লুপ্ত-অ) ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে[৪]। যেনে -
✓ মৰ্ - অ > মৰ; 'মৰকামোৰ', 'মৰসাহ', 'মৰখক'

- অত ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে, যেনে -
✓ ফিৰ্ - অত > ফিৰৎ; 'বিলাত ফিৰৎ'

- অতি ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে, যেনে -
✓ সিঁচৰ্ - অতি > সিঁচৰতি

- অতিয়াৰ ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে, যেনে -
✓ বিলা - অতিয়াৰ > বিলতিয়াৰ

- অতিয়াল ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে, যেনে -
✓ লাগ্ - অতিয়াল > লাগতিয়াল

- অতী ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে, যেনে -
✓ ব্ - অতী> বোৱতী
✓ মৰ্ - অতী > মৰতী
✓ ক্ষিৰা - অতী > ক্ষিৰতী আদি।

- অতীয়া ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে, যেনে -
✓ সাঁচ্ - অতীয়া > সাঁচতীয়া

৪। প্ৰাগুক্ত গ্ৰন্থ, পৃঃ-৫৪

- অন্ত ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে, যেনে -

✓ চল্ - অন্ত > চলন্ত
✓ জ্বল্ - অন্ত > জ্বলন্ত
✓ জাগ্ - অন্ত > জাগন্ত আদি।

- অনি ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে, যেনে -

✓ পা - অনি > পাউনি
✓ পেলা - অনি > পেলনি (পেলাই দিব লগীয়া)
✓ লাগ্ - অনি > লাগনি
✓ শুৱা - অনি > শুৱনি

- অনিয়াৰ ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে, যেনে -

✓ দেখ্ - অনিয়াৰ > দেখনিয়াৰ

- অনী ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দও গঠন কৰে, যেনে -

✓ পাঁচ্ - অনী > পাঁচনী
✓ লাগ - অনী > লাগনী; লাগনী গছ
✓ শো - অনী > শোৱনী; শোৱনী কোঠা
✓ সোঁৰ্ - অনী > সোঁৰণী; 'সোঁৰণী সভা'

- অনীয়া ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে, যেনে -

✓ খোজ্ - অনীয়া > খোজনীয়া
✓ ঘূৰ্ - অনীয়া > ঘূৰণীয়া
✓ চৰ্ - অনীয়া > চৰণীয়া
✓ চুকা - অনীয়া > চুকণীয়া (ৰায়ত)
✓ জিৰা - অনীয়া > জিৰণীয়া
✓ জুৰ্ - অনীয়া > জুৰণীয়া
✓ পেলা - অনীয়া > পেলনীয়া; পেলনীয়া বস্তু
✓ পোহ্ - অনীয়া > পোহনীয়া; পোহনীয়া জন্তু
✓ মোহ্ - অনীয়া > মোহনীয়া
✓ যোগ্ - অনীয়া > যোগনীয়া

- অৰীয়া ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে, যেনে -

✓ পলা - অৰীয়া > পলৰীয়া; পলৰীয়া মানুহ

- আৰু ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে, যেনে -

✓ যুঁজ্ - আৰু > যুঁজাৰু; যুঁজাৰু ডেকা

- ই ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে, যেনে -

✓ মোকল্ - ই > মুকলি; 'মুকলি আকাশ'

- ইয়া ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে -

✓ লাগ্ - ইয়া > লগীয়া; কৰিবলগীয়া

- উক ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে -

✓ মাৰ্ - উক > মাৰুক (চৰাই ধৰাত বা মৰাত পাকৈত)

- উকা ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে -

✓ বহ্ - উকা > বহুকা; 'বহুকা বন'

- উৱা ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে -

✓ কান্দ্ - উৱা > কান্দুৱা

✓ কাহ্ - উৱা > কাহুৱা

✓ মুত - উৱা > মুতুৱা

✓ লুট্ - উৱা > লুটুৱা

✓ হাগ্ - উৱা > হাগুৱা

- হা ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে -

✓ মৰ্ - হা > মৰহা; মৰহা ফুল

✓ চৰ্ - হা > চৰহা; চৰহা পোক

### ৪.০১.২.১.১.৩ কৃদন্ত শব্দ গঠন কৰা অসমীয়া ভাষাৰ কৃৎ প্ৰত্যয় ঃ

- আ ঃ ধাতুৰ পাছত যোগ কৰি কৃদন্ত বিশেষণ শব্দ গঠন কৰা হয়; যেনে -

✓ ক - আ > কোৱা; 'কোৱা কথা'

✓ কৰ্ - আ > কৰা; 'কৰা কাম'

✓ খা - আ > খোৱা; 'খোৱা বস্তু'

✓ খেল্ - আ > খেলা; 'খেলা বস্তু'

✓ চা - আ > চোৰা; 'চোৰা দৃশ্য'
✓ জী - আ > জীয়া; 'জীয়া মাছ'
✓ থ - আ > থোৰা; 'থোৰা বস্তু'
✓ দি - আ > দিয়া; 'দিয়া ধন'
✓ ধো - আ > ধোৰা; 'ধোৰা কাপোৰ'
✓ পা - আ > পোৰা; 'পোৰা টকা'
✓ পিন্ধ্ - আ > পিন্ধা; 'পিন্ধা কাপোৰ'
✓ মৰ্ - আ > মৰা; 'মৰা মাছ'
✓ মেল্ - আ > মেলা; 'মেলা চিকাৰ'
✓ ল - আ > লোৰা; 'লোৰা বস্তু'
✓ শো - আ > শোৰা; 'শোৰা ঘৰ'
✓ সি - আ > সিয়া; 'সিয়া কাপোৰ'
✓ হাঁহ্ - আ > হঁহা; 'হঁহা ল'ৰাটো' ইত্যাদি।

- ওঁতা : ধাতুৰ পাছত যোগ কৰি কৃদন্ত বিশেষ্য শব্দ গঠন কৰা হয়; যেনে -

✓ কৰ্ - ওঁতা > কৰোঁতা
✓ খা - ওঁতা > খাওঁতা
✓ নাচ্ - ওঁতা > নাচোতা
✓ পঢ়্ - ওঁতা > পঢ়োঁতা
✓ মৰ্ - ওঁতা > মৰোঁতা
✓ যা - ওঁতা > যাওঁতা
✓ শো - ওঁতা > শোওঁতা
✓ শুন্ - ওঁতা > শুনোঁতা
✓ হাঁহ্ - ওঁতা > হাহোঁতা ইত্যাদি।

- ওঁতে : ধাতুৰ পাছত যোগ কৰি অসমাপিকা বুজোৱা কৃদন্ত শব্দ গঠন কৰা হয়; যেনে -

✓ উঠ্- ওঁতে > উঠোঁতে
✓ কৰ্- ওঁতে > কৰোঁতে

✓খা - ওঁতে > খাঁওতে
✓দি - ওঁতে > দিওঁতে
✓পঢ় - ওঁতে > পঢ়োঁতে
✓বহ্- ওঁতে > বহোঁতে
✓যা - ওঁতে > যাওঁতে ইত্যাদি।

৪.০১.২.১.২ **বঙলা ভাষাৰ কৃৎ প্ৰত্যয় ঃ**

অসমীয়া ভাষাৰ দৰে বঙলা ভাষাতো ধাতুৰ পাছত এই কৃৎ প্ৰত্যয়বোৰ যোগ কৰি বিশেষ্য, বিশেষণ আৰু অন্যান্য ক্ৰিয়া শব্দ আদি গঠন কৰা হয়।

৪.০১.২.১.২.১ **বিশেষ্য আৰু এই জাতীয় অন্যান্য ক্ৰিয়া শব্দ গঠন কৰা বঙলা ভাষাৰ কৃৎ প্ৰত্যয়**

- অ (লুপ্ত) ঃ ধাতুৰ পাছত যোগ হৈ ক্ৰিয়াবাচক বিশেষ্য শব্দৰ সৃষ্টি কৰে।[৫] যেনে -

✓ধৰ্ - অ > ধৰ; 'ধৰ পাকড়'
✓ভাঙ্ - অ > ভাঙ্গ; 'ভাঙ্গ গড়', 'ভাঙ্গ - ৰ্ধ'
✓ৰহ্ - অ > ৰহ; 'ৰহ - সহ - কৰা'
✓পাক্ - অ > পাক; 'পাক ধৰা'
✓ফাট্ - অ > ফাট; 'ফাট ধৰা'
✓চল্ - অ > চল; 'চল নাই'
✓কাট্ - অ > কাট; 'কাট - ছাঁট'
✓ছাড়্ - অ > ছাড়; 'ছাড় -পত্ৰ'
✓ডুব্ - অ > ডুব; 'ডুবু ডুবু'
✓বাড়্ - অ > বাড়; 'বাড় - বাড়ন্ত'
✓জিত্ - অ > জিত; 'হাৰ - জিত'

সাম্প্ৰতিক বঙলাত এই প্ৰত্যয়টি লুপ্ত।

- অন ঃ ধাতুৰ পাছত যোগ হৈ ক্ৰিয়াবাচক বিশেষ্য শব্দৰ সৃষ্টি কৰে। মন কৰিবলগীয়া যে স্বৰান্ত শব্দৰ পাছত কেতিয়াবা -অন>ওন হয় যেনে-

✓কৰ্ - অন > কৰণ

৫। ড° সুনীতি কুমাৰ চট্টোপাধ্যায় ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ-১৩২

✓কাঁদ্ - অন > কাঁদন
✓কাঁপ্ - অন > কাঁপন
✓খা - অন > খাওন
✓গড়্- অন > গড়ন (নির্মাণ)
✓চল্ - অন > চলন (গমন)
✓ঝাড়্ - অন > ঝাড়ণ
✓ঝুল্ - অন > ঝুলন
✓ঢাক্ - অন > ঢাকন
✓থাক্ - অন > থাকন
✓দেখ্ - অন > দেখন
✓ধৰ্ - অন > ধৰণ
✓ধাৰ্ - অন > ধাৰণ
✓নাচ্ - অন > নাচন
✓ফল্ - অন > ফলন; 'গমেৰ ফলন'
✓ফোড়্ - অন > ফোড়ন
✓বিধ্ - অন > বিধন (বিদ্ধ কৰা)
✓মৰ্ - অন > মৰণ
✓মাত্ - অন > মাতন; 'ঝড়েৰ মাতন'
✓মাজা- অন > মাজন; 'ঝাড়ন মাজন'
✓শুন্ - অন > শুনন
✓হ - অন > হওন ইত্যাদি।

- অনা ঃ ধাতুৰ পাছত যোগ হৈ ক্ৰিয়াবাচক আৰু বস্তুবাচক বিশেষ্য শব্দ গঠন কৰে। আকাৰন্ত শব্দৰ পাছত -অনা প্ৰত্যয় -ওনা হয়। যেনে -

✓কান্দ্ - অনা > কান্দনা, কান্না
✓কুট্ - অনা > কুটনা (খণ্ড খণ্ড কৰি কটা)
✓ঢাক্ - অনা > ঢাকনা
✓ঝড়্- অনা > ঝড়না; 'ঝড়না কলম'

✓ দে - অনা > দেনা
✓ পা - অনা > পাওনা
✓ বাজ্ - অনা > বাজনা
✓ বাট্ - অনা > বাটনা
✓ ৰান্ধ্ - অনা > ৰান্ধনা, ৰান্না

**- অন + ঈ,- ই > - অনী/-অনি** ঃ ধাতুৰ পাছত যোগ হৈ স্বল্পতা দ্যোতক ক্রিয়া, ক্ষুদ্র বস্তু অর্থত বা সি এই কার্য কৰে এনে অর্থত যোগ হৈ বিশেষ্য শব্দৰ সৃষ্টি কৰে। স্বৰসংগতিৰ কাৰণে কেতিয়াবা এই প্রত্যয়ো উনী বা উনি হয়। যেনে-

✓ কৰ্ - অনী > কৰণী, কৰুণী
✓ কাঁদ্ - অনী /-উনী > কাঁদুনী
✓ ছা্ - অনী > ছাউনী
✓ চাল - অনী > চালুনী
✓ জ্বল্ - অনী > জ্বলুনী; জ্বলুনি-পুড়নি
✓ ঢাক্ - অনী > ঢাকুনী, ঢাকনী
✓ নাচ্ - অনী > নাচনী
✓ পোড়্ - অনী > পোড়নী
✓ বিন্ - অনী > বিননী, বিনুনি
✓ মহ্ - অনী > মহনী, মউনি; 'ঘোলমউনি'
✓ বাঁধ্ - অনী > বাঁধুনী
✓ ৰাঁধ্ - অনী > ৰাঁধুনী

**- অন্ত/-অন্তি/-অন্তী** ঃ এই প্রত্যয় ধাতুৰ পাছত যোগ হৈ 'এইদৰে আছে' অর্থত বিশেষ্য শব্দ গঠন কৰে; যেনে -

✓ নাচ্ - অন্ত > নাচন্ত
✓ দেখ্ - অন্ত > দেখুন্তি

**- অত /- অতা/ - অতী বা - তা, - তী, - তি** ঃ ধাতুৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে -

✓ ফিৰ্ - অতি > ফিৰতি; 'ফিৰতি টাকা'

✓উঠ্ - অতি > উঠতি; 'উঠতি বয়স'
✓জান্ - তা > জানতা; 'সব জান্তা'
✓কম্ - অতি > কমতি (নূন্যতা)
✓গুণ্ - অতি > গুণতি
✓বাড়্ - অতি > বাড়তি (অধিক)
✓ঝড়্ - অতি > ঝড়তি; 'ঝড়তি পড়তি'
✓পড়্ - অতি > পড়তি; 'পড়তি বাজাৰ'

-আ ঃ অতীত কৃদন্ত গঠন কৰিবলৈ ধাতুৰ পাছত যোগ দি নতুন শব্দ সজোৱা হয়।

✓কৰ্ - আ > কৰা; 'কৰা কাজ'
✓খা - আ > খাওয়া; 'খাওয়া জল'
✓চল্ - আ > চলা
✓জান্ - আ > জানা; 'জানা কথা'
✓দি - আ > দেওয়া; দেওয়া থোওয়া

-আ ঃ ধাতুৰ পাছত যোগ হৈ নিজন্ত ক্রিয়া অর্থত, কর্মবাচ্যৰ ক্রিয়া বা নাম ধাতু অর্থত নানান শব্দৰ সৃষ্টি হয়[৬]; যেনে -

✓কৰ্ - আ > ✓কৰা, কৰায়
✓জান্ - আ > ✓জানা, জানায়
✓চাখ্ - আ > চাখা
✓খা - আ > খাওয়া
✓চড়্ - আ > চড়া
✓কহ্ - আ > কহা (কথন)
✓ধো - আ > ধোয়া; 'ধোয়া কাপোড়'
✓বিঁধ্ - আ > ✓বেঁধা > বেঁধায়; কান বেঁধায়
✓বিষ্ - আ > বিষা

৬। প্রাগুক্ত গ্রন্থ, পৃঃ-১৩৫

✓শো - আ > শোয়া
✓শাণ্ - আ > শাণা
✓ৰাঙ্গা - আ > ৰাঙ্গায়

- আই ঃ ধাতুৰ পাছত যোগ হৈ ভাববাচক ক্রিয়াদ্যোতক আৰু ক্বচিৎ ভাৰ বুজাবলৈ বিশেষ্য শব্দ গঠন কৰে; যেনে -

✓ঢাল্ - আই > ঢালাই 'ঢালাই কড়াই'
✓পালটা্ - আই > পালটাই
✓ফাড়্ - আই > ফাড়াই
✓যাচ্ - আই > যাচাই; 'দৰ যাচাই কৰা'
✓লড়্ - আই > লড়াই (যুদ্ধ)
✓সাফ্ - আই > সাফাই; 'ৰাস্তা সাফাই'
✓সেল্ - আই > সেলাই; 'সেলাই খোলা'

- আইৎ (চলিত ভাষাত - আৎ আৰু স্ত্রীলিঙ্গত - আতী) ঃ ধাতুৰ পাছত যোগ হৈ 'তাৰ আছে' এই অৰ্থত বিশেষ্য শব্দ গঠন কৰে; যেনে -

✓ডাক্ - আইৎ > ডাকাইত (দস্যু)
✓ঢাল্ - আইৎ > ঢালাইত
✓সেৰ - আইৎ > সেবাইত

- আও ঃ ধাতুৰ পাছত ভাবাৰ্থত এই প্রত্যয় যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে -

✓ঘেৰ্ - আও > ঘেৰাও (বেষ্টন)
✓চড়্ - আও > চড়াও (আক্রমন)

- আকু ঃ ধাতুৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে -

✓উড়্ - আকু > উড়াকু > উড়ুকু > উড়ুক্কু; উড়ুক্কু মাছ

- আন/-আনো ঃ ধাতুৰ পাছত যোগ হৈ ক্রিয়া বাচক বা বস্তুবাচক বিশেষ্য শব্দৰ গঠন কৰে; যেনে -

✓আঁচ্ - আনো > আঁচানো (মুখ ধোৱা)
✓কম্ - আনো > কমানো (হ্রস্বীকৰণ)

✓ কৰ্- আনো > কৰানো; 'স্নান কৰানো'
✓ জান্- আন > জানান, জানানো (সংবাদদান)
✓ মান্- আন > মানান্, মানানো (উপযুক্ততা)
✓ শুন্- আনো > শুনানো

- আনি/-আনী/-উনী ঃ ধাতুৰ পাছত যোগ হৈ ভাববাচক ক্রিয়া বা বস্তুবাচক বিশেষ্য শব্দ গঠন কৰে; যেনে -

✓ উড়্- আনি > উড়ানি, উড়ানী
✓ জ্বল্- আনি > জ্বালানি (ইন্ধন)
✓ ঝাঁক্- আনি > ঝাঁকানি, ঝাঁকানী, ঝাঁকুনী; গৰুৰ গাড়ীৰ ঝাঁকুনী
✓ দেখ্- আনী > দেখানী
✓ পাৰ্- আনী > পাৰানী
✓ শুন্- আনী > শুনানী

- ইতে ঃ ধাতুৰ পাছত যোগ হৈ কৃদন্ত বিশেষ্য শব্দ গঠন কৰে; (চলিত ভাষাত আনুষঙ্গিক ই কাৰৰ লোপৰ ফলত ত অভিশ্রুতিৰ বাবে পূর্ববর্তী অ- কাৰৰ উচ্চাৰণ ওকাৰ হয়) যেনে -

✓ কৰ্- ইতে > কৰিতে, চলিত ভাষাত ক'ৰতে, কোৰতে।
✓ চাহ্- ইতে > চাহিতে > চাইতে
✓ চল্- ইতে > চলিতে > চ'লতে

- ইব্ ঃ ধাতুৰ পাছত যোগ হৈ ভবিষ্যত কালৰ ক্রিয়া পদ গঠন কৰে। যেনে -

✓ কৰ্- ইব্ > কৰিব
✓ চল্- ইব্ > চলিব
✓ খা- ইব্ > খাইব
✓ যা- ইব্ > যাইব
✓ দেখ্- ইব্ > দেখিব

- ইবা ঃ ধাতুৰ পাছত যোগ হৈ ভাববাচক বিশেষ্য শব্দ গঠন হয়। বর্তমান বঙলাত কেতিয়াবা ই-কাৰৰ লোপ হৈ কেৱল -বা হয়।

যেনে -

✓কৰ্ - ইবা > কৰিবা; কৰিবা মাত্ৰ

✓দি - ইবা > দিবা; দিবাৰ জন্য

- ইয়া : ধাতুৰ পাছত যোগ হৈ অসমাপিকা ক্ৰিয়া শব্দ গঠন কৰে। চলিত ভাষাত ই - এ/-য়ে হয়।

✓কৰ্ - ইয়া > কৰিয়া, কৰে

✓খা - ইয়া > খাইয়া, খেয়ে

✓চাহ - ইয়া > চাহিয়া

✓চাই - ইয়া > চাইয়া, চেয়ে

✓বহ্ - ইয়া > বহিয়া, ব'য়ে

- ইয়ে : ধাতুৰ পাছত যোগ হৈ প্ৰবীণ বা নিপুণ অৰ্থত ব্যৱহাৰ হয়।[৭] যেনে -

✓গা - ইয়ে > গাইয়ে

✓চল্ - ইয়ে > চলিয়ে

✓বল্ - ইয়ে > বলিয়ে

✓বাজ্ - ইয়ে > বাজিয়ে

- ইল : ধাতুৰ পাছত যোগ হৈ অতীত কালৰ ক্ৰিয়া পদ গঠন কৰা হয়।[৮] যেনে -

✓খা - ইল > খাইল

✓চল্ - ইল > চলিল

✓চাই - ইল > চাহিল

✓মা - ইল > মাইল

- ইলে : ধাতুৰ পাছত যোগ হৈ ক্ৰিয়াৰ অসমাপিকা ৰূপে ব্যৱহাৰ হয়। কেতিয়াবা -ইলে > -লে হয়। যেনে -

✓খা - ইলে > খাইলে, খেলে

৭। প্ৰাগুক্ত গ্ৰন্থ, পৃঃ-১৩৮

৮। জ্যোতি ভূষণ চাকী ঃ বাংলা ভাষাৰ ব্যাকৰণ, পৃঃ-১৩১

✓চল্ - ইলে > চলিলে, চ'ললে

✓চা - ইলে > চাহিলে, চাইলে

✓বহ্ - ইলে > বহিলে, বইলে

✓ৰ্ - ইলে > ৰহিলে, ৰইলে

**৪.০১.২.১.২.২ বিশেষণ শব্দ গঠন কৰা বঙলা ভাষাৰ কৃৎ প্ৰত্যয় ঃ**

-অ ঃ > -ও/-উ ঃ ধাতুৰ পাছত যোগ হৈ প্ৰৱণতা, ঈষৎভাৱ অৰ্থাৎ প্ৰায় এইৰূপ বা পূৰ্ণভাবে নহয় এনে অৰ্থত ই বিশেষণ শব্দ গঠন কৰে[১]। এই বিশেষণ শব্দবোৰ সদায় দ্বিত্ব হয়। যেনে -

✓উড়্ - অ > উড়; 'উড়ু উড়ু'

✓কাঁদ্ - অ > কাঁদ; 'কাঁদ কাঁদ', 'কাঁদো কাঁদো'

✓ডুব্ - অ > ডুবু; 'ডুবু ডুবু'

✓দাউ - অ > দাউ; 'দাউ কৰিয়া জ্বলা'

✓নিচ্ - অ > নিচু; 'নিচু নিচু'

✓নিব্ - অ > নিবু; 'নিবু নিবু'

✓নিব্ - অ > নিবো; 'নিবো নিবো'

✓পড়্ - অ > পড়; 'পড় পড়'

✓পৰ্ - অ > পৰো; 'পৰো পৰো'

✓মৰ্ - অ > মৰো; 'মৰো মৰো'

-অনা ঃ ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে -

✓মাঙ্গঁ - অনা > মাঙ্গনা

✓শুখা - অনা > শুখানা, শুখনা

-অন্ত ঃ ধাতুৰ পাছত যোগ হৈ কৃদন্ত বিশেষণ শব্দ গঠন কৰে; যেনে -

✓উঠ - অন্ত > উঠন্ত (উদীয়মান)

✓ঘুম - অন্ত > ঘুমন্ত; 'ঘুমন্ত শিশু'

✓চল্ - অন্ত > চলন্ত; 'চলন্ত গাড়ি'

---

১। ড° সুনীতি কুমাৰ চট্টোপাধ্যায় ঃ ভাষা প্ৰকাশ বাঙ্গালা ব্যাকৰণ, পৃঃ-১৩২

✓জী - অন্ত > জীয়ন্ত (সজীৱ)

✓বাড় - অন্ত > বাড়ন্ত; 'বাড়ন্ত গড়ন'

✓ভাস্ - অন্ত > ভাসন্ত (ভাসমান)

✓হাস্ - অন্ত > হাসন্ত

- অত : ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে -

✓ফেৰ - অত > ফেৰত; বিলেত ফেৰৎ

✓বহ্ - তা > বহতা (নদী)

✓উঠ্ - তি > উঠতি; 'উঠতি বয়স'

✓জান - তা > জানতা; 'সবজান্তা'

- অতি : ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে -

✓চল - অতি > চলতি; 'চলতি কথা'

- তি : ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে -

✓কম্ - তি > কমতি (কম)

✓ভৰ্ - তি > ভৰতি; 'ভৰতি বালতি'

✓বাড়্ - তি > বাড়তি; 'বাড়তি মাল'

- আ : ধাতুৰ পাছত যোগ হৈ অতীতকাল দ্যোতক বিশেষণ শব্দ গঠন কৰে; যেনে -

✓কৰ্ - আ > কৰা

- আ : ধাতুৰ পাছত যোগ হৈ অতীত কৃদন্ত বিশেষণ শব্দ গঠন কৰে; যেনে-

✓জান্ - আ > জানা; 'জানা কথা'

✓ধো - আ > ধোয়া; 'ধোয়া হাত'

✓ৰাঁধ - আ > ৰাঁধা; 'ৰাঁধা তৰকাৰি'

✓শোন - আ > শোনা; শোনা গল্প'

✓হ্ - আ > হওয়া; 'হওয়া চাকৰি'

-আকু : ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে -

✓লড় - আকু > লড়াকু; 'লড়াকু মেজাজ'

- উআ (-উয়া) : ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে। চলিত ভাষাত ই ও হয়। যেনে -

✓ পড়্- উআ > পড়ুৱা / পড়ো; 'পড়ো ছাত্র'

✓ পড়্- উআ > পড়য়া / পোড়ো; 'পোড়ো বাড়ী'

- উক/-উকা : ধাতুৰ পাছত যোগ হৈ স্বভাৱ প্ৰকাশক বিশেষণ শব্দ গঠন কৰে; যেনে-

✓ খা - উকা > খাউকা, খেকো; 'মানুষ খেকো বাঘ'

✓ মিশ্‌ - উক > মিশুক

- ক/-কা, : ধাতুৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে -

✓ চল্‌ - কা > চলকা (উচ্ছল)

✓ ছল - ক > ছলক (উচ্ছলিত হোৱা)

✓ হেঁচ্‌ - কা > হেঁচকা; 'হেঁচকা টান'

এইদৰে কৃৎ প্ৰত্যয়বোৰে নানান বিশেষ্য, বিশেষণ আৰু বিভিন্ন প্ৰকাৰৰ ক্ৰিয়াপদ জাতীয় শব্দ গঠন কৰে। এইবোৰৰ উপৰিও বঙলা ভাষাত ধাতুৰ প্ৰসাৰক কেতবোৰ কৃৎ প্ৰত্যয় পোৱা যায় যিবোৰৰ দ্বাৰা ধাতুৰ অৰ্থ ঈষৎ পৰিবৰ্তিত, পৰিবৰ্ধিত বা সংকুচিত হয়। সেই প্ৰত্যয়বোৰ হ'ল ঃ - ক, - ট, - ড়, - ৰ, -ল, - স, - চ আদি।[১০]

### ৪.০১.২.২ তদ্ধিৎ প্ৰত্যয়ৰ যোগত শব্দ গঠন ঃ

অসমীয়া আৰু বঙলা দুয়োটা ভাষাতেই শব্দ বা প্ৰাতিপদিকৰ পাছত বিভিন্ন তদ্ধিৎ প্ৰত্যয় যোগ কৰি ভিন্ন অৰ্থবাচক নতুন নতুন শব্দ গঠন কৰা হয়।

### ৪.০১.২.২.১ অসমীয়া ভাষাৰ তদ্ধিৎ প্ৰত্যয় ঃ

গৌণ প্ৰত্যয়ৰূপেও অভিহিত এই প্ৰত্যয়বোৰ অসমীয়া ভাষাৰ বিশেষ্য শব্দৰ পাছত যোগ দি নতুন বিশেষ্য শব্দ সৃষ্টি কৰিব পাৰি নাইবা বিশেষ্য শব্দৰ লগত যোগ দি নতুন বিশেষণ শব্দ সজাব পাৰি অথবা বিশেষণ শব্দৰ লগত এনে প্ৰত্যয় যোগ দি অমূৰ্ত ভাব প্ৰকাশক বিশেষ্য শব্দ পাব পাৰি নতুবা বিশেষণ শব্দৰ লগত এনে প্ৰত্যয় যোগ দি নতুন বিশেষণ শব্দ সজাব পাৰি।

---

১০। প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ১৩৯

### ৪.০১.২.২.১.১ বিশেষ্য শব্দ গঠন কৰা অসমীয়া ভাষাৰ তদ্ধিৎ প্ৰত্যয় ঃ

- অক ঃ প্ৰাতিপদিক বা শব্দৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-

খেতি - অক > খেতিয়ক

- অতি ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-

পাঁচ - অতি > পচঁতি

বাপ - অতি > বাপতি; 'বাপতি সাহোন'

বাৰ - অতি > বাৰতি

সৰ্ব - অতি > সৰ্বতি; 'সৰ্বতি কাল'

- অতিয়াৰ ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-

মাছ - অতিয়াৰ > মাছতিয়াৰ

- অতী ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-

আই - অতী > আয়তী

ধাৰ - অতি > ধাউতি

নাম - অতী > নামতী

লাহ - অতী > লাহতী

সখী - অতী > সখিয়তী

- অন ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-

গাঁঠি - অন > গাঁঠিয়ন

দৈ - অন > দৈয়ন

বোধ - অন > বোধন

- অনি ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-

আম - অনি > আমনি

ঔ - অনি > ঔৰনি

কচু - অনি > কচুৰনি

কাঠ - অনি > কাঠনি

খেৰ - অনি > খেৰণি

গছ - অনি > গছনি

চপৰা - অনি > চপৰাণি
চুৰাপাত - অনি > চুৰাপাতনি
তেল - অনি > তেলনি
দল - অনি > দলনি
ধান - অনি > ধাননি
নাহৰ - অনি > নাহৰণি
পদুম - অনি > পদুমণি
ফুল - অনি > ফুলনি
বন - অনি > বননি
বৰি - অনি > বৰিয়নি
বাকৰি - অনি > বাকৰণি
বেত - অনি > বেতনি
মাহ - অনি > মাহনি
শাক - অনি > শাকনি ইত্যাদি।

- অনী ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-

জান - অনী > জাননী
মান - অনী > মাননী আদি।

- অৰি ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-

গহ - অৰি > গহৰি (পলম)
গাঁঠি - অৰি > গাঁঠৰি; ‘গহনা গাঁঠৰি’
বতৰ - অৰি > বাতৰি আদি।

- অৰী ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-

জী - অৰী > জীয়ৰী
বন - অৰী > বনৰী
ভাদ - অৰী > ভদৰী
মতা - অৰী > মতৰী (দুষ্টা তিৰোতা)
লাহ - অৰী > লাহৰী (মৰমৰ পাত্ৰী)

- অৰীয়া ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-
ভাও - অৰীয়া > ভাৱৰীয়া

- অৰুৱা ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-
বাট - অৰুৱা > বাটৰুৱা

- অল ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-
আগ - অল > আগল

- আ ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-
আহিন - আ > আহিনা
আঘোন - আ > আঘোনা
কাতি - আ > কাতিয়া
কালি - আ > কালিয়া
গছ - আ > গছা
গাঁও - আ > গঞা (গাঁৱৰ লোক)
গুৱাহাটী - আ > গুৱাহটীয়া
নলবাৰী - আ > নলবৰীয়া
নগাও - আ > নগঞা
পুহ - আ > পুহা
বৃহস্পতি - আ > বৃহস্পতিয়া
মঙ্গল - আ > মঙ্গলা
ৰবি - আ > ৰবিয়া
শনি - আ > শনিয়া
শাওন - আ > শাওনা
শুকুৰ - আ > শুকুৰা

- আই ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-
কানু - আই > কানাই
ধন - আই > ধনাই
বৰ - আই > বৰাই

বৈনী - আই > বৈনাই

বোপা - আই > বোপাই

ভাই - আই > ভৈয়াই

ভোদা - আই > ভোদাই

মামা - আই > মোমাই

মুনিষ - আই > মুনিষাই

- আক : শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-

জোন - আক > জোনাক (জোনৰ পোহৰ)

- আকি : শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-

চিন - আকি > চিনাকি

- আন : শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-

বিহু - আন > বিহুৱান

লাঠী - আন > লাঠীয়ান

- আমি : বিশেষণ শব্দৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-

ঠগ - আমি > ঠগামি

দুষ্ট - আমি > দুষ্টামি

পগলা - আমি > পগলামি

পাতল - আমি > পাতলামি

ফাত্ৰা - আমি > ফাত্ৰামি

ভদ্ৰ - আমি > ভদ্ৰামি

ভণ্ড - আমি > ভণ্ডামি

মূৰ্খ - আমি > মূৰ্খামি

শঠ - আমি > শঠামি

- আৰ : শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-

কৰ্ম - আৰ > কমাৰ

কাঁহ - আৰ > কঁহাৰ

কুম্ভ - আৰ > কুম্ভকাৰ, কুমাৰ

চৰ্ম - আৰ > চমাৰ

লৌহ - আৰ > লোহাৰ

সূতা - আৰ > সূতাৰ

- আৰি : শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-

আগ - আৰি > আগাৰি (আগছোৰা)

পেট - আৰি > পেটাৰি (জপা অৰ্থত)

- আৰী : শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-

জী - আৰী > জীয়াৰী

জুৰা - আৰী > জুৰাৰী

পূজা - আৰী > পূজাৰী

বৌ - আৰী > বোৱাৰী

ভিক্ষা - আৰী > ভিক্ষাৰী

সোণ - আৰী > সোণাৰী

- আল : শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-

গুৰি - আল > গুৰিয়াল

চকী - আল > চকীয়াল

চাকৰি - আল > চাকৰিয়াল

চাপৰি - আল > চাপৰিয়াল

দাঁতি - আল > দাঁতিয়াল

নদী - আল > নদীয়াল

পেট - আল > পেটাল

হাবি - আল > হাবিয়াল (হাবিত থকা মানুহ)

- আলি : শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে-

অজলা - আলি > অজলালি

আজলমঠ -আলি > আজলমঠালি

আকোঁৰগোজ - আলি > আকোঁৰগোজালি

ওজা - আলি > ওজালি

খৰ - আলি > খৰালি
ঘটক - আলি > ঘটকালি
চতুৰ - আলি > চতুৰালি
পুৰুষ - আলি > পুৰুষালি
বলিয়া - আলি > বলিয়ালি
বান্দৰ - আলি > বান্দৰালি
বেজ - আলি > বেজালি
মইমত - আলি > মইমতালি
মিতিৰ - আলি > মিতিৰালি
মুনিষ - আলি > মুনিষালি
ল'ৰা - আলি > ল'ৰালি
সোৰোপা - আলি > সোৰোপালি ইত্যাদি।

- আহ্ ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

ছল - আহ্ > ছলাহ (বঞ্চনা কৰ)

- আহী ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

মদ - আহী > মদাহী

- ই ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

আধাৰ - ই > আধাৰি
ওপৰ - ই > উপৰি
কোঁহ - ই > কুঁহি
কম্পাউণ্ডাৰ - ই > কম্পাউণ্ডাৰি
খেত - ই > খেতি
গড়শাল - ই > গড়শালি
গোলাম - ই > গোলামি
গোহাল - ই > গোহালি
চাক - ই > চাকি
চাকৰ - ই > চাকৰি

চোৰ - ই > চুৰি

জুৱাচোৰ - ই > জুৱাচুৰি

টেমা - ই > টেমি

ডাক্তৰ - ই > ডাক্তৰি

ডোবা - ই > ডুবি

পখা - ই > পাখি

পঢ়াশাল - ই > পঢ়াশালি

পাহ্ - ই > পাহি

প্ৰফেচৰ - ই > প্ৰফেচৰি

বাহাদুৰ - ই > বাহাদুৰি

মাদল - ই > মাদুলি

মাষ্টৰ - ই > মাষ্টৰি

- ইকা ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

হাজাৰ - ইকা > হাজৰিকা

- ইতা ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

মালা - ইতা > মালিতা

শলা - ইতা > শলিতা

- ইয়া ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

পল - ইয়া > পলৈয়া

মাজ - ইয়া > মজিয়া

- ইলা ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

পখ - ইলা > পখিলা

- ঈ ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

অসম - ঈ > অসমী

কঙাল - ঈ > কঙালী

কপাহ - ঈ > কপাহী

কাকত - ঈ > কাকতী

| | |
|---|---|
| কাঁড় - ঈ | > কাঁড়ী |
| কাবুল - ঈ | > কাবুলী (আফগান দেশৰ মানুহ) |
| কাঁহ - ঈ | > কাঁহী |
| কুমাৰ - ঈ | > কুমাৰী |
| গুজৰাট - ঈ | > গুজৰাটী |
| ঘাঁহ - ঈ | > ঘাঁহী |
| জোনাক - ঈ | > জোনাকী |
| জাপান - ঈ | > জাপানী |
| তাম - ঈ | > তামী |
| তেল - ঈ | > তেলী |
| দান - ঈ | > দানী (কোনো বস্তু থিয়কৈ ধৰি ৰাখিবলৈ ব্যৱহাৰ কৰা পাত্ৰ) |
| দামোদৰ - ঈ | > দামোদৰী |
| দোকান - ঈ | > দোকানী |
| দুৱাৰ - ঈ | > দুৱৰী |
| দুখ - ঈ | > দুখী |
| নেপাল - ঈ | > নেপালী |
| নৰ - ঈ | > নাৰী |
| পেহা - ঈ | > পেহী |
| বহাগ - ঈ | > বহাগী |
| বিজ্ঞান - ঈ | > বিজ্ঞানী |
| বিহাৰ - ঈ | > বিহাৰী |
| বুলন - ঈ | > বুলনী |
| বেপাৰ - ঈ | > বেপাৰী |
| বৈষ্ণৱ - ঈ | > বৈষ্ণৱী |
| ভঁৰাল - ঈ | > ভঁৰালী |
| ভাগ - ঈ | > ভাগী |

ভাগৱত - ঈ > ভাগৱতী
ভাৰ - ঈ > ভাৰী
মহা - ঈ > মাহী
হৰিদেৱ - ঈ > হৰিদেৱী
হিন্দুস্থান - ঈ > হিন্দুস্থানী (ভাষা বুজালে)
শংকৰ - ঈ > শংকৰী (যুগ)
সুৰা - ঈ > সুৰী
সিংহ - ঈ > সিংহী

- ঈয়া ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

খোল - ঈয়া > খুলীয়া
ঢোল - ঈয়া > ঢুলীয়া
দহজন - ঈয়া > দহজনীয়া
তেজপুৰ - ঈয়া > তেজপুৰীয়া
ভগন - ঈয়া > ভগনীয়া

- উ ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

আহাৰ - উ > আহাৰু
বহাগ - উ > বহাগু
বাপ - উ > বাপু
বুধ - উ > বুধু

- উঙা ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

চল - উঙা > চুলুঙা
সুৰ - উঙা > সুৰুঙা

- উলি ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

ঠেঙ - উলি > ঠেঙুলি
মাজ - উলি > মাজুলি
সজা - উলি > সজুলি

- উৱা ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

নট - উৱা > নটুৱা

পিতল - উৱা > পিতলুৱা

বন - উৱা > বনুৱা

মাঘ - উৱা > মাঘুৱা (কলদিলৰ বৌটা)

ৰণ - উৱা > ৰণুৱা

- উৰৈ ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

খেল - উৰৈ > খেলুৰৈ

গছ - উৰৈ > গছুৰৈ

ঘাট - উৰৈ > ঘাটুৰৈ

পাম - উৰৈ > পামুৰৈ

মাছ - উৰৈ > মাছুৰৈ

মেল - উৰৈ > মেলুৰৈ

হাল - উৰৈ > হালুৰৈ

- ঐ ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

আতা - ঐ > আতৈ

ঘাট - ঐ > ঘাটৈ

দূৰ - ঐ > দূৰৈ

বান্ধ - ঐ > বান্ধৈ

ভাদ - ঐ > ভাদৈ

মিঠা - ঐ > মিঠৈ

- ওৱা ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

জাল - ওৱা > জালোৱা

হাল - ওৱা > হালোৱা

- ওৱাল ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

ডাক - ওৱাল > ডাকোৱাল

- কা ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

টেমা - কা > টেমেকা

তুলি - কা > তুলিকা

বেলি - কা > বেলিকা (সময়)

ভূমি - কা > ভূমিকা

লিপি - কা > লিপিকা

- কাৰ ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

গল্প - কাৰ > গল্পকাৰ

গীতি - কাৰ > গীতিকাৰ

জীৱনী - কাৰ > জীৱনীকাৰ

নাট্য - কাৰ > নাট্যকাৰ

সুৰ - কাৰ > সুৰকাৰ

- কাৰী ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

অভিযোগ - কাৰী > অভিযোগকাৰী

পিকেটিং - কাৰী > পিকেটিংকাৰী

ব্যাখ্যা - কাৰী > ব্যাখ্যাকাৰী

- কুৰি ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

বাট - কুৰি > বাটকুৰি

হাট - কুৰি > হাটকুৰি

- গিৰি ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

উকীল - গিৰি > উকীলগিৰি

কেৰাণী - গিৰি > কেৰাণীগিৰি

গুৰু - গিৰি > গুৰুগিৰি

পাণ্ডা - গিৰি > পাণ্ডাগিৰি

প্ৰফেচৰ - গিৰি > প্ৰফেচৰগিৰি

বাবু - গিৰি > বাবুগিৰি

মহৰী - গিৰি > মহৰীগিৰি

মাষ্টাৰ - গিৰি > মাষ্টাৰগিৰি

হাকিম - গিৰি > হাকিমগিৰি

- তলী ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

কঠিয়া - তলী > কঠিয়াতলী

ধান - তলী > ধানতলী

মাহ - তলী > মাহতলী

- দাৰ ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

অংশী - দাৰ > অংশীদাৰ

ঠিকা - দাৰ > ঠিকাদাৰ

দোকান - দাৰ > দোকানদাৰ

পট্টা - দাৰ > পট্টাদাৰ

ফৌজ - দাৰ > ফৌজদাৰ

মহল - দাৰ > মহলদাৰ

মৌজা - দাৰ > মৌজাদাৰ

- নি ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

চপৰা - নি > চপৰানি

নৰা - নি > নৰানি, নৰাণি

- লা ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

অজ - লা > অজলা

অন্ধ - লা > অন্ধলা

চক - লা > চকলা

জঁট - লা > জঁটলা

জধা - লা > জধলা

- শাল ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

কমাৰ - শাল > কমাৰশাল

জুই - শাল > জুইশাল, জুহাল

ঢেঁকী - শাল > ঢেঁকীশাল
তাঁত - শাল > তাঁতশাল
বন্দী - শাল > বন্দীশাল

- শালা ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

কৰ্ম - শালা > কৰ্মশালা
গো - শালা > গোশালা
নাট্য - শালা > নাট্যশালা

- শালি ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

কমাৰ - শালি > কমাৰশালি
গো - শালি > গোহালি
গড় - শালি > গড়শালি
পঢ়া - শালি > পঢ়াশালি
মৰা - শালি > মৰাশালি

- ৱালা ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

গাখীৰ - ৱালা > গাখীৰৱালা
গাড়ী - ৱালা > গাড়ীৱালা
টুপী - ৱালা > টুপীৱালা
ডাক - ৱালা > ডাকৱালা
তৰকাৰী - ৱালা > তৰকাৰীৱালা
দুধ - ৱালা > দুধৱালা
পানী - ৱালা > পানীৱালা
ফেৰি - ৱালা > ফেৰিৱালা
বন্দুক - ৱালা > বন্দুকৱালা
ৰিক্সা - ৱালা > ৰিক্সাৱালা
ৰুটী - ৱালা > ৰুটীৱালা
লোফ - ৱালা > লোফৱালা

### ৪.০১.২.২.১.২ বিশেষণ আৰু ক্রিয়াবিশেষণ শব্দ গঠন কৰা অসমীয়া ভাষাৰ তদ্ধিৎ প্রত্যয়

- অক ঃ
শব্দ বা প্রাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

বুধি - অক > বুধিয়ক
ফন্দি - অক > ফন্দিয়ক

- অঙা ঃ
শব্দ বা প্রাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

মল - অঙা > মলঙা

- অচীয়া ঃ
শব্দ বা প্রাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

ঘৰ - অচীয়া > ঘৰচীয়া

- অতী ঃ
শব্দ বা প্রাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

আগল - অতী > আগলতী
খীৰ - অতী > খীৰতী
ফুল - অতী > ফুলতী
লাহ - অতী > লাহতী

- অতীয়া ঃ
শব্দ বা প্রাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

জাক - অতীয়া > জাকতীয়া
বশ - অতীয়া > বহতীয়া
বাপ - অতীয়া > বাপতীয়া
শেষ - অতীয়া > শেহতীয়া

- অনী ঃ
শব্দ বা প্রাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

হাত - অনী > হাতনী (সততে ব্যৱহাৰ কৰা)

- অনীয়া ঃ
শব্দ বা প্রাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

আঁঠু - অনীয়া > আঠুৱনীয়া

- অৰি ঃ
শব্দ বা প্রতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

ধূলি - অৰি > ধূলিয়ৰি

- অৰী ঃ
শব্দ বা প্রাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

ফুল - অৰী > ফুলৰী
লাহ - অৰী > লাহৰী

- অৰীয়া ঃ

শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

লগ - অৰীয়া > লগৰীয়া

পলা - অৰীয়া > পলৰীয়া

- অৰুৱা ঃ

শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

আধা - অৰুৱা > আধৰুৱা

হাট - অৰুৱা > হাটৰুৱা

- অল ঃ

শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

দীঘ - অল > দীঘল

- অলি ঃ

শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

আগ - অলি > আগলি

- অলী ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

ৰঙা > ৰাঙ - অলী > ৰাঙলী

- অলীয়া ঃ

শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

গাওঁ - অলীয়া > গাৱঁলীয়া

বাৰী - অলীয়া > বাৰীয়লীয়া

মিছা - অলীয়া > মিছলীয়া

মাজ - অলীয়া > মজলীয়া

- অহ ঃ

শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

ৰূপ - অহ > ৰূপহ

- আ ঃ

শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

গুটি - আ > গুটিয়া, গুটীয়া; 'কপাহ গুটীয়া'

জাঁপৰ - আ > জঁপৰা

দুখী - আ > দুখীয়া (দৰিদ্ৰ)

ফাগুন - আ > ফাগুনা

ফাঁপৰ - আ > ফঁপৰা

ভোবৰ - আ > ভোবোৰা

ৰঙ - আ > ৰঙা

ৰুগী - আ > ৰুগীয়া

সুখী - আ > সুখীয়া

হালধি - আ > হালধীয়া ইত্যাদি।

- আই ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

বোজা - আই > বোজাই

- আঙ ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

খৰ - আঙ > খৰাঙ

চোৰ - আঙ > চোৰাং

তৰ - আঙ > তৰাং

থিৰ - আঙ > থিৰাং

- আম ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

ফুল - আম > ফুলাম

সাত - আম > সাতাম

- আক ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

জোন - আক > জোনাক (জোনৰ পোহৰেৰে আলোকিত)

- আৰি ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

আগ - আৰি > আগাৰি (ঠাৰিৰ আগৰ)

- আল ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

খঙ - আল > খঙাল

গপ - আল > গপাল

গা - আল > গাৱাল

জোঙ- আল > জোঙাল

ঠেহ - আল > ঠেহাল

তেজ - আল > তেজাল

নেজ - আল > নেজাল

নোম- আল > নোমাল

মঙহ- আল > মঙহাল

ৰাগি- আল > ৰাগিয়াল

- আলী ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

জোন - আলী > জোনালী (নিশা)

ভোগ - আলী > ভোগালী

ৰঙ - আলী > ৰঙালী

ৰ'দ - আলী > ৰ'দালী

ৰূপ - আলী > ৰূপালী

সোন - আলী > সোনালী

- আহী ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

ছল - আহী > ছলাহী

- ইয়াল ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

মৰম - ইয়াল > মৰমিয়াল

ৰঙ - ইয়াল > ৰঙিয়াল (আমোদ প্ৰিয়)

সাহ - ইয়াল > সাহিয়াল

- ইলা ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

কাম - ইলা > কামিলা

- ইলি ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ ক্ৰিয়া বিশেষণ শব্দ গঠন কৰে; যেনেঃ

মাহ - ইলি > মাহিলি

- ইলী ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ ক্ৰিয়া বিশেষণ শব্দ গঠন কৰে; যেনেঃ

মাহ - ইলী > মাহিলী

- ঈ ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

কথক - ঈ > কথকী

কাবুল - ঈ > কাবুলী (কাবুল নগৰত হোৱা)

কামৰূপ - ঈ > কামৰূপী (ইচ্ছানুযায়ী ৰূপ ধৰিব পৰা)

জ্ঞান - ঈ > জ্ঞানী

দীঘল - ঈ > দীঘলী

চৰকাৰ - ঈ > চৰকাৰী

দান - ঈ > দানী (দান কৰা স্বভাৱযুক্ত)

ধন - ঈ > ধনী (মানুহ)

নিৰ্বাচন - ঈ > নিৰ্বাচনী

ভাৰ - ঈ > ভাৰী (গধুৰ)

বাহ - ঈ > বাহী

ভোগ - ঈ > ভোগী (সুখী)

মান - ঈ > মানী (সম্ভ্ৰম পোৱা)

ৰঙ - ঈ > ৰঙী

ৰোগ - ঈ > ৰোগী

শঙ্কৰ - ঈ > শংকৰী (শংকৰদেৱ সম্পৰ্কীয়)

সুখ - ঈ > সুখী

- ঈন ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

ৰঙ - ঈন > ৰঙীন

- ঈয় ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

দল - ঈয় > দলীয়

- ঈয়া ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

এঘৰ - ঈয়া > এঘৰীয়া

কুল - ঈয়া > কুলীয়া

গোফ - ঈয়া > গুফীয়া

চিৰকাল - ঈয়া > চিৰকলীয়া

জোল - ঈয়া > জুলীয়া

টকা - ঈয়া > টকীয়া

তেল - ঈয়া > তেলীয়া

দিন - ঈয়া > দিনীয়া

দীঘল - ঈয়া > দীঘলীয়া

দেওবাৰ - ঈয়া > দেওবৰীয়া

নাল - ঈয়া > নলীয়া

নেজ - ঈয়া > নেচীয়া

নোমল - ঈয়া > নুমলীয়া

পৰ্বত - ঈয়া > পৰ্বতীয়া

ফাল - ঈয়া > ফলীয়া

বছৰ - ঈয়া > বছৰীয়া

বছৰেক - ঈয়া > বছৰেকীয়া

বৰকথা - ঈয়া > বৰকথীয়া

ভাদ - ঈয়া > ভদীয়া

মাগন - ঈয়া > মগনীয়া

মাহ - ঈয়া > মহীয়া

যোৰ - ঈয়া > যুৰীয়া

লোণ - ঈয়া > লুণীয়া

সমান - ঈয়া > সমনীয়া

সমবয়স - ঈয়া > সমবয়সীয়া

সোমবাৰ - ঈয়া > সোমবৰীয়া

- উ ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

মাজ - উ > মাজু

- উঙা ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

টল - উঙা > টুলুঙা

- উনী ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

দুখ - উনী > দুখুনী

- উৰা ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

দন্দ - উৰা > দন্দুৰা

- উলা ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

ঠেহ - উলা > ঠেহুলা

পেট - উলা > পেটুলা

- উৱা ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

এলাহ - উৱা > এলেহুৱা
ঘৰ - উৱা > ঘৰুৱা
জাবৰ - উৱা > জাবৰুৱা
জেঠ - উৱা > জেঠুৱা
ডাল - উৱা > ডলুৱা
থল - উৱা > থলুৱা
ধাৰ - উৱা > ধৰুৱা (ঋণী)
পথাৰ - উৱা > পথৰুৱা
পলস - উৱা > পলসুৱা
বজাৰ - উৱা > বজৰুৱা
ভাত - উৱা > ভতুৱা
ভাঙ - উৱা > ভঙুৱা
মাৰ - উৱা > মৰুৱা
ৰাজহ - উৱা > ৰাজহুৱা
সমাজ - উৱা > সমজুৱা
সাৰ - উৱা > সাৰুৱা

- উৱাল ঃ

শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

ভিতৰ - উৱাল > ভিতৰুৱাল

- এতীয়া ঃ

শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

তেল - এতীয়া > তেলেতীয়া

- ওৱালী ঃ

শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

ৰূপ - ওৱালী > ৰূপোৱালী
সোন - ওৱালী > সোনোৱালী

- কৰী ঃ

শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

অৰ্থ - কৰী > অৰ্থকৰী
জ্ঞান - কৰী > জ্ঞানকৰী

- কাৰী ঃ
শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ
মঙ্গল - কাৰী > মঙ্গলকাৰী

- কুৰীয়া ঃ
শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ
লাজ - কুৰীয়া > লাজকুৰীয়া

- চুৰা ঃ
শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ
ৰঙ - চুৰা > ৰঙচুৰা

- তী ঃ
শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ
পুৰা - তী > পুৰতী

- ধাৰী ঃ
শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰা হয়; যেনে ঃ
আশা - ধাৰী > আশাধাৰী

- ময় ঃ
শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ
অন্ধকাৰ - ময় > অন্ধকাৰময়
দুৰ্গন্ধ - ময় > দুৰ্গন্ধময়
ধুলি- ময় > ধূলিময়
বালি- ময় > বালিময়
বোকা- ময় > বোকাময়
শিল - ময় > শিলাময়
হাবি - ময় > হাবিময়

**৪.০১.২.২.২ বঙলা ভাষাৰ তদ্ধিৎ প্ৰত্যয় ঃ**

অসমীয়া ভাষাৰ দৰে বঙলা ভাষাতো ভালেমান তদ্ধিৎ প্ৰত্যয়ৰ ব্যৱহাৰ আছে। এই প্ৰত্যয়বোৰৰ যোগতো ভিন্ন অৰ্থবাচক বিশেষ্য, বিশেষণ আদি বিভিন্ন প্ৰকাৰৰ শব্দ গঠন কৰিব পাৰি।

**৪.০১.২.২.২.১ বিশেষ্য শব্দ গঠন কৰা বঙলা ভাষাৰ তদ্ধিৎ প্ৰত্যয় ঃ**

- অ বা - ও ঃ
শব্দ বা প্ৰাতিপদিকৰ পাছত এই প্ৰত্যয়টো যোগ কৰি বিশেষ্য শব্দ গঠন কৰা হয়। যেনে ঃ
কাল্ - অ > কাল; 'কাল শিৰা, কাল সাপ'
কাল্ - ও > কালো

এই প্রত্যয় সাধাৰণতে বঙলা ভাষাত ব্যক্তিৰ নামৰ লগত যোগ হয়। যেনেঃ

| | |
|---|---|
| শিৰ্ - ও | > শিৰো |
| ৰুদ - ও | > ৰুদো - ৰুদ্ৰ |
| সিধ্ - ও | > সিধো - সিদ্ধেশ্বৰ |
| বিভ্ - ও | > বিভো |
| জন্ - ও | > জনো - জনাৰ্দন |
| পিথ্ - ও | > পিথো - পৃথ্বীধৰ |

- অট/- ট ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

| | |
|---|---|
| দাপ্ - অট | > দাপট; 'গ্ৰীষ্মেৰ দাপট' |
| সাপ্ - অট | > সাপট; 'লেজেৰ সাপট' |
| ঝাপ্ - অট | > ঝাপট; 'ঝোড়ো শব্দেৰ ঝাপট' |
| আঙ্গ্ - অট | > আঙ্গট |

- অটিয়া/-টে ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

| | |
|---|---|
| ভাড়া - অটিয়া | > ভাড়াটিয়া, ভাড়াটে; 'নতুন ভাড়াটে' এসেছে' |

- আ ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ নতুন বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

| | |
|---|---|
| গল - আ | > গলা |
| প্ৰেম - আ | > প্ৰেমা |
| ধাঁচ - আ | > ধাঁচা (ধৰণ) |
| চাঁদ - আ | > চাঁদা |
| গোপাল - আ | > গোয়ালা |
| আঁজল - আ | > আঁজলা (অঞ্জলি) |
| গোপাল - আ | > গোপ্‌লা |
| বাঘ - আ | > বাঘা |
| পাগল - আ | > পাগ্‌লা |
| বামুন - আ | > বামুনা, বাম্‌না |
| পশ্চিম - আ | > পশ্চিমা |
| ডাহিন - আ | > ডাহিনা, ডাইনে |

পাছ - আ > পাছা

গাছ - আ > গাছা

হাত - আ > হাতা ইত্যাদি।

- আই ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ আদৰ অৰ্থত বা নামৰ পূৰ্ণ অথবা সংক্ষিপ্ত ৰূপৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

শ্ৰীমন্ত - আই > ছিৰাই

জগৎ - আই > জগাই

মাধৱ - আই > মাধাই

জনাৰ্দন - আই > জনাই, দনাই

গনেশ - আই > গণাই[১১]

- আন/আনো ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ নামধাতুৰ সৃষ্টি কৰে; যেনে ঃ

জমা - আনো > জমানো; 'টকা জামানো'

জুতা - আনো > জুতানো (জোতাৰে মাৰা)

পেঁচ - আনো > পেঁচানো

লাথি - আনো > লাথানো

- আনি ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ নতুন বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

নাক - আনি > নাকানি (নাকৰ পানী)

ডুব - আনি > ডুবানি

আম - আনি > আমানি (পইতা ভাতৰ পানী)

- আম (-আমে), ঃ বা - ম', - ম্

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

ঠক - আম > ঠকাম' (প্ৰতাৰণা)

পাকা - ম' > পাকাম' (অকালপক্কৰ আচৰণ)

নেকা - ম' > নেকাম'

বুড়া - ম' > বুড়াম'

---

১১। ড° সুনীতি কুমাৰ চট্টোপাধ্যায় ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ- ১৫৭

- আমি/ওমি/-উমি/-মি ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

| | |
|---|---|
| ছেলে - মি | > ছেলেমি |
| গিন্নী - মি | > গিন্নিমি |
| ন্যাক - আমি | > ন্যাকামি (সৰলতাৰ ভাব) |
| ধূৰ্ত - ওমি | > ধূৰ্তোমি (প্ৰবঞ্চনা) |
| পেজ - ওমি | > পেজোমি (বদমাছি) |
| বাদৰ - আমি | > বাদৰামি |
| মূৰ্খ - আমি | > মূৰ্খামি |

- আৰ ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

| | |
|---|---|
| কুম্ভ - আৰ | > কুমাৰ |
| চৰ্ম - আৰ | > চামাৰ |
| কাণ্ড - আৰ | > কাণ্ডাৰ |
| মাঝ - আৰ | > মাঝাৰ |
| সোণ - আৰ | > সোনাৰ |

- আৰী ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

| | |
|---|---|
| কাঁস - আৰী | > কাঁসাৰী |
| চুন - আৰী | > চুনাৰী |
| জুৱা - আৰী | > জুয়াৰী |
| ডুব - আৰী | > ডুবাৰী |
| দিশ - আৰী | > দিশাৰী |
| ধুন - আৰী | > ধুনাৰী |
| পূজা - আৰী | > পূজাৰী আদি। |

- আৰু ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

| | |
|---|---|
| খোজ - আৰু | > খোজাৰু |
| কন্দ - আৰু | > কন্দাৰু |
| ডুব - আৰু | > ডুবাৰু |

- আল/-আলো ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

আড় - আল > আড়াল; দৃষ্টিৰ আড়াল

পাইক - আল > পাইকাল

বঙ্গ - আল > বাঙ্গাল

- আলী/-উলী ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে। যেনে ঃ

ঠাকুৰ - আলী > ঠাকুৰালী

নাগৰ - আলী > নাগৰালী

মিতা - আলী > মিতালী

বাসন - আলী > বাসনাউলী

মুড়ি - উলী > মুড়িউলী ইত্যাদি।

- আল/-আলা/-আলী/ -ওৱালী ঃ প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

কোট - আল > কোটাল (নগৰ ৰক্ষক)

কাশী - আল > কাশীয়াল

কাঞ্জিল - আল > কাঞ্জিলাল (কাঞ্জিল গাঁৱত যাৰ ঘৰ)

গয়া - আল > গয়াল, গয়ালী (গয়াবাসী ব্ৰাহ্মণ)

ঘাট - ওৱাল > ঘাটোৱাল

ঘড়ী - আল > ঘড়ীআল (যি ব্যক্তিয়ে ঘণ্টা বজাই সময় নিৰ্দ্দেশ কৰে)

ঘোষ - আল > ঘোষাল (ব্ৰাহ্মণৰ উপাধি)

ৰাখ - আল > ৰাখাল (গো ৰক্ষক)

কাপড় - আলা > কাপড়আলা

গাড়ী - আলা > গাড়ীআলা

বাড়ী - আলী > বাড়ীআলী (বাড়ীৰ আধিকাৰিনী)

ৰাখ - আলী > ৰাখালী

ঘাট - ওয়ালী > ঘাটোৱালী ইত্যাদি।

- ই,- ঈ ঃ এই প্ৰত্যয়ৰ যোগত বিশেষ্য শব্দ গঠন কৰা হয়; যেনে ঃ

ঢাকা - ই > ঢাকাই

শান্তিপুৰ - ই > শান্তিপুৰি

জমিদাৰ - ঈ > জমিদাৰী

তেল - ঈ > তেলী

পশম - ঈ > পশমী

গুজৰাট - ঈ > গুজৰাটী

বনাৰস - ঈ > বনাৰসী

কেতিয়াবা শব্দ বা প্ৰাতিপদিকৰ পাছত '-ঈ' যোগ হৈ স্ত্ৰীবাচক আৰু অন্য বিশেষ্য শব্দৰ গঠন কৰে।[১২] যেনে ঃ

ঘোড়া - ঈ > ঘোড়ী, ঘুড়ী

চাঁদ - ঈ > চাঁদী

জাঁত - ঈ > জাঁতী (চুপাৰি কটা যন্ত্ৰ)

পাগল - ঈ > পাগলী

বামন - ঈ > বামনী

বুড়া - ঈ > বুড়ী

মামা - ঈ > মামী

পোথা - ঈ > পুথী

ডাকাত - ঈ > ডাকাতী

পণ্ডিত - ঈ > পণ্ডিতী

বড়-মানুষ - ঈ > বড়-মানুষী

মাষ্টাৰ - ঈ > মাষ্টাৰী

ৰাখাল - ঈ > ৰাখালী ইত্যাদি।

- ইয়া/- এ ঃ প্ৰাতিপদিকৰ পাছত যোগ কৰি সম্বন্ধবাচক বা কৰ্তৃবাচক বিশেষ্য শব্দ গঠন কৰা হয়।[১৩] যেনে ঃ

উত্তৰ - ইয়া > উত্তৰীয়া, উত্তুৰে

জাল - ইয়া > জালিয়া, জেলে

১২। প্ৰাগুক্ত গ্ৰন্থ, পৃঃ- ১৬০
১৩। প্ৰাগুক্ত গ্ৰন্থ, পৃঃ- ১৬০

- উ ঃ



বিশেষ্য বা বিশেষণৰ লগত যোগ কৰি ঘাইকৈ আদৰ অৰ্থত নতুন বিশেষ্য শব্দ গঠন কৰা হয়। যেনে ঃ

| | |
|---|---|
| কান - উ | > কানু |
| খোকা - উ | > খুকু |
| নৰ - উ | > নৰু |
| পঞ্চানন - উ | > পঞ্চু |
| বলৰাম - উ | > বলু |
| ৰাধানাথ - উ | > ৰাধু |
| হৰনাথ - উ | > হৰু ইত্যাদি। |

- উয়া/- ও ঃ

সম্বন্ধ বা সংযোগ, তুচ্ছতা, নিন্দা বা জুগুপ্সা অৰ্থত শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে।[১৪] যেনে ঃ

| | |
|---|---|
| কাঠ - উয়া | > কাঠুয়া, কেঠো (কাঠ ব্যৱসায়ী) |
| জ্বৰ - উয়া | > জ্বৰুৱা, জ্ব'ৰো |
| টাক - উয়া | > টাকুয়া, টেকো |
| ধান - উয়া | > ধানুয়া, ধেনো |
| মাসী - উয়া | > মাউসুয়া, মাউসা, মেসো |

কেতিয়াবা '-উৱা' প্ৰত্যয় '-ওয়া' হিচাবে যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

| | |
|---|---|
| আগ - ওয়া | > আগোয়া |

- ক ঃ

স্বাৰ্থে, সম্বন্ধে বা সম্পৰ্কে অৰ্থতপ্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

| | |
|---|---|
| ঢোল - ক | > ঢোলক |
| ধনু - ক | > ধনুক |
| ফল - ক | > ফলক |

- কী ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

| | |
|---|---|
| ছোট - কী | > ছোটকী |

১৪। প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ১৬০

মেজ - কী > মেজকী

বড় - কী > বড়কী

সেজ - কী > সেজকী

- কিয়া ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

কড়া - কিয়া > কড়াকিয়া (মুদ্ৰা সম্বন্ধীয় গণনা)

গণ্ডা - কিয়া > গণ্ডাকিয়া (গণ্ডা হিচাবত সংখ্যা গণনা)

পণ - কিয়া > পণকিয়া (পোন হিচাবত সংখ্যা গণনা)

শত - কিয়া > শতকিয়া (এশ পৰ্যন্ত সংখ্যা গণনা)

- কূয়া ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

কাঠ - কূয়া > কাঠকূয়া

- কে' ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

কড়া - কে' > কড়াকে'

গণ - কে' > গণকে'

মুন - কে' > মুনকে

শত - কে' > শতকে

- কো ঃ প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

কেঁঠ - কো > কেঁঠকো

- জা ঃ পুত্ৰ বা বংশজাত অৰ্থে শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

মিত্ৰ - জা > মিত্ৰজা

বোস্ - জা > বোসজা

- জাত ঃ অন্তৰ্ভুক্ত অৰ্থত শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

অভিধান - জাত > অভিধানজাত

পকেট - জাত > পকেটজাত

- ড়া ঃ স্বাৰ্থে বা সাদৃশ্য অৰ্থত শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

কাঠ - ড়া > কাঠড়া (কাঠেৰে পৰিপূৰ্ণ ঠাই)
গাছ - ড়া > গাছড়া (সৰু গছ)
খাগ - ড়া > খাগড়া (নল)
পাত - ড়া > পাতড়া (উচ্ছিষ্ট পাত)
হিজ - ড়া > হিজড়া ইত্যাদি।

- ড়ী ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

আঁক - ড়ী > আঁকড়ী
ঝিউ - ড়ী > ঝিউড়ী
শাশু - ড়ী > শাশুড়ী ইত্যাদি।

- ড় ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

ধাউ - ড় > ধাউড় (দৌৰা)

- আড় ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

যোগ - আড় > যোগাড় (কাৰ্য নিৰ্বাহৰ উপায়)

- তা ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

খুড় - তা > খুড়ুতা
জেঠু - তা > জেঠুতা
নাম - তা > নামতা
পিসু - তা > পিসুতা
পিস্ত - তা > পিস্ততা ইত্যাদি।

- ন ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

ঠাকৰু - ন > ঠাকৰুণ
বেহাই - ন > বেয়ান
সতি - ন > সতিন
নাতি - ন > নাতিন

- না ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

পাখ - না > পাখনা

বাস্ - না > বাস্না

- নী/-নি ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ স্ত্ৰীবাচক বিশেষ্য শব্দৰ সৃষ্টি কৰে; যেনে ঃ

কামাৰ - নী > কামাৰনী
কুমাৰ - নী > কুমাৰনী
মেথৰ - নী > মেথৰনী
ডাক্তাৰ - নী > ডাক্তাৰনী
চাঁড়াল - নী > চাড়ালনী
সতি - নী > সতিনী
ঠাকুৰ - নী > ঠাকুৰনী ইত্যাদি।

কেতিয়াবা -নী প্ৰত্যয় -উনী হয়। যেনে ঃ

ধোবা - নী > ধুবুনী
চোৰ - নী > চুৰনী
ডোম - নী > ডুমুনী, ডোমনী

- ইনি/- ইনী ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ স্ত্ৰীবাচক বিশেষ্য শব্দৰ সৃষ্টি কৰে; যেনে ঃ

প্ৰেত - ইনি > প্ৰেতিনী
চাতক - ইনি > চাতকিনী
অনাথ - ইনি > অনাথিনী
ননদ - ইনি > ননদিনী
বাঘ - ইনি > বাঘিনী
বিহঙ্গ - ইনি > বিহঙ্গিনী ইত্যাদি।

- আনী ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ স্ত্ৰীবাচক বিশেষ্য শব্দৰ সৃষ্টি কৰে; যেনে ঃ

গয়লা - আনী > গয়লানী
নাপিত - আনী > নাপিতানী
পণ্ডিত - আনী > পণ্ডিতানী

মেথৰ - আনী > মেথৰানী

-পনা/-পানা ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ ভাববাচক বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

কুলো - পনা > কুলোপনা
গিন্নী - পনা > গিন্নীপনা
টীট - পনা > টীটপনা
কুল - পানা > কুলাপনা
চাঁদ - পানা > চাঁদপানা
বোকা - পানা > বোকাপানা ইত্যাদি।

-পাৰা ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ সাদৃশ্যাৰ্থে বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

চাঁদ - পাৰা > চাঁদপাৰা
পাগল - পাৰা > পাগলপাৰা
সোনা - পাৰা > সোনাপাৰা

-ভৰ/-ভৰা ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ পৰিমানাৰ্থে বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

ক্ৰোশ - ভৰ > ক্ৰোশভৰ
দিন - ভৰ > দিনভৰ
বাটা - ভৰা > বাটাভৰা
মুঠা - ভৰা > মুঠাভৰা
ৰাত - ভৰ > ৰাতভৰ
সেৰ - ভৰা > সেৰভৰ

- মন্ত/মত ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ যুক্ত অৰ্থত বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

শ্ৰী-মন্ত > শ্ৰীমন্ত
পয় - মন্ত > পয়মন্ত
লক্ষ্মী - মন্ত > লক্ষীমন্ত

এ - মন্ত > এমন্ত, এমত

জে - মন্ত > জেমন্ত, জেমত

তে-মন্ত > তেমন্ত, তেমত

- ৰু ঃ

স্বাৰ্থে বা সাদৃশ্য অৰ্থত শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

গো - ৰু > গোৰু

বাছু - উৰু > বাছুৰু

সাঁজা - ৰু > সাঁজাৰু

- ল ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

কাত - ল > কাতল

ফাঁদ - ল > ফাঁদল

হাঁড় - ল > হাঁড়ল

হাত - ল > হাতল

- লা ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

কাত - লা > কাতলা

সহী - লা > সহীলা, সহেলা, সয়লা

- আলিয়া ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

ছাও - আলিয়া > ছাওআলিয়া

- স/ -সা ঃ

সাদৃশ্যাৰ্থে শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

আলি - সা > আলিসা (অট্টালিকাৰ ছাদৰ সন্মুখ ভাগ)

কোয়া - সা > কোয়াসা (হিম)

মুখ - স > মুখস (ছদ্মমুখ)

- ছা/- চা ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

আব - ছা > আবছা

ভাঙ্গ - চা > ভাঙ্গচা

- স/- আস/আসিয়া ঃ (চলিত ভাষাত আসে) শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

| | |
|---|---|
| বাৰ - আস | > বাৰাস্যা, বাৰমাস্যা |
| সাত - আস | > সাতাসে |

- সই ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ পৰ্যন্ত অৰ্থত বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

| | |
|---|---|
| বুক - সই | > বুকসই |

- ৰা ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

| | |
|---|---|
| কাঠ - ৰা | > কাঠৰা (কাঠেৰে পৰিপূৰ্ণ ঠাই) |
| ভাগ - ৰা | > ভাগৰা |

-ৰে/-উৰে ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

| | |
|---|---|
| হাটু - ৰে | > হাটুৰে |
| কাঠ- উৰে | > কাঠুৰে |

- হাৰা ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষ্য শব্দ গঠন কৰে; যেনে ঃ

| | |
|---|---|
| দো - হাৰা | > দোহাৰা (বিষ্ণু মন্দিৰ) |

**৪.০১.২.২.২.২ বিশেষণ শব্দ গঠন কৰা বঙলা ভাষাৰ তদ্ধিৎ প্ৰত্যয় ঃ**

- অটিয়া/-টে ঃ শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ পদ গঠন কৰে; যেনে ঃ

| | |
|---|---|
| ভাড়া - অটিয়া | > ভাড়াটিয়া |
| ঘোলা - টে’ | > ঘোলাটে’ |
| ধোয়া - টে’ | > ধোঁয়াটে’ |
| আঁষ - টে’ | > আঁষটে’ |
| ঝগড়া - টে’ | > ঝগড়াটে’ |
| তাম - টে’ | > তামাটে’ |
| বক - টে’ | > বকাটে’ |

- আ ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

কাঁচ - আ > কাঁচা
গোৰ - আ > গোৰা
কাল - আ > কালা
পশ্চিম - আ > পশ্চিমা
টিমটিম - আ > টিমটিমা
জঙ্গল - আ > জঙ্গলা
ময়ল - আ > ময়লা

- আউআ/-ওয়া ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

ঘৰ - আউআ > ঘৰাউআ, ঘৰোয়া

- আৰ ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

গাঁও - আৰ > গোঁৱাৰ
দোহ - আৰ > দোহাৰ
পিয় - আৰ > পিয়াৰ

- আৰী ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

মাঝ - আৰী > মাঝাৰী

- আল/- আলো ঃ

শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

আঠ - আলো > আঠালো
জোৰ - আলো > জোৰালো
ঝাঁঝ - আলো > ঝাঁঝালো
জমক - আল > জমকাল
তেজ - আল > তেজাল
দাঁত - আল > দাঁতাল
ধাৰ - আল > ধাৰাল/ধাৰালো
পাঁক - আল > পাঁকাল
পেঁচ - আল > পেঁচাল
ভাটী - আল > ভাটীয়াল

মাত - আল > মাতাল

- আলী ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

মাইয়া - আলী > মেয়েলী

ৰূপ - আলী > ৰূপালী

সোণ - আলী > সোণালী

- ঈ ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

কটক - ই > কট্‌কি

কাশ্মিৰ - ই > কাশ্মিৰি

ক'লকাতা - ই > ক'লকাতাই

ৰেশম - ঈ > ৰেশমী

হিসাব - ঈ > হিসাবী

গুণ - ঈ > গুণী

গোলাপ - ঈ > গোলাপী

দাগ - ঈ > দাগী

দেশ - ঈ > দেশী

বাইগণ - ঈ > বেগুনী

ৰাঢ় - ঈ > ৰাঢ়ী ইত্যাদি।

- ঈয়া ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

কাল - ঈয়া > কালিয়া

নগৰ - ঈয়া > নগৰিয়া

পাথৰ - ঈয়া > পাথৰিয়া

মাটি - ঈয়া > মাটিয়া

শহৰ - ঈয়া > শহৰিয়া

হলুদ - ঈয়া > হলদিয়া

- উয়া ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

ঘৰ - উয়া > ঘৰুৱা, ঘ'ৰো

জল - উয়া > জলুয়া, জ'লো

দান - উয়া > দানুয়া, দেনো

হাট - উয়া > হাটুয়া, হেটো

**- কা ঃ** শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

দম - কা > দমকা (হঠাৎ বেগবান)

ফুল - কা > ফুলকা

**- ড় ঃ** শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

ভাঙ্গঁ - ড় > ভাঙ্গঁড়

**- আড় ঃ** শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

খেল - আড় > খেলোয়াড়

**- টা ঃ** শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

চ্যাপ - টা > চ্যাপটা

**- ল ঃ** শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

দীঘ - ল > দীঘল

মাত - ল > মাতল

**- লা ঃ** শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

আধ - লা > আধলা (অৰ্দ্ধাংশিত)

এক - লা > একলা (একক)

দোক - লা > দোকলা (দুইজন মাত্ৰ)

পাত - লা > পাতলা (ফাঁক ফাঁক)

**- লী ঃ** শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

নহ - লী > নহলী (নবীন)

**- স/- সা ঃ** শব্দ বা প্ৰাতিপদিকৰ লগত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

চাম - সা > চামসা (চামৰাৰ দৰে)

ঝাপ - সা > ঝাপসা (অস্পষ্ট)

ফৰ - সা > ফৰসা (নিৰ্মল)

**- আসে ঃ** (চলিত ভাষাত - আসে) শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

আট - আসে > আটাসে

- সই ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ পৰ্যন্ত অৰ্থত বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

জল - সই > জলসই

দশা - সই > দশাসই

- হাৰা ঃ শব্দ বা প্ৰাতিপদিকৰ পাছত যোগ হৈ বিশেষণ শব্দ গঠন কৰে; যেনে ঃ

এক - হাৰা > একহাৰা (কাহিল)

এনেদৰে চালে দেখা যায় যে অসমীয়া আৰু বঙলা ভাষা দুয়োটাতেই সংস্কৃত কৃৎ আৰু তদ্ধিৎ প্ৰত্যয়যুক্ত তৎসম শব্দৰ উপৰিও নিজস্বভাবে প্ৰয়োগ হোৱা কৃৎ আৰু তদ্ধিৎ প্ৰত্যয়যুক্ত শব্দৰ প্ৰয়োগ যথেষ্ট পৰিমাণে আছে। অসমীয়া ভাষাটোত প্ৰায় ৩১ টা মান এনে কৃৎ প্ৰত্যয় আছে যিবোৰ ধাতুৰ পাছত যোগ হৈ নতুন নতুন শব্দ গঠন কৰে। একেদৰে, বঙলা ভাষাটোতো প্ৰায় ৩৩ টা মান এনে কৃৎ প্ৰত্যয় আছে যিয়ে ধাতুৰ পাছত যোগ হৈ নতুন শব্দ গঠন কৰে। এই প্ৰত্যয়বোৰৰ ভিতৰত কেইটামান প্ৰত্যয়ৰ প্ৰয়োগ ভাষাদুটাত প্ৰায় একে। সেইকেইটা হ'ল ঃ

- অ (লুপ্ত - অ), - অন, - অন্ত, - অনা, - অনি, - অনী, - অত, - অতি, - অতী - আ, - ই, - উকা আদি।

ইয়াৰ বাহিৰে বাকীবোৰ কৃৎ প্ৰত্যয় অসমীয়া আৰু বঙলা ভাষাত সম্পূৰ্ণ ভিন্ন ধৰণৰ আৰু ইহঁতৰ প্ৰয়োগতো স্বকীয়তা প্ৰকাশ পাইছে। দুয়োটা ভাষাতেই প্ৰয়োগ হোৱা শব্দ গঠনাত্মক এনে ভিন্ন ৰূপৰ কৃৎ প্ৰত্যয়বোৰ হৈছে -

- অক, - অকা, - অঙ, - অতিয়াৰ, - অতিয়াল, - অতীয়া, - অনিয়াৰ, - অনীয়া, - অৰীয়া, - আৰু, - আল, - ইয়াৰ, - ঈয়া, - উ, - উঐ, - উক, - উৱা, - ওঁতা, - ওঁতে, - ওনা, - হা (অসমীয়া)।

- অ > ও, উ, - আই, - আইত, - আও, - আকু, - আন, - আনি, - আনী, - ইতে, - ইবা, - ইয়া, - ইয়ে, - ইল, - উয়া, - ক, - ট, - ড়, - ৰ, - ল, - স, - চ (বঙলা)।

কৃৎ প্ৰত্যয়ৰ দৰে তদ্ধিৎ প্ৰত্যয়ৰ ক্ষেত্ৰতো অসমীয়া আৰু বঙলাত এনে কিছুমান শব্দ গঠনাত্মক তদ্ধিৎ প্ৰত্যয় আছে যিকেইটা ভাষাদুটাত একে ৰূপত প্ৰয়োগ হয়। সেইকেইটা হ'ল ঃ

- আ, - আই, - আন, - আম, - আৰ, - আৰী, - আল, - ই, - ইয়া, - ঈ, - ওৱাল, - উ, - কা

কিন্তু ভাষাদুটাত আৰু এনে কিছুমান নিজস্ব তদ্ধিৎ প্ৰত্যয় আছে যিবোৰে ভাষা দুটাৰ

স্বকীয়তা প্ৰতিপন্ন কৰে। এনে স্বকীয়তা প্ৰকাশক তদ্ধিৎ প্ৰত্যয়বোৰ হ'ল - 

- অক, - অতি, - অতিয়াৰ, - অতী, - অতীয়া, - অন, - আনি, - অনীয়া, - অৰি, - অৰী, - অৰীয়া, - অচীয়া, - অৰুয়া, - অল, - অলি, - অলী, - অলীয়া, - অহ, - আক, - আকি, - আঙ, - আৰি, - আলি, - আহ, - আহী, - ইকা, - ইতা, - ইয়াল, - ইলা, - ইলি, - ইন, - ঈয়া, - উঙা, - উনী, - উৱা, - উৱাল, - উলি, - উঐ, - উৰা, - উলা, - এতিয়া, - ঐ, - ওৱা, - ওৱালী, - কৰী, - কাৰ, - কাৰী, - কুৰি, - কুৰীয়া, - গিৰি, - চুৱা, - তলী, - তী, - দাৰ, - ধাৰী, - নি, - ময়, - লা, - শাল, - শালা, - শালি, - ৱালা (অসমীয়া)।

- অ বা - ও, - অট বা ট, - অটিয়া, - অট > - টে, - আউআ, - আনি, - ওমি/উমি, - আৰু, - আলো, - আলী, - আলা, - ইয়া বা এ, - ঈয়া, - উলী, - ওয়া, - ওয়ালী, - উয়া/ও, - ক, - কী, - কিয়া, - কুয়া, - কে, - কো, - জা, - জিয়া, - জাত, - ড়, - ড়া, - ড়ী, - আড়, - তা, - টা, - টিয়া> - টে, - ন, - না, - নী, - পনা / - পানা, - পাৰা, - ভৰ / - ভৰা, - মন্ত / - মত, - ৰু, - ল, - স/ -সা, - স/- আস/আসিয়া, - চা / - ছা, - সই, - ৰা, - ৰে / - উৰে, - হাৰা, - লী, - আলিয়া, - লা, - ইনি / - ইনী, - আনী (বঙলা)।

প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে অসমীয়া ভাষাৰ তদ্ধিৎ প্ৰত্যয়বোৰৰ ভিতৰত পোৱা -গিৰি, -দাৰ, -ৱালা আদি ঘৰুৱা তদ্ধিৎ প্ৰত্যয় ৰূপেই ভাষাটোত ব্যৱহাৰ হয় যদিও এইবোৰ আচলতে বিদেশী ভাষাৰহে প্ৰত্যয়। বঙলা ব্যাকৰণতো এইবোৰক বিদেশী তদ্ধিৎ প্ৰত্যয়ৰ শাৰীত ধৰা হৈছে। সেয়েহে এইবোৰক মাতৃভাষাৰ শব্দৰ পাছত বিদেশী শব্দ একোটা পৰসৰ্গৰ দৰে ব্যৱহাৰ কৰি গঠন কৰা মিশ্ৰ শব্দৰ শিতানত আলোচনা কৰিব পাৰি। তদুপৰি অসমীয়াত পোৱা ময়-, কৰী-, শাল-, শালা- আদি তদ্ধিৎ প্ৰত্যয়ৰ যোগত গঠিত হোৱা শব্দ বঙলা ভাষাতো পোৱা যায়। যেনে ঃ মঙ্গলময়, অৰ্থকৰী, বন্দীশাল, বন্দীশালা আদি। কিন্তু বঙলা ভাষাৰ ব্যাকৰণত ইহঁতক প্ৰত্যয়ৰ শাৰীত পেলোৱা নাই। যদিও সংস্কৃত 'ময়ট্' - প্ৰত্যয় অসমীয়া ভাষাত 'ময়-' হৈছে কিন্তু ইয়াক সংস্কৃতৰ পৰা অহা নুবুলি সুকীয়া প্ৰত্যয় বুলিবও পাৰি।[১৫]

এইদৰে পূৰ্ব প্ৰত্যয় আৰু পৰ প্ৰত্যয়ৰদ্বাৰা অসমীয়া আৰু বঙলা - দুয়োটা ভাষাতে বেলেগ বেলেগ ধৰণৰ শব্দ গঠন কৰিব পাৰি।

---

১৫। সত্যনাথ বৰা ঃ বহল ব্যাকৰণ, পৃঃ ১৬৮

# পঞ্চম অধ্যায়

## ৫. উপসংহাৰ

৫.০১ ইতিমধ্যে গৱেষণা গ্ৰন্থখনিৰ ছটা অধ্যায়ত অসমীয়া আৰু বঙলা ভাষাৰ শব্দ গঠন সম্পৰ্কীয় তুলনামূলক আলোচনা দাঙি ধৰা হৈছে। প্ৰথম অধ্যায়ত ভাষা দুটাৰ উৎস আৰু বিকাশ সম্বন্ধে বিচাৰ কৰা হৈছে। ইয়াত দুয়োটা ভাষাৰেই উদ্ভৱ সম্পৰ্কে আলোচনা কৰি দেখা গৈছে যে উৎসৰ পিনৰ পৰা অসমীয়া আৰু বঙলা, দুয়োটাই সমগোত্ৰীয় ভাষা। পৃথিৱীৰ সৰ্ববৃহৎ ভাষা পৰিয়াল ইণ্ডো-ইউৰোপীয় বা ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালৰ ইণ্ডো-ইৰাণীয় শাখাৰ ভাৰতীয় আৰ্য উপশাখাৰ দ্বিতীয় স্তৰ মধ্য ভাৰতীয় আৰ্য ভাষাৰ মাগধী প্ৰকৃতৰ প্ৰাচ্য অপভ্ৰংশ - অৱহট্ট স্তৰৰ পৰাই খৃষ্টীয় দশম শতিকা মানত এই ভাষা দুটাৰ উদ্ভৱ হয়। সেইবাবে এই দুটা ভাষাৰ মাজত ধ্বনিগত, ৰূপগত আৰু শব্দগত আদি দিশত ভালেখিনি মিল থকাটো পৰিলক্ষিত হয়। অৱশ্যে, মাগধী প্ৰাকৃতৰ অপভ্ৰংশৰ পৰা উদ্ভুত ভাষা হিচাপে উড়িয়া, মৈথিলী, মগহী আৰু ভোজপুৰী ভাষা কেইটাৰ লগতো অসমীয়া, বঙলাৰ বিশেষ সাদৃশ্য আছে।

অসমীয়া আৰু বঙলা ভাষা দুটাৰ বিকাশ সম্পৰ্কে আলোচনা কৰি দেখা গৈছে যে প্ৰায় একেটা সময়তে বিকাশ হোৱা এই ভাষা দুটাৰ আৰম্ভণিৰ নিদৰ্শনৰূপে চৰ্যাপদক ধৰা হৈছে। কিয়নো দুয়োটা ভাষাৰেই আৰম্ভণিৰ স্তৰৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য ইয়াত বিচাৰি পোৱা যায়। ইয়াৰ পাছৰ নিদৰ্শনৰূপে 'শ্ৰীকৃষ্ণকীৰ্তন' গ্ৰন্থক অসমীয়া আৰু বঙলা ভাষাই নিজৰ নিজৰ বুলি দাবী কৰিছে যদিও ভাষাতাত্ত্বিক বৈশিষ্ট্যৰ ফালৰ পৰা ই অসমীয়া ভাষাৰহে অধিক ওচৰ চপা। এই কাব্য নিঃসন্দেহে চতুৰ্দশ শতিকাৰ অৰ্থাৎ প্ৰাক্‌শংকৰী যুগৰ সৰ্বশ্ৰেষ্ঠ কবি মাধৱকন্দলিৰ ৰামায়ণৰ বিশুদ্ধ অসমীয়া ভাষাৰ প্ৰাক্ ৰূপ। প্ৰাক্ শংকৰী যুগৰ পাছত শংকৰী, উত্তৰ শংকৰী, আৰু পাছলৈ আধুনিক যুগৰ সূচনা হয়। বঙলা সাহিত্যতো কৃষ্ণ কীৰ্তনক বাদ দিলে পঞ্চদশ শতিকাৰ কৃতিবাসৰ ৰামায়ণ, মালাধৰ বসুৰ ৰচনা, বিভিন্ন বৈষ্ণৱ পদাৱলী, চৈতন্য জীৱনী, মনসা মঙ্গল, চণ্ডীমঙ্গল, অন্নদামঙ্গল আৰু বিভিন্ন সংস্কৃত গ্ৰন্থৰ অনুবাদে মধ্য বাংলাৰ নিভাঁজ নিদৰ্শন বহন কৰিছে। পৰৱৰ্তী সময়ত উনবিংশ শতিকা মানৰ পৰাই বাংলা ভাষাতো আধুনিক যুগৰ সূচনা হয়। এইদৰে ক্ৰমান্বয়ে বিকশিত হৈ আহি দুয়োটা ভাষাই বৰ্তমান সময়ত সুসমৃদ্ধ ভাষাৰূপে নিজস্ব ঐতিহ্য ঘোষণা কৰিবলৈ সক্ষম হৈছে।

৫.০২ দ্বিতীয় অধ্যায়ত ৰূপতত্ত্ব আৰু অসমীয়া-বঙলা ভাষাৰ ৰূপতত্ত্বৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত ৰূপতত্ত্ব সম্পৰ্কে সাধাৰণ আলোচনা দাঙি ধৰি ৰূপতত্ত্বৰ মূল আধাৰ ৰূপ, ৰূপৰ বৈশিষ্ট্য, ৰূপৰ বিভিন্ন প্ৰকাৰভেদ - মুক্তৰূপ, বদ্ধৰূপ, উপাকৃতি বা সংৰূপ আদিৰ বিষয়ে থূলমূল আলোচনা কৰাৰ লগতে ৰূপতত্ত্বৰ আলোচ্য বিষয়ৰ প্ৰতি দৃষ্টিপাত কৰা হৈছে। ইয়াৰ আধাৰতে দুয়োটা ভাষাত ৰূপৰ লগত প্ৰত্যয় বিভক্তি যোগ কৰি সৃষ্টি হোৱা শব্দ গঠনৰ প্ৰক্ৰিয়া, নামশব্দ বা ধাতুৰ সৈতে যোগ হোৱা প্ৰত্যয় বিভক্তি, শব্দৰ বিভিন্ন ৰূপ-বচন, পুৰুষ, লিংগ আদি বিষয়সমূহ ৰূপতত্ত্বৰ আলোচ্য বিষয় বুলি নিৰ্দ্ধাৰণ কৰা হৈছে। এই আলোচনাৰপৰা দেখা গৈছে যে ৰূপতত্ত্বৰ অন্তৰ্গত বিষয়বোৰ অসমীয়া আৰু বঙলা ভাষা দুটাত সম্পূৰ্ণৰূপে একে, মাত্ৰ সেইবোৰক বুজোৱা ৰূপবোৰহে ভাষা দুটাত সামান্য বেলেগ বেলেগ।

৫.০৩ গৱেষণা গ্ৰন্থখনিৰ তৃতীয় অধ্যায়ত ভাষা দুটাৰ শব্দগঠনৰ প্ৰক্ৰিয়া সম্পৰ্কে সাধাৰণ আলোচনা দাঙি ধৰা হৈছে। প্ৰথমে শব্দগঠন আৰু ইয়াৰ অধ্যয়নৰ ইতিহাস সম্পৰ্কে চমুকৈ আলোচনা কৰা হৈছে। শব্দগঠনৰ ক্ষেত্ৰত মূল ৰূপ বা শব্দমূলৰ গুৰুত্বপূৰ্ণ ভূমিকাক আগত ৰাখি অসমীয়া আৰু বঙলাত শব্দ গঠনৰ বিভিন্ন প্ৰক্ৰিয়া, যেনে - প্ৰত্যয় বা সৰ্গৰ যোগত শব্দ গঠন, দুটা বা ততোধিক ভিন্ন অৰ্থবাচক শব্দৰ যোগত নতুন শব্দ-গঠন আৰু অভ্যাস বা পুনৰুক্তিৰ যোগত নতুন শব্দ গঠন আদিৰ বিষয়ে দুটামান উদাহৰণসহ সাধাৰণ আভাস দিয়া হৈছে। প্ৰত্যয় বা সৰ্গৰ যোগত শব্দ গঠন হোৱা প্ৰক্ৰিয়াত পূৰ্বসৰ্গ বা উপসৰ্গ আৰু পৰসৰ্গ দুয়োটাৰে যোগত ভাষা দুটাত নতুন নতুন শব্দ গঠন কৰা হয়। উপসৰ্গবোৰৰ দুটা ভাগ - সংস্কৃতীয়া আৰু ঘৰুৱা বা নিজস্ব। সংস্কৃতীয়া উপসৰ্গ কুৰিটাই ভাষা দুটাত বেলেগ বেলেগ ৰূপত প্ৰয়োগ হৈ নতুন নতুন শব্দ গঠন কৰে। নিজস্ব বা ঘৰুৱা উপসৰ্গৰ কিছুমান দুয়োটা ভাষাত সম্পূৰ্ণ একে আৰু কিছুমান বেলেগ বেলেগ। এইবোৰৰ উপৰিও ভাষা দুটাত কেইটামান বিদেশী উপসৰ্গৰ যোগতো শব্দ গঠন কৰা হয়; যেনে ঃ গৰ-, দৰ - , না- , বদ -, বে-; আদি। অকল বঙলা ভাষাতহে পোৱা এনে বিদেশী উপসৰ্গ হ'ল ফি -।

পৰসৰ্গৰ ক্ষেত্ৰতো কৃৎ আৰু তদ্ধিৎ দুয়োবিধ প্ৰত্যয়ৰ যোগতেই অসমীয়া আৰু বঙলা ভাষাত নতুন নতুন শব্দ গঠন কৰা হয়। ভাষা দুটাত প্ৰয়োগ হোৱা এনে প্ৰত্যয়বোৰো দুই প্ৰকাৰৰ - সংস্কৃতীয়া কৃৎ আৰু তদ্ধিৎ প্ৰত্যয় আৰু ঘৰুৱা কৃৎ-তদ্ধিৎ প্ৰত্যয়। এইবোৰৰ ভিতৰত বঙলা ভাষাত সংস্কৃতীয়া কৃৎ আৰু তদ্ধিৎ প্ৰত্যয়ৰ যোগত হোৱা শব্দ গঠনৰ পৰিমাণ অসমীয়া ভাষাতকৈ বেছি। ইয়াৰ বিপৰীতে অসমীয়া ভাষাত ঘৰুৱা বা নিজস্ব কৃৎ আৰু তদ্ধিৎ

প্ৰত্যয়ৰ যোগত হোৱা শব্দ গঠনৰ পৰিমাণ বঙলা ভাষাতকৈ বেছি। 

অধ্যায়টোৰ শেষৰ ফালে শব্দ গঠনৰ আন দুটা প্ৰক্ৰিয়া দুটা বা ততোধিক ভিন্ন অৰ্থবাচক শব্দৰ যোগত হোৱা শব্দগঠন প্ৰক্ৰিয়া আৰু পুনৰুক্তি বা অভ্যাসৰ যোগত হোৱা শব্দ গঠন প্ৰক্ৰিয়াৰ থূলমূল আভাস দিয়া হৈছে।

৫.০৪ চতুৰ্থ অধ্যায়টো হৈছে আমাৰ গৱেষণা গ্ৰন্থৰ মূল বিষয়। ইয়াত শব্দ গঠনৰ প্ৰথমটো প্ৰক্ৰিয়া প্ৰত্যয় বা সৰ্গৰ যোগত দুয়োটা ভাষাত কিদৰে শব্দ গঠন কৰা হয় সেয়া পৰ্যাপ্ত উদাহৰণসহ ব্যাখ্যা কৰা হৈছে। প্ৰথমে পূৰ্বসৰ্গ বা উপসৰ্গৰ যোগত অসমীয়া আৰু বঙলা ভাষাত হোৱা শব্দ গঠনৰ ধাৰণা দিয়া হৈছে। সেই ক্ষেত্ৰত প্ৰথমেই সংস্কৃতৰ কুৰিটা উপসৰ্গৰ যোগত ভাষা দুটাত হোৱা শব্দ গঠনৰ বিষয়ে আলোচনা কৰা হৈছে। এইবোৰ বিশ্লেষণ কৰি দেখা গৈছে যে এনে উপসৰ্গযুক্ত তৎসম শব্দবোৰ দুয়োটা ভাষাতেই প্ৰায় একেধৰণৰ। কিন্তু বঙলা ভাষাত অসমীয়াতকৈ এনে শব্দৰ প্ৰয়োগ বেছি, যাৰ বাবে অসমীয়াত ব্যৱহাৰ নোহোৱা দুই-এটা তৎসম শব্দও বঙলা ভাষাত পোৱা যায়। এনে শব্দবোৰৰ উপৰিও সংস্কৃত উপসৰ্গ দুটামানৰ লগত অসমীয়া আৰু বঙলা ভাষাৰ ঘৰুৱা শব্দ যোগ কৰিও নতুন নতুন শব্দ গঠন কৰা হয়। যেনে ঃ

নি- নিখুঁত, নিখোজ, নিথৰ আদি।

বি - বিচলিত, বিনিন্দিত আদি।

এনে ঘৰুৱা শব্দৰ প্ৰয়োগো আকৌ বঙলাতকৈ অসমীয়া ভাষাত বেছি।

ইয়াৰ পাছত অসমীয়া আৰু বঙলা ভাষাত প্ৰয়োগ হোৱা নিজস্ব বা ঘৰুৱা উপসৰ্গ কেইটাৰ দ্বাৰা হোৱা শব্দগঠনৰ বিষয়ে আলোচনা কৰা হৈছে। সেই আলোচনাৰ পৰা দেখা গৈছে যে এনে ঘৰুৱা উপসৰ্গবোৰ ভাষা দুটাত প্ৰায় একে ধৰণৰ। যেনে - অ-, অন-, অনা-, কু-, পাত- পাতি-, বিনা-, ভৰ-/ভৰা-, যথা-, স-, সহ আৰু হা। এই উপসৰ্গবোৰৰ যোগত দুয়োটা ভাষাতে প্ৰায় একে ধৰণৰ শব্দ কিছুমানৰ সৃষ্টি হৈছে (চতুৰ্থ অধ্যায় - ৪.০১.১.২)। আনহাতে কেৱল অসমীয়া ভাষাতেই ব্যৱহাৰ হোৱা নিজস্ব উপসৰ্গকেইটা হ'ল ঃ আও -, উ- আৰু এ-।

উপসৰ্গৰ পাছতে পৰসৰ্গৰ যোগত অসমীয়া আৰু বঙলা ভাষাত হোৱা শব্দ গঠনৰ বিষয়ে আলোচনা কৰা হৈছে। এই আলোচনাত ঘাইকৈ ভাষা দুটাত ঘাই সংস্কৃতীয়াবোৰক

বাদ দি কেৱল নিজস্ব ভাবে দুয়োটা ভাষাত ব্যৱহাৰ হোৱা কৃৎ আৰু তদ্ধিৎ প্ৰত্যয়ৰ বিষয়ে আলোকপাত কৰা হৈছে। এই দুয়োবিধ প্ৰত্যয়ৰ যোগত ভাষা দুটাত কিদৰে নতুন নতুন শব্দ গঠন কৰা হয় সেয়া এইটো অধ্যায়ত পৰ্য্যাপ্ত উদাহৰণ সহ দেখুৱা হৈছে (চতুৰ্থ অধ্যায় - ৪.০১.২ )। সেই অনুসৰি অসমীয়াত নিজস্বভাৱে ব্যৱহাৰ হোৱা কৃৎ প্ৰত্যয় সৰ্বমুঠ - ৩১ টা মান (যেনে ঃ -অ (লুপ্ত - অ), - অক, - অকা, -অত, -অতি, -অতিয়াৰ, - অতী, -অতীয়া, -অন, -অন্ত, -অনা, -অনি, -অনিয়াৰ, -অনী, -অনীয়া, -অৰীয়া, -আ, -আৰু, -আল, - ই, -ইয়া, -ইয়াৰ, -ঈয়া, -উক, -উকা, -উৰা, -উঐ, —ওঁতা, -ওঁতে, -ওনা, -হা আদি) আৰু তদ্ধিৎ প্ৰত্যয় ৮২ টা মান (যেনে -অক, -অঙা, -অচীয়া, -অতি, -অতিয়াৰ, - অতী, -অতীয়া, -অন, -অনি, -অনী, -অনীয়া, -অৰি, -অৰী, -অৰীয়া, -অৰুৱা, -অল, -অলি, -অলী, -অলীয়া, -অহ, -আ, -আই, -আক, -আকি, -আঙ, -আন, -আম, -আমি, -আৰ, -আৰি, -আৰী, -আল, -আলি, -আলী, -আহ, -আহী, -ই, -ইকা, -ইতা, -ইয়া, -ইয়াল, -ইলা, -ইলি, -ইলী, -ঈ, -ঈন, -ঈয়, -ঈয়া, -উঙা, -উনী, -উৰা, -উলা, -উলি, -উৱা, -উৱাল, -উৱৈ, -এতীয়া, -ঐ, -ওৱা, -ওৱাল, -ওৱালী, -কৰী, -কা, -কাৰ, -কাৰী, -কুৰি, -কুৰীয়া, -গিৰি, -চুৱা, -তলি, -তী, -ধাৰী, -দাৰ, -নি, -ময়, -লা, -শাল, -শালা, -শালি, -ৱালা আদি)। সেইদৰে বঙলা ভাষাতো সৰ্বমুঠ ৩৩ টা মান কৃৎ প্ৰত্যয় (যেনে ঃ -অ (লুপ্ত -অ), -অ/-ও, -অন, -অনা, -অনী/-অনি, -অন্ত/-অন্তি, -অত/ -অতী/-তা, -অতি/-তি, -আ, -আই, -আইৎ, -আও, -আকু, -আন/-আনো, -আনি, -ইতে, -ইব, -ইবা, -ইয়া, -ইয়ে, -ইল, -ইলে, -উয়া, -উক/-উকা, -ক, -কা, -কী, -ট, -ড়, -ৰ, -ল, -স/-চ আদি) আৰু ৫৮ টা মান তদ্ধিৎ প্ৰত্যয় (যেনে ঃ -অ/-ও, -অট/-ট, -অটিয়া/-টে, -আ, -আই, -আউআ/ওয়া, -আন/-আনো, -আনি, -আম, -আমি/-ওমি/-মি, -আৰ, -আৰী, -আৰু, -আল, -আলী/-ওৱালী, -উলী, -ঈ, -ঈয়া, -ইয়া/-এ, -উ, -উয়া/-ও, -ক, -কা, -কী, -কিয়া, -কূয়া, -কে, -কো, -জা, -জাত, -ড়, -ড়া, -ড়ী, -আড়, -টা, -ত/-তী, -তা, -ন, -না, -নী/উনী, -ইনি/-ইনী, -আনী, -পনা/-পানা, -পাৰা, -ভৰ/-ভৰা, -ৰু, -ল, -লা, -লী, -আলিয়া, -স/-সা, -আসে, -ছা/-চা, -সই, -ৰা, -ৰে/-উৰে, -হা আৰু -হাৰা আদি) দেখা যায়। এইবোৰৰ ভিতৰত আকৌ কেইটামান কৃৎ আৰু তদ্ধিৎ প্ৰত্যয় ভাষা দুটাত সম্পূৰ্ণৰূপে একে ৰূপত প্ৰয়োগ কৰি নতুন নতুন শব্দ গঠন কৰা হয়। সেই কেইটা হ'ল -

**কৃৎ প্ৰত্যয় ঃ** - অ (লুপ্ত - অ), - অন, - অন্ত, - অনা, - অনি, - অনী, - অত, - অতি, - অতী - আ, - ই, - উকা আদি।

**তদ্ধিৎ প্ৰত্যয়ঃ** - আ, - আই, - আন, - আম, - আৰ, - আৰী, - আল, - ই, - ইয়া, - ঈ, - ওৱাল, - উ, - কা

আনহাতে ইয়াৰ বাহিৰে বাকী কৃৎ আৰু তদ্ধিৎ প্ৰত্যয়ৰ প্ৰয়োগ দুয়োটা ভাষাতেই নিজস্ব। উদাহৰণ -

**অসমীয়া ঃ**

**কৃৎ প্ৰত্যয় ঃ** - অক, - অকা, - অঙ, - অতিয়াৰ, - অতিয়াল, - অতীয়া, - অনিয়াৰ, - অনীয়া, - অৰীয়া, - আৰু, - আল, - ইয়াৰ, - ঈয়া, - উ, - উঐ, - উক, - উৰা, - ওঁতা, - ওঁতে, - ওনা, - হা।

**তদ্ধিৎ প্ৰত্যয় ঃ** - অক, - অতি, - অতিয়াৰ, - অতী, - অতীয়া, - অন, - আনি, - অনীয়া, - অৰি, - অৰী, - অৰীয়া, - অচীয়া, - অৰুয়া, - অল, - অলি, - অলী, - অলীয়া, - অহ, - আক, - আকি, - আঙ, - আৰি, - আলি, - আহ, - আহী, - ইকা, - ইতা, - ইয়াল, - ইলা, - ইলি, - ইন, - ঈয়া, - উঙা, - উনী, - উৱা, - উৱাল, - উলি, - উঐ, - উৰা, - উলা, - এতিয়া, - ঐ, - ওৱা, - ওৱালী, - কৰী, - কাৰ, - কাৰী, - কুৰি, - কুৰীয়া, - গিৰি, - চুৰা, - তলী, - তী, - দাৰ, - ধাৰী, - নি, - ময়, - লা, - শাল, - শালা, - শালি, - ৱালা।

**বঙলা ঃ**

**কৃৎ প্ৰত্যয় ঃ** - অ > ও, উ, - আই, - আইত, - আও, - আকু, - আন, - আনি, - আনী, - ইতে, - ইবা, - ইয়া, - ইয়ে, - ইল, - উয়া, - ক, - ট, - ড়, - ৰ, - ল, - স, - চ।

**তদ্ধিৎ প্ৰত্যয় ঃ** - অ বা - ও, - অট বা ট, - অটিয়া, - অট > - টে, - অতী বা টী, - আউআ, - আনি, - ওমি/উমি, - আৰু, - আলো, - আলী, - আলা, - ইয়া বা এ, - ঈয়া, - উলী, - ওয়া, - ওয়ালী, - উয়া/ও, - ক, - কী, - কিয়া, - কূয়া, - কে, - কো, - জা, - জাত, - ড়, - ড়া, - ড়ী, - আড়, - ত, - তা, - তী, - ন, - না, - নী, - পনা, - পানা, - পাৰা, - ভৰ, - ভৰা, - মন্ত, - মত, - ৰু, - উৰ, - ল, - স/ -সা, - স/- আস/আসিয়া, - চা, - ছা, - সই, - ৰা, - ৰে, - হাৰা, - লী, - আলিয়া, - লা, - ইনি, - আনী।

৫.০৫ এনেদৰে অসমীয়া আৰু বঙলা ভাষাৰ শব্দ গঠনাত্মক প্ৰত্যয় সম্পৰ্কে তুলনামূলক বিশ্লেষণ কৰাৰ পৰা এটা কথা স্পষ্ট হৈ পৰে যে শব্দগঠনৰ প্ৰত্যয় সমূহ দুয়োটা ভাষাতেই প্ৰায় সম্পূৰ্ণৰূপে একে, মাত্ৰ সিহঁতৰ ৰূপবোৰহে সামান্য পৃথক। ভাষা দুটা একেটা মূল উৎসৰ পৰাই উদ্ভৱ হোৱা বাবে দুয়োটাৰে মাজত এনে মিল পৰিলক্ষিত হৈছে। আনহাতে দুটা সুকীয়া সামাজিক, ৰাজনৈতিক আৰু জনগাঁঠনিৰ মাজত বিকশিত হোৱাৰ বাবেই হয়তো ভাষা দুটাৰ মাজত ভালেমান স্বকীয় ৰূপো গঢ় লৈ উঠিছে। যাৰবাবে ভাষা দুটাৰ মাজত কিছুমান ৰূপৰ ক্ষেত্ৰত সামান্য পাৰ্থক্য দেখা যায়। তদুপৰি বঙলা ভাষাটো বেছি পৰিমাণে মূল উৎসৰ কাষ চাপি থকা বাবেই ইয়াত সংস্কৃত শব্দৰ ব্যাপক পয়োভৰ পৰিলক্ষিত হয় আৰু ইয়াৰ বিপৰীতে অসমীয়া ভাষাটো বিভিন্ন থলুৱা আৰ্যভিন্ন ভাষাৰ মাজত বিকশিত হোৱা বাবে ইয়াত বঙলা ভাষাৰ তুলনাত সংস্কৃত প্ৰভাৱ কমি গৈছে আৰু ই বেছিকৈ ঘৰুৱা শব্দৰে পৰিপূৰ্ণ হৈছে।

৫.০৬ সাম্প্ৰতিক সময়ত তুলনামূলক সাহিত্যৰ প্ৰসাৰ দ্ৰুতগতিত বাঢ়ি গৈছে। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত ভাষাৰ ক্ষেত্ৰতো তুলনামূলক অধ্যয়নৰ প্ৰয়োজনীয়তা নিশ্চয়কৈ আছে। বিশেষকৈ একে মূল উৎসৰ পৰা অহা ভাষাৰ তুলনামূলক অধ্যয়ন আকৌ বিশেষভাৱে গুৰুত্বপূৰ্ণ, কিয়নো এনে অধ্যয়নে ভাষা দুটাৰ মূল উৎস একেটাই বুলি প্ৰমাণিত কৰাৰ লগতে ইয়াৰ মাজত থকা মিলবোৰ স্পষ্ট কৰি তুলি দুয়োটা ভাষাৰ লোকসকলৰ মাজত এক ভাষিক ঐক্যও সৃষ্টি হোৱাত সহায়ক হ'ব বুলি আশা কৰিব পাৰি। সাম্প্ৰতিক সময়ৰ জটিল প্ৰেক্ষাপটত এনে ঐক্যবোধৰ সূচনা কৰাৰ বাবেও এনেধৰণৰ অধ্যয়নৰ প্ৰয়োজনীয়তা আহি পৰিছে। আমি আশা কৰোঁ এই গৱেষণা গ্ৰন্থখনেও অসমীয়া আৰু বঙলা ভাষীলোকসকলক পাৰস্পৰিক ভাৱে মিল থকা এই ভাষা দুটাৰ শব্দগঠন আৰু শব্দ গঠনাত্মক প্ৰত্যয়ৰ বিষয়ে বুজাত সহায় কৰাৰ লগতে দুয়োটা ভাষা কোৱা লোকসকলক এক আবেগিক ঐক্যৰেও আৱদ্ধ কৰিব পাৰিব।

## গ্ৰন্থপঞ্জী

**অসমীয়া ঃ**


কাকতি, বাণীকান্ত ঃ অসমীয়া ভাষাৰ গঠন আৰু বিকাশ (অনুবাদক) বিশ্বেশ্বৰ হাজৰিকা, বৰপেটা ড° বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি, ১৯৯৬

গগৈ, হৃদয়ানন্দ (সম্পা.) ঃ ৰামধেনুৰ শ্ৰেষ্ঠ গল্প, পানবজাৰ, গুৱাহাটী, জ্যোতি প্ৰকাশন

ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প সমগ্ৰ, পানবজাৰ, গুৱাহাটী, জ্যোতি প্ৰকাশন, জানুৱাৰী, ২০০৭

গোহাঁই, ড° হীৰেণ (সম্পা.)ঃ জ্যোতিপ্ৰসাদ ৰচনাৱলী, গুৱাহাটী, অসম প্ৰকাশন পৰিষদ, ষষ্ঠ সংস্কৰণ, ২০০৩

গোস্বামী, উপেন্দ্ৰ নাথ ঃ অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ, গুৱাহাটী ঃ বৰুৱা এজেন্সি, ২০০৫

ঃ অসমীয়া ভাষাৰ ব্যাকৰণ পানবজাৰ, গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ, ১৯৯৭

ঃ অসমীয়া ভাষাৰ ৰূপ কথা, গুৱাহাটী ঃ মণি মাণিক প্ৰকাশ, ১৯৯৫

ঃ প্ৰত্ন অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিশ্লেষণ ঃ যোৰহাট প্ৰথম প্ৰকাশ, ১৯৮৫

ঃ ভাষাবিজ্ঞান, পাণবজাৰ, গুৱাহাটী ঃ মণি মাণিক প্ৰকাশ, ২০০২

গোস্বামী, গোলোকচন্দ্ৰ ঃ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী, ১৯৯৩

ঃ অসমীয়া ভাষাৰ গোলোক ব্যাকৰণ, গুৱাহাটী, ১৯৭২

ঃ অসমীয়া ব্যাকৰণ প্ৰৱেশ, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী, ২০০০

গোস্বামী, যতিন (সম্পাঃ) ঃ ভাষা বিজ্ঞান, গুৱাহাটী ঃ জয়া প্ৰেছ, ১৯৯৯

ঠাকুৰ, নগেন ঃ পৃথিৱীৰ বিভিন্ন ভাষা, যশোৱন্ত ৰ'ড, পাণবজাৰ, গুৱাহাটী ঃ জ্যোতি প্ৰকাশন, ২০০৩

ঠাকুৰ, নগেন আৰু খগেশ সেন ডেকা (সম্পাদনা) ঃ ভাষাচিন্তা-বিচিত্ৰা, গুৱাহাটী ঃ পূৰ্বেৰুণ, ২০০০

তালুকদাৰ, প্ৰিয়দাস ঃ উচ্চমানৰ অসমীয়া ভাষা বোধিকা, ৭৯, মহাত্মা গান্ধী ৰ'ড, কলিকতা ঃ শ্ৰীভূমি পাব্লিচিং কোম্পানী, ১৯৯১

দত্তবৰুৱা, ফণীন্দ্ৰ নাৰায়ণ ঃ আধুনিক ভাষাবিজ্ঞান পৰিচয়, গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, ১৯৯০

নাথ, প্ৰফুল্ল কুমাৰ আৰু জ্যোতিৰেখা হাজৰিকা ঃ অসমীয়া ভাষাৰ অধ্যয়ন, গুৱাহাটী, ডিব্ৰুগড় ঃ বনলতা, ১৯৯৭

নেওগ ড° মহেশ্বৰ (সম্পা.) ঃ গুৰুচৰিত কথা, পানবজাৰ, গুৱাহাটী ঃ লয়াৰ্চ বুক ষ্টল, দ্বিতীয় তাঙৰণ, ১৯৯৯

পাটগিৰি ফুকন, দীপ্তি ঃ আধুনিক অসমীয়া ব্যাকৰণ, গুৱাহাটী ঃ বুক্ হাইভ্ ঃ ১৯৯৯

অসমীয়া বঙলা আৰু উড়িয়া ভাষা ঃ তুলনামূলক অধ্যয়ন, গুৱাহাটী, বনলতা, ২০০৪

ঃ ভাষাতত্ত্বৰ বিচিত্ৰ কথা (সম্পাঃ), বোকাখাট ঃ আদৰণী সমিতি, অসম সাহিত্য সভাৰ দ্বিষাষ্ঠিতম অধিবেশন, ১৯৯৬

পাঠক, ৰমেশ ঃ অসমীয়া ভাষাৰ ইতিহাস, নলবাৰী, জাৰ্ণাল এম্প'ৰিয়াম, ১৯৯০

ঃ ভাষাবিজ্ঞানৰ ভূমিকা, গুৱাহাটী ঃ অসম একাডেমিক চেণ্টাৰ, ২০০০

পাদুন, নাহেন্দ্ৰ (সম্পাঃ) ঃ ভাষাৰ তত্ত্ব কথা, শিৱসাগৰ ঃ আদৰণী সমিতি, অসম সাহিত্য সভাৰ উনষষ্ঠিতম অধিবেশন, শিৱসাগৰ, ১৯৯৩

পুৰকাইত, ড° নিখিলেশ আৰু ড° হীৰেন গোহাঁই ঃ প্ৰবন্ধ সাহিত্য আৰু গৱেষণা গ্ৰন্থৰ ৰচনা পদ্ধতি, পানবজাৰ, গুৱাহাটীঃ জিজ্ঞাস প্ৰকাশন, ২০০৪

বৰা, মহেন্দ্ৰ ঃ গবেষণা প্ৰণালীতত্ত্ব ঃ ডিব্ৰুগড়, ১৯৯২

বৰা, সত্যনাথ ঃ বহল ব্যাকৰণ ঃ আৰ্ল ৰ'ড, গুৱাহাটী ঃ সত্যজ্ঞান, ১৯৮৯

বৰুৱা, ভীমকান্ত ঃ অসমীয়া ভাষা, গুৱাহাটী ঃ বনলতা, ১৯৯৭

বৰুৱা, হেমচন্দ্ৰ ঃ অসমীয়া ভাষাৰ ব্যাকৰণ ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয় সংস্কৰণ, ১৯৯৫

ভট্টাচাৰ্য, হৰিশ্চন্দ্ৰ ঃ সংস্কৃত ব্যাকৰণ প্ৰভা, গুৱাহাটী ঃ বৰুৱা এজেন্সি, ১৯৯৮

ভৰদ্বাজ ঃ লঘু সিদ্ধান্ত কৌমুদী, অনুবাদক ৰমণী কান্ত দেৱ শৰ্মা, বৰ্ণাচল গুৱাহাটী ঃ ৰোহিণী প্ৰকাশন, ১৯৯৮

ভৰালি, দেবানন্দ : অসমীয়া ভাষাৰ মৌলিক বিচাৰ আৰু সাহিত্যৰ চানেকি, পানবজাৰ, গুৱাহাটী : লয়াৰ্ছ বুক ষ্টল, ২০০০

মৰল, ভগবান : অসমীয়া ব্যাকৰণ জ্যোতি, গুৱাহাটী, ষষ্ঠদশ তাঙৰণ : অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড, ১৯৯৭

: ভাষাৰ্থ বিজ্ঞান, পানবজাৰ, গুৱাহাটী : অসমী প্ৰকাশন, ১৯৮৬

মহন্ত, বাপচন্দ্ৰ : অসমীয়া ব্যাকৰণৰ ৰূপৰেখা, যোৰহাট : মহন্ত প্ৰকাশন, ১৯৮৯

মহন্ত, সুবাসনা : উদ্ভৱকালীন অসমীয়া ভাষা, গুৱাহাটী : বনলতা, ২০০৩

মেধি, কালিৰাম : অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব, পানবজাৰ, গুৱাহাটী : লয়াৰ্ছ বুক ষ্টল, ১৯৯৯

শইকীয়া, ভবেন্দ্ৰ নাথ : শৃংখল, পানবজাৰ, গুৱাহাটী : জ্যোতিপ্ৰকাশন, দ্বিতীয় সংস্কৰণ, ডিচেম্বৰ, ১৯৯৯

শইকীয়া, নগেন : গৱেষণা পদ্ধতি পৰিচয় : ডিব্ৰুগড়, বনলতা, ১৯৯৬

শইকীয়া বৰা, লীলাৱতী : ভাষা সাহিত্যৰ সুবাস, টিহু : চন্দ্ৰ প্ৰকাশ, ১৯৯২

: মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষা, গুৱাহাটী : অসম সাহিত্য সভা, ১৯৯৩

: অসমীয়া ভাষাৰ ৰূপতত্ত্ব, পানবজাৰ, গুৱাহাটী : বনলতা, ২০০৬

: সাহিত্য আৰু সাহিত্যিকৰ ভাষা, গুৱাহাটী : ষ্টুডেন্টচ্ ষ্ট'ৰচ্, ২০০৭

: অসমীয়া চুটি গল্পৰ প্ৰবাহ (সম্পাঃ), গুৱাহাটী বিশ্ববিদ্যালয় : বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ, ২০০৩

: বড়ু চণ্ডীদাসৰ শ্ৰীকৃষ্ণকীৰ্ত্তন (সম্পাঃ), গুৱাহাটী : অসম প্ৰকাশন পৰিষদ, ২০০৭

শৰ্মা, গিৰিধৰ : আধুনিক অসমীয়া ভাষাৰ ব্যাকৰণ, গুৱাহাটী : অসম বুক ডিপো, ১৯৭২

শৰ্মা, নৰনাৰায়ণ : অসমীয়া ভাষাৰ ৰূপতত্ত্ব আৰু ব্যাকৰণ, গুৱাহাটী : শৰাইঘাট প্ৰকাশন, ১৯৯৯

শৰ্মা, সত্যেন্দ্ৰ নাথ : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, গুৱাহাটী, ২০০০

শৰ্মা, হেমন্ত কুমাৰ : অসমীয়া সাহিত্যত দৃষ্টিপাত, গুৱাহাটী : বীণা লাইব্ৰেৰী, ২০০১

হাজৰিকা, পৰীক্ষিত : চৰ্যাপদ, গুৱাহাটী : ডালিমী প্ৰকাশন, ২০০৪

হাজৰিকা, বিশ্বেশ্বৰ : অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ, গুৱাহাটী : জাতীয় সাহিত্য প্ৰকাশ, ১৯৯৮

হাজৰিকা, লক্ষ্মী : ভাষা বিজ্ঞান আৰু অসমীয়া ভাষাবিজ্ঞান পৰিচিতি, গুৱাহাটী : অশোক বুক ষ্টʼল, ২০০৬

## ইংৰাজী :

Akmajian, Adrian, Richard A Demers Ann. K. Farmer, Robert M. Harnish : Linguistics - An Introduction to Language and Communication, New Delhi : Prentice Hall of India Private Ltd., 2001

Baruah, Kanaklal : Early History of Kamrupa (Re-print), Guwahati : Lawyers Book Stall, 1988.

Bauer, Laurie : English Word Formation, Trumpington Street, Cambridge 6B2 IRP : Cambridge University Press, 1993

Bloomfield, Leonard : Language, Varanasi : Matilal Banarasidas, 1963

Brown, Nathan : Grammatical Notes on the Assamese Language, Assam Sahitya Sabha, 1982

Chatterji, Suniti Kumar : The origin and Development of the Bengali Language, London : George Allen & unwin, Three volumes, 1979

Dutta Baruah, Phanindra Nath : Comparative Analysis of the Morphological Aspects Assamese and Oriya : Unpublished Thesis, Gauhati University, 1978

Dutta Majumdar Satarupa : A contrastive study of the Reduplicated Structures in Asamiya, Bangla and Oriya, M. G. Road, Kolkata, Subarnarekha, 2001

Gibaldi, Joseph : MLA Handbook for Writers of Research Papers, New Delhi : East West Press, Sixth Edition, 2004

Gleason, H.A. : An Introduction to descriptive linguistics, Oxford & IBH Publishing Co, 1966.

Goswami G. C. : Structure of Assamese : Dept of publication, Gauhati University, 1982

Goswami, U. N. : An Introduction to Assamese : Manimanik Prakashan, Guwahati, 1978

Grierson, G. A. : Linguistic Survey of India, Vol. - I Part - I 1967, Language of North-Eastern India, Vol. - I 1987, Delhi.

Hatch, Euelyn and Cheryl Brown : Vocabulary, Semantics and Language Education, The Edinburg Building CB2 2RU UK : Cambridge University Press.

Hocket, Charles F. : A Course in Modern Linguistics, New Delhi : OxFord & IBH Publishing Co. Pvt. Ltd., 1970

Kakati, B. K. : Aspects of Early Assamese Literature, Gawahati : 1957

Kakati, Banikanta : Assamese Its Formation and Development, Guwahati : Lawyers Book Stall, 1972

Neog, Dimbeswar : The origin and Growth of the Asamiya Language, Guwahati : Beauty Publication, 1964

Nida, Eugene, A : Morphology, Ann Arbor, Michigan : The University of Michigan, 1965.

Palmer Frank : Grammar Second Edition, Harmondswarth Middlesex England : Penguin, 1990

Quirk Randolph, Sidney Greenbaum : A University Grammar of English, 482 F.I.E. Patparganj, Delhi : Pearson Education (Singapore) Pvt. Ptd., 2003

Radford, Andrew, Martin Atkinson David Britain, Harald Clahsen, Andrew Spencer : Linguistics - An Introduction, Trumpington Street, Cambridge, U.K. : Cambridge University Press, 1999

Robinson, William : A Grammar of the Assamese Lanuage, The Baptish Press, Calcutta, 1984

Tagor, Rabindra Nath : Gitanjali (Bilingual Edition), Santiniketon : Rabindra Bhavana Visva-Bharati, 2001

Taraporawala, I.J.S. : Elements of the Science of Language, 4th Edition

Varshney, R.L. : An Introductory text book of linguistics and phonetics, Bareilly : Student Store 15th Edition, 2004-05

Yule, George : The Study of Language, Cambridge, CB2 2RU, UK : Cambridge University Press, 2002

## বঙলা ঃ




আউয়াল, মোহাম্মদ আব্দুল ঃ ভাষাতত্ত্বেৰ সহজ কথা ঃ গতিধাৰা বাংলাবজাৰ, ঢাকা, ১৯৯০

গোস্বামী, কৃষ্ণপদ ঃ বাংলা ভাষাতত্ত্বেৰ ইতিহাস, ১৩৮ বিধান সৰনি, কলকাতা ঃ কৰুণা প্রকাশণী, ২০০১

ঘোষ, জগদীশ এবং অনিল চন্দ্র ঃ আধুনিক বাংলা ব্যাকৰণ ও ৰচনা, প্রেসিডেন্সিয়েল লাইব্রেৰী, কলকাতা, ২০০৩

চক্রৱৰ্ত্তী বামনদেৱ ঃ উচ্চতৰ বাংলা ব্যাকৰণ, কলকাতা ঃ অক্ষয়মালঞ্চ, ২০০৩

ঃ ব্যৱহাৰিক বাংলা ব্যাকৰণ, কলকাতা ঃ অক্ষয়মালঞ্চ, ১৯৮৭

চট্টোপাধ্যায় বংকিম চন্দ্র ঃ বংকিম ৰচনাৱলী (প্রথম খণ্ড, উপন্যাস) ঃ কামিনি প্রকাশলয় ৫, নবীন চন্দ্র পাল লেন কলকাতা, ১৯৯১

চট্টোপাধ্যায়, সুনীতিকুমাৰ ঃ বাঙ্গলা ভাষা প্রসঙ্গে, কলিকাতা ঃ জিজ্ঞাসা এজেন্সিজ লিমিটেড, দ্বিতীয় প্রকাশ চেপ্তেম্বৰ ২৯, ১৯৮৯ চন

ঃ ভাষা-প্রকাশ বাঙ্গালা ব্যাকৰণ, ৭/১৬ আন্সাৰী ৰোড, দৰিয়াগঞ্জ, নতুন দিল্লী ঃ ৰূপা অ্যাণ্ড কোম্পানী, ২০০৩

ঃ ভাষাতত্ত্ব ও বাংলা ভাষাৰ ইতিহাস, ৬ ডি, ৰমানাথ মজুমদাৰ ষ্ট্রীট, কলকাতা ঃ এস্. ব্যানার্জী এণ্ড কোং

চট্টোপাধ্যায় শৰৎ চন্দ্র ঃ শৰৎ গল্প সমগ্র ঃ শুভম, ৭, শ্যামাচকা দে ষ্ট্রীট কলকাতা, ২০০৭

ঃ শৰৎ ৰচনা সমগ্র (প্রথম খণ্ড) ঃ ইউনাইটেড্ পাবলিশার্স, ৭৭এ, পটলডাঙ্গা ষ্ট্রীট, কলিকাতা, ১৯৯৮

ঃ শৰৎ ৰচনা সমগ্র (দ্বিতীয় খণ্ড) ঃ ইউনাইটেড্ পাবলিশার্স, ৭৭এ, পটলডাঙ্গা ষ্ট্রীট, কলিকাতা, ২০০২

ঃ শৰৎ ৰচনাৱলী (১ম, ২য় খণ্ড), কলিকাতা, গ্রন্থতীর্থ, ২০০২

চাকী, জ্যোতি ভূষণ ঃ বাংলা ভাষাৰ ব্যাকৰণ, কলিকতা ঃ আনন্দ প্রেছ অ্যাণ্ড পাব্লিকেশন, ১৯৯৬

ঠাকুৰ, ৰবীন্দ্র নাথ ঃ কাবুলিওয়ালা ঃ ১৩৩, বিপ্লৱী ৰাসবিহাৰী বসু ৰোড, কলিকাতা ঃ জেনাৰেল লাইব্রেৰী এণ্ড প্রেস n.d.

ঃ গল্পগুচ্ছ ৭, শ্যামাচৰণ দে ষ্ট্রিট, কলকাতা, শুভম্, ৭ নং শ্যামাচৰণ ডে ষ্ট্রিট, ২য় সংস্কৰণ, জুন ২০০৭

ঃ বাংলা শব্দতত্ত্ব, বিশ্বভাৰতী, গ্রন্থন বিভাগ কলিকাতা ঃ ১৯০৯

ঃ ঘৰে-বাইৰে ১৩৩ বিপ্লৱী ৰাসবিহাৰী বসু ৰোড, কলকাতা ঃ জেনাৰেল লাইব্রেৰী এণ্ড প্রেছ n.d.

ঃ নষ্ট নীড়, বিপ্লৱী ৰাসবিহাৰী বসু ৰোড, (ক্যানিং ষ্ট্রীট) কলকাতা ঃ জেনাৰেল লাইব্রেৰী এণ্ড প্রেস ১৩৩,

ঃ ৰবীন্দ্র উপন্যাস সমগ্র, চ্যাটার্জী বুক হাউস ৬/এ, শ্যামাচৰণ দে ষ্ট্রীট, কলকাতা, ২০০৬

দাশ, শিশিৰকুমাৰ ঃ ভাষা জিজ্ঞাসা ঃ ২ গণেন্দ্র মিত্র লেন, কলকাতা ঃ প্যাপিৰাস, ১৯৯৭

দাশ, সজনীকান্ত ঃ বাঙলা গদ্য সাহিত্যৰ ইতিহাস, কলকাতা ঃ দে'জ পাব্লিচিং, ১৯৮৮ প্রথম সংস্কৰণ।

দাক্ষী, অলিভা ঃ বাংলা ধ্বন্যাত্মক শব্দ, কলকাতা ঃ সুবর্ণৰেখা, ২০০১

বন্দোপাধ্যায়, মাণিক ঃ উত্তৰকালেৰ গল্প সংগ্রহ ঃ ১২ বঙ্কিম চাটার্জি ষ্ট্রীট, কলকাতা, ন্যাশনাল বুক এজেন্সি প্রাইভেট লিমিটেড, ষোড়শ মুদ্রণ, সেপ্তেম্বৰ, ২০০৭।

ঃ মাণিক গ্রন্থাৱলী (মাণিক বন্দোপাধ্যায়ৰ সমগ্র ৰচনা প্রথম খণ্ড) গ্রন্থালয় প্রাইভেট লিমিটেড, কলিকাতা, ১৩৭৯ সাল।

বন্দোপাধ্যায়, সন্দীপ ঃ বাঙালিৰ ভাষা-চিন্তা (সম্পাঃ) ঃ একশো বছৰেৰ বাঙালি মননেৰ সংকলন, কলেজ ষ্ট্রীট কলকতা ঃ প্রগেসিভ পাবলিশার্স, ২০০২

বিশ্বাস, উপেন্দ্র নাথ ঃ বাংলা ভাষাৰ ব্যাকৰণ ঃ কলকাতা, ১৯৫০।

ভট্টাচার্য, পার্বতীচৰণ ঃ বাংলা ভাষা ঃ ১ এ কলেজ ৰোড, কলিকাতা ঃ জিজ্ঞাসা এজেন্সিজ, লিমিটেড, ১৯৯৮

ভট্টাচার্য, পৰেশচন্দ্র ঃ ভাষাবিদ্যা পৰিচয় ঃ ৮ এ কলেজ ৰোড, কলকাতা ঃ জয়দুর্গা লাইব্রেৰী, ২০০৩

মজুমদাৰ, অতীন্দ্র ঃ ভাষাতত্ত্ব ঃ ২০৬ বিধান সৰণি, কলিকাতা ঃ নয়া প্রকাশ, ২য় সংস্কৰণ, ১৯৯৭

মজুমদাৰ, পৰেশচন্দ্ৰ : বঙলা ভাষা পৰিক্ৰমা (দ্বিতীয় খণ্ড) : দে'জ পাবলিশিং, কলকাতা, ১৯৯৩।

: আধুনিক ভাৰতীয় ভাষা প্ৰসঙ্গে : দে'জ পাবলিশিং, কলকাতা, ১৯৯৫

মিশ্ৰ, সৰস্বতী (সম্পাঃ) : বিতৰ্ক : বাংলা ব্যাকৰণ, ২৭ বেনিয়াটোলা লেন, কলকাতা - ৯ : পুস্তক বিপনি, দ্বিতীয় সংস্কৰণ, জানুৱাৰি ২০০৮

মোৰশেদ, আবুল কালাম মনজুৰ : আধুনিক ভাষাতত্ত্ব, কলকাতা : নয়া উদ্যোগ, ১৯৯৭।

শ', ৰামেশ্বৰ : সাধাৰণ ভাষাবিজ্ঞান ও বাংলা ভাষা, কলিকাতা : পুস্তক বিপনি, ১৯৯৬।

সেন, সুকুমাৰ ও সুভদ্ৰ সেন : বাঙালীৰ ভাষা, পশ্চিমবঙ্গ, বাংলা আকাডেমী, ১৯৯০।

সেন, সুকুমাৰ : ভাষাৰ ইতিবৃত্ত, কলকাতা : আনন্দ পাবলিশাৰ্স প্ৰাইভেট লিমিটেড, ১৯৯৬।

হালদাৰ, নাৰায়ণ : বাংলা ভাষা প্ৰসঙ্গ, বানান কথন লিখনৰীতি : ২৭ বেনিয়াটোলা লেন, কলকাতা : পুস্তক বিপণি, ২০০৭

ৰায়, কালিদাস : শাব্দিক : ফাৰ্মা, কে. এল. এম. প্ৰাইভেট লিমিটেড, কলকাতা, ২০০২।

# অভিধান


**অসমীয়া ঃ**

চলিহা, সুমন্ত ঃ আধুনিক অসমীয়া শব্দকোষ (সংকলিত), গুৱাহাটী, ডিব্ৰুগড় ঃ বাণীমন্দিৰ, ২০০১

নেওগ, মহেশ্বৰ ঃ চলন্ত অভিধান (মুখ্য সম্পাঃ), দিশপুৰ, গুৱাহাটী ঃ অসম চৰকাৰ (ৰাজনৈতিক বিভাগ), ২০০১

ঃ চন্দ্ৰকান্ত অভিধান, গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়, ২০০৩

বৰুৱা হেমচন্দ্ৰ ঃ হেমকোষ (সম্পাঃ) দেবানন্দ বৰুৱা, নৱম সংস্কৰণ, হেমকোষ প্ৰকাশন, ১৯৯৬

**ইংৰাজী ঃ**

A.P. Cowie (ed.) : OxFord Advance Learner's Dictionary, Delhi : OxFord University Press, 1991

**বঙলা ঃ**

দাস, জ্ঞানেন্দ্ৰমোহন ঃ বাঙ্গালা ভাষাৰ অভিধান, ৩২ এ আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰোড, কলকাতা ঃ সাহিত্য সংসদ, ২০০৪

দাশগুপ্ত অজয় ও মৃণালকান্তি দাস ঃ বাংলায় অতিথি শব্দেৰ অভিধান, কলকাতা ঃ পুনশ্চ ২০০৪

বন্দোপাধ্যায়, হৰিচৰণ ঃ বঙ্গীয় শব্দকোষ, ৰবীন্দ্ৰ ভৱন, ৩৫ ফিৰোজশাহ ৰোড, নতুন দিল্লী ঃ সাহিত্য অকাডেমী, ২০০৪

বিশ্বাস শৈলেন্দ্ৰ, শশিভূষণ দাশগুপ্ত, দীনেশ চন্দ্ৰ ভট্টাচাৰ্য, সুভাষ ভট্টাচাৰ্য ঃ সংসদ বাংলা অভিধান, ৬৫/২ মহাত্মা গান্ধী ৰোড, কলকাতা ঃ সাহিত্য সংসদ, ২০০৬

মিত্ৰ, সুবল চন্দ্ৰ ঃ সৰল বাঙ্গালা অভিধান (সংকলিত), ৬৮, কলেজ ষ্ট্ৰীট, কলিকতা ঃ নিউ বেঙ্গল প্ৰেস প্ৰাইভেট লিমিটেড, ২০০৫

মুখোপাধ্যায়, অশোক ঃ সমাৰ্থকোষ, ৩২ এ আচাৰ্য্য প্ৰফুল্ল চন্দ্ৰ ৰোড, কলকাতা ঃ সাহিত্য সংসদ, ১৯৯৬

মুখোপধ্যায়, ৰাখালৰাজ ঃ সমোচ্চৰিত ভিন্নাৰ্থক শব্দ সমগ্ৰ, ৮ বি/২, টেমাৰ লেন, কলকাতা ঃ মুখাৰ্জি পাবলিশিং, ২০০৪।

**সংস্কৃত ঃ**

শৰ্মা, কিৰণ ঃ সংস্কৃত-অসমীয়া অভিধান (সংকলক), পানবজাৰ, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ, দ্বিতীয় প্ৰকাশ, ২০০৩ চেপ্তেম্বৰ

Apte, Shivram Barman : The Students Sanskrit English Dictionary : *Motilal* Banarsidass, Delhi

Borooah Anundoram : English-Sanskrit Dictionary, Guwahati : Publication Board, Assam, reprint 1981

**JOURNALS :**

Baruah, Benimadhab : Indian Historical Quarterly, Sept. 1947

**ENCYCLOPAEDIA :**

Encyclopaedia Britannica : Chicago, The University of Chicago, Vol-8, 15th Edition, 1992

নৱনীতা কলিতা
১৭/২/২০১০ ইং চন

---